গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত
জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
দ্বাদশ বছৰ ■ সংখ্যা ৩৫৩ ■ গুৱাহাটী ■ সোমবাৰ, ১ আগষ্ট, ২০২২, ১৫ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XII ISSUE NO. 353 Dainandin Barta ■ Guwahati, Monday ■ 1 August, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





**বাৰ্মিংহাম কমনৱেলথ গেমছ**
ভাৰত ঃ সোণ ২, ৰূপ ২, ব্ৰঞ্জ ১ ঃ মুঠ ৫

## কোৱাৰ্টাৰ ফাইনেলত লাভলীনা-নিখাত, বাহিৰ থাপা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩১ জুলাই ঃ** টকিঅ' অলিম্পিকৰ ব্ৰঞ্জজয়ী অসম কন্যা লাভলীনা বৰগোহাঁই আৰু বিশ্ব চেম্পিয়নশ্বিপত সোণ লাভ কৰাৰ নিখাত জাৰীনে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ মহিলাৰ বক্সিঙৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি হোৱা প্ৰথম ৰাউণ্ডৰ মেচত ৭০ কিলোগ্ৰাম শাখাত খেলা লাভলীনাই ৫-০ ৰ ব্যৱধানত সহজে পৰাস্ত কৰে নিউজিলেণ্ডৰ অৰিনা নিকলছনক। এতিয়া কোৱাৰ্টাৰ ফাইনেলত লাভলীনা মুখামুখি হ'ব ৱেলছৰ ৰ'ছি ইকলেছৰ। এই মেচত জয়ী হোৱা মানেই কমনৱেলথ গেমছত পদক জয় নিশ্চিত হ'ব ■ ৮ পৃষ্ঠাত







# ...কাইলৈ দেশৰ নাগৰিক

**'মুখ্যমন্ত্ৰীৰ শিশু সেৱা আঁচনি'ৰ অধীনত অনাথ শিশুসকলক আৰ্থিক সাহায্য প্ৰদান কৰিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনত মুখ্যমন্ত্ৰীৰ সভাগৃহত আয়োজিত এক অনুষ্ঠানত ক'ভিড-১৯ অতিমাৰীৰ সময়ত পিতৃ-মাতৃক হেৰুৱাই অনাথ হোৱা ৮ গৰাকী শিশুক মুখ্যমন্ত্ৰীৰ শিশু সেৱা আঁচনি (দ্বিতীয় পৰ্যায়)ৰ অধীনত আৰ্থিক সাহায্য প্ৰদান কৰে। এই আৰ্থিক সাহায্য লাভ কৰা অনাথ শিশুসকল হৈছে মনজিৎ




**ক্ৰীড়াংগণৰ যেন আলেকজেণ্ডাৰ**

**'হৰ ঘৰ ত্ৰিৰংগা'— ভিডিঅ' মুকলি**

## অকলেই এটা অনুষ্ঠান বিশিষ্ট বামপন্থী নেতা তথা প্ৰাক্তন বিধায়ক হেমেন দাস

**সৰভোগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰা ছাত্ৰ-ছাত্ৰীক নিজৰ পেন্সনৰ ধনেৰে জনালে সম্বৰ্ধনা**



**দৈনন্দিন বাৰ্তাৰ সেৱা, সৰভোগ, ৩১ জুলাই ঃ** সৰভোগ সমষ্টিৰ প্ৰাক্তন বিধায়ক হেমেন দাসৰ উদ্যোগত আৰু ভাৰতৰ ছাত্ৰ ফেডাৰেচন বৰনগৰ আঞ্চলিক কমিটীৰ সহযোগত আজি হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক ■ ৮ পৃষ্ঠাত

## 'দৈনন্দিন বাৰ্তা'ৰ মুখ্য সম্পাদক নৰেন হাজৰিকালৈ 'অসম কলা-কৃষ্টি বঁটা'



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ জুলাই ঃ** সমাজলৈ দীৰ্ঘদিন ধৰি বিশেষ অৱদান আগবঢ়াই অহা বিশিষ্ট ব্যক্তিসকললৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, সংস্থা তথা সন্থাই বিভিন্ন প্ৰকাৰে ■ ৮ পৃষ্ঠাত

## উন্মুক্ত ৰে'লৰে ক্ৰচিঙত ৰে'ল ইঞ্জিনে মহটিয়াই নিলে ছুইফ্‌ট



**পুৰণিগুদামত থিতাতে নিহত একেটা পৰিয়ালৰ ৩জন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩১ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ বিষয়া চুকত থকা ৰে'লৰে ক্ৰচিঙত ■ ৮ পৃষ্ঠাত

## বাবলুৰ হুংকাৰ...

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ৩১ জুলাই ঃ** 'পৃথিৱীৰ ভিতৰত মধুৰতম ভাষা হ'ল বাংলা ভাষা আৰু এই বাংলা ভাষা কোৱা ■ ৮ পৃষ্ঠাত

# জীয়াধলৰ সংহাৰী ৰূপ

**ডেৰ শতাধিক পৰিয়ালৰ হাহাকাৰ অৱস্থা, উদ্ধাৰ অভিযানত ধেমাজি জিলা প্ৰশাসন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ৩১ জুলাই ঃ** অৰুণাচলৰ পাহাৰত নেৰানেপেৰা বৰষুণ হোৱাৰ ফলত ভয়ানকভাৱে বৃদ্ধি পাব ধৰিছে জীয়াধল নদীৰ জলপৃষ্ঠ। ধেমাজিৰ চমৰাজান আৰু জীয়াধল পঞ্চায়তৰ অন্তৰ্গত ■ ৮ পৃষ্ঠাত

## জাতীয় পতাকা ক্ৰেতাৰ ৰূপত মুখ্যমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ জুলাই ঃ** আজি জনতা ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত স্বাধীনতা দিৱস উদ্‌যাপনৰ বাবে 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সফল কৰাৰ উদ্দেশ্যৰে জনসচেতনতা সৃষ্টিৰ উদ্দেশ্যৰে এটা ভিডিঅ' মুকলি কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই উপলক্ষে অনুষ্ঠিত সভাত ■ ৮ পৃষ্ঠাত

## ১৫ আগষ্টৰ ভিতৰত সম্পাদিত হ'ব চুক্তি ঃ ৰাজখোৱা

**আলফা-চৰকাৰৰ শান্তি আলোচনা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩১ জুলাই ঃ** আলফা আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত চলি থকা শান্তি আলোচনা এক চূড়ান্ত ■ ৮ পৃষ্ঠাত

সত্যমেৱ জয়তে
অসম চৰকাৰ
১৩-১৫ আগষ্ট ঘৰে ঘৰে জাতীয় পতাকা | তিনি বৰণীয়া জাতীয় পতাকা নীল আকাশত নাচে
Azadi Ka Amrit Mahotsav



জনসাধাৰণলৈ সহজলভ্য সেৱা আগবঢ়োৱাৰ অভিযান অব্যাহত...
মিছন ভূমিপুত্ৰ
জাতিগত প্ৰমাণপত্ৰ ডিজিটেলৰূপত সহজে লাভ কৰাৰ অনলাইন মাধ্যম
শুভ উদ্বোধনী অনুষ্ঠান
উদ্বোধক ঃ
ড° হিমন্ত বিশ্ব শৰ্মা
মাননীয় মুখ্যমন্ত্ৰী, অসম
নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়তে লাভ কৰিব জাতিগত প্ৰমাণপত্ৰ
দিনাংক ঃ ১ আগষ্ট, ২০২২, সময় ঃ ১১ বজা
স্থান ঃ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী
জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ
Janasanyog /D/9484/22
Digital India Power To Empower
XOHARI
Sugam সুগম Assam e-District Project
DIGITAL ASSAM
জনতাৰ চৰকাৰ
my GOV मेरी सरकार

# চচল শতদল শাখা সাহিত্য সভাৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠান



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩১ জুলাই ঃ** আজি শংকৰ-মাধৱ পথত অৱস্থিত চচল শতদল শাখা সাহিত্য সভাৰ কাৰ্যালয়ত অনুষ্ঠিত হয় কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান। ভাৰতীয় অসামৰিক সেৱাৰ বিষয়া অৱসৰ প্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অভিনন্দন অনুষ্ঠানত চৈধ্যগৰাকী উচ্চতৰ মাধ্যমিক আৰু উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোঁৱা হয়। অভিনন্দন অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকে গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক তথা বিশিষ্ট সাহিত্যিক আৰু ক্ৰীড়া সংগঠক ড. দিনেশ কাকতি। বিশ্ব বৰেণ্য বিভিন্ন ব্যক্তি নীল আৰ্মষ্টিং, টমাছ ছালভা এডিচন আদি বিশিষ্ট ব্যক্তিৰ জীৱনৰ উল্লেখনীয় কিছু ঘটনা উল্লেখ কৰি কৃতি ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জীৱন শৈলী প্ৰস্তুত কৰি জীৱনৰ সপোনবোৰ সফল কৰিবলৈ আহ্বান জনাই। অভিনন্দন অনুষ্ঠানত চচল সাহিত্য সভাৰ উপসভাপতি ড. মিনেশ্বৰ হাজৰিকা , প্ৰাক্তন সভাপতি ফনিধৰ ডেকা আৰু লোহিত হাজৰিকাই সাবলীল বক্তব্যৰে কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনাই। সম্বৰ্দ্ধিত কৃতি ছাত্ৰী কৃষ্টি কংকনা তালুকদাৰৰ বক্তব্য আৰু মনোমোহা সংগীত , প্ৰিয়ংকা হাজৰিকাৰ নাও খেলৰ গীতৰ ওপৰত প্ৰবন্ধ পাঠ আৰু শতাব্দী তেৰনপীৰ জ্যোতী সংগীতে উপস্থিত সকলোকে আপুত কৰে । চচল সাহিত্য সভাৰ সম্পাদক ড. কমল চৌধুৰীৰ আদৰণি ভাষন আৰু গিৰিশ শৰ্মা, প্ৰণতি বৰুৱা আৰু সদানন্দ ডেকাৰ সুমধুৰ সংগীতে উপস্থিত সকলোকে মোহিত কৰে।বিশিষ্ট কবি অন্নপ্ৰভা কাকতিৰ কবিতা পাঠে সকলোকে আনন্দিত কৰে। কৃতি ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোছা , কিতাপৰ টোপোলা আৰু অভিনন্দন মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। অসম সাহিত্য সভাৰ "চিৰ চেনেহী মোৰ ভাষা জননী " চিৰ সেউজ গীতেৰে আৰম্ভ হোৱা অভিনন্দন অনুষ্ঠান অসম সংগীতেৰে সামৰণি পৰে।

# দেওপানীত সমন্বয় বিকাশ নামেৰে সমিতি গঠন



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওপানী, ৩১ জুলাই ঃ** দেওপানী পুথিভঁৰাল গৃহত এখনি সাধাৰণ সভা অনুষ্ঠিত হৈ যায় ।বিশেষকৈ ২৪ নং দেওপানী পৰিষদীয় সমষ্টিৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ব্যক্তি সকলৰ উপস্থিতিত এক মহৎ উদ্দেশ্য তথা সমষ্টিটোৰ বৃহৎ ৰাজহুৱা স্বাৰ্থত ৰাজনৈতিক, সামাজিক, বৌদ্ধিক, শৈক্ষিক দিশত সম উন্নয়ন সম বিকাশ সমন্বয়ৰ বাৰ্তা বাহক হিচাবে কাম কৰি যাবলৈ উক্ত সমিতিখন গঠন কৰা হয় । বলোৰাম চাহুক সভাপতি আৰু থভিয়াচ তপ ক কাৰ্যকৰী সভাপতি দিপাঙ্কৰ শৰ্মাক সাধাৰণ সম্পাদক আৰু নৱপল্লৱ গগৈ, নিপন মহানন্দক যুটিয়া সম্পাদক হিচাবে লৈ ৰাজহুৱা প্ৰস্তাৱ মৰ্মে এখনি একত্ৰিশ জনীয়া সমিতি গঠন কৰা হয় । সভাৰ সিদ্ধান্তমৰ্মে সমিতিখনৰ প্ৰথম কাৰ্যসূচী হিচাবে বিশিষ্ট ব্যক্তি সকলক সম্বৰ্দ্ধনা জনোৱাৰ লগতে ১৫ আগষ্ট স্বাধীনতা দিৱসটি উদযাপন কৰিব বুলি তেওঁলোকে জানিবলৈ দিয়ে।

### মুখ্যমন্ত্ৰীৰ ৰঙা চকুক কেয়াৰ নকৰে ওজাগাঁও গাঁও পঞ্চায়তৰ কৰ্মচাৰীয়ে

# পঞ্চায়তৰ সভানেত্ৰী, সচিব, জিপিচিয়ে মিলি কন্টিজেঞ্চীৰ লাখ লাখ টকা আত্মসাৎ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ৩১ জুলাই ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে পঞ্চায়ত সমূহক যিমানেই নিকা কৰিব নিবিচাৰক কিয় একাংশ পঞ্চায়ত কৰ্মচাৰী আৰু জনপ্ৰতিনিধিৰ দুৰ্নীতিয়ে সদায়েই বাতৰিৰ শিৰোনামা দখল কৰি আহিছে। মুখ্যমন্ত্ৰীৰ কথাৰ কোনো মূল্য নাই, কাৰণ আপোনাৰ ৰঙাচকুলৈ অকণো কেয়াৰ নকৰে দৰঙৰ পূব মঙ্গলদৈ উন্নয়ন খণ্ডৰ অন্তৰ্গত ওজাগাও গাওঁ পঞ্চায়তৰ একাংশ পঞ্চায়ত প্ৰতিনিধি, বিষয়া কৰ্মচাৰীয়ে । মুখ্যমন্ত্ৰী যিমানেই কঠোৰ হৈছে সিমানেই যেন দুৰ্নীতিৰ সংখ্যা বাঢ়িয়েই গৈছে । ওজাগাও গাওঁ পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ আবন্টন দিয়া, এমজিএনৰেগা আৰু চতুৰ্দশ বিত্তীয় আয়োগৰ আচনি ৰূপায়নৰ নামত অবাধ দুৰ্নীতিৰ ভু-স্বৰ্গত পৰিণত হৈছে গাওঁ পঞ্চায়তখন । পঞ্চায়তৰ দুৰ্নীতি গ্ৰস্থ সদস্য সচিব,জিপিচি, গ্ৰাম ৰোজগাৰ সহায়কৰ সহযোগত ভাৰপ্ৰাপ্ত সভানেত্ৰীয়ে আচনিৰ নামত গাওঁ পঞ্চায়তত চলাইছে ব্যাপক লুণ্ঠন ৰাজ। এক গোপন সুত্ৰে খবৰ পোৱা মতে এমজিএনৰেগা আচনিকে আদি কৰি প্ৰতিটো আচনিৰ নামত ভাৰপ্ৰাপ্ত সভানেত্ৰী আৰু সদস্য সচিবে কমিচন লোৱাৰ অভিযোগ । কমিচন নাপালে কোনো বিলতে চহী নকৰে পঞ্চায়তৰ কৰ্মচাৰীয়ে। গাওঁ পঞ্চায়তত বিভিন্ন আচনিত সংঘটিত হোৱা দুৰ্নীতি সন্দৰ্ভত বিভিন্ন সময়ত বাতৰি প্ৰকাশ পাইছে যদিও তদন্ত কৰিবলৈ অহা খণ্ড উন্নয়ন পৰ্যায়ৰ বিষয়া সকলৰ লগত গোপন বুজাবুজিত তদন্তৰ নামত ভেকুভাওনা হোৱা পৰিলক্ষিত হৈছে। আনহাতে গাওঁ পঞ্চায়তখনত সংঘটিত হোৱা ব্যাপক দুৰ্নীতি সন্দৰ্ভত পূব মঙ্গলদৈ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ত আৰু দৰঙ জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া কাৰ্যালয়ত অভিযোগ দাখিল কৰাৰ পাছতো গুৰুত্ব নিদিয়াৰ অভিযোগ। অভিযোগ অনুসৰি ওজাগাও গাওঁ পঞ্চায়তৰ Intereste ৰ আৰু চতুৰ্দশ বিত্তীয় আচনিৰ কন্টিজেনচীৰৰ একাউন্টৰ জমা ধনৰ প্ৰায় পাঁচ লাখ টকা ভাৰপ্ৰাপ্ত সভানেত্ৰী,সদস্য সচিব আৰু জিপিচিয়ে মিলি কোনো ধৰণৰ কাম নকৰাকৈ আৰু পঞ্চায়তৰ কোনো ধৰণৰ সামগ্ৰী ক্ৰয় নকৰাকৈ ধনখিনি গোপনে আত্মসাতৰ উদ্দেশ্যে তিনিটা ভেণ্ডাৰৰ নামত স্থানান্তৰিত কৰে। উক্ত দুৰ্নীতি সন্দৰ্ভত গাওঁ পঞ্চায়তৰ সমূহ সদস্যযসদস্যা সকলৰ লগতে ওজাগাও আঞ্চলিক আমছুৰ কৰ্মীয়ে ওজাগাও গাওঁ পঞ্চায়তৰ সদস্য সচিব আৰু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ কাৰ্যালয়ত এখনকৈ লিখিত অভিযোগ দাখিল কৰিছিল যদিও আজিলৈকে কোনো গুৰুত্ব দিয়া নাই মুখ্য কাৰ্যবাহী বিষয়া গৰাকীয়ে।তাৎপৰ্যপূৰ্ণ কথা হল ওজাগাও গাওঁ পঞ্চায়তত সংঘটিত হোৱা ব্যাপক দুৰ্নীতিৰ সন্দৰ্ভত জিলা মুখ্য কাৰ্যবাহী বিষয়া গৰাকীয়ে তদন্তৰ পৰিৱৰ্তে দুৰ্নীতি সমূহ গাপ দিবলৈ চেষ্টা কৰাৰ অভিযোগ উত্থাপিত হৈছে । জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া গৰাকীৰ ভূমিকা সন্দেহ জনক হোৱা বুলি মন্তব্য কৰে পঞ্চায়তৰ ওৱাৰ্ড সদস্যযসদস্যা সকলে । ওজাগাও গাওঁ পঞ্চায়তত সংঘটিত হোৱা উক্ত দুৰ্নীতি সন্দৰ্ভত জিলা উপায়ুক্ত গৰাকীৰ হস্তক্ষেপৰ দাবী জনাইছে পঞ্চায়তৰ সদস্যযসদস্যা সকলে। অন্যথাই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত সচিবৰ কাষ চাপিব বুলি জনায় আমছুৰ লগতে পঞ্চায়তৰ ওৱাৰ্ড সদস্যযসদস্যাসকলে।

## নাজিৰা মহকুমা ছাত্ৰ সন্থাৰ উদ্যোগত গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩১ জুলাই ঃ** নাজিৰা মহকুমা ছাত্ৰ সন্হাৰ উদ্যোগত নাজিৰা আঞ্চলিক ছাত্ৰ সন্থা,নাজিৰা নাট্য সমিতি আৰু বহ্নিমানৰ সহযোগত যোৱা ৭ জুলাইৰ পৰা নাট্য মন্দিৰত আয়োজিত হৈ থকা গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ যোৱা নিশা আনুষ্ঠানিকভাৱে সামৰণি পৰে।সন্ধিয়া আয়োজিত মুকলি সভাত সভাপতিত্ব কৰে নাট কৰ্মশালাৰ আয়োজক সমিতিৰ সভাপতি তথা শিক্ষাবিদ ড° জীৱন কলিতাই।উক্ত সভাত নাট কৰ্মশালাৰ লগত সংগতি ৰাখি ভাস্কৰজ্যোতি মহন্ত সম্পদনাত প্ৰকাশ কৰা "নাটঘৰ" শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰে শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দিপাঙ্কৰ শইকীয়া আৰু নাজিৰা মহকুমা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্তই।ইয়াৰ পিছতে কৰ্মশালাত প্ৰশিক্ষণ লোৱা শিক্ষাৰ্থীসকলৰ দ্বাৰা মঞ্চস্থ কৰা " টং টং অঘাইটং " নাটকখন শুভ উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা উদ্দীপ জ্যোতি গগৈয়ে।উক্ত সভাত নাট্য কৰ্মী ধীৰু ভূঞা,নাজিৰা নাট্য সমিতিৰ সম্পাদক প্ৰসেনজিৎ বৰুৱা,জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা,আছু নেতা পৰাগ দত্তৰ লগতে কেইবাগৰাকিও ব্যক্তি অতিথি হিচাপে উপস্থিত থাকে।নাটকৰ শেষত প্ৰশিক্ষাৰ্থীসকলৰ আনুষ্ঠানিকভাৱে মানপত্ৰ প্ৰদান কৰে গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ আয়োজক সমিতিয়ে।পঞ্চমবাৰ্ষিক গ্ৰীষ্মকালীন নাট কৰ্মশালাখনি সাফল্যমণ্ডিত কৰি তোলাত সহায় সহযোগিতা আগবঢ়োৱা সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে নাজিৰা মহকুমা ছাত্ৰ সন্থাৰ সভাপতি তথা নাট কৰ্মশালাৰ আয়োজক সমিতিৰ মুখ্য সম্পাদক দেৱজিত গগৈয়ে।

# নলবাৰীত 'পৃথিৱী চয়ন' গ্ৰন্থ উন্মোচনৰ লগতে বক্তৃতানুষ্ঠান

### সমাজ থাকিবলৈ বিজ্ঞানৰ প্ৰয়োগ আৱশ্যকীয়



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৩১ জুলাই ঃ** নলবাৰী আঞ্চলিক ছাত্ৰ সন্থা আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ উদ্যোগত নলবাৰী নন্দেশ্বৰ শইকীয়া ভৱনত গ্ৰন্থ উন্মোচনী সভা আৰু বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত 'সমাজ আৰু বিজ্ঞান' শীৰ্ষক বিষয়ৰ ওপৰত এখন বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়।বক্তা হিচাপে উপস্থিত থাকি অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, গুৱাহাটীৰ মুৰব্বী বিষয়া ড° জয়দীপ বৰুৱাই সমাজ এখন উন্নয়নৰ বাবে বিজ্ঞানৰ সু-প্ৰভাৱৰ বিষয়ে বক্তব্য ৰাখে। উক্ত অনুষ্ঠানতে বিশিষ্ট শিক্ষাবিদ, সমাজ সচেতক ড° দীনমনি ভাগৱতীৰ ৰচিত গ্ৰন্থ 'পৃথিৱী চয়ন' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক গোকুল ডেকাই। লগতে সভাত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱা, ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰিয়াজউদ্দিন আহমেদ, জিলা ছাত্ৰ সন্থাৰ সভাপতি, সম্পাদকদ্বয় গুণজিৎ পাঠক, অক্ষয় ডেকা, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, নলবাৰীৰ জিলা সমন্বয়ক প্ৰদীপ মহন্ত সহিতে আছুৰ বিষয় ববীয়া আৰু সুধী সমাজ।

## ঘগ্ৰাপাৰৰ বিলপাৰত ভয়াবহ পথ দুৰ্ঘটনা থিতাতে নিহত এক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৩১ জুলাই ঃ** পুনৰ নলবাৰীৰ কিলাৰ হাইৱে খ্যাত ৩১নং ৰাষ্ট্ৰীয় পথত ভয়াবহ পথ দুৰ্ঘটনা। নলবাৰী ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত ৩১নং ৰাষ্ট্ৰীয় ঘাইপথ বিলপাৰ নাৰিকুছি চ'কত আজি পুৱা প্ৰায় ১০ বজাত সংঘটিত হয় এক ভয়াবহ পথ দুৰ্ঘটনা। ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ'ব ধৰাত তীব্ৰ বেগী এখন চাৰিচকীয়া বাহনে প্ৰচণ্ড খুন্দা মৰাৰ ফলত এজন লোক থিতাতে নিহত হয়। ঘটনাস্থলীত ঘগ্ৰাপাৰ থানাৰ আৰক্ষী আহি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। জানিব পৰা অনুসৰি দুৰ্ঘটনাত নিহত লোকজন পিপলিবাৰীৰ ৪৫ বছৰীয়া গিৰিন্দ্ৰ বৈশ্য বুলি চিনাক্ত হৈছে। উল্লেখ্য যে বিগত সময়ত নলবাৰীৰ ৩১নং ৰাষ্ট্ৰীয় ঘাইপথত ভালেকেইটা পথ দুৰ্ঘটনা সংঘটিত হোৱা পৰিলক্ষিত হৈছে।

## মিকিৰভেটাত ড্ৰাগ্‌ছসহ ২ সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ৩১ জুলাই ঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযানত কালি বৃহৎ পৰিমাণৰ ড্ৰাগছ সহ আটক কৰে ড্ৰাগছ সৰবৰাহ কাৰী ছাহজাহান আলী আৰু বদৰুল ইছলামক। বৰিবজাৰ আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মুনিন্দ্ৰ ডেকা আৰু মিকিৰভেটা আৰক্ষীৰ যৌথ অভিযানত চলোৱা হৈছিল এই এই অভিযান। বৰিবজাৰ আৰক্ষী পহৰা চকীৰ অন্তৰ্গত শিলপুখুৰীৰ পৰা সন্দেহযুক্ত ড্ৰাগ্‌ছভৰ্তি ৭টা চাদাৰ টেমাৰ লগতে ৬টা কন্টেইনাৰ উদ্ধাৰ কৰাৰ লগতে সৰবৰাহকাৰীয়ে ব্যৱহাৰ কৰা দুখন মটৰ চাইকেলো জব্দ কৰে আৰক্ষীয়ে। জব্দ কৰা বাইক দুটাৰ পঞ্জীয়ন নম্বৰ ক্ৰমে এএছ ২১ ই ৩৭৪৩ আৰু এএছ ২১ ডি ৪৪৩৬।

## পদ্মশ্ৰী বিৰুবালা ৰাভাক সদৌ অসম আইন ছাত্ৰ সন্থা, গোৱালপাৰা জিলা সমিতিৰ সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৩১ জুলাই ঃ** সদৌ অসম আইন ছাত্ৰ সন্থা গোৱালপাৰা জিলা সমিতিয়ে অন্ধ বিশ্বাস, কুসংস্কাৰ আৰু সামাজিক ন্যায়ৰ ওপৰত যুদ্ধ ঘোষণা কৰা পদ্মশ্ৰী সন্মান লাভ কৰা ড° বিৰুবালা ৰাভাক উষ্ণ আদৰণি জনায়। জানিব পৰা মতে সদৌ অসম আইন ছাত্ৰ সন্থা গোৱালপাৰা জিলা সমিতিৰ এটা সজাতি দলে আজি গোৱালপাৰা জিলাৰ ঠাকুৰ ভিলাৰ তেওঁৰ নিজা বাসভৱনত উপস্থিত হৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত সদৌ অসম আইন ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক নাছিম আহমেদ, মুখপাত্ৰ যোগেন চন্দ্ৰ দাস, গোৱালপাৰা জিলাৰ শিক্ষা সম্পাদিকা মৃদুস্মিতা দেৱী, কাৰ্যবাহী সদস্য হিৰক চন্দ্ৰ নাথৰ উপৰিও সন্থাৰ কেইবাজনো বিষয় ববীয়াই উপস্থিত থাকি স্বাস্থ্যৰ বুজ লোৱাৰ লগতে তেওঁৰ দীৰ্ঘায়ু কামনা কৰে।

# গহপুৰৰ কল্যাণপুৰ পঞ্চায়তৰ উদ্যোগত ৪৪গৰাকী কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, হেলেম, ৩১ জুলাই ঃ** গহপুৰৰ কল্যাণপুৰ পঞ্চায়তৰ তৰফৰ পৰা বিভিন্ন সময়ত সমাজৰ ইতিবাচক দিশবোৰৰ ওপৰত বিশেষ ভাৱে সকলোকে উৎসাহিত কৰি আহিছে। দেওবাৰে কল্যানপুৰ পঞ্চায়তৰ প্ৰেক্ষাগৃহত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগ,ষ্টাৰ মাৰ্ক,আৰু ডিষ্টিংচন মাৰ্ক লৈ উত্তীৰ্ন হোৱা চৌৱাল্লিছ গৰাকী শিক্ষাৰ্থীক পঞ্চায়তৰ তৰফৰ প্ৰশংসা পত্ৰ, কিতাপ, কলমে আৰু গছপুলিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত সভাত সভাপতিত্ব কৰে কল্যাণপুৰ পঞ্চায়তৰ সভানেত্ৰী তথা বিশিষ্ট সমাজসেৱিকা লখিমী বৰদলৈয়ে। সভাত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য ৰঞ্জিৎ বৰঠাকুৰ, টংলা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক চন্দন বৰুৱা, বিশিষ্ট ব্যৱসায়ী, সমাজসেৱক শংকৰলাল আগৰৱালা, মধ্য ছয়দুৱাৰ হাইস্কুলৰ শিক্ষক মাধৱ গোস্বামী, অৱসৰ প্ৰাপ্ত শিক্ষক নগেন শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন ভূঞা, দিপৰা ভীম বাহাদুৰ হাইস্কুলৰ প্ৰধান শিক্ষক চেৰবাহাদুৰ ছেত্ৰী, সহকাৰী শিক্ষক ৰূপম হাজৰিকা, সমাজকৰ্মী নিৰন হাজৰিকা, আছুৰ প্ৰাক্তন সহ:কাৰী সাধাৰন সম্পাদক প্ৰজ্ঞাণ ভূঞা, শিক্ষক দেবেন শইকীয়াকে ধৰি বহুতো শিক্ষাবিদ উপস্থিত থাকে। সভাত সম্বৰ্ধনা জ্ঞাপন কৰা ছাত্ৰ-ছাত্ৰীসকলক উদেশ্যি বিশিষ্ট ব্যক্তি সকলে ইতিবাচক ভাষন প্ৰদাণ কৰে।

# প্ৰধান শিক্ষক গিৰীশ চন্দ্ৰ ডেকাৰ বিদায় সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ৩১ জুলাই ঃ** দৰং জিলাৰ ছিপাঝাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত বগাছলাস্থিত কমলা নেহেৰু প্ৰাথমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গিৰিশ চন্দ্ৰ ডেকাক আজি বিদায় সম্বৰ্ধনা জনোৱা হয়। জিলমিল গ্ৰাম্য পুথিভঁৰাল ৰ উদ্যোগত আৰু কমলা নেহেৰু প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সহযোগত অনুষ্ঠিত হয় এই বিদায় সম্বৰ্ধনা অনুষ্ঠান। বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভুষন চহৰীয়াৰ সভাপতিত্ব কৰা সভাখনত শিক্ষাৰ্থী, প্ৰাক্তন ছাত্ৰ ছাত্ৰী,শুভাকাংশী, বিভিন্ন দল সংগঠন, ব্যক্তি বিশেষে সম্বৰ্ধনা জনাই। বিদ্যালয় পৰিচালনা সমিতি আৰু জিলমিল গ্ৰাম্য পুথিভঁৰাল ৰ তৰফৰ পৰা মানপত্ৰ, শৰাই, জাপি, ছাতি, গ্ৰন্থৰ টোপোলা, বস্ত্ৰ আৰু পাদুকাৰে শিক্ষক গৰাকীক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা সভাখনত অঞ্চলটোৰ বিশিষ্ট ব্যক্তি, সমাজকৰ্মী, বিভিন্ন অনুষ্ঠানৰ বিষয় ববিয়া উপস্থিত থাকে।

### নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান

# ৫০গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ৩১ জুলাই ঃ** নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত নকছাৰি এৰাগাঁও অৰুণোদয় পুথিভঁৰাল আৰু যুৱক মণ্ডলৰ প্ৰেক্ষাগৃহত আজি এক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। নকছাৰি আছুৰ সম্পাদক মাধুৰ্য গগৈয়ে আঁত ধৰা অনুষ্ঠানটিত উপস্থিত থাকে তিতাবৰ প্ৰাগজ্যোতিকা শিক্ষানুষ্ঠানৰ সঞ্চালক অচ্যুতদ্বীপ শইকীয়া, তিতাবৰ মহকুমা আৰক্ষী বিষয়া মৈত্ৰেয়ী ডেকা, যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি সংকল্প গগৈ, সাধাৰণ সম্পাদক অৰ্জুনমনি ভুঞা, আছু কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য জিতু নেওগ, আছু যোৰহাট মহকুমাৰ সভাপতি ৰিয়াজ হুছেইন, নকছাৰি জেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জিত গগৈ, নকছাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ উত্তম বৰুৱা, টাই আহোম ছাত্ৰ সন্থা জিলা সমিতিৰ মন্টু ফুকন, মৰিয়নি থানাৰ আৰক্ষী বিষয়া ত্ৰিলোচন নাথ, ডেবেৰ।পাৰ চাৰিআলি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অৰবিন্দ ঘোষ, কবি প্ৰণব গগৈ, অৱসৰ প্ৰাপ্ত অধ্যক্ষ দুলাল চন্দ্ৰ গগৈ, অৰুণোদয় ক্লাৱৰ সভাপতি পদ্ম গগৈ, উপভাপতি লোকেন গগৈ, আছুৰ অনন্ত বৰঠাকুৰ , মৰিয়নি আছুৰ সম্পাদক বিবেক সাহা, ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ যোৰহাট জিলা সমিতিৰ সম্পাদক কৃষ্ণ প্ৰসাদ শৰ্মা, অসম সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতি সাংগঠনিক সম্পাদক পবিত্ৰ প্ৰাণ বৰঠাকুৰ, যাদৱ দুৱৰা , নকছাৰি জেষ্ঠ নাগৰিক সন্থাৰ ঘন লাহন, নক ছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ঋতুৰাজ গগৈ আদি বিশিষ্ট ব্যক্তি সকলে বক্তব্য প্ৰদান কৰি কৃতি ছাত্ৰ ছাত্ৰী সকলক উৎসাহিত কৰে।অভিনন্দন অনুষ্ঠানটো আঁত ধৰে নকছাৰি আছুৰ উপদেষ্টা অবিনাশ ফুকন আৰু সম্পাদক মাধুৰ্য গগৈয়ে। ২০২২ বৰ্ষত কৃতিত্ব সহকাৰে হাই স্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰায় পঞ্চাশ গৰাকী ছাত্ৰ ছাত্ৰীক গছপুলি ,মানপত্ৰ সম্বলিত পুৰস্কাৰ প্ৰদান কৰি অভিনন্দন জ্ঞাপন কৰা হয়।

# নগাঁৱৰ ৰোডছেট প্ৰতিষ্ঠান পৰিদৰ্শন কাৰ্যবাহী সঞ্চালক গিৰিধৰ কাল্লাপুৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩১ জুলাই ঃ** গ্ৰাম্য উন্নয়ন আৰু স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান চমুকৈ 'ৰোডচেট' প্ৰতিষ্ঠানৰ দক্ষিণ কৰ্ণাটকৰ উজেৰে স্হিত মুখ্য কাৰ্যালয়ৰ কাৰ্যবাহী সঞ্চালক গিৰিধৰ কাল্লাপুৰে শুক্ৰবাৰে প্ৰতিষ্ঠানটোৰ নগাঁও চহৰৰ তিলক ডেকা পথত থকা নগাঁৱৰ কাৰ্যালয়টো পৰিদৰ্শন কৰে। উল্লেখ্য যে উপযুক্ত প্ৰশিক্ষণৰ জৰিয়তে বিশেষকৈ গ্ৰামাঞ্চলৰ যুৱক-যুৱতীক স্ব-নিভৰ্শীল কৰি তোলাৰ লক্ষ্যৰে ২০১৩ চনত নগাঁও চহৰত স্হাপন হোৱা গ্ৰাম্য উন্নয়ন আৰু স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জৰিয়তে ইতিমধ্যে পাঁচ সহস্ৰাধিক প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ সমাপ্ত কৰি বিভিন্ন ক্ষেত্ৰত আত্মনিৰ্ভশীল হৈ পৰে। আনহাতে 'ৰোডচেট' প্ৰতিষ্ঠানৰ কাৰ্যবাহী সঞ্চালক কাল্লাপুৰে প্ৰতিষ্ঠানটোৰ নগাঁও কাৰ্যালয়ৰ কাম কাজত সন্তুতষ্টি প্ৰকাশ কৰি এই প্ৰতিষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত ভালেসংখ্যক প্ৰশিক্ষাৰ্থীয়ে স্ব- নিয়োজনৰ দৃষ্টান্ত দাঙি ধৰা বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে । কাৰ্যবাহী সঞ্চালক গৰাকীয়ে প্ৰতিষ্ঠানটোৰ নগাঁও কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ সহযোগিতাৰ শলাগ লয় । আনহাতে পোন প্ৰথমবাৰৰ বাবে ৰোডচেট প্ৰতিষ্ঠানৰ নগাঁও কাৰ্যালয় পৰিদৰ্শন কৰা কাৰ্যবাহী সঞ্চালক গিৰিধৰ কাল্লাপুৰৰ উপস্থিতিত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত প্ৰতিষ্ঠানৰ নগাঁও কাৰ্যালয়ত ইতিমধ্যে প্ৰশিক্ষণ সমাপ্ত কৰা পাঁচ গৰাকী প্ৰশিক্ষাৰ্থীক কানাড়া বেংকৰ জৰিয়তে কাৰ্যবাহী সঞ্চালক গৰাকীয়ে ঋণ অনুমতি পত্ৰ প্ৰদান কৰে । অনুষ্ঠানত ৰোডচেট প্ৰতিষ্ঠানৰ নগাঁও কাৰ্যালয়ৰ সঞ্চালক সঞ্জীৱ বৰকটকী, কানাড়া বেংকৰ নিজকাছমাৰী শাখাৰ প্ৰৱন্ধক চিন্ময় শইকীয়া, পশু চিকিৎসক ডা: ৰামনাৰায়ন বৰুৱাৰ লগতে প্ৰতিষ্ঠানটোৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে। আনহাতে উদ্যোগী যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদান আৰু বেংকৰ ঋণ আদিৰ ক্ষেত্ৰত ৰোডচেট প্ৰতিষ্ঠানৰ সহযোগিতা সম্পৰ্কত কাৰ্যবাহী সঞ্চালক কাল্লাপুৰে নগাঁও জিলা উপায়ুক্তক সাক্ষাৎ কৰে।উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাম্য মন্ত্ৰালয়ে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি দেশৰ ৭৫ টা ৰোডচেট আৰু আৰচেটি প্ৰতিষ্ঠানত পশুমিত্ৰ প্ৰশিক্ষণৰ ব্যৱস্হা কৰিছে। দেশৰ ৭৫ গৰাকী স্বাধীনতা সেনানীৰ প্ৰতি সন্মান জনাই যোৱা ১৫ জুনৰ পৰা ৰোডচেট প্ৰতিষ্ঠানৰ নগাঁও কাৰ্যালয়ত 'পশু মিত্ৰ' প্ৰশিক্ষণৰ আয়োজন কৰা হয়। অহা ১৩ আগষ্টত এই প্ৰশিক্ষণৰ সামৰণি পৰিব বুলি প্ৰতিষ্ঠানটোৰ তৰফৰ পৰা জানিবলৈ দিয়ে।

**LOST**

I have lost my H.S. Second year (Stream Science) Admit Card. Bearing Roll 0217 No 20094 for the year 2018.
Your's faithfully,
Samim Abdul Habib.
S/O :- Abu Bakkar Siddique.
Vill :- Baraibari pt -ii
PO :- Baraibari.
PS :- Gauripur.
Dist :- Dhubri, Assam.
Ph No:- 9101638406.


# বকোৰ বি এড কলেজত শিক্ষাবিদ ড° বিভূতি ভূষণ পাণ্ডাৰ কৰ্মজীৱনৰ গ্ৰন্থ 'বিভূতি সৌৰভ' উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৩১ জুলাই ঃ** ৰাজ্যৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ তথা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় নগৰবেৰাৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডা দেৱৰ ৬০ সংখ্যক জন্মদিন আৰু কৰ্মজীৱনৰ ওপৰত প্ৰকাশিত গ্ৰন্থ বিভূতি সৌৰভ আজি আনুষ্ঠানিক ভাৱে উন্মোচন কৰা হয়। অৱসৰপ্ৰাপ্ত অধ্যক্ষ গৰাকীৰ কৰ্মজীৱনৰ ওপৰত আলোকপাত কৰি এই বৰ্ষত ৬০টা বসন্তত ভৰি দিয়া শিক্ষাবিদগৰাকীৰ অধিনত যি সকল ছাত্ৰ-ছাত্ৰীয়ে এম ফিল আৰু পি এইচ ডি ডিগ্ৰী গ্ৰহণ কৰে সেইসকলক উদ্যোগত প্ৰকাশ কৰা হয় বিভূতি সৌৰভ নামৰ গ্ৰন্থ খন। আজি এক মনোজ্ঞ পৰিৱেশত বকো বি এড কলেজত তেখেতৰ অধিনত গৱেষণা কৰা কেৰাগৰাকীও গৱেষকৰ সহযোগত গ্ৰন্থ খন উন্মোচন কৰে কলেজ খনৰ সচিব প্ৰধান ড: গণেশ্বৰ চহৰীয়াই। উল্লেখ্য যে ; বিশিষ্ট শিল্পী জোৎস্না ৰাভাই পৰিবেশন কৰা ভজনৰে শুভাৰম্ভ কৰা অনুষ্ঠানত উপস্থিত থাকে বকোৰ প্ৰাক্তন বিধায়ক তথা বকো বি এড কলেজৰ পৰিচালনা সমিতিৰ সভাপতি জ্যোতিপ্ৰসাদ দাস, বিভূতি ভূষণ পাণ্ডাৰ সুযোগ্য পত্নী আৰতি পাণ্ডা, বকোৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লক্ষ্মীকান্ত শৰ্মা, শিল্পী প্ৰবীণ ৰাভা, প্ৰহ্লাদ বড়ো, অমিয় কুমাৰ ৰয়, আলাউদ্দিন আল আমিন আদিকে ধৰি বহুসংখ্যক বিশিষ্ট অতিথি। গৱেষক ছাত্ৰী তথা বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষা বিজয়া ডেকাই আঁত ধৰা অনুষ্ঠানত বিভূতি ভূষণ পাণ্ডাৰ কৰ্মজীৱনৰ ওপৰত আলোকপাত কৰে আৰু বিভূতি সৌৰভৰ ওপৰত আলোচনা কৰে।

## ৰাশিফলত আজিৰ দিনটো

১৫ শাওণ, সোমবাৰ, ১ আগষ্ট, ১৪২৯ ভাস্কৰাব্দ
তিথি ঃ শুক্লা চতুৰ্থী, নক্ষত্ৰ ঃ পূৰ্বফাল্গুনী ৰাশি ঃ সিংহ
সূৰ্যোদয়- ৪-৫১-৩৪ সূৰ্যাস্ত- ৬-৬-৫১



■ **মেষ** ঃ অৰ্থপ্ৰাপ্তি ■ **বৃষ** ঃ সমস্যা বৃদ্ধি ■ **মিথুন** ঃ মনত অৱসাদ ■ **কৰ্কট** ঃ খ্যাতি লাভ ■ **সিংহ** ঃ সঞ্চয় মনোভাৱ ■ **কন্যা** ঃ নানা বাধা-বিঘিনি ■ **তুলা** ঃ ছোৱালীৰ মনত অশান্তি ■ **বৃশ্চিক** ঃ বন্ধুৰ দ্বাৰ প্ৰতাৰিত ■ **ধনু** ঃ যশস্যা বৃদ্ধি ■ **মকৰ** ঃ মাতৃৰ সহায় ■ **কুম্ভ** ঃ কৃতকাৰ্যতা ■ **মীন** ঃ মনত অস্থিৰতা।

# স্বাভিমান মহিলা গোটৰ হৰ ঘৰ ত্ৰিৰংগা অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওপানী, ৩১ জুলাই ঃ** আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ভাৰত চৰকাৰৰ নিৰ্দেশমৰ্মে দেশৰ স্বাভিমান প্ৰতিজন ভাৰতীয় নাগৰিকৰ সন্মানীয় জাতীয় পতাকা বিতৰণ কাৰ্যসূচী চলি থকাৰ সমান্তৰাল ভাৱে ২৪ নং দেওপানী পৰিষদিয় সমষ্টিতো কাৰ্যসূচী ৰূপায়ন কৰি থকা দেখিবলৈ পোৱা গৈছে। বিশেষকৈ স্বাভিমান ক্লাষ্টাৰ লেৱেল ফেডাৰেচনৰ মহিলা সকলে নিজা প্ৰস্তুতিৰে জাতীয় পতাকা তৈয়াৰ কৰি বিভিন্ন প্ৰান্তৰ VO গোটসমূহৰ মাজত তিৰংগ পতাকা বিতৰণ কৰে। জানিবলৈ দিয়া মতে সৰ্বমুঠ ৪০০০ পতাকা বিতৰন কৰাৰ লক্ষ্যৰে মহিলা সকলে এই কাৰ্যসূচী ৰূপায়ণ কৰে।



জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১ আগষ্ট, ২০২২ ■ সোমবাৰ ■ ১৫ শাওণ, ১৯৪৪ শক





'হৰ ঘৰ ত্ৰিৰংগা' পদক্ষেপৰ ওপৰত নিৰ্মিত ভিডিঅ' মুকলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

### বৰপেটাত কংগ্ৰেছ-আমছু নেতা- কৰ্মীৰ অগপত যোগদান

# ৰিপুন-ভূপেনৰ বাবেই ৰাজ্যত কংগ্ৰেছ ধ্বংসৰ দিশত ঃ উত্তম

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৩১ জুলাই ঃ** কংগ্ৰেছ দলত এতিয়াও অব্যাহত আছে দলত্যাগৰ কাৰ্যসূচী। কংগ্ৰেছৰ একাংশ নেতা-কৰ্মীয়ে কংগ্ৰেছ দল ত্যাগ কৰি আজি আনুষ্ঠানিকভাৱে অসম গণ পৰিষদ চমুকৈ অগপ দলত যোগদান কৰে। একেদৰে আমছুৰ একাংশ নেতা-কৰ্মীয়েও আজি অগপত যোগদান কৰে। বৰপেটা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত অগপৰ যোগদান কাৰ্যসূচীত বৰপেটা জিলা কংগ্ৰেছৰ সম্পাদক তথা কংগ্ৰেছৰ পুনৰ্সংস্থাপন কমিটীৰ অধ্যক্ষ উত্তম ঘোষৰ লগতে কংগ্ৰেছৰ কে'বাগৰাকী কৰ্মীয়ে অগপত যোগদান কৰে। একদৰে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি আবুল হুছেইনৰ লগতে অইন একাংশ আমছু কৰ্মীয়েও অগপ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। বৰপেটা জিলা অগপৰ সভাপতি তথা প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসৰ সভাপতিত্বত অনুষ্ঠিত যোগদান কাৰ্যসূচীৰ সভাত উপস্থিত থাকে অগপৰ শীৰ্ষ নেতা, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ফণীভূষণ চৌধুৰী, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস, প্ৰাক্তন বিধায়ক ডাঃ তাৰাপ্ৰসাদ দাসৰ লগতে অগপৰ কে'বাগৰাকী নেতা।

## অগপই আনিব সংখ্যালঘুৰ উন্নয়ন ঃ প্ৰাক্তন আমছু নেতা আবুল হুছেইন

অগপত যোগদান কৰাসকলক অগপৰ শীৰ্ষ নেতা ফণীভূষণ চৌধুৰীয়ে ফুলাম গামোচা আৰু দলৰ সদস্যভৰ্তিৰ ৰচিদ প্ৰদানেৰে দলত আঁকোৱালি লয়। ভাষণ প্ৰসংগত ফণীভূষণ চৌধুৰীয়ে কয় যে বৰপেটাত অগপ দলৰ ভেটি শক্তিশালী। এতিয়া এই শক্তি আৰু বৃদ্ধি পোৱা বুলি তেওঁ কয়। আনহাতে, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসে ভাষণ প্ৰসংগত কয় যে জাতীয়তাবাদী আৰু আঞ্চলিকতাবাদী দলেহে ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সৰ্বস্তৰৰ উন্নয়ন কৰিব পাৰিব। অসম চুক্তিক বিশ্বাস কৰা দল অগপইহে সংখ্যালঘু হিন্দু আৰু মুছলমানসকলক সুৰক্ষা দিব পাৰে। এই কথা বিশ্বাস কৰি অগপ দলত বিভিন্নজনে যোগদান কৰি থকা বুলি কয় কুমাৰ দীপক দাসে। সভাত প্ৰাক্তন বিধায়ক ডাঃ তাৰাপ্ৰসাদ দাসেও ভাষণ প্ৰদান কৰে। আনহাতে, বৰপেটা জিলা কংগ্ৰেছৰ সম্পাদক তথা কংগ্ৰেছৰ পুনৰ্সংস্থাপন কমিটীৰ অধ্যক্ষ উত্তম ঘোষে ভাষণ প্ৰসংগত জনায় যে তেওঁ নিষ্ঠা আৰু সততাৰে বিগত ২৪টা বছৰে কংগ্ৰছৰ হৈ কাম কৰি আহিছে। প্ৰদেশ কংগ্ৰেছৰ দুৰ্বল নেতৃত্বৰ বাবে ৰাজ্যত কংগ্ৰেছ দলৰ জনপ্ৰিয়তা কমি গৈ আছে। ৰিপুন বৰাৰ দিনত কংগ্ৰেছ দল ধ্বংস হোৱা আৰম্ভ হৈছিল আৰু ভূপেন বৰাৰ দিনত দলটো ক্ৰমাৎ ধ্বংসৰ দিশলৈ গৈ থকা বুলিও তেওঁ কয়। সম্প্ৰতি অসম গণ পৰিষদ দলৰ নীতি আৰু আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ অগপত যোগদান কৰা বুলি মন্তব্য কৰে উত্তম ঘোষে। ইপিনে, প্ৰাক্তন আমছু নেতা আবুল হুছেইন হুছেইনে নিজৰ ভাষণত কয় যে কংগ্ৰেছ আৰু এআইডিএফ দলে সংখ্যালঘু লোকসকলক প্ৰতাৰণা কৰি আহিছে। অসম চুক্তিত বিশ্বাস কৰা অগপ দলৰ ছত্ৰছায়াত সংখ্যালঘু ৰাইজ অধিক সুৰক্ষিত হ'ব পাৰিব বুলি মন্তব্য কৰে প্ৰাক্তন আমছু নেতাগৰাকীয়ে। লক্ষণীয় যে জিলা কংগ্ৰেছৰ সম্পাদক তথা কংগ্ৰেছৰ পুনৰ্সংস্থাপন কমিটীৰ অধ্যক্ষ উত্তম ঘোষৰ নেতৃত্বত তিনি শতাধিকে অগপত যোগদান কৰা কাৰ্যই জিলা কংগ্ৰেছক কিছু পৰিমাণে হ'লেও যে ক্ষতিগ্ৰস্ত কৰিব সেয়া নিশ্চত।

### ওদালগুৰি জিলাৰ হাতী-মানুহৰ সংঘাত

# ধাৰাবাহিকভাৱে বন্য-হস্তীয়ে ভাঙিছে বাসগৃহ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ৩১ জুলাই ঃ** জুলাইহাতী-মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে ওদালগুৰিত। জিলাখনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত বন্য হস্তীয়ে নিদ্ৰাহৰণ কৰিছে জনসাধাৰণৰ। বনাঞ্চলত তীব্ৰ খাদ্য সংকট, বিচৰণস্থলীৰ অভাৱ আৰু বনাঞ্চল ধ্বংসৰ পৰিণতিত এতিয়া বনাঞ্চল এৰি জনাঞ্চলত শ শ হাতীৰ জাকৰ বিচৰণস্থলীত পৰিণত হৈছে। বন্যহস্তীৰ আক্ৰমণত চলিত বৰ্ষতে কে'বাগৰাকীও নিৰীহ ব্যক্তিৰ প্ৰাণ নাশ হোৱাৰ উপৰিও কেইবাটাও বন্য হস্তীৰ অস্বাভাৱিক মৃত্যু ঘটিছে। ভূটান আৰু অৰুণাচল পাহাৰৰ উপৰিও খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চল, বৰনদী অভয়াৰণ্যৰ পৰা জনাঞ্চললৈ ঢাপলি মেলা বন্যহস্তীৰ জাকসমূহে দিনৰ ভাগত চাহ বাগিচাসমূহৰ উপৰিও স্থানীয় হাবি-জংঘলৰ মাজত আশ্ৰয় লৈ সন্ধিয়া নামি অহাৰ লগে লগে মানুহৰ বসতিস্থলসমূহত প্ৰৱেশ কৰি ধাৰাবাহিকভাৱে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। উক্ত বন্যহস্তীৰ জাকসমূহে মানুহৰ বাৰী-বস্তিৰ মূল্যৱান গছ-গছনিৰ লগতে খেতি-বাতিসমূহ বিনষ্ট কৰি আহিছে। আৰু লগতে খাদ্যৰ সন্ধানত হাতীৰ জাকসমূহে মানুহৰ ঘৰসমূহ ভাঙি ধ্বংসস্তূপত পৰিণত কৰিছে। আজি পুৱতি নিশা এটা বৃহৎ বন্যহস্তীৰ জাকে জিলাখনৰ বাদলাপাৰা চাহ বাগিচাৰ ফাৰ্ম লাইনত ১১টা পৰিয়ালৰ বাসগৃহ ধ্বংস কৰে। আনহাতে, যোৱা দুদিন পূৰ্বেও বামুণজুলি চাহ বাগিচা অঞ্চলত আঠটাকৈ বাসগৃহ ধ্বংসস্তূপত পৰিণত কৰিছে। উল্লেখ্য যে আজি পুৱতি নিশা বাদলাপাৰা চাহ বাগৰি ফাৰ্ম লাইনত চানি কৌনৰ, বীৰ্চা খেদিয়া, ছাভিঅ তিগ্গা, গাহ্নু মুণ্ডা, বীৰ্চা মুণ্ডা, ৰাজ কৌনৰ, ৰিচা খেদিয়া, দানে খেদিয়া, ফ্ৰানছিছ কজুৰ, পাওলোছ মুণ্ডা, লব গুৰিয়াকে ধৰি মুঠ ১১টা পৰিয়ালৰ বাসগৃহ ধ্বংসস্তূপত পৰিণত কৰে। ইয়াৰোপৰি দুদিন পূৰ্বে বামুণজুলি চাহ বাগিচাৰ নন্দ ৰাজবংশী, দীব্যজ্যোতি দাস, শ্ৰীমন্ত বড়ো, প্ৰতিমা ভূমিজ, শ্ৰীচৰণ তাঁতী, দেৱ মুণ্ডা আৰু কে'বাটাও বাসগৃহ বন্যহস্তীৰ জাকে ধ্বংসস্তূপত পৰিণত কৰে। ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত সন্ত্ৰাসৰ সৃষ্টি কৰা বন্যহস্তীৰ জাকসমূহ জনাঞ্চলৰ পৰা বনাঞ্চললৈ খেদি পঠোৱাৰ ক্ষেত্ৰত ওদালগুৰি জিলা বন বিভাগৰ নিৰ্লিপ্ত ভূমিকা। হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে ব্যৰ্থ ওদালগুৰি জিলা সদৰস্থিত ধনশিৰি বন সংমণ্ডল কাৰ্যালয়ে অতি শেহতীয়াভাৱে বন্য হাতীৰ জাকসমূহ খেদিবলৈ কাজিৰঙাৰ পৰা চাৰিটা ঘৰচীয়া (কুনকী হাতী) আনিছে যদিও বৰ্তমানলৈকে কাৰ্য ক্ষেত্ৰত ব্যৱহাৰ কৰা পৰিলক্ষিত হোৱা নাই।



বোকাখাতত মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীক সম্বৰ্ধনা, দেওবাৰে

# দেৰগাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনাত ৮

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ৩১ জুলাই ঃ** দেৰগাঁৱত দেওবাৰে পুৱতি নিশা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। ৰৈ থকা ডাম্পাৰত খুন্দিয়াই পথাৰত উফৰি পৰিল এখন নৈশ বাছ। প্ৰাপ্ত তথ্য মতে তিনিচুকীয়াৰ পৰা গুৱাহাটী অভিমুখী এএছ ০১ জিচি ৪৭৫৫ নম্বৰৰ তীব্ৰবেগী নৈশ বাছখনে দেৰগাঁৰৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ অমৃতপুৰত যান্ত্ৰিক বিজুতিৰ বাবে ৰখাই থোৱা এএছ ২৩ বিচি ১৯৭৬ নম্বৰৰ ডাম্পাৰখনত প্ৰচণ্ড জোৰত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। তীব্ৰবেগী বাছখন এই দুৰ্ঘটনাৰ ফলত পথৰ পৰা উফৰি গৈ কাষৰ পথাৰত পৰেগৈ। এই ঘটনাত বাছখনৰ চালকসহ ৮জনকৈ লোক আহত হয়। ঘটনাস্থলীত দেৰগাঁও আৰক্ষী উপস্থিত হৈ আহতসকলক ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। নৈশ বাছখনত মুঠ ২২গৰাকী যাত্ৰী আছিল যদিও ১৪গৰাকীযাত্ৰী সৌভাগ্যক্ৰমে সামান্যভাৱেহে আঘাতপ্ৰাপ্ত হয়।

## ব্ৰাউন ছুগাৰসহ নগা যুৱক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ৩১ জুলাই ঃ** অসম-নগালেণ্ডৰ মেৰাপানী সীমাত যোৱানিশা ব্ৰাউন ছুগাৰসহ এজন নগা যুৱকক আটক কৰে চিআৰপিএফে। তথ্য মতে, নাগালেণ্ডৰ ভাণ্ডাৰী মহকুমাৰ ফুটহিলৰ নিৱাসী নিল'ট চুমি (২৮) নামৰ নগা যুৱকজনে নিশা ন বজাত মেৰাপানীৰ পৰা ব্ৰাউন ছুগাৰসহ কেইটামান নিচাযুক্ত টেবলেট ক্ৰয় কৰি নাগালেণ্ড অভিমুখে গৈ থকা অৱস্থাত মেৰাপানীস্থিত ১৪২নং চিআৰপিএফৰ চেকগে'টৰ তালাচীত আটক কৰে। আটকধীন যুৱকজনক চিআৰপিএফে ড্ৰাগ্ছসহ মেৰাপানী আৰক্ষী থানাত চমজাই দিয়ে। লক্ষণীয় বিষয় যে চিআৰপিএফে আটক কৰি মেৰাপানী আৰক্ষীৰ জিম্মাত দিয়া নগা যুৱকজনক মুকলি কৰি নিবৰ বাবে ৰাতিয়েই মেৰাপানী থানাত উপস্থিত হয় নাগালেণ্ড আৰক্ষী। নগা আৰক্ষী আৰু চিআৰপিএফৰ মাজত বহু বাক্-বিতণ্ডাৰ পাছত যুৱকজনক মেৰাপানী আৰক্ষীৰ জিম্মাত দিয়ে। আজি মেৰাপানী আৰক্ষীয়ে নগা যুৱকজনক গোলাঘাট জে'ললৈ প্ৰেৰণ কৰে।

### ৰঙাপৰা উন্নয়ন খণ্ডৰ ৮৪লাখ টকাৰ ব্যৱহাৰ প্ৰসংগ

# ৰাজহুৱা অভিযোগৰ পাছতো নহ'ল তদন্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩১ জুলাই ঃ** ৰঙাপৰা উন্নয়ন খণ্ডৰ তদানীন্তন খণ্ড উন্নয়ন বিষয়া মুনিন দলেৰ ৰঙাপৰাত কাৰ্যকালৰ অন্তিম সময়ছোৱাত মোকলাই দিয়া ৮৪ লাখ টকাৰ কিমান সদ্ব্যৱহাৰ হ'ল সেই বিষয়ে অভিযোগ উত্থাপন হোৱাৰ পাছতো কোনোধৰণৰ তদন্ত নহ'ল। উল্লেখ্য যে ২০২১ৰ দুৰ্গা পূজাৰ পূৰ্বে ৰঙাপৰা উন্নয়ন খণ্ডৰ তদানীন্তন খণ্ড উন্নয়ন বিষয়াজনে কেৱল এজন ভেণ্ডৰৰ জৰিয়তেই এমজি এনৰেগাৰ সামগ্ৰী বিলৰ নামত ৮৪লাখ টকা মোকলাই দিছিল। প্ৰকৃত যোগান ধৰোঁতাসকলক তথা আন ভেণ্ডৰক সম্পূৰ্ণৰূপে একাষৰীয়া কৰি মাত্ৰ এজন ভেণ্ডৰৰ জৰিয়তেই এই বৃহৎ পৰিমাণৰ পুঁজি মোকলাই দিয়া ঘটনাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাই নহয়, এই ধনৰ অপব্যয়ক লৈয়ো একাংশ লোকে বিষয়টোৰ এক তদন্তৰ দাবী জনাই শোণিতপুৰৰ উপায়ুক্ত কাৰ্যালয়ত যোৱা মে' মাহতে লিখিত অভিযোগ দাখিল কৰিছিল। উল্লেখ্য যে এম জি এনৰেগা আঁচনিৰ বিপৰীতে এই সামগ্ৰী যোগানৰ নামত যি ধনৰ অংশ কৰ্তন কৰা হয় পাছত সেয়া বিতৰণ আৰু ব্যৱহাৰত বহু বিসংগতি সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন হোৱা সত্ত্বেও এইক্ষেত্ৰত সাধাৰণ তদন্ত এটাও নোহোৱাটোক লৈ বৰ্তমানেও অভিযোগকাৰীসকল ক্ষোভিত হৈ আছে। এই বিষয়ে পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগৰ মন্ত্ৰীকো জনোৱা হৈছিল যদিও সকলো ফুটুকাৰ ফেনত পৰিণত হয়। উল্লেখ্য যে কেৱল ৰঙাপৰা উন্নয়ন খণ্ডতে নহয়, গাভৰু, বালিপৰা, বিহগুৰিকে ধৰি বিভিন্ন উন্নয়ন খণ্ডতেই এমজিএন ৰেগাৰ সামগ্ৰী যোগানৰ এই ধন একাংশ ভেণ্ডৰৰ দ্বাৰাই ব্যৱহাৰৰ নামত প্ৰকৃততে ক'ত কেনেদৰে ব্যয় হয় সেয়া কোনেও ভূকে নাপায়। উল্লেখ্য যে আঁচনিৰ ফলককে ধৰি সামগ্ৰী যোগানৰ নামত আঁচনিৰ ৩০শতাংশ কৰ্তন কৰি এক বৃহৎ পুজি এই সামগ্ৰীৰ ধন মোকলাই দিয়াৰ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত দীৰ্ঘদিনৰ পৰাই অভিযোগ উঠি আহিছে যদিও বিষয়টো মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিব কোনেৰ দৰে বিষয় হৈ পৰিছে। ইপিনে এক চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি এনে বিভিন্ন কাৰণতে এমজিএনৰেগা আঁচনি বন্ধ হোৱাৰো সম্ভাৱনা আছে আৰু বৰ্তমান এনে আঁচনিৰ কামো সহবিৰ হৈ পৰিছে।ইয়াৰ বিপৰীতে ৰঙাপৰা উন্নয়ন খণ্ডত নিৰ্দ্দিষ্ট ভেণ্ডৰ আৰু তদানীন্তন খণ্ড উন্নয়ন বিষয়াৰ মাজৰ বুজাবুজিৰে হোৱা ৮৪ লাখ টকাৰ ব্যৱহাৰৰ এক শক্তিশালী তদন্তৰ ব্যৱস্থা কৰিলে বহু ৰহস্য ভেদ হোৱাৰ সম্ভাৱনা আছিল য'দিও সংশিষ্ট উৰ্দ্ধতন কৰ্তৃপক্ষয়ো কিয় বিষয়টো এৰাই চলিল সেয়াও আন এক ৰহস্য হৈ ৰ'ল ক্ষুব্ধ লোকসকলৰ বাবে।



গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহাৰজত জয়ন্তী উপলক্ষে গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত প্ৰয়াত দ্বীপেন্দ্ৰ নাথ শৰ্মা স্মাৰক বক্তৃতানুষ্ঠানৰ ছবি

## ভোটাইগাঁৱত 'মন কী বাত' অনুষ্ঠানত বিধায়ক জিতু গোস্বামী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩১ জুলাই ঃ** দেশৰ অন্যান্য প্ৰান্তৰ লগতে নগাঁৱৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ভোটাইগাঁৱতো আজি প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' অনুষ্ঠান অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত এখন সভাত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত হৈ 'মন কী বাত' অনুষ্ঠানৰ সম্পৰ্কত ব্যাখ্যা কৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণৰ এক খতিয়ান দাঙি ধৰে। ভাস্কৰ শইকীয়াই আঁত ধৰা এই অনুষ্ঠানত সমাজকৰ্মী জয়ন্ত কুমাৰ বৰা, ভোটাই-পাঠৰী আঞ্চলিক পঞ্চায়তৰ সদস্য হৃদয়ানন্দ শইকীয়া প্ৰমুখ্যে কে'বাগৰাকী গণ্যমান্য ব্যক্তিকে ধৰি অঞ্চলৰ বহু লোক উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত অঞ্চলৰ ৰাইজৰ বিভিন্ন অভাৱ-অভিযোগৰ খবৰ লোৱাৰ লগতে স্থানীয় কে'বাটাও ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানলৈ গৈ দুৰ্দশাৰ বুজ লয় বিধায়কগৰাকীয়ে।



আৰোহণ ফাউণ্ডেচনৰ উদ্যোগত গোবিন্দ চৌধুৰীৰ জন্ম দিৱস উপলক্ষে 'গোবিন্দ চৌধুৰীৰ জীৱন আৰু কবিতা' শীৰ্ষক গ্ৰন্থ উন্মোচনৰ মুহূৰ্তত জ্যেষ্ঠ সাংবাদিক প্ৰকাশ মহন্তৰ লগতে অন্যান্যসকল, দেওবাৰে

## যোগীঘোপাৰ জ্ঞানপীঠ জাতীয় বিদ্যালয়ত কবিতা আবৃত্তিৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৩১ জুলাই ঃ** ব্যক্তিগত খণ্ডৰ অগ্ৰণী শিক্ষানুষ্ঠান জ্ঞানপীঠ জাতীয় বিদ্যালয়ত এখন কবিতা আবৃত্তিৰ কৰ্মশালা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলক পাঠ্যপুথিৰ শিক্ষাৰ সমান্তৰালভাৱে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনতো সমানে আগবঢ়াই নিয়াৰ লক্ষ্যৰে বিদ্যালয়খনত এই কৰ্মশালাৰ আয়োজন কৰা হয়। বিদ্যালয়খনৰ সচিব খাদেমুল হুছেইনে পৰিচালনা কৰা কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট কবি, লেখিকা তথা অভয়াপুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° মৰমী বৰঠাকুৰ তালুকদাৰ আৰু বিশিষ্ট কবি তথা আবৃত্তিকাৰ ৰাধিকামোহন দাস। কৰ্মশালাখনত বিশেষকৈ আবৃত্তিৰ সময়ত শব্দৰ উচ্চাৰণ, বিভিন্ন শব্দৰ গঠন, বিভিন্ন শব্দৰ কথনভংগী, কণ্ঠ নিয়ন্ত্ৰণ আদি বিভিন্ন দিশত আলোকপাত কৰা হয়। কৰ্মশালাৰ এই অনুষ্ঠানটিত আৰম্ভণিতে দুয়োগৰাকী কবিয়ে পৃথকে পৃথকে কবিতা আবৃত্তি কৰে। কৰ্মশালাত বিদ্যালয়খনৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মুছাৰফ হুছেইন, বিত্ত সচিব ৰমানাথ মণ্ডল আৰু অধ্যক্ষ নিখিল চন্দ্ৰ ৰয়েও অংশগ্ৰহণ কৰে।

## মুখ্যমন্ত্ৰীলৈ যুৱকৰ কাতৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা মৈৰাবাৰী,** ৩১ জুলাই; মৰিগাঁও জিলাৰ মৈৰাবাৰী থানাৰ অন্তৰ্গত হাতীমূৰীয়া গাঁৱৰ পিতৃ মাতৃহীন এজন ১৮ বছৰীয়া যুৱকে ডেৰ বছৰ পূৰ্বে হোৱা এক পথ দুৰ্ঘটনাত এখন ভৰি প্ৰায় আঁঠুৰ পৰা বিচ্ছিন্ন হৈ গৈছিল। ১৮ বছৰীয়া মাজাহাৰুল হকে হেণ্ডিমেন হিচাপে কাম কৰা গাড়ীখন দুৰ্ঘটনাগ্ৰস্ত হোৱাত যুৱকজন প্ৰায় ডেৰ বছৰে বিছনাত অচলাৱস্থাত আছে। অসমৰ প্ৰায়সংখ্যাক চিকিৎসালয়ত চিকিৎসা কৰি সৰ্বহাৰা হোৱা মাজাহাৰুলৰ আইতাকৰ বাহিৰে পৰিচৰ্যা কৰিবলৈ কোনো নাই। অতিকৈ দৰিদ্ৰ যুৱকজনে ৰাইজৰ আৰ্থিক সহায়েৰে সুদূৰ পাটনাৰ পৰা চিকিৎসা কৰি কিছু পৰিমাণে সুস্থ হৈছে যদিও আজিৰ দিনত চিকিৎসা কৰিবলৈ আৰ্থিকভাৱে জুৰুলা হৈ পৰাত চিকিৎসা কৰিবলৈ নাই ধন। উপায়হীন হৈ যুৱকজনৰ আইতাই সংবাদ মাধ্যমৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী আৰু ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামৰ ওচৰত যুৱকজনৰ চিকিৎসাৰ বাবে আৰ্থিক সহায় কৰিবলৈ কাতৰ আহ্বান জনাইছে। যদি কোনো সদাহয় ব্যক্তিয়ে সহায় কৰিব বিচাৰে- ফোন পে'-৯৯৫৮৪৫৪০০ নম্বৰত বা A/C-৪০৮১৬৪৬৮৬২৩, IFSC-SBIN০০০২০৫০(SBI) পঠাব পাৰিব।

### ডিমৌৰ আঠাবাৰীত আন্তঃৰাষ্ট্ৰীয় কৃতী হেণ্ডবল খেলুৱৈ প্ৰথম আৰক্ষী বেটেলিয়নৰ আৰক্ষী জোৱান বিকি বাঢ়ৈ

# স্মৃতিসৌধ নিৰ্মাণৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৩১ জুলাই ঃ** আন্তঃৰাষ্ট্ৰীয় কৃতী হেণ্ডবল খেলুৱৈ প্ৰথম আৰক্ষী বেটেলিয়নৰ জোৱান প্ৰয়াত বিকি বাঢ়ৈৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ আজি ডিমৌৰ আঠাবাৰীত এটা স্মৃতিসৌধ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে। এই আধাৰশিলা স্থাপনৰ পিছতে এখন বিকি বাঢ়ৈৰ স্মৃতিসৌধ নিৰ্মাণ সমিতি গঠন কৰা হয়। ডিমৌৰ অন্যতম বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা চ'নাপুৰ সামাজিক উন্নয়ন সমিতিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত আঠাবাৰী চাহ বাগিচাৰ ৰাজহুৱা খেলপথাৰত কাষতে অৱস্থিত বিকি বাঢ়ৈৰ সমাধিস্থলীত স্মৃতিসৌধ আধাৰশিলা স্থাপন কৰাৰ বাবে আয়োজন কৰা অনুষ্ঠানত ৰাজ্যিক হেণ্ডবল সন্থাৰ উপ-সভাপতি কুশল দত্তৰ সভাপতিত্বত আয়োজিত সভাত থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইক মুখ্য উপদেষ্টা, ৰাষ্ট্ৰীয় হেণ্ডবল প্ৰশিক্ষক মঞ্জুৰ আলীক উপদেষ্টা, অসম চাহ মজদুৰ সংঘ, মৰাণ শাখাৰ সম্পাদক লখেশ্বৰ তাঁতীক সভাপতি, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ উপ-সভাপতি দিগন্ত চাহুক কাৰ্যকৰী সভাপতি, সঞ্জয় প্ৰসাদ চাহক সম্পাদক হিচাপে লৈ এখন শক্তিশালী ৩১জনীয়া স্মৃতিসৌধ নিৰ্মাণ সমিতি গঠন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় কৃতী হেণ্ডবল খেলুৱৈ বিকি বাঢ়ৈৰ স্মৃতিসৌধৰ আধাৰশিলা স্থাপন অনুষ্ঠানত নাইনু বাঢ়ৈ দ্বাৰা পুৱা চাফাই অভিযান, লক্ষেশ্বৰ তাঁতী, দিগন্ত চাহু আৰু পৰিয়াল লোকসকলৰ দ্বাৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন, থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, কুশল দত্ত, অৰুণ কুমাৰ দত্ত, মঞ্জুৰ আলী, লক্ষেশ্বৰ তাঁতী, দিগন্ত চাহু, বিশ্ব নাগ, জগন্নাথ তাঁতী, সুদৰ্শন গড়, লক্ষ্মণ ৰবিদাস আদিৰ লগতে অঞ্চলটোৰ বহুকেইজন বিশিষ্ট ব্যক্তি সমাজকৰ্মী আদিৰ উপস্থিত স্মৃতি সৌধৰ আধাৰশিলা স্থাপন কৰে। অতি কম দিনৰ ভিতৰত প্ৰয়াত বিকি বাঢ়ৈৰ স্মৃতিসৌধ নিৰ্মাণৰ কাম হাতত লোৱাৰ লগতে তেওঁৰ স্মৃতি সজীৱ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত থাকিব বুলি স্বেচ্ছাসেৱী সংগঠনটোৱে প্ৰকাশ কৰে।

# বড়ো সাহিত্য সভাৰ উপ-সভাপতি দীননাথ বসুমতাৰীক পদবীৰ পৰা বহিষ্কাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাসুগাঁও, ৩১ জুলাই ঃ** ২০২০ বৰ্ষৰ ২৭ জানুৱাৰীত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু নিখিল বড়ো ছাত্ৰ সন্থা আৰু এন ডি এফ বিৰ চাৰিওটা গোট আৰু অন্যান্য বড়ো আন্দোলন কাৰীৰ মাজত তৃতীয় বড়ো চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ কিছু দফা বড়ো জাতিৰ বাবে আৰু ভাৰত সংবিধানৰ ষষ্ঠ অনুসূচী প্ৰাপ্ত বি টি চিৰ বাবে ক্ষতিকাৰক হোৱা হেতুকে বড়ো জাতীয় কিছুমান সংগঠন আৰু বিশিষ্ট ব্যক্তি সকলে ইয়াৰ বিৰোধিতা কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ তৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ তৰাত অন্যতম স্বাক্ষৰকাৰী আছিল বিশিষ্ট লেখক, বুদ্ধিজীৱি, কেবাখনো মূল্যৱান গ্ৰন্থৰ স্ৰষ্টা, চিন্তাবিদ, বড়ো সাহিত্য সভাৰ ২০২০ বৰ্ষৰ ৰাংছাৰ সাহিত্য বঁটাপ্ৰাপক, বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় উপ-সভাপতি ড° দীননাথ বসুমতাৰী। কিন্তু অতি পৰিতাপৰ বিষয়যে ২, ৩ আৰু ৪ মে'ত বড়ো সাহিত্য সভাৰ তামোলপুৰত অনুষ্ঠিত ৬১ সংখ্যক বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাত এক প্ৰস্তাৱযোগে উপ-সভাপতি পদৰ পৰা বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ উপ-সভাপতি ড° দীননাথ বসুমতাৰীক তেওঁৰ পদবীৰ পৰা বহিষ্কাৰ কৰা হয়। এই বহিষ্কৰণ কাৰ্যক বড়ো লেখক সংস্থাই গভীৰ উদ্বেগ প্ৰকাশ কৰি অনতিপলমে তেওঁৰ বহিষ্কৰণ উঠাই লৈ বিশিষ্ট লেখক সমালোচক ড° দীননাথ বসুমতাৰীক বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ উপ-সভাপতি পদত পুনৰ মকৰল কৰিবলৈ বড়ো লেখক সংস্থাৰ সভাপতি ৰাজেন বসুমতাৰী আৰু সাধাৰণ সম্পাদক আনন্দৰাম ঔৱাৰী স্বাক্ষৰিত এক বিবৃতিত আহ্বান জনায়।

**LOST**

I have lost my class H.S.L.C. passed original marksheet bearing Roll-B-17 629 No. 0710 of 2017 and H.S. passed original marksheet bearing Roll- 0826 No. 20143 of 2020.

Bijita Sarmah,
Haiborgaon, Nagaon

**জাননী**

ইয়াৰ দ্বাৰা নিলাম কমিটিয়ে জানিবলৈ দিছে যে মহামান্য SDJM(M) গোসাইগাঁও আদালতৰ নিৰ্দেশ মৰ্মে গোসাইগাঁও থানাৰ Case No 138/ 2022 সংক্ৰান্তে জব্দকৃত মুঠ ১৫ টা গৰু ইংৰাজী ১/৮/২০২২ তাৰিখৰ পৰিৱৰ্তে অহা ইংৰাজী ০২/০৮/২০২২ তাৰিখৰ ৰাতিপুৱা ১০ বজাৰ পৰা আবেলি ২ বজাৰ ভিতৰত নিম্ন উল্লেখিত স্থানত নিলাম যোগে বিক্ৰী কৰা হ'ব। ইচ্ছুক ক্ৰেতাক উক্ত তাৰিখৰ দিনা যথা সময়ত উপস্থিত থাকিবলৈ ইয়াৰ দ্বাৰা অনুৰোধ জনোৱা হ'ল।

**নিলামৰ স্থান ঃ**
**S D Livestock centre & Shelter House**
**Damrapara, Srirampur.**

**NEMCARE Group of Institutions**

Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam

ADMISSION OPEN FOR 2022-23

OUR COURSES

- B Pharm
- BSc Nursing
- D Pharm
- GNM
- B Pharm (Lateral)
- Master in Hospital Administration

CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available

98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১ আগষ্ট ■ ২০২২ ■ ১৫৫ শাওণ



# দায়িত্ব, বিশ্বাস, আস্থা আৰু সৰলতা

সমাজ বিৱৰ্তনৰ লগে লগে সামাজিক চৰিত্ৰ আৰু গতি সলনি হোৱাটো অতি স্বাভাৱিক। সলনি হ'লেই কেৱল সামাজিক চৰিত্ৰৰ সলনি নহয়, সমাজ বিৱৰ্তনৰ সমান্তৰালকৈ মন, গতি আৰু বিশ্বাসৰ স্থিতিও সলনি হৈ পৰে। ইয়াৰ উৎস বা গতিশীলতাৰ লক্ষ্য নিৰ্দিষ্ট নহয়। উৎসই হওঁক বা গতিশীলতাৰ ধাৰাই হওঁক কোনো এটাৰে যেনেকৈ নিৰ্দিষ্ট লক্ষ্য নাই, ঠিক তেনেকৈ ইয়াৰ দ্ৰুততাৰ পৰিসৰৰ গতিও একেই। অত্যাধুনিক সমাজ ব্যৱস্থাৰ ধামখুমিয়াত বিৱৰ্তন এটা মাত্ৰ অনুঘটক ৰূপতহে বিৰাজমান। এই অনুঘটকেই হ'ল অধুনিক যুৱ প্ৰজন্মৰ মাজত আৰু পৌৰাণিক সমল তথা অনুসন্ধিৎসু লোকৰ বাবে বিজড়িত এটা সুগাঠনিক ধাৰা। এই ধাৰাই লৈ আহে ইটোৰ পিছত সিটো অথবা যায় ইটোৰ পৰা সিটোলৈ নিয়মমাফিক এটা পৰিধিলৈ। সৰলতা আৰু আস্থা এনে এটা ব্যৱস্থা যিটো কোনো ব্যাখ্যা নাই নতুবা ব্যাখ্যাৰ কোনো সংজ্ঞা নাই। কিন্তু সময়ৰ সমানুপাতিক শৰত সকলোৰে বিদ্ধ। ঠিক তেনেকৈ দায়িত্বও এটা সমানুপাতিক উৎস । এই উৎসই কোনো এজন ব্যক্তিক আস্থাশীল অথবা আস্থাহীন, এনে ৰূপত তুলি ধৰিব পাৰে। যিজনত যেনেধৰণে উপস্থাপন কৰা হয়, সেইজনে তেনেধৰণে নিজকে উপস্থাপিত কৰিব পৰা শক্তি বা প্ৰায়ুগিক প্ৰক্ৰিয়াৰে সমৃদ্ধ হ'বও বাবে নহ'বও পাৰে। একোজন ব্যক্তিয়ে নিজকে সমৃদ্ধিশালী কৰি তুলিবৰ বাবে প্ৰয়োজনীয় পৰিৱেশ, প্ৰয়োজনীয় সমৰ্থন, প্ৰয়োজনীয় সঁহাৰি নতুবা আস্থাৰ গুৰুত্ব অপৰিহাৰ্য। কিন্তু এনেধৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ পটভূমিতো বহু কাৰকে নিৰ্দিষ্ট গুৰুত্ব ভূমিকা গ্ৰহণ কৰে। কেৱল এজন ব্যক্তি বা এজন দলপতিৰ ক্ষেত্ৰতেই এই কথা প্ৰযোজ্য নহয়, প্ৰযোজ্য সকলোৰে বাবে। এনে ক্ষেত্ৰত সফলতা আহিবই। আৰু এই সফলতাৰ আনন্দই হওঁক উৎসাহৰ বিনন্দীয়া লহৰেই হওঁক হিমালয়ৰ চূড়া চুবই। সেইবাবেই একক বা দলীয় ভাবৰ মাজত গুৰুত্ব সদায় আছে।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### শিক্ষা আৰু কৰ্ম

আমি সন্তানক বুজাও ভালকৈ পঢ়, ভৱিষ্যতে ডাঙৰ মানুহ হ'ব লাগিব। নৱম শ্ৰেণীৰ পৰাই সন্তানক সাৱধান কৰা হয়। মেট্ৰিক পালেহি কেৱলপঢ়াত মন দিয়া সকলোৰে ষ্টাৰ মাৰ্ক, ডিষ্টিংচন পায় আমাৰ সাধাৰণ প্ৰথম বিভাগ পালে নহ'ব। সেইদৰে উচ্চতৰ মাধ্যমিক পৰীক্ষা পালেহি ক'ব, এইটো ৰিজাল্টেহে কামত দিব আজিকালি কাট অৱ মাৰ্ক ৯৮শতাংশ, ৯৯শতাংশ নহ'লে লাভ নাই। মুঠতেএকেটা বিষয়কে বিদ্যালয়ৰ শিক্ষক, টিউচনৰ শিক্ষক, পাৰিলে ঘৰৰ অভিভাৱকেও বাৰে বাৰে পৰীক্ষা নোহোৱালৈকে পঢ়াই থাকে। পৰীক্ষাত নম্বৰ লাভ কৰাটোৰেই যেন একমাত্ৰ কথা।

সেইবাবে হয়টো বছৰে বছৰে ভাল নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ তালিকা বাঢ়ি গৈছে। শীৰ্ষ দহখন আসনত প্ৰায় নধৰা হৈছে। কোনোবখন আসনত চাৰি পাঁচজনকৈ থাকে। যিমানেই মেধাৱীৰ সংখ্যা বাঢ়ি গৈছে সিমানেই মেধাৱী নিবনুৱাৰ সংখ্যাও বৃদ্ধি হৈছে। শেহতীয়াভাৱে সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাতঅসমৰ ফলাফল আশাপ্ৰদ নহয় বুলি মুখ্যমন্ত্ৰী মহোদয়ে উৎকণ্ঠা প্ৰকাশকৰিছিল। আজিকালি অভিযন্তা, কাৰিকৰী বিভাগত পাছ কৰা নিবনুৱাৰ সংখ্যাও বাঢ়িছে। ডাঙৰ মানুহ বাঢ়িছে কিন্তু ভাল মানুহ বঢ়া নাই। শিক্ষা প্ৰতিষ্ঠান বাঢ়িছে, কিন্তু সংস্থাপন বঢ়া নাই। আজিৰ সমাজত প্ৰতিষ্ঠিত হ'বলৈ কেৱল মাৰ্কশ্বীটত ষ্টাৰ মাৰ্ক পালেই নহ'ব, ব্যৱহাৰীক জীৱনতো ষ্টাৰ হ'ব লাগিব। আমাৰ শিক্ষা প্ৰতিষ্ঠানসমূহত ধন কেনেকৈ ঘটে, ডাঙৰ মানুহ কেনেকৈ হয় তাৰ শিক্ষা নিদিয়ে, প্ৰতিটো বিষয়ৰ জ্ঞান প্ৰদান কৰা হয়। জ্ঞান লাভ কৰি ছাত্ৰ-ছাত্ৰীয়ে জীৱন গঢ়াৰ দায়িত্ব নিজৰ। ছেমুৱেল জনছনৰ মতে-'জ্ঞান দুই প্ৰকাৰৰ। একোতা বিষয় সম্পৰ্কে হয় আমি নিজে জানো, অথবা সেই বিষয়ে যাৱতীয় তথ্য ক'ত পোৱা যাব পাৰে, সেই কথা আমি জানোঁ।'

সকলো শিশুৰ নিজা সপোন থাকে, ডাঙৰ হৈনিজৰ মতে জীৱন যাপনৰ সপোন। কিন্তু সমাজৰ ঢৌৰে, পৰিয়ালৰ তাগিদাই তেওঁলোকক নিৰ্দিষ্ট ফ্ৰেমট সুমুৱাই দিয়ে। কলা শাখাতপঢ়ি লাভ নাই বুলি কোনোৱে ইচ্ছা নাথাকিলেও ভৱিষ্যতৰ কৰ্মসংস্থাপনৰ স্বাৰ্থত বিজ্ঞান বা কাৰিকৰী শাখাত পঢ়িব লগা হয়। নিজৰ আগ্ৰহ নথকা বিষয়ত শিক্ষা লৈ কোনোৱে আধাতে সামৰিব লাগে। কোনোৱে ভবা মতে ফলাফল কৰিব নোৱাৰে।

আমি ভাল মানুহ হোৱাৰ পৰামৰ্শ দিয়াৰ পৰিৱৰ্তে ডাঙৰ মানুহ হ'ব লাগিব ভাল দৰ্মহা, বাহিৰা টকা থকা চাকৰি কৰিব লাগিব এনে কথা শুনাই থাকোঁ। আজি দেখা পোৱা গৈছে কোনো কোনো ডাঙৰ বিষয়াই ৰঙাঘৰৰ ভাত খাব লগা হৈছে, দুৰ্নীতি-অনিয়মৰ বহু চৰকাৰী তদন্ত চলি আছে। সেইদৰে ভাল কাম কৰি পুৰস্কাৰ লাভ কৰা ডাঙৰ বিষয়াও আছে। বেয়া কামৰ বা কৰ্মহীনতাৰ বাবে শিক্ষা কেতিয়াও দায়ী হ'ব নোৱাৰে। শিক্ষাই আমাক ধন ঘটিবলৈ নকয়, কৰ্মহীন হৈ থাকিবলৈয়ো নকয়। কৰ্ম মানুহৰ সম্পূৰ্ণ ব্যক্তিগত বিষয়। কোনো কোনো প্ৰশাসনিক বিষয়াই চাকৰি এৰি অন্য বৃত্তি গ্ৰহণ কৰা দেখা যায়। দাৰ্শনিক ছক্ৰেটিছৰ মতে -'জ্ঞান মানুহক দিব নোৱাৰি উপলব্ধি কৰিব পাৰি ঃ 'আমাক শিক্ষাই সমাজৰ প্ৰতি দায়বদ্ধ হৈ সজ জীৱন যাপন কৰিবলৈ জ্ঞান দিয়ে, কাৰণ আমি যি কৰোঁ সমাজৰ বাবে কৰিব লাগিব। এজন চিকিৎসক, অভিযন্তা, আৰক্ষী, শিক্ষক সকলোৱে নিজ কৰ্ম সমাজৰ বা দেশৰ বাবেই কৰে, কেৱল পাৰিশ্ৰমিকহে নিজৰ। কৰ্ম সমাজৰ, দেশৰ প্ৰগতিৰ বাবে নিৰ্ধাৰিত হয়।'

■ পৱন কুমাৰ বৰা
ফোন ৮৬৩৮৯২৪৬৭৭

### লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

■ উপলব্ধি ঃ কোন কাৰ ত্ৰাণকৰ্তা ! ■

# আদিবাসী দলিতসকল আৰু দ্ৰৌপদী মুৰ্মু !



■ বিমান শইকীয়া

ভাৰতৰ পঞ্চদশ ৰাষ্ট্ৰপতি নিৰ্বাচনত ওড়িশাৰ সন্তান দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হ'ল। তেওঁ এনডিএৰ প্ৰাৰ্থী আছিল। অৰ্থাৎ তেওঁৰ ৰাজনৈতিক পৰিচয় ভাৰতীয় জনতা পাৰ্টীৰ একান্ত সেৱক। তেওঁৰ বিৰুদ্ধে বিৰোধী দলৰ প্ৰাৰ্থী আছিল যশোৱন্ত সিন্‌হা। দ্ৰৌপদী মুৰ্মু আছিল ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল। আনহাতে, যশোৱন্ত সিন্‌হা আছিল প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী । তাৎপৰ্য পূৰ্ণ কথা হ'ল এই নিৰ্বাচনত ৰাজনৈতিক আদৰ্শৰ বিপৰীতে জাত-পাতৰ ৰাজনীতিয়েহে বেছি গুৰুত্বপূৰ্ণ ভূমিকা লোৱা পৰিলক্ষিত হ'ল। বিজেপিৰ নেতাসকলে দ্ৰৌপদী মুৰ্মুক দলিত আদিবাসী জনজাতিৰ চাপ মাৰি ভাৰতৰ ৰাষ্ট্ৰপতি পদত প্ৰক্ষেপ কৰিছিল। ৰাষ্ট্ৰপতি নিৰ্বাচনৰ আগে-আগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হায়দৰাবাদত দলিত আদিবাসী সমাজৰ পৰা গৈ ভাৰতৰ মুক্তি সংগ্ৰামত মৃত্যুবৰণ কৰিছিল আলুৰি চিতাৰামা ৰাজুৰ ৩০ ফুট ওখ প্ৰতিমূৰ্তি উন্মোচন কৰে। ভাষণত প্ৰধানমন্ত্ৰীয়ে কৈছিল- চিতাৰামা হায়দৰাবাদৰে শ্বহীদ নহয়, সমগ্ৰ ভাৰতৰ শ্বহীদ। কেৱল সেয়াই নহয়, আদিবাসী দলিতসকলৰ সাংস্কৃতিক জীৱনৰ পটন্তৰ জাতীয় জীৱনৰ দলিল 'মিউজিয়াম (যাদুঘৰ )' বনাব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰে। সঁচাকৈয়ে ইমান জনদৰদী আৰু আদিবাসী দলিতসকলৰ প্ৰতি দয়ালু প্ৰধানমন্ত্ৰী নহ'ব-নোপজিৰ ভাৰত বৰিষে বিগত ৬৭ বছৰত জৱাহৰলাল নেহৰুৰ পৰা ড° মনমোহন সিঙৰ প্ৰধানমন্ত্ৰিত্বৰ কাললৈকে প্ৰধানমন্ত্ৰীৰ শাসনত ভাৰতৰ উন্নয়ন আৰু বিকাশৰ পৰিসংখ্যা চাবই নালাগে, মোদীৰ শাসনত হোৱা উন্নয়ন আৰু বিকাশৰ পৰিসংখ্যাই ক'ব-কোন কাৰ মৰমৰ, কোন কাৰ চেনেহৰ, চকুৰ চিনাকি মাথোঁ দুদিনৰ। আকৌ- কোনোৱেবা চুই যাই, কোনোৱে দূৰতে চাই, বুকুৰ আপোন বুলি তাকে কৰোঁ ভুল, সপোন আঁতৰি গ'লে দিঠকে জনাই দিয়ে, বাটৰ কাষৰ মই বননিৰ ফুল। ৰাষ্ট্ৰপতিও ড° ৰাজেন্দ্ৰ প্ৰসাদৰ পৰা ৰামনাথ কোৱিন্দলৈকে বিশেষ তাৎপৰ্য পৰিলক্ষিত নহ'ল। নীলম সঞ্জীৱ ৰেড্ডীৰ ক্ষেত্ৰত কিছু ব্যতিক্ৰম দেখিলোঁ। ইন্দিৰা গান্ধীৰ প্ৰধানমন্ত্ৰিত্বৰ কালত ৰাষ্ট্ৰপতিৰ বাবে কংগ্ৰেছৰ প্ৰাৰ্থী আছিল- নীলম সঞ্জীৱ ৰেড্ডী আৰু বিৰোধী দলৰ প্ৰাৰ্থী আছিল- ভি ভি গিৰি। সেই নিৰ্বাচনত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ভোটদান কৰিলে ভি ভি গিৰিক। তেওঁৰ আহ্বান আছিল- 'বিবেক ভোট' দিয়ক। কংগ্ৰেছৰ প্ৰাৰ্থী শাসক দলৰ প্ৰাৰ্থী নীলম সঞ্জীৱ ৰেড্ডীৰ পৰাজয় হোৱাৰ ইতিহাস-ক্ৰছ ভোটিং। কংগ্ৰেছৰ ক্ৰছ ভোটিঙৰ ফলতেই বিৰোধী দলৰ প্ৰাৰ্থী ভি ভি গিৰি ৰাষ্ট্ৰপতি নিৰ্বাচনত পৰাজিত হৈছিল। ই বৰ পৰিতাপ আৰু দুৰ্ভাগ্যজনক ঘটনা। বৰ্তমান ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত কংগ্ৰেছ দলৰ বিধায়ক আৰু সাংসদসকলে 'বিবেক ভোট' প্ৰদান কৰা ভোটাধিকাৰ পূৰ্বৰ ঘটনাৰ পুনৰাবৃত্তি বুলি আমি ধৰিব পাৰোঁ। সেই ফালৰ পৰা বিবেচনা কৰিলে কংগ্ৰেছৰ বিধায়ক আৰু সাংসদসকলে দোষনীয় কাম কৰা নাই। ভাৰতৰ সংবিধানে ৰাষ্ট্ৰপতি নিৰ্বাচনত পৰোক্ষ ভোটৰ বিধান দিছে। ই আনহাতে, গোপনীয় ভোট। ৰাষ্ট্ৰপতি পদবীটো ৰাজনীতিৰ ঊৰ্ধত হ'ব লাগে। কাৰ্যপালিকাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি নামমাত্ৰ মুৰব্বী। প্ৰকৃত কাৰ্যপালিকা, ন্যায়পালিকা, বিধায়িনী ক্ষমতা, বিচাৰ বিষয়ক, জৰুৰী ক্ষমতা আৰু বিত্তীয় ক্ষমতা। কিন্তু এইক্ষেত্ৰত সকলো ক্ষমতা বাস্তৱিকতে প্ৰধানমন্ত্ৰী প্ৰমুখ্যে মন্ত্ৰীসকলেহে তেওঁৰ ক্ষমতা উপভোগ কৰে। ভাৰতৰ ৰাষ্ট্ৰপতিজনৰ আৰ্হি ইংলেণ্ডৰ ৰজা বা ৰাণীৰ দৰে। ৰাষ্ট্ৰপতি পদবীটো ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপটত কেৱল আনুষ্ঠানিকতাহে। যিহেতু কোনোধৰণৰ প্ৰভাৱ চৰকাৰৰ ওপৰত পেলাব নোৱাৰাৰ দৃষ্টান্ত বহুত ভাৰতবাসীয়ে উপলব্ধি কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ দৰে ভাৰতৰ ৰাষ্ট্ৰপতিৰ ক্ষমতা সংবিধানে ন্যস্তৰ যিহেতে ৰাষ্ট্ৰপতি পদ্ধতিৰ, কাজেই ৰাষ্ট্ৰপতিৰ ক্ষমতা চূড়ান্ত। কিন্তু ভাৰতৰ চৰকাৰ যিহেতু সংসদীয় পদ্ধতিৰ, কাজেই সংসদৰ ক্ষমতাহে চূড়ান্ত। সংসদৰ সংখ্যাগৰিষ্ঠ দলটোৰ নেতাগৰাকীক ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী হিচাপে আৰু প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ মতে মন্ত্ৰীসকলক নিয়োগ কৰে। অৱশ্যেই সেনাধিনায়ক যদিও প্ৰধানমন্ত্ৰীৰ ওচৰতহে দায়বদ্ধ হোৱাৰ যুক্তি আছে। ছুপ্ৰিম কৰ্টৰ মুখ্য ন্যায়াধীশকে ধৰি ন্যায়ধীশসকল, অন্যান্য উচ্চপদস্থ বিষয়া যেনে মুখ্য নিৰ্বাচনী বিষয়া, এটৰ্নী জেনেৰেল, অডিটৰ জেনেৰেল প্ৰমখ্যে বিষয়াৰ নিযুক্তি, ৰাষ্ট্ৰপতিৰ নামতে হয়। অৱশ্যে ইংলেণ্ডৰ ৰাণী বা ৰজাৰ পদবীটোও কেৱল নাম-কস্তে। তেনে আৰ্হিৰে বনোৱা হ'ল আমাৰ ৰাষ্ট্ৰপতিৰ পদবীটো। কাজেই প্ৰধানমন্ত্ৰীৰ শ্ৰুতলিপি মতে চৰকাৰৰ গতিবিধি নিৰ্ণয় হয়। ১৯৭৫ চনত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ দিনত দেশত ইমাৰজেন্সী ঘোষণা কৰিছিল। কোনেও বাধা দিব নোৱাৰিলে ইন্দিৰা গান্ধীক। সেই সময়ত অসমৰ পৰা ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল। ফখৰুদ্দিন আলী আহমেদ তেতিয়াৰ ৰাষ্ট্ৰপতি। ইন্দিৰা গান্ধীক জনবিৰোধী কাৰ্যকলাপত মহামহিম ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদে বাধা দিব নোৱাৰিলে। কেৱল সেয়াই নহয়, সমগ্ৰ ভাৰতত নাগৰিকত্ব সংশোধনী বিলৰ বিৰুদ্ধে প্ৰতিবাদ হৈছিল, আন্দোলন হৈছিল। অসমত ৫ ব্যক্তি শ্বহীদো হ'ল। ক'তা ৰাষ্ট্ৰপতিৰ হস্তক্ষেপ নেদেখিলোঁ। মহামহিম ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দে ভাৰতৰ জনগণৰ আৱেগ-অনুভূতিক সন্মান নজনালে। ভাৰতৰ সংবিধানৰ ধৰ্মনিৰপেক্ষতাৰ ওপৰত কুঠাৰঘাত কৰা নাগৰিকত্ব সংশোধনী বিধেয়ক ভাৰতৰ সংসদত গৃহীত হ'ল। মহামহিম ৰাষ্ট্ৰপতিয়ে জনসাধাৰণৰ স্বাৰ্থত বিধেয়কখন বিবেচনা নকৰিলে। সুদীৰ্ঘ কাল ভাৰতৰ জনগণৰ দাবী আছিল- ৰাজ্যসমূহক অধিক ক্ষমতা দিব লাগে। কেন্দ্ৰ-ৰাজ্যৰ ক্ষমতাৰ বিভাজন পুনৰ্বিবেচনা হ'ব লাগে। ৰাজ্যসমূহ শক্তিশালী হ'ব লাগে। যুক্তৰাষ্ট্ৰৰ বৈশিষ্টসমূহ প্ৰযোজ্য হ'ব লাগে। কিন্তু তাৰ বিপৰীতে এককেন্দ্ৰিক চৰকাৰৰ দিশত ভাৰতৰ ৰাষ্ট্ৰবাদ ধাৱমান। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ ফলপ্ৰসু হ'বলৈ বিৰোধী দল শক্তিশালী হ'ব লাগে। কিন্তু ভাৰতত বিৰোধী দলক মষিমূৰ কৰিবলৈ সকলো ধৰণৰ কুচকাৱাজ চলি আছে বিৰোধীৰ কঁকাল ভঙা হ'লে, শাসকসকল একনায়কত্ববাদী শাসকত পৰিণত হয়। নাগৰিকত্ব সংশোধনী বিধেয়ক আইনত পৰিণত হ'ল। অসম চৰকাৰ, সদৌ অসম ছাত্ৰ সন্থা আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত হোৱা ত্ৰিপাক্ষিক চুক্তি-অসম চুক্তিখন নস্যাৎ কৰিলে নাগৰিকত্ব সংশোধনী আইনখনে। অসম চুক্তিখন বোলে বেদৰ বাণী নহয়। কিন্তু আমি কওঁ অসম চুক্তিখন বেচৰকাৰী চুক্তি নহয়, দস্তৰমত চৰকাৰী চুক্তি। এখন চৰকাৰে কৰা চুক্তিখন বা যি কোনো আইন এখন, অইন এখন চৰকাৰে নাকচ কৰাৰ নৈতিক অধিকাৰো নাই। কিন্তু ভাৰতবৰ্ষৰ ৰাজনৈতিক দৃশ্যপটত তাৰেই অনুশীলন দেখা গৈছে। নাগৰিকত্ব সংশোধনী বিধেয়কখন দেশৰ কোনো শক্তিয়েই বাধা দিব নোৱাৰিলে। এতিয়া প্ৰশ্ন হ'ল- অসম চুক্তিখন বেচৰকাৰী চুক্তি আছিল নেকি? অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে নাগৰিকত্ব সংশোধনী আইনৰ ফলত নস্যাৎ কৰা অসম চুক্তিখনৰ প্ৰসংগত কৈছিল যে অসম চুক্তিখন বেদৰ বাণী নহয়, যে ইয়াক সংশোধন কৰিব নোৱাৰিব। হয় কথাটো। পাৰিব, কিন্তু চৰকাৰৰ ঘোষণা-পত্ৰ লাগিব। মইমতালিৰে, একনায়কত্ববাদী পন্থাৰে, ভয়-ভাবুকি বা বন্দুকৰ গুলীৰে নহয়। কেন্দ্ৰীয় চৰকাৰৰ, অসম চৰকাৰৰ আৰু আন্দোলনকাৰী নেতৃবৃন্দৰ মাজত হোৱা ই এখন চৰকাৰী চুক্তি আছিল। নাগৰিকত্ব সংশোধনী আইনখনে দেশৰ প্ৰচলিত সংবিধানৰ ধৰ্মনিৰপেক্ষতাৰ ওপৰত কুঠাৰঘাত কৰিছে। সংবিধান সংশোধন কৰি ধৰ্মনিৰপেক্ষ শব্দটো ভাৰতৰ সংবিধানৰ পৰা গুচাই ল'ব লাগিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰে। এই প্ৰসংগত কিন্তু ভাৰতৰ মহামহিম ৰাষ্ট্ৰপতিৰ ভূমিকা নিঃসন্দেহে পুতৌজনক। যেন নিঃসহায় অৱস্থা। প্ৰধানমন্ত্ৰীৰ ক্ষমতাৰ সন্মুখত ৰাষ্ট্ৰপতিৰ ক্ষমতা নিস্তেজ হৈ পৰিল যেন জোন-বেলিৰ দৰে প্ৰদক্ষিণ কৰিছে কক্ষপথত।

বৰ্তমানৰ প্ৰধানমন্ত্ৰীৰ সন্মুখত ভাৰতৰ ৰাষ্ট্ৰপতিৰ ভূমিকা কেনেধৰণৰ হ'ব সহজেই অনুমেয়। সাধৰণ জ্ঞানৰ অধিকাৰী সকলো মানুহেই দেখি-বুজি-জানি উঠিছে। ২০১৪ চনৰ ১৫ জুনৰ পৰা ভাৰতৰ ৰাজনৈতিক ছবিখন জীয়াই জীয়াই সলনি হ'ল। হিন্দুত্ববাদী সাম্প্ৰদায়িক দল বিজেপিৰ নেতৃত্বত এনডিএ চৰকাৰ ভাৰতৰ শাসন ক্ষমতাত বহিল। কাজেই ভাৰতৰ চেহেৰাই সলনি হৈ গ'ল। চাৰিওফালে গেৰুৱা, গেৰুৱা, গেৰুৱা, কেৱল গেৰুৱা ৰং সিঁচি দিছে এনডিএ চৰকাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূমিকাত হয়তোবা তেওঁৰ কেবিনেট মন্ত্ৰী নীতিন গাডকাৰীও সন্তুষ্ট হ'ব পৰা নাই। কাৰণ তেওঁৰ সাম্প্ৰতিক এটা মন্তব্যই দেশ তোলপাৰ লগাইছে। অলপতে এখন সভাত গাডকাৰীয়ে ৰাজহুৱাকৈয়ে কৈছে- We have to understand what the word politics means. Is it for the welfare of society, country or about being in government. তেওঁ আৰু কৈছে- Politics has been a part of the social movement right from Mahatma Gandhi's era . but then it focused on the nation and development goals. লগতে কৈছে- Today what we are seeing (in politics) is 100 শতাংশ about coming to power .Politics is a true instrument of socio-economic reform and that's why today's politicians must work for the development of education and arts etc.in the society. সেয়ে তেওঁ কৈছে- even I think sometimes about quitting politics. Apart from politics there are many things in life which are worth doing .এনেধৰণৰ দীৰ্ঘদিনৰ অভিজ্ঞতাৰে ৰাজনৈতিক প্ৰেক্ষাপটত নীতিন গাডকাৰীৰ মন্তব্যই দেশ তোলপাৰ লগাইছে। গাডকাৰীৰ অনুভূতিক মন্তব্যই বিজেপি চৰকাৰৰ অৰ্থাৎ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হিন্দুত্ববাদী শাসনৰ চৰিত্ৰ উদঙাই দিছে। কেনেকৈ ক্ষমতা বৰ্তি থাকিব, কেনেকৈ ভাৰতৰ ৰাষ্ট্ৰবাদ একনায়কত্ববাদলৈ গতি কৰিছে, তাৰ নিৰ্মোহ ৰাজনৈতিক দৃষ্টিভংগীৰ উমান নীতিন গাডকাৰীৰ ৰাজহুৱা মন্তব্যত সুন্দৰকৈ প্ৰকাশ পাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূমিকাত ভাৰতৰ সচেতন নাগৰিকসকল কেতিয়াও সঠিকভাৱে সন্তুষ্ট হ'ব নোৱাৰে। মহাৰাষ্ট্ৰৰ নাগপুৰৰ সাংসদ নীতিন গাডকাৰীয়ে ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। এই বিলাক কথা সাম্প্ৰতিক সামাজিক মাধ্যমত ইতিমধ্যে প্ৰকাশ হৈছে।

এতিয়া আলোকপাত কৰিবলৈ চেষ্টা কৰিছোঁ ভাৰতৰ বৰ্তমান ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত দেশৰ পঞ্চদশ তথা দ্বিতীয় মহিলা ৰাষ্ট্ৰপ্ৰধান। ১৯৫৮ চনৰ ২০ জুনত ওড়িশাৰ চাওতাল (santhal)সন্তান দ্ৰৌপদী মুৰ্মু । তেওঁৰ পিতৃপুৰুষ গাঁওঁ প্ৰধান আছিল। আৰ এছ এছৰ বিচক্ষণ আৰু বিশ্বাসী আছিল দ্ৰৌপদী মুৰ্মু। সৰুতে তেওঁৰ নাম আছিল-পুতু টুডু। স্কুলত শিক্ষকে তেওঁৰ নামতো ৰাখিলে দ্ৰৌপদী মুৰ্মু। ভাৰতীয় জনতা পাৰ্টীৰ বিধায়ক হিচাপেও দক্ষতা আছে নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীৰ। ৰাষ্ট্ৰপতিৰ প্ৰাৰ্থী হোৱাৰ পূৰ্বে তেওঁ ঝাৰখণ্ডৰ ৰাজ্যপাল আছিল। আনহাতে, বিৰোধী দলৰ উমৈহতীয়া প্ৰাৰ্থী যশোৱন্ত সিন্‌হা ভাৰতীয় জনতা পাৰ্টীৰ নিষ্ঠাৱান কাৰ্যকৰ্তা আছিল সুদীৰ্ঘ কাল। কেন্দ্ৰীয় মন্ত্ৰী হিচাপেও তেওঁৰ দক্ষতা কোনো গুণে কম নাছিল। অৱশেষত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকলাপত অসন্তুষ্ট হৈ দল এৰিবলৈ বাধ্য হৈছিল যশোৱন্ত সিন্‌হাই। তেওঁ বিমুদ্ৰাকৰণ, জিএছটিকে ধৰি প্ৰধানমন্ত্ৰীৰ কাম-কাজৰ সমালোচনা কৰিছিল। দেশ তথা জাতিৰ বাবে এই পদক্ষেপ বিপজ্জনক বুলি অভিহিত কৰিছিল। চন্দ্ৰশেখৰৰ প্ৰধানমন্ত্ৰিত্বৰ কালত তেওঁ বিত্ত দপ্তৰৰ মন্ত্ৰী আৰু অটল বিহাৰী বাজপেয়ীৰ প্ৰধানমন্ত্ৰিত্বৰ কাৰ্যকালত বৈদেশিক দপ্তৰৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সদ্য ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত তেওঁ পৰাজিত হ'ল। সমগ্ৰ দেশতে চৰ্চিত হৈছে যে ক্ৰছ ভোটিঙৰ ফলতেই যশোৱন্ত সিন্‌হা পৰাস্ত হ'ল। ১৭ সাংসদ আৰু ১২৫ বিধায়কে সদ্য নিৰ্বাচনত ক্ৰছ ভোটিঙৰ আশ্ৰয় ল'লে। অৰ্থাৎ বিৰোধী দলৰ এমপি আৰু এমএলএ একাংশই শাসক দলৰ প্ৰাৰ্থী দ্ৰৌপদীক ভোট দিলে। যুক্তিও ব্যাপক চৰ্চিত হৈছে যে দ্ৰৌপদী মুৰ্মু আদিবাসী জনজাতিৰ মহিলা। আদিবাসী খিলঞ্জীয়াৰ বিধায়ক, সাংসদসকলে আদিবাসী দলিত খিলঞ্জীয়াৰ প্ৰতিনিধি বুলি দ্ৰৌপদীক ভোট দিছে। কাজেই ক্ৰছ ভোটিঙৰ জৰিয়তেই দ্ৰৌপদীৰ জয়লাভ সুনিশ্চিত হ'ল। এইটো ভাৰতৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত চৰ্চিত কথা। কংগ্ৰেছৰ হাইকমাণ্ডে এই প্ৰসংগত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলিও প্ৰকাশ কৰিছে। অসমৰ সাংসদ বিধায়কসকলৰ ক্ৰছ ভোটিঙৰ প্ৰসংগত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৈছে যে অসমত কংগ্ৰেছৰ ১৫-১৬জন বিধায়কে দ্ৰৌপদীক ভোটদান কৰিছে। কেৱল অসমতে নহয়, দেশৰ বিভিন্ন ৰাজ্যত এনে ভোটদান হ'ল। কাজেই হিন্দুস্থানত আদিবাসীৰ খিলঞ্জীয়াৰ দলিত জনজাতিৰ লোকসকলৰ বাবে এটা ডাঙৰ খবৰ। কিন্তু আমাৰ প্ৰশ্ন হ'ল এটা জনজাতিৰ প্ৰতিনিধিজনে সাম্প্ৰদায়িক চিন্তাৰ প্ৰতিভূ হ'বনে ভাৰতৰ সংবিধানৰ ৰক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিব? গৌৰৱৰ থল নিশ্চিতভাৱেই থাকিব। কিন্তু এখন গণতান্ত্ৰিক চৰকাৰৰ শাসন ব্যৱস্থাত সাম্প্ৰদায়িক প্ৰচাৰৰ কিবা যুক্তি আছেনে? মই কিন্তু দ্ৰৌপদী মুৰ্মুৰ বিৰোধী নহয় অথবা বিজেপিৰ বিৰোধিতাৰ কথাও ক'ব খোজা নাই। কেৱল দেশৰ প্ৰচলিত সংবিধানৰ নীতি-নিৰ্দেশনাৰ ভিত্তিত দেশত ব্যাপক প্ৰচাৰ হোৱা সাম্প্ৰদায়িক ভূমিকাৰ প্ৰসংগ মাত্ৰ দাঙি ধৰিছোঁ। বিগত ১৪গৰাকী মহামহিম ৰাষ্ট্ৰপতিৰ কাৰ্যকালত তেওঁলোকৰ জনজাতিৰ বা সম্প্ৰদায়ৰ কি বিশেষ উন্নতিৰ সোপান দেখিলোঁ বাৰু? ফখৰুদ্দিন আলী আহমেদ মহামহিম ৰাষ্ট্ৰপতিৰ দিনত তেওঁলোকৰ কি বিশেষ স্বাৰ্থ সিদ্ধি হ'ল? অসমৰ কি বিশেষ স্বাৰ্থ পূৰণ হ'ল? এইবিলাক কথা মাত্ৰ আবেগ-অনুভূতিক চিন্তাৰ প্ৰতিফলন। তোষামোদ-প্ৰলোভনৰ ৰাজনীতিত এনেধৰণৰ প্ৰচাৰ চলে। কাজেই ভাৰতৰ দৰে বৰ্তমানৰ বিশাল দেশখনত গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতিহে অধিক মনোনিৱেশ কৰা আৰু সজাগ-সচেতন হৈ থকাৰ দৰকাৰ। কোনো জাতি, জনজাতিৰ বা জনগোষ্ঠীৰ প্ৰতিনিধিৰ প্ৰতিনিধিত্ব মানে সেই জাতি-জনগোষ্ঠীৰ জনজাতিৰ প্ৰতিনিধিত্ব নহয়, সমগ্ৰ দেশ তথা জাতিৰ প্ৰতিনিধিত্ব। হয় অৱশ্যে ভাৰতত সংবিধানত জাতি-জনগোষ্ঠীৰ জনজাতিৰ সংখ্যালঘুৰ সংৰক্ষণ ব্যৱস্থাৰ সুবিধা আছে। কিন্তু জাতীয় বা ৰাষ্ট্ৰীয় স্বাৰ্থ প্ৰতিটোতে নিহিত আছে। ভাৰতৰ সংবিধানৰ আধাৰত ধৰ্মনিৰপেক্ষতাৰ প্ৰশ্নও জড়িত আছে। কাজেই কিছুমান অমূলক ধাৰণা কৰিব পাৰি। কিন্তু কৰাব নোৱাৰি। এতিয়াও আমি ক'ব পাৰিমনে বাৰু-কোন কাৰ ত্ৰাণকৰ্তা হ'ব পাৰে দ্ৰৌপদী মুৰ্মুৰ বাবে আদিবাসী জনজাতিৰ লোকসকল নে ভাৰতবাসী ভাৰতৰ প্ৰথমগৰাকী নাগৰিক ভাৰতৰ প্ৰতিনিধি। আমিও গৌৰৱান্বিত। সংকীৰ্ণতাক পৰিহাৰ কৰি ৰাষ্ট্ৰপতিক দেশ তথা ৰাষ্ট্ৰৰ প্ৰতিনিধিত্ব প্ৰণিধানযোগ্য। আনহাতে, আদিবাসী জনজাতিৰ লোকসকলৰ বাবে দ্ৰৌপদী মুৰ্মুক তেওঁলোকৰ ত্ৰাণকৰ্তা বুলি ক'ব পাৰিমনে ইয়ো এক ডাঙৰ প্ৰশ্ন।

# সত্যৰ অন্বেষণত অসমীয়া সাহিত্য ঃ এক অৱলোকন

■ দিপক শইকীয়া

সত্যৰ অন্বেষণত অসমীয়া সাহিত্যৰ বিষয়ে ক'বলৈ যোৱাৰ আগতে বিজ্ঞানৰ এটা ধাৰণা দিব বিচাৰিছোঁ। বিশ্লেষণ কৰি পোৱা জ্ঞানেই হ'ল বিজ্ঞান। বিশ্লেষণ অৰ্থাৎ পৰীক্ষণ এটা নিৰ্ভৰযোগ্য পথ যাৰ দ্বাৰা আমি সত্যৰ অন্বেষণ কৰিব পাৰোঁ। আনহাতে, জ্ঞান হ'ল পৰম সত্যৰ অনুধাৱন। ঈশ্বৰৰ চিনাক্তকৰণ। গতিকে বিজ্ঞান মানে আমি ধৰি ল'ব পাৰোঁ- জ্ঞান অৰ্থাৎ পৰম সত্যৰ যি বিশেষত্ব সেয়াই বিজ্ঞান। আৰু সেয়েহে আমি ক'ব পাৰোঁ বিজ্ঞান বেলেগ একো নহয়, বৰঞ্চ এক বিশেষ ভাষাত বৰ্ণিত কিছুমান সত্য কাহিনী। সেই ভাষাটো যিকোনো ভাষা হ'ব পাৰে। ইংৰাজী, ফৰাচী, অসমীয়া, বঙালী ইত্যাদি, ইত্যাদি। কিন্তু আমাৰ মনত এটা কথাই বৰ্তমানৰ পৰমসত্য হিচাপে স্থায়ী ৰূপ লৈছে যে গাণিতিক ভাষাত লিখা কথাবোৰহে বিজ্ঞান। আচলতে প্ৰতিটো ভাষাত লিখা কথাই বিজ্ঞান হ'ব যদিহে কথাবোৰ সত্য হয়। সেই অনুসাৰে অৰ্থনীতি, ৰাজনীতি, ইতিহাস আদি সকলোবোৰ এক এক প্ৰকাৰৰ বিজ্ঞান। একেদৰে মই ক'ব খুজিছোঁ, আজিলৈকে সাহিত্য বুলি চৰ্চা কৰি অহা জ্ঞানৰ এই শাখাটোও একপ্ৰকাৰৰ বিজ্ঞান। কাৰণ সাহিত্যৰ মূল লক্ষই হৈছে সত্যৰ অন্বেষণ। সাহিত্যৰ এই লক্ষ্যৰ কথা আজিৰ পৰা এশ বছৰৰ আগতেই আমাৰ এগৰাকী সাহিত্যিকে সোঁৱৰাই থৈ গৈছে। তেওঁ কৈছিল- শংকৰ-মাধৱৰ ৰচনাৰ মূল লক্ষ্যই হৈছে সত্যৰ অন্বেষণ আৰু সত্যৰ প্ৰতিষ্ঠা। কিন্তু আমি আজি শংকৰ-মাধৱৰ সেই বাণীক কিমান দূৰ সত্য চামিত কৰিছোঁ। প্ৰতিজন অসমীয়া বুদ্ধিজীৱীলৈ মোৰ প্ৰশ্ন এয়া। সকলোৱে নিজকে এবাৰ সুধি চাওক, সঁচাকৈ তেওঁ সত্য অন্বেষণ কৰিছেনে? বাদ দিয়ক। সত্য অন্বেষণৰ চেষ্টাও কৰিছেনে? নে কেৱল পি এইচ দি, প্ৰফেছন আদিৰ বাবেহে সাহিত্যৰ চৰ্চা কৰিছে নে আন কিবা গুপুত লাভালাভৰ স্বাৰ্থ জড়িত হৈ আছে সেইবোৰত এইখিনিতে মই উল্লেখ কৰিব বিচাৰিছোঁ যোৱা ২৭ জুলাই ২০২২ৰ কে'বাখনো দৈনিক অসমীয়া বাতৰি কাকতত প্ৰকাশ পোৱা আমাৰ শ্ৰদ্ধাৰ, অসম সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি ড° কুলধৰ শইকীয়া চাৰৰ দুটা মন্তব্য। এখন কাকতৰ মতে তেখেতৰ মন্তব্য দুটা হ'ল-(১) বহু সময়ত আমি ভাবোঁ অসমীয়া ভাষাক, অসমীয়া সাহিত্যক, ভালপাব লাগিলে খাচ অসমীয়া হ'ব মানুহ লাগিব। এই কথাষাৰ শুদ্ধ নহয়। যি মানুহৰ অন্তৰত অসমে বাসস্থান লৈছে, সেইজন মানুহৰ কাৰণেহে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি। ....... মূল কথা হ'ল তেওঁৰ অন্তৰত অসমীয়া ভাষাই স্থান পাইছেনে নাই। ( ২) আজিৰ প্ৰযুক্তিবিদ্যাৰ পিঠিত উঠি আমাৰ ভাষা-সাহিত্যক বিশ্ব দৰবাৰলৈ নিব লাগিব। বক্তব্য দুটা পঢ়ি মনটো লগে লগে এক প্ৰশান্তিৰে, অনাবিল আনন্দৰে ভৰি পৰিছিল। কিন্তু লগে লগে যেতিয়াই বাস্তৱলৈ ঘূৰি আহিলোঁ তেতিয়াই এক ভয়, এক আশংকা, এক অনিশ্চয়তাৰে মনটো ভাৰাক্ৰান্ত কৰি তুলিলে। সঁচাকৈ সাহিত্য বিজ্ঞানৰ সাধকসকলে বিজ্ঞানৰ একমাত্ৰ লক্ষ্য পৰম সত্যৰ অনুসন্ধান কৰিব জানো এই অভাজনৰতো তেনে অনুভৱ হোৱা নাই। কাৰণ ইতিমধ্যেই অসমীয়া সাহিত্যৰ এজন ছাত্ৰ হিচাপে কেইটামান প্ৰশ্ন উত্থাপনেৰে সত্যৰ, কেৱল সত্যৰ সন্ধানত এই বছৰৰে কে'বাখনো দৈনিক অসমীয়া বাতৰি কাকতত 'অসমীয়া সাহিত্য কিছুমান আৰোপিত বিভ্ৰাট' শিৰোনামাৰে এটা প্ৰবন্ধ লিখিছিলোঁ। মৌখিকভাৱে কিছুমান বিসংগতিপূৰ্ণ বাৰ্তালাপ হ'ল যদিও (সেই বাৰ্তালাপত বৰ্তমান অসমৰ কে'বাজনো মূধা ফুতা বুদ্ধিজীৱীও আছে) লিখিতভাৱে কাৰোৱে পৰা সঠিক আৰু তথ্যসমৃদ্ধ উত্তৰ নাপালোঁ। বৰঞ্চ আমাৰ অনুভৱ হৈছে-অসমৰ এই মূধা ফুটা মহাপণ্ডিতসকলে যেন জানি বুজিয়ে সেই বিষয়টোৰ পৰা আঁতৰি থাকিব বিচাৰিছে। তেওঁলোকে যেন বাস্তৱৰ পৰা আঁতৰি এখন কল্পনাৰ মিথ্যা জগতত নিজেও বাস কৰিব বিচাৰিছে আৰু আমাকো সেই মিথ্যা জগতখনতে বন্দী কৰি ৰাখিব খুজিছে। আমাৰ লক্ষ্য কি সত্যানুসন্ধান নহয় জানো সত্য সেইটোকহে মনা হয়, য'ত অনুমানৰ কোনো স্থান নাই। কিন্তু অসমীয়া সাহিত্যৰ জগতখনত বিচৰণ কৰিলে দেখা যায়, অসমীয়া সাহিত্যৰ প্ৰায়বোৰ কথাই ( সিদ্ধান্তবুলি ক'ব নোৱাৰি, কাৰণ এইবোৰ পৰম সত্য নহয়) অনুমানভিত্তিক। আৰু অনুমানবোৰো হাস্যকৰ। 'দেৱজিৎ কাব্য' মাধৱ কন্দলীৰ নহয় বুলি অনুমান হয়; লক্ষ্য কৰিব মাধৱ কন্দলীৰ নহয় বুলি কোৱা নাই মহেশ্বৰ নেওগ আদি পণ্ডিতসকলে; অনুমানহে কৰিছে কিছুমান ভিত্তিহীন তথ্যৰ আলম লৈ। কিন্তু এই তথ্যৰ লগত জড়িত ইয়াৰ পাছৰ সিদ্ধান্ত তথা নিৰ্ণয় কিছুমান সেই 'অনুমান'ক সত্য বুলি ধৰিহে নিৰ্ণয় কৰা হৈছে। এইটো মাত্ৰ এটা উদাহৰণহে। আৰু বহুতো এনেকুৱা বিসংগতিমূলক অথচ বৈজ্ঞানিকভাৱে জল্‌জল্ পট্ পট্ মিথ্যা আমাৰ অসমীয়া সাহিত্য, বিজ্ঞানত বিদ্যমান, যাৰ কেইটামান ভয়ংকৰ উদাহৰণ ওপৰত উল্লেখ কৰা মোৰ পূৰ্বপ্ৰকাশিত প্ৰবন্ধত উল্লেখ কৰা হৈছে। এই বিসংগতিবোৰ আঁতৰাবলৈ আমাক প্ৰয়োজন এটা বেলেগ ভাষাৰ, যি ভাষাত বিসংগতিৰ কোনো স্থান নাই। সেয়া হ'ল গাণিতিক ভাষা, যাৰ ওপৰতে ভিত্তি কৰি আজি গোটেই পৃথিৱী সত্যৰ অবিৰত সন্ধানত ব্যস্ত। অৰ্থাৎ আমাক প্ৰয়োজন বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ, যাৰ পিঠিত উঠি আমি বিশ্ব দৰবাৰলৈ যাব পাৰোঁ, আমাৰ অসমীয়া সাহিত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰিব পাৰোঁ। অনুমান বেয়া বুলি নকওঁ, কিন্তু অমূলক অনুমান এক অতি হাস্যাস্পদ বিষয়। যিবোৰ যুক্তিৰে আমাৰ পণ্ডিতসকলে পত্নীপ্ৰসাদ শংকৰদেৱৰ প্ৰথম আৰু ৰামবিজয় পিছৰ ৰচনা বুলি প্ৰতিপন্ন কৰাইছে আমাৰ আগত, সেইবোৰ যুক্তি ইংৰাজী সাহিত্যত খটাবলৈ হ'লে ইংৰাজী সাহিত্যৰ অন্যতম ৰোমান্টিক কবি ২৫ বছৰীয়া কিটছৰ কবিতাবোৰ কিটছৰ নহয় বুলিয়ে ক'ব লাগিব। মই কোৱা নাই পত্নীপ্ৰসাদৰ সম্পৰ্কে দিয়া সিদ্ধান্তটো ভুল বুলি। সিদ্ধান্তটো শুদ্ধ প্ৰতিপন্ন কৰাৰ অংকটোহে ভুল, টুলুঙা। এনে সমস্যাৰ এটাই মাত্ৰ সমাধান-আমাৰ শ্ৰদ্ধাৰ ড° কুলধৰ শইকীয়াৰ পৰামৰ্শ অনুসৰি আমি আমাৰ সাহিত্যক সত্যমুখী, বিজ্ঞাননিৰ্ভৰ কৰিব লাগিব। সাহিত্য-বিজ্ঞানৰ লগত বিজ্ঞানৰ আন আন শাখাসমূহকো জড়িত কৰিব লাগিব। উদাহৰণস্বৰূপে আমি Tata Institute of Fundamental Research, Mumbaiৰ কথা ক'ব পাৰোঁ; য'ত হৰপ্পাৰ অদ্যাপী অনিৰ্ণীত বৰ্ণ- চিহ্নবোৰৰ অৰ্থ নিৰ্ণয়ৰ বাবে সেই ইনষ্টিটিউটৰে গণিতজ্ঞসকল ব্যস্ত হৈ আছে। বহুত উদাহৰণ আছে, সাহিত্য শিল্প সম্পৰ্কীয় বহুতো তথ্যৰ সত্যতা কাৰ্বনডেটিং, জিনপ্ৰযুক্তি আদিৰে এশ শতাংশই শুদ্ধভাৱে নিৰ্ণয় কৰা হৈছে। আমাৰ অসমীয়া সাহিত্য বিজ্ঞানৰো এনেকুৱা বহুত বিসংগতিপূৰ্ণ তথ্য আছে, যিবোৰৰ গাণিতিক, ভৌগোলিক, স্থানিক, বৈজ্ঞানিক সত্যতা নিৰূপণ অতি প্ৰয়োজন। নহ'লে এনেকুৱা সময় আহিব, য'ত বিশ্ববিশ্ৰুত নামঘোষা, কীৰ্তন আদিৰ স্থান কিছুমান টুলুঙা সাহিত্যই অধিকাৰ কৰি ল'ব।

(স্নাতকোত্তৰ ৩য় যন্মাসিক (অসমীয়া সাহিত্য)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়)
ফোন ঃ ৮০৯৯৭৩০৮১২

# হৰ ঘৰ ত্ৰিৰংগা



■ জয়ন্ত শইকীয়া

ভাৰত চৰকাৰে দেশৰ স্বাধীনতাৰ ৭৫সংখ্যক বৰ্ষপূৰ্তি উদ্‌যাপনৰ লগত সংগতি ৰাখি নিজৰ নিজৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দেশবাসীক অনুপ্ৰাণিত কৰিবলৈ হৰ ঘৰ ত্ৰিৰংগা এক বিশেষ কাৰ্যসূচী হাতত লৈছে। কেন্দ্ৰীয় চৰকাৰৰ আজাদী কা অমৃত মহোৎসৱৰ অংশ হিচাপে হৰ ঘৰ ত্ৰিৰংগা অভিযান গ্ৰহণ কৰাৰ সময়তে অসমৰ সুদক্ষ মুখ্যমন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ১৩ৰ পৰা ১৫ আগষ্টলৈকে অসমৰ প্ৰত্যেক পৰিয়ালকে ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। লগতে অমিত মহোৎসৱৰ লগত সংগতি ৰাখি বৃক্ষ ৰোপণৰ বিশেষ কাৰ্যসূচীও হাতত লৈছে। মুখ্যমন্ত্ৰী মহোদয়ৰ এই আহ্বান সঁচাকৈ প্ৰসংশনীয়। নিঃসন্দেহে ইয়াৰ দ্বাৰা ৰাষ্ট্ৰবোধ গঠন হ'ব। ৰাষ্ট্ৰপ্ৰেম জাগ্ৰত হ'ব।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আমি সকলোৱে ১৩ৰ পৰা ১৫ আগষ্টলৈকে নিজৰ নিজৰ ঘৰ-দোকান, অনুষ্ঠান-প্ৰতিষ্ঠান আদিত সগৌৰৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দেশৰ প্ৰতি সন্মান জনাই অমৃত মহোৎসৱৰ অংশ হিচাপে ৰাষ্ট্ৰপ্ৰেম জাগ্ৰত কৰিবলৈ লোৱা হৰ ঘৰ ত্ৰিৰংগা অভিযানক সফল ৰূপায়ন কৰোঁ আহক। এই অভিযানে সকলোকে ৰাষ্ট্ৰপ্ৰেম জাগ্ৰত কৰাৰ লগতে অন্য এটা কথা মনলৈ আহিছে।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে ৰেচনৰ দোকানৰ পৰা প্ৰতিটো পৰিয়ালে ১৬ টকাত পতাকা ক্ৰয় কৰিব পাৰিব। আমাৰ অসমত আনুমানিক ২৫ ২৬ হাজাৰখন গাঁও আছে। প্ৰতিখন গাঁৱত ২০০ৰ পৰা ৪০০ টালৈকে পৰিয়াল নিশ্চয়কৈ আছে। প্ৰতিটো পৰিয়ালৰ অনুপাতে এখনকৈ পতাকা ধৰিলে প্ৰায় এক কোটি মানৰ ওপৰত লাগিব। যদি ১৬ টকাকৈ এক কোটি পতাকা কিনে তেনে মুঠ ১৬ কোটি টকা ৰাইজৰ জেপৰ পৰা যাব। প্ৰকৃত হিচাপটো ইয়াতকৈ কে'বাগুণ অধিক হ'ব। অসম চৰকাৰৰ এক ডেৰ কোটি ত্ৰিৰংগা উৎপাদন কৰাৰ সামৰ্থ্য নাই । খুউব বেছি দহ লাখ পতাকা উৎপাদন কৰিব পাৰিব। বাকী সৰহভাগ বাহিৰৰ পৰা আহিব। যদি বাহিৰৰ পৰা আহে তেনে কোটি টকাৰ ত্ৰিৰংগাৰ ঠিকা কোনে পাব? এই অভিযানৰ দ্বাৰা স্থানীয় যুৱক-যুৱতী, আত্মসহায়ক গোট, সংস্থা আদি লাভৱান হ'বনে? প্ৰতিটো পৰিয়ালে ১৬ টকাকৈ পলিষ্টাৰ পতাকা কিনি কোটি টকা বৰ্হিগমন নোহোৱাকৈ ক'ভিড ধুমুহা, বানপানীয়ে বেয়াকৈ ক্ষতিগ্ৰস্ত কৰা অসমৰ টকা অসমতে ৰাখিব পৰা কিবা ব্যৱস্থা কৰিব নোৱাৰিনে?

ফোন ঃ ৭০৮৬৮৬০১৫৪

### ধেমাজিত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণৰ

# সু-প্ৰশাসন আৰু স্মাৰ্ট প্ৰশাসন বৰ্তমানৰ চৰকাৰখনৰ প্ৰধান লক্ষ্য



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ৩১ জুলাই ঃ** চাহ জনজাতি কল্যাণ আৰু শ্ৰম বিভাগৰ মন্ত্ৰী তথা ধেমাজি জিলাৰ অভিভাৱক মন্ত্ৰী সঞ্জয় কিষাণে কালি ধেমাজিত প্ৰথমটো পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰে। ৰাজ্য চৰকাৰৰ অধীনৰ চৰকাৰী পেঞ্চনাৰসকলৰ সুবিধাৰ্থে ৰূপায়ন কৰা 'কৃতজ্ঞতা' আঁচনিৰ অধীনত ধেমাজি জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত স্থাপন কৰা এই পেঞ্চন সেৱা কেন্দ্ৰটো মুকলি কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অতি সূক্ষ্ম দৃষ্টিৰে ৰাজ্যৰ প্ৰতিজন নাগৰিকে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত সন্মুখীন হোৱা অসুবিধাসমূহ দুৰ কৰিব পাৰি তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে । জনসেৱাসমূহ সূচল কৰাৰ উদ্দেশ্যে প্ৰতিটো বিভাগতে সংস্কাৰ সাধনৰ বাবে চৰকাৰখনে ব্যাপক প্ৰচেষ্টা হাতত লৈছে বুলি তেওঁ কয় । তেওঁ কয় যে পেঞ্চনৰ বাবে পূৰ্বে বহু লোকে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল । কিন্তু পেঞ্চন ব্যৱস্থাৰ অনলাইন তথা সৰলীকৰণৰ ফলত এই অসুবিধাসমূহ দুৰ হোৱাৰ লগতে দুৰ্নীতিও বহু পৰিমাণে নোহোৱা হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে । এই পৰিৱৰ্তন অসমৰ ৰাইজে প্ৰথমবাৰৰ বাবে লাভ কৰিছে বুলি তেওঁ কয় । মন্ত্ৰীগৰাকীয়ে কয় যে সু-প্ৰশাসন আৰু স্মাৰ্ট প্ৰশাসন বৰ্তমানৰ চৰকাৰখনৰ প্ৰধান লক্ষ্য । তেওঁ বৰ্তমানৰ চৰকাৰখনক নাগৰিক কেন্দ্ৰিক চৰকাৰ বুলি উল্লেখ কৰি কয় যে অৱসৰৰ দিনাই পেঞ্চন লাভ কৰিব পৰা যি ব্যৱস্থা কৰা হৈছে ই হৈছে জীৱনজুৰি সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰা কৰ্মচাৰী সকলৰ প্ৰতি চৰকাৰৰ এক কৃতজ্ঞতা । প্ৰতিমাহৰ ১০ তাৰিখে বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন, বিভিন্ন বিভাগৰ অধীনত হিতাধিকাৰীয়ে লাভ কৰিবলগীয়া ধন আদি লাভ কৰাটো চৰকাৰে সুনিশ্চিত কৰিছে বুলিও তেওঁ প্ৰসংগক্ৰমে কয়। অনুষ্ঠানত দিয়া ভাষণত জিলা উন্নয়ন আয়ুক্ত অৰূপ পাঠকে কয় যে বৰ্তমানৰ চৰকাৰখনে শিশুৰ পৰা বৃদ্ধলৈকে প্ৰতিটো স্তৰৰ লোকে যাতে এটা ভাল পৰিৱেশত সুস্থিৰ জীৱন যাপন কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।পেঞ্চন সেৱা কেন্দ্ৰসমূহে অৱসৰপ্ৰাপ্ত চাকৰিয়ালসকলক ভালেখিনি সকাহ দিব বুলি তেওঁ কয়। এই অনুষ্ঠানতে কালি অৱসৰ গ্ৰহণ কৰা তিনিগৰাকী শিক্ষকক মন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে পেঞ্চনৰ অনুমোদন পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কবিতা ডেকা, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা আৰু শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু শিক্ষকসকল উপস্থিত আছিল।

# নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত জৌহৌলাও সম্বোলা বসুমতাৰীৰ ২৬সংখ্যক মৃত্যু বাৰ্ষিকী পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বাসুগাঁও, ৩১ জুলাই ঃ** অন্যান্য বছৰৰ দৰে এই বেলিও নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত চিৰাং জিলাৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী গয়বাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে সন্ত্ৰাসবাদ বিৰোধী দিৱস পালন কৰা হয় । উল্লেখযোগ্য যে তদানীন্তন এবছুৰ সভাপতি জৌহৌলাও সম্বোলা বসুমতাৰী ১৯৯৬ চনৰ ৩০ জুলাই তাৰিখত উগ্ৰপন্থীৰ হাতত মৃত্যু বৰণ কৰে আৰু তেতিয়াৰ পৰাই নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত ৩০ জুলাই তাৰিখটোক সন্ত্ৰাসবাদ বিৰোধী দিৱস হিচাপে পালন কৰি আহিছে। জৌহৌলাও সম্বোলা বসুমতাৰীৰ ২৬ সংখ্যক মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি জিলা খনৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী গয়বাৰীত অৱস্থিত জৌহৌলাও সম্বোলা বসুমতাৰী পাৰ্কত অনুষ্ঠিত সন্ত্ৰাসবাদ বিৰোধী দিৱসৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৮.০০ বজাত পতাকা উত্তোলন কৰা হয় । পতাকা উত্তোলন কৰে নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োই। ৮-৩০ বজাত প্ৰয়াত তদানীন্তন এবছুৰ সভাপতি জৌহৌলাও সৌম্বোলা বসুমতাৰীৰ প্ৰতিচ্ছবিত মাল্যৰ্পন তথা শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয় । শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে প্ৰয়াত জৌহৌলাও সৌম্বোলা বসুমতাৰীৰ সহধৰ্মীনি ভানুমতী বসুমতাৰী আৰু তেওঁৰ কন্যা ফামী বসুমতাৰীয়ে। পুৱা ৮.৪৫ বজাত ৰাজ্যত বৃদ্ধি পোৱা ভয়ংকৰ অপৰাধ, ড্ৰাগছ, মানৱ সৰবৰাহ আৰু সমাজত সম্প্ৰীতি অস্থিৰ কৰি তোলা ধন দাবী ইত্যাদি নিৰ্মূল কৰাৰ উদ্দেশ্য তথা শান্তি কামনাৰে শান্তিৰ প্ৰতীক বগা পাৰ চৰাই আৰু বেলুন উৰুৱা হয় । পাৰ চৰাই উৰুৱায় বড়ো সাহিত্য সভাৰ উপ সভাপতি ৰমেলা ইচলাৰী আৰু সাহিত্য অকাডেমী বঁটা প্ৰাপক হৰি নাৰায়ণ খাখলাৰীয়ে। পুৱা ৯ বজাত সন্ত্ৰাসবাদৰ বিৰুদ্ধে চিঞৰ-বাখৰ মানৱ শৃংখল আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে হস্তাক্ষৰ সংগ্ৰহ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ৩১ নং চিদলী বিধান সভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে। পুৱা ৯.৩০ বজাত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত জলবায়ু পৰিৱৰ্তন- বানপানী, খহনীয়া, খৰাং বতৰ আদি বিষয়-বস্তুৰ ওপৰত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৱা ১০.৩০ বজাত মুকলি সভা মুকলি সভা শুভ উদ্বোধন কৰে । নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়ো আৰু এবছুৰ প্ৰাক্তন সভাপতি ডং দীপক কুমাৰ বসুমতাৰীয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়ো। আনহাতে অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকে বিটিআৰৰ মুখ্য কাৰ্য্যবাহী সদস্য প্ৰমোদ বড়ো, আই পি এছ, তথা বিশেষ শাখা অসমৰ এডিচনেল ডিজিপি হীৰেন নাথ । তেওঁ বিশেষকৈ নৱপ্ৰজন্মৰ যুৱক-যুৱতী সকল কেনেদৰে আগবাঢ়িলে জীৱন পথত আগবাঢ়িব পাৰে উক্ত সংক্ৰান্তত সাৱলীল বক্তব্য দাঙি ধৰি বন্দুক-বাৰুদ পৰিহাৰ কৰি শান্তি-সম্প্ৰতিৰ সমাজ গঢ়িবলৈ আহ্বান জনায় । তেওঁ ড্ৰাগছ মুক্ত সমাজ গঠনতো আহ্বান জনায় । ইপিনে তদানীন্তন এবছুৰ সভাপতি প্ৰয়াত জৌহৌলাও সৌম্বোলা বসুমতাৰীৰ ২৬ সংখ্যক মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সন্ত্ৰাসবাদ বিৰোধী দিৱসটি নেৰানেপেৰা বৰষুণ তথা প্ৰতিকূল বতৰকো নেওচি সমূহ কাৰ্যসূচী সুচাৰু ৰূপত অনুষ্ঠিত হৈ যোৱাত সন্তোষ প্ৰকাশ কৰে নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি সম্পাদক দ্বয় দ্বীপেন বড়ো আৰু খনিন্দ্ৰ বসুমতাৰীয়ে।

# অসামৰিক বিষয়া বাসুদেৱ দাসৰ উপন্যাস 'অজানিতে অমানিশা' গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩১ জুলাই ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত অময়াপুৰ গাঁওৰ সুযোগ্য সন্তান, অসম অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া বাসুদেৱ দাসৰ নিজে লিখা গ্ৰন্থ 'অজানিতে অমানিশা' নামৰ দ্বিতীয় সংস্কৰণ আজি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাগৃহত উন্মোচন কৰা হয়। অজানিতে অমানিশা নামৰ গ্ৰন্থখন উন্মোচন কৰে তামুলপুৰ জিলাৰ উপায়ুক্ত সীমান্ত কুমাৰ দাসে। গ্ৰন্থখন উন্মোচন কৰি উপায়ুক্ত গৰাকীয়ে কয়– আজিৰ এই গ্ৰন্থ উন্মোচনী সভাত থাকিব পাই অত্যন্ত ভাল লাগিছে। অসামৰিক সেৱাৰ পৰা বাসুদেৱ দাসে অৱসৰ গ্ৰহণ কৰি তেওঁ সাহিত্য চৰ্চা কৰিবলৈ লৈছে। অসামৰিক সেৱাত থকাৰ সময়তো বাসুদেৱ দাসে নিখুঁত ভাৱে কাম কৰি আহিছিল। অৱসৰ গ্ৰহণ কৰি সাহিত্য চৰ্চাৰ কৰি আহিছে তাৰ বাবে ধন্যবাদ জনাইছো। অজানিতে অমানিশা নামৰ গ্ৰন্থখন পাঠক সমাজে আদৰি ল'ব বুলিও উপায়ুক্ত গৰাকীয়ে মন্তব্য কৰে। গ্ৰন্থখন উন্মোচনী অনুষ্ঠানত উপস্থিত থাকি অসম সাহিত্য সভাৰ বাৰ্তা সম্পাদক ব্ৰজেন্দ্ৰ নাথ ডেকা, চিকিৎসক ডা: ৰমেন কুমাৰ কাকতি, অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক শ্ৰীপতি বৰাও ভাষণ ৰাখে। তামুলপুৰ কবি দ্বিজেন কুমাৰ দাসে আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাখনত উপস্থিত থাকে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকা, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক মুকুন্দ দাস, অৱসৰ প্ৰাপ্ত শিক্ষক টেক বাহাদুৰ চেত্ৰী, উপাধ্যক্ষ দিলীপ বড়ো,অৱসৰপ্ৰাপ্ত শিক্ষক দীননাথ বৈশ্যৰ লগতে তামুলপুৰৰ পঢ়ুৱৈ সমাজ উপস্থিত থাকে।

### তীৰ্থনগৰী হাজোত মণিকূট সাহিত্য সমাজৰ উদ্যোগ

## গ্ৰন্থ উন্মোচনী সভা সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩১ জুলাই ঃ** মণিকূট সাহিত্য সমাজ হাজোৰ উদ্যোগত আজি এখনি গ্ৰন্থ উন্মোচনী সভা তীৰ্থনগৰী হাজোৰ কুমাৰপাৰাস্থিত অৰুণোদয় বিদ্যা নিকেতন প্ৰাংগনত অনুস্থিত হয়। মণিকূট সাহিত্য সমাজৰ সভাপতি শ্ৰীপ্ৰকাশ দাসৰ সভাপতিত্বত অনুস্থিত সভাত মণিকূট সাহিত্য সমাজৰ দ্বাৰা প্ৰকাশিত তথা হাজোৰ সুৰেণ দাস মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ড° জয়ন্ত কুমাৰ দাসৰ সম্পাদনাত উলিওৱা " মণিকূট মঞ্জৰী" শীৰ্ষক কবিতা সংকলন খনি উন্মোচন কৰে কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীয়ে । গ্ৰন্থ খনি উন্মোচন কৰি ভাগৱতীয়ে কয় যে,কবিতা ভাৱনাৰ নিখুঁত ৰূপত প্ৰকাশ পায় । মণিকূট সাহিত্য সমাজৰ সম্পাদক বিশ্বজিৎ বিশ্বাসীয়ে আত ধৰা গ্ৰন্থ উন্মোচনী সভাত নিমন্ত্ৰিত অতিথি ৰূপে অংশগ্ৰহণ কৰি বিচিএম মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক চাইদুৰ ৰহমানে সাহিত্য সৃষ্টিৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত দাঙি ধৰি সাহিত্য প্ৰেমী সকলক মোহিত কৰে । সভাত বিশিষ্ট সমাজকৰ্মী মদন মোহন দাস,মণিকূট সাহিত্য সমাজৰ প্ৰাক্তন সভাপতি অচ্যুত চন্দ্ৰ দাস,সাহিত্য সেৱী বিবেকানন্দ দাস,ৰমণী বেজবৰুৱা, মহিম কুমাৰ দাস,অশোক হাটখোৱা,জয়া মেধিকে ধৰি কেৱাগৰাকী সাহিত্য প্ৰেমীয়ে মণিকূট সাহিত্য সমাজৰ ভৱিষ্যত কৰ্মপন্থাৰ ওপৰত বক্তব্য আগবঢ়াই। সভাত শলাগৰ শৰাই আগবঢ়াই ৰিজুমণি ভূঞাই।

## ধেমাজি আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ৩১ জুলাই ঃ** শনিবাৰে ধেমাজি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ধেমাজি মহাবিদ্যালয় প্ৰেক্ষাগৃহত বিশেষ অভিনন্দন অনুষ্ঠান আয়োজন কৰা হয় ।উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে ধেমাজি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি কৰুণ জ্যোতি চেতিয়াই । ধেমাজি আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰন্টু গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাখনি উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক মন্টুৰাজ বৰুৱাই । আজি এই অনুষ্ঠানত ৯৮জন হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সফল ভাৱে উত্তীৰ্ণ হোৱা ছাত্ৰছাত্ৰীক বিশেষ অভিনন্দন জনোৱাৰ লগতে ১২খন শিক্ষানুষ্ঠানৰ মুৰব্বীক সম্বৰ্দ্ধনা জনোৱা হয় । সভাত মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ কৰে আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। ধেমাজি মহাবিদ্যালয় অধঞ্জ্যক্ষ দীপক কুমাৰ নেওঁগ , ধেমাজি বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ দীপক বৰগোঁহাই , মৰিধল মহাবিদ্যালয় অধঞ্জ্যক্ষ দীপেন শইকীয়া , আছুৰ সাংস্কৃতিক সম্পাদক তচেন ডেকাই এই অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে ভাগ লয়। সভাত অঞ্চলটোৰ ভালে সংখ্যক বিশিষ্ট লোকৰ লগতে ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য ৰাজীৱ গগৈ, ধেমাজিজিলা ছাত্ৰ সন্থাৰ সভাপতি দীপক শৰ্মা, সাধাৰণ সম্পাদক কল্যাণ গগৈ আদি উপস্থিত থাকে।

# শিমলীতোলাত ৫০গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক বিশেষ সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩১ জুলাই ঃ** গোৱালপাৰা জিলাৰ শিমলীতোলা গাঁও পঞ্চায়তৰ সহযোগত শিমলীতোলা আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল আৰু শিমলীতোলা হাইস্কুলৰ সৌজন্যত ২০২২ ইংৰাজী বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনাৰ উদ্দেশ্যে দেওঁবাৰে শিমলীতোলা ৰাজহুৱা সভা গৃহত এক অভিনন্দন সভা আয়োজন কৰা হয় ।উক্ত সভাত বৃহত্তৰ অঞ্চলৰ ৫০ গৰাকী উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, মানপত্ৰ আৰু এখনি কিতাপেৰে সম্বৰ্ধনা জনোৱা হয় ।উক্ত অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ উৎসবানন্দ দাস, ড° দিগন্ত কলিতা সহকাৰী অধ্যাপক বিপিছি কলেজ, দিবাকৰ শৰ্মা পাৰিষদ সদস্য ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ, অৱসৰপ্ৰাপ্ত প্ৰৱক্তা নিৰ্মল চন্দ্ৰ কলিতা, হাফিজুৰ ৰহমান প্ৰধান শিক্ষক শিমলিতোলা হাই স্কুল,আজিজুৰ ৰহমান অধিবক্তা গোৱালপাৰা,আবেদা খাতুন সভানেত্ৰী শিমলিতোলা গাওঁ পঞ্চায়ত। সভাৰ উদেশ্যে ব্যাখ্যা কৰে কুমুদ কুমাৰ তালুকদাৰ আৰু কৃতি ছাত্ৰ ছাত্ৰীক পৰিচয় পৰ্বৰ আত ধৰে মানস শৰ্মাই, লগতে অতিথি সকলোৰে সৈতে পৰিচয় কৰাই দিয়ে ছাহজাহান আলী শ্বেখ। ডংকুশল চন্দ্ৰ হাজৰিকাৰ পৌৰহিত্বত সভাখনত কৃতি ছাত্ৰ ছাত্ৰীক উদ্দেশ্যে বিভিন্ন বক্তাই ভাষনত কয় যে গুণগত শিক্ষাৰ জৰিয়তে হে এখন সমাজৰ সামগ্ৰীক উন্নয়ন সম্ভৱ হয় ।সভাৰ বিশেষ আকৰ্ষণ হিচাপে আমন্ত্ৰণ কৰা হৈছিল হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষষ্ঠ স্থান প্ৰাপ্ত বিতোপন মেধিক। উক্ত সভাত বৃহত্তৰ আঞ্চলৰ শিক্ষক সমাজ, মুৰব্বী সহিতে প্ৰায় শতাধিক লোক উপস্থিত থাকে।

## ছিপাঝাৰ সাহিত্য সভাৰ শ্ৰদ্ধাঞ্জলি, আদৰণী আৰু অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৩১ জুলাই ঃ** ছিপাঝাৰ সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি দানবীৰ হলিৰাম নাথ চহৰীয়াৰ মৃত্যু তিথি উপলক্ষে অহা ৭ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান,উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ছিপাঝাৰ অঞ্চলৰ পৰা স্থানপ্ৰাপক কৃতী ছাত্ৰ ছাত্ৰী, ছিপাঝাৰ পৌৰসভাৰ নৱ নিৰ্বাচিত পাৰিষদ সকলক আদৰণিৰ লগতে সাহিত্য সভা এলেকাৰ বয়োজ্যেষ্ঠ শিল্পী, সাহিত্যিক, বিশিষ্ট সমাজসেৱক,প্ৰাক্তন খেলুৱৈ সকলৰ মাজত অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।সেইদিনা পুৱা ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান।বন্তি প্ৰজ্বলন কৰিব দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শশীধৰ নাথে।পুষ্পাঞ্জলি তৰ্পণ কৰিব ছিপাঝাৰ সাহিত্য সভাৰ উপ সভাপতি হৰেন ডেকাই।দানবীৰ হলিৰাম নাথ চহৰীয়া স্মাৰক বক্তৃতা প্ৰদান কৰিব ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ ৰামচন্দ্ৰ ডেকাই।১১ বজাত আদৰণি আৰু অন্তৰংগ আলাপ অনুষ্ঠানত ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি চন্দ্ৰকান্ত নাথৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানখনি উদ্বোধন কৰিব শিল্পী পেন্সনাৰ ৰাজেন্দ্ৰ নাথ ওজাই। কাৰ্যসূচীৰ অন্তৰংগ আলাপ অনুষ্ঠানখন পৰিচালনা কৰিব ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ডঃ প্ৰসন্ন কুমাৰ নাথ আৰু ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ মুকুল চহৰীয়াই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ছিপাঝাৰৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, ছিপাঝাৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া মাইনাশ্ৰী বড়ো।

## লখিমপুৰত পেন্সন সেৱা কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ৩১ জুলাই ঃ** ৰাজ্যৰ শ্ৰম আৰু চাহ জনজাতি উন্নয়ন তথা লখিমপুৰৰ অভিভাৱক মন্ত্ৰী সঞ্জয় কিষাণে আজি লখিমপুৰত এটি পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰে। লখিমপুৰ জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্য্যালয় সংলগ্ন এই সেৱা কেন্দ্ৰ আনুষ্ঠানিক ভাৱে মুকলি কৰি মন্ত্ৰী গৰাকীয়ে ভাগ লয় শিক্ষা বিভাগৰ বিভিন্ন ব্যক্তি উপস্থিত উদ্বোধনী সভাত আগন্তুক সময়ত এই পেঞ্চন সেৱা কেন্দ্ৰই অবসৰ গ্ৰহণ কৰা শিক্ষক -কৰ্মচাৰী সকলৰ কাম কাজত বিশেষ ভাৱে সহায় কৰিব বুলি মন্তব্য কৰে ।মন্ত্ৰী গৰাকীয়ে লগতে কয় যে পবিত্ৰ শিক্ষা বৃত্তিত জড়িত শিক্ষা বিভাগৰ ব্যক্তি সকলে আগৰ সময় খিনিত অবসৰ গ্ৰহণ কৰাৰ পিছত পেঞ্চন লাভৰ বাবে যথেষ্ট কষ্টৰ সন্মুখীন হব লগা হৈছিল। সেয়ে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত এতিয়া এইদৰে জিলাই জিলাই আৰম্ভ কৰা হৈছে পেঞ্চন সেৱা কেন্দ্ৰ । ইফালে অসম অৰুণাচলৰ সীমা সমস্যা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী সঞ্জয় কিষাণে কয় যে যে ইতিমধ্যে দুয়োখন ৰাজ্যৰ মাজত সঘনাই আলোচনা চলি আছে আৰু অতি সোনকালে এই সীমা সমস্যা সমাধান হব।

# হাজো বিজেপিৰ মুখ্য কাৰ্যালয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কী বাত' কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩১ জুলাই ঃ** হাজোৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ "মন কি বাত" অনুষ্ঠানত ভাগ ললে একাংশ বিজেপি কৰ্মী তথা দলীয় বিষয়ববীয়াই। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অনাতাৰ মাধ্যমেৰে দেশৰ বিভিন্ন দিশৰ উণ্ণয়নৰ ওপৰত নিজৰ অনুভৱ ব্যক্ত কৰি অহাৰ সমান্তৰালকৈ আজিও জুলাই মাহৰ শেষৰটো ৰবিবাৰে সম্বোধন কৰে মন কী বাত অনুষ্ঠান । দলীয় কাৰ্যকৰ্তা,সমৰ্থক আৰু দেশৰ জনতাক উদ্দেশ্যি আগবঢ়োৱা শীৰ্ষক অনুষ্ঠানটিত আজি হাজো বিজেপি মুখ্য কাৰ্যালয়ত উত্তৰ হাজো মণ্ডলৰ ২ নং হাজো গাওঁ পঞ্চায়তৰ অন্তৰ্গত ১৫৮ নং বুথৰ অধীনত সমূহ বিজেপি কৰ্মীয়ে সমূহীয়াভাৱে উপভোগ কৰে।উক্ত অনুষ্ঠানত উপস্থিত থাকে কামৰূপ জিলা পৰিষদৰ অধ্যক্ষা ৰীতা তালুকদাৰ, হাজো মণ্ডল বিজেপিৰ সভাপতি ভূপেন কলিতা, উত্তৰ হাজো মণ্ডল বিজেপিৰ সভাপতি তিলক শৰ্মা, বিজেপি নেতা নগেন মালাকৰ,২ নং হাজো গাওঁ পঞ্চায়তৰ সভানেত্ৰী তিলমা মেধি,বুথৰ মহিলা সভানেত্ৰী অনুপমা দাস,বিজেপি সক্ৰিয় কাৰ্যকৰ্তা ব্ৰজেন্দ্ৰ ভৰালীকে প্ৰমুখ্যে কৰি প্ৰায় শতাধিক মহিলা কৰ্মী ও স্থানীয় ৰাইজ ।



# পানীতোলাত জাতীয় সংগীত -জ্যোতি সংগীতৰ কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ৩১ জুলাই ঃ** ২২ জুলাই পৰা ৩০ জুলাইলৈ মটক মহিলা কোষ, পানীতোলা শাখা সমিতিৰ উদ্যোগত আয়োজন কৰা বিনামূলীয়া অসমৰ জাতীয় সংগীত আৰু জ্যোতিসংগীতৰ কৰ্মশালাৰ আজি সামৰণি পৰে।এই সামৰণি অনুষ্ঠানত উপস্থিত থাকে কবি,শিল্পী, শিক্ষক অমৃত ৰাজখোৱা,অনাতাঁৰ শিল্পী প্ৰবিলতা ফুকন,সমাজ সেৱিকা ৰেখাজ্যোতি বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, সাংস্কৃতিক কৰ্মী বিজয়া বৰুৱা,তবলা বাদক শ্যামল চক্ৰৱতী, মটক মহিলা কোষ, তিনিচুকীয়া জিলা সমিতিৰ সভানেত্ৰী নিহাৰীকা চেতিয়া, উপসভানেত্ৰী নন্দিতা চেতিয়া,বিত্ত সম্পাদিকা স্নেহলতা চেতিয়া,সহকাৰী সম্পাদিকা ৰীমা গগৈকে প্ৰমুখ্য কৰি বহুকেইজন গন্যমান্য ব্যক্তি ।তিনিচুকীয়া জিলাৰ সম্পাদিকা লিপিকা চেতিয়া বৰুৱাই আঁঞ্জত ধৰা সভাখনত শতাধিক ৰাইজৰ উপস্থিতিত সমাজ সেৱক তথা সাংস্কৃতিক চৰ্চাত জড়িত বিজয়া বৰুৱা আৰু অনুষ্ঠানৰ প্ৰশিক্ষক লক্ষীনাথ শইকীয়াক ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ দি সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক একোখনিকৈ প্ৰসংসা পত্ৰ প্ৰদান কৰা হয় বুলি পানীতোলা শাখা সমিতিৰ সভানেত্ৰী মনিকা বৰুৱাই জানিবলৈ দিয়ে।

# গোৱালপাৰাত পৰীক্ষাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীক আছুৰ সম্বৰ্ধনা




**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ৩১ জুলাই ঃ** পৰহি অসম চৰকাৰৰ কেবিনেটত কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিশেষকৈ প্ৰাথমিক বিদ্যালয়ত গণিত আৰু বিজ্ঞান বিষয় ইংৰাজী মাধ্যমত পঢ়োৱাৰ যি সিদ্ধান্ত লৈছে, সেই সিদ্ধান্তই মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাক ধ্বংস কৰি পেলাব।এই মন্তব্য আছুৰ সভাপতি দীপাংক নাথৰ। আজি গোৱালপাৰাৰ নটসূৰ্য ফণী শৰ্মা ভৱনত সদৌ গোৱালপাৰা জিলা ছাত্ৰ সন্থা আৰু গোৱালপাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত হাই মাদ্ৰাছা, হাইস্কুল আৰু উচ্চতৰ মাধামিক চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰা কৃতী ছাত্ৰী ছাত্ৰীক সম্বৰ্ধনা জনোৱা এক অনুষ্ঠানত অংশগ্ৰহণ কৰি আছুৰ সভাপতি দীপাংক নাথে ৰাজ্য চৰকাৰৰ কেবিনেট সিদ্ধান্ত বিৰুদ্ধে এইদৰে সৰৱ হৈ পৰে।তেওঁ লগতে কয়-বৰ্তমানে প্ৰাথমিক বিদ্যালয়ত গণিত আৰু বিজ্ঞান বিষয়ত মাতৃভাষাত পাঠদান কৰোঁতেই ছাত্ৰ-ছাত্ৰী সকলে কিছু টান পায়।এনে সময়তে তেওঁলোকক এইবোৰ বিষয় ইংৰাজীত পঢ়ালে বুজিবলৈ বহুত কষ্ট হ'ব। ফলত তেওঁলোকে বিদ্যালয়ত অহা বাদ দিব।বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰী পলাব।ড্ৰপ আউট বাঢ়ি যাব।আছুৰ সভাপতি গৰাকীয়ে এই সংক্ৰান্তত আৰু কয় যে,অসম চৰকাৰে কি কাৰণত এনে সিদ্ধান্ত গ্ৰহণ কৰিছে সেয়া ভাৰিয়েই আচৰিত লাগিছে।মাত মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত গাঁও অঞ্চলৰ খেতিয়কৰ সন্তানেই বেছিকৈ পঢ়ে।এনে পৰিয়ালত নিজ সন্তানক ইংৰাজী ভাষাত কেনেকৈ পাঠ্যপুথি পঢ়াব?সৰ্বসাধাৰণ দৰিদ্ৰ ৰাইজৰ সন্তানে বিদ্যালয়ত পঢ়িবই নোৱাৰিব।চৰকাৰে এক বিশেষ 'এলিট' শ্ৰেণীৰ লোকৰ বাবেহে এই সিদ্ধান্ত গ্ৰহণ কৰা যেন লাগিছে।সেইবাবে আমি বিচাৰিছোঁ মে সমগ্ৰ অসমজুৰি ইয়াৰ প্ৰতিবাদ হ'ব লাগে।আনহাতে হাইস্কুলত ভূগোল আৰু বুৰঞ্জী বিষয় অসমীয়াত পঢ়োৱাৰ সিদ্ধান্তৰ বিৰুদ্ধে তেওঁ মতামত দি কয়-হাইস্কুলত ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰী সকলো আমাৰেই সন্তান।তেওঁলোকে ইংৰাজীত পঢ়ে।কেবিনেটে অষ্টম,নৱম আৰু দশম শ্ৰেণীত অসমীয়া মাধ্যমত হেনো ভূগোল আৰু বুৰঞ্জী পঢ়াব।আমি ইয়াৰো বিৰোধিতা কৰিছোঁ।কাৰণ ইয়াৰ ফলত ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰী সকলৰ কষ্ট হ'ব।তদুপৰি মেট্ৰিকত ৭টা বিষয়ৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ অদ্ভুত সিদ্ধান্তই ছেবাৰ সৰ্বনাশ কৰিব।যি সময়ত চি বি এছ ই,এছ এছ চি আদিত মাত্ৰ ৫টা বিষয়ত পৰীক্ষা হয়,সেই সময়ত ছেবাত ৭টা বিষয়ৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্তই আমাৰ চৰকাৰী শিক্ষা ব্যৱস্থাটোকেই ধ্বংস কৰিব।চৰকাৰক এইবোৰ সিদ্ধান্ত পুন:বিবেচনা কৰিবলৈ দাবী জনাইছোঁ।ইপিনে ৰাজ্যত মৌলবাদী জেহাদীৰ কাৰ্য-কলাপ বৃদ্ধি পোৱা বিষয় সন্দৰ্ভত মতামত ব্যক্ত কৰি আছুৰ সভাপতি দীপাংক নাথে কয়:যেতিয়ালৈ ভাৰত বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে বন্ধ কৰা নহ'ব,তেতিয়ালৈকে অসমত বাংলাদেশীৰ আগ্ৰাসন আৰু জেহাদীৰ ঘাটি বৃদ্ধি হৈ থাকিব।সেয়েহে সোনকালে চৰকাৰে এই জেহাদী সংগঠনক কঠোৰ ভাৱে দমন কৰক।ইয়াৰ লগতে ভাৰত বাংলা সীমান্ত পানী নসৰকাকৈ ছীল কৰক।উল্লেখ্য যে গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত নট সূৰ্য ফণী শৰ্মা ভৱনত অনুষ্ঠিত হয় বিশেষ সম্বৰ্ধনা অনুষ্ঠান। ২০২২ বৰ্ষৰ হাইস্কুল, হাই মাদ্ৰাছা শিক্ষান্ত পৰীক্ষাত জিলাখনৰ পৰা স্থান লাভ কৰি সুনাম কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীৰ লগতে ডিষ্টিংচন পোৱা আৰু উচ্চতৰ মাধ্যমিক কলা, বাণিজ্য আৰু বিজ্ঞানৰ চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰা তিনিগৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে ডিষ্টিংচন আৰু ষ্টাৰ নম্বৰ পাবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰী সমূহক অভিনন্দন জনোৱা হয়।জনাবলৈ বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰে।তদুপৰি এই প্ৰশংসনীয় ফলাফল পাবলৈ সক্ষম হোৱা সেই শিক্ষানুষ্ঠানৰ সন্মানীয় মুৰব্বী সকলকো সম্বৰ্ধনা জনোৱা হয়।আজিৰ এই অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা তিনি শতাধিক ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক উপস্থিত থাকে।

### বৰপেটাত সত্ৰ আয়োগৰ দল

## পূৰ্ববংগীয় মূলৰ মুছলমানে সত্ৰৰ ভূমি বেদখল কৰে ঃ মৃণাল শইকীয়া



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৩১ জুলাই ঃ** বৰপেটাত উপস্থিত সত্ৰ আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকাৰ নেতৃত্বত দুই সদস্য ৰূপক শৰ্মা আৰু মৃণাল শইকীয়া। শ্ৰীশ্ৰীমাধৱদেৱ গুৰু স্থাপিত বাৰাদি সত্ৰ পৰিদৰ্শণ কৰি সত্ৰ সমিতিৰ সৈতে বাৰ্তালাপ কৰে সত্ৰ আয়োগৰ দলটোৱে । অসমৰ প্ৰতিখন সত্ৰৰ মাটি বেদখল হোৱাৰ লগতে । বেদখলকাৰীয়ে সত্ৰসমূহৰ মৰ্যাদা হানি কৰা বুলি মন্তব্য কৰে প্ৰদীপ হাজৰিকাই। সত্ৰ আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকাৰ নেতৃত্বত দুই সদস্য ৰূপক শৰ্মা আৰু মৃনাল শইকীয়াৰ বৰপেটাৰ বাৰাদি সত্ৰ পৰিদৰ্শন কৰে। পূৰ্ববংগীয় মূলৰ মুছলমানে সত্ৰৰ ভূমি বেদখল কৰা বুলিও মন্তব্য কৰে। অসমীয়া মানুহে শুই থাকোতেই সত্ৰৰ মাটি বেদখল হৈছে ।অসমীয়া জাতিটোক পৰিকল্পিতভাৱে নিশেঃষ কৰাৰ ষড়যন্ত্ৰ চলিছে।পূৰ্বৰ চৰকাৰসমূহে সত্ৰসমূহ ৰক্ষাৰ কোনো চেষ্টা নকৰিলে ।কোনো কোনো সত্ৰৰ নিজৰ নামত থকা ৪ হাজাৰ বিঘা ভূমিৰ পৰা ৫০ বিঘালৈ সংকুচিত হৈ পৰাৰ কথাও প্ৰকাশ কৰে প্ৰদীপ হাজৰিকাই ।স্বৰ্গদেউ আৰু ব্ৰিটিছ সকলেহে সত্ৰসমূহ ৰক্ষাৰ চেষ্টা কৰিছিল ।ইপিনে ৰাজ্যৰ সত্ৰৰ ভূমি বেদখলত বংগমুলীয় মুছলমানসকল জড়িতৰ দাবী মৃনাল শইকীয়াৰ ।বংগমুলীয় মুছলমানসকলে বেদখল কৰিছে সত্ৰৰ ভূমি ।বাংলাদেশত মাটি হেৰোৱা সকলে অসমলৈ আহি সত্ৰৰ ভূমি বেদখল কৰিছে । সত্ৰৰ ভূমি বেদখলক লৈ সত্ৰাধিকাৰো হত্যাৰ বলি হবলগা হোৱাৰ লগতে বহু লোক নিপীড়িত হৈছে । এনে বহু ঘটনা সত্ৰ আয়োগৰ প্ৰতিবেদনত উন্মোচিত হব বুলি মন্তব্য মৃণাল শইকীয়াৰ । লক্ষণীয়ভাৱে সত্ৰৰ ভকতে সত্ৰত প্ৰসংগ কৰি থকাৰ সময়তে এইসকলে সত্ৰৰ ভূমিসমূহত বেদখল চলাই যোৱাৰ কথা উল্লেখ কৰে মৃণাল শইকীয়াই।



■ চন্দ্ৰামিতা শৰ্মা

# 'জোনবাইৰ দেশতে সাজিম ঘৰ এখনি, তৰাই জ্বলাব চাকি।'

যদিও আমি কওঁ, গান গাঁও চন্দ্ৰত ঘৰ সাজিম কিন্তু চন্দ্ৰত ঘৰ সজা ইমানো সহজ নহয়। প্ৰথম কথা তাত বায়ু নাই, অক্সিজেন নাই সেইবাবে আমি উশাহ ল'ব নোৱাৰিম আৰু এই জুলাই মাহত আজিৰ তাৰিখলৈ যেতিয়া ৩৯ ডিগ্ৰী চেলচিয়াছ উষ্ণতা হয় আমি গৰমত তত নোপোৱা হওঁ আৰু চন্দ্ৰত দিনৰ উষ্ণতা ১২০ ডিগ্ৰী চেলচিয়াছ হয় আৰু ৰাতি মাইনাছ (-) ১৩০ ডিগ্ৰী চেলচিয়াছ হয় তাত আমি সাধাৰণভাৱে কেনেকৈ থাকিম? পিছে চন্দ্ৰক লৈ আমাৰ সপোনৰ শেষ নাছিল আৰু এনে এক সপোনক বাস্তৱায়িত কৰাৰ দিশে চন্দ্ৰলৈ প্ৰথম মহাকাশ যান পঠোৱাৰ প্ৰচেষ্টা কৰিছিল আমেৰিকা যুক্তৰাষ্ট্ৰয়ে ১৭ আগষ্ট ১৯৫৮ চনত আৰু সেই মহাকাশ যানখনৰ নাম আছিল Pioneer- 0.। তাৰ পাছত আমেৰিকা আৰু ৰাছিয়াইয়ে বেলেগে বেলেগে ১৮ জুন ১৯৫৯ লৈকে ১০ খন মহাকাশ যান পঠোৱাৰ চেষ্টা কৰিলে কিন্তু প্ৰত্যেক বাৰে কিবা নহয় কিবা কাৰণত বিফল হৈছিল।

চন ১৯৫৯, ৰাছিয়া সফল হৈছিল চন্দ্ৰ পৃষ্ঠত LUNA-2 নামৰ মানুহে পঠোৱা প্ৰথমখন মানৱবিহীন মহাকাশযান চন্দ্ৰৰ একেবাৰে কাষলৈ যাবলৈ সক্ষম হৈছিল। ৰাছিয়াই মুঠ ২৮ টা চন্দ্ৰ অভিযান চলাইছিল। চন্দ্ৰৰ বিষয়ে বহুত অধ্যয়ন কৰাৰ পাছত বৈজ্ঞানিকসকলে সিদ্ধান্ত কৰিলে জোনবাইৰ দেশলৈ মানুহ পঠোৱাৰ আৰু সেই মতেই পৰিকল্পনাও আৰম্ভ হৈছিল। আমাৰ বহুতো ৰূপ কথাৰ চিৰপৰিচিত অংশ জোনবাইৰ দেশলৈ যাবলৈ ফ্ৰ্যাংক বৰ্মান (Frank Borman), জেমচ ল'ভেল (James Lovell) আৰু উইলিয়াম এণ্ডাৰ(William Ander.) নামৰ তিনিজন মহাকাশচাৰী থিক কৰা হৈছিল আৰু তেখেতসকল যোৱা মহাকাশ যানখনৰ নাম আছিল Apollo- 8. ১৯৬৮ চনৰ ২১ ডিচেম্বৰত Apollo- 8 ত এই তিনিজন মহাকাশচাৰী চন্দ্ৰ ফালে উৰা মাৰিছিল আৰু চন্দ্ৰৰ কক্ষপথত সফলতাৰে উপস্থিত হৈ চন্দ্ৰৰ চাৰিওফালে ১০ বাৰ ঘূৰি চন্দ্ৰক নিজ চকুৰে পৰ্যবেক্ষণ কৰি, তাৰ পৰা পৃথিৱীৰ ফটো লৈ পৃথিৱীলৈ ঘূৰি আহিছিল।

১৯৬৯ চনৰ ১৮ মে তাৰিখে পুনৰ মূল ভাওনাৰ পূৰ্বে "আখৰা " কৰাৰ লেখীয়াকৈ Apollo- 10 মহাকাশ যানেৰে পুনৰ জন ইয়ং(John Young),থমাছ ষ্টেফোৰ্ড (Thomas Stafford) আৰু জিনি চিৰেন (Gene Ceran) নামৰ তিনিজন মহাকাশচাৰী চন্দ্ৰৰ কক্ষপথলৈ পঠাইছিল।

তাৰ পাছতেই সেই বিশেষ দিন আহিল যিদিনা মানুহে প্ৰথম পৃথিৱীৰ বাদে বেলেগ গ্ৰহ বা উপগ্ৰহত ভৰি দিবলৈ সক্ষম হৈছিল। যাৱতীয় পৰীক্ষা নিৰীক্ষাৰ অন্তত ১৬ জুলাই ১৯৬৯ চনত Apollo- 11 মহাকাশ যানত তিনিজন মহাকাশচাৰী জোনবাই দেশলৈ বুলি ৰাওনা হৈছিল আৰু সেই তিনিজন মহাকাশচাৰীয়ে আছিল নীল আৰ্মষ্ট্ৰং (Neil Armstrong), এডউইন এলড্ৰিন( Edwin E Aldrin) আৰু মাইকেল কলিন্স (Michael Collins.)। ২০ জুলাই, ১৯৬৯। মানুহৰ মহাকাশ বিজয়ৰ ইতিহাসত সবাতোকৈ উল্লেখযোগ্য দিন, যিটো দিনত মানৱ ইতিহাসৰ পৃষ্ঠাত সূচনা হয় এটা নতুন, অভিনৱ আৰু গৌৰৱোজ্জ্বল ইতিহাসৰ। সেয়েহে হয়তো নীল আৰ্মষ্ট্ৰং দেৱে চন্দ্ৰৰ পৃষ্ঠত ভৰি দি কৈ উঠিছিল " এজন মানুহৰ বাবে ই এক ক্ষুদ্ৰ পদক্ষেপ, কিন্তু মানৱজাতিৰ বাবে ই এটা বৃহৎ জাপ।"

মূলযান "কলম্বিয়া"ৰ পৰা আহি " ঈগল" নামৰ সৰু যানৰ সহায়েৰে নীল আৰ্মষ্ট্ৰং এ অৱতৰণ কৰিছিল চন্দ্ৰত। তেখেত আছিল প্ৰথম মানুহ আৰু মহাকাশচাৰী যি চন্দ্ৰৰ পৃষ্ঠত ভৰি দিছিল আৰু তেখেতে মহাকাশ যানখনৰ পৰা নমাৰ ১৭ মিনিট পাছত এডউইন এলড্ৰিন চন্দ্ৰৰ পৃষ্ঠত নামিছিল।তেওঁলোকে প্ৰায় ২ ঘন্টা ১৫ মিনিট মহাকাশ যানখনৰ পৰা বাহিৰত থাকি চন্দ্ৰৰ পৃষ্ঠত কটাই আৰু ২১.৫ কেজি চন্দ্ৰৰ বিভিন্ন মাটি, শিল গোটাই পৃথিৱীলৈ লৈ আহিছিল। কলোম্বিয়া নামৰ মহাকাশ যানখন যিখন চন্দ্ৰৰ কক্ষপথত এই দুজন মহাকাশচাৰীক নিবলৈ ৰৈ আছিল তাত আছিল মাইকেল কলিন্স।.নীল আৰ্মষ্ট্ৰং আৰু এডউইন এলড্ৰিনে মুঠ ২১ ঘন্টা ৩৬ মিনিট চন্দ্ৰত আছিল আৰু তাৰ পাছত কলোম্বিয়াত সংযোগ হৈ পৃথিৱীলৈ ঘূৰি আহিছিল।

'মানুহ' হোৱাৰ গৌৰৱক সুউচ্চ গৌৰৱৰ গাঁথাৰে বন্দিত কৰা এই অবিস্মৰণীয় দিনটোক চিৰপ্ৰাঞ্জ্বল কৰি ৰাখিবৰ উদ্দেশ্যে প্ৰত্যেক বছৰে ২০জুলাই দিনটো 'বিশ্ব চন্দ্ৰ দিৱস (World Moon Day) ৰূপে পালন কৰা হয়। এই দিৱস পালনৰ মুখ্য উদ্দেশ্য হৈছে মহাকাশ বিজ্ঞানৰ প্ৰতি নৱ প্ৰজন্মক উদ্বুদ্ধ কৰি, মহাকাশৰ ন ন তথা অনন্ত ৰহস্য উদঘাটনৰ প্ৰতি আকৰ্ষিত কৰি পৃথিৱীখনক এক মংগলকামী উন্নত গ্ৰহ হিচাপে পৰিগণিত কৰা।

ফোন ঃ ৭০৮৬১৯৮২৮৮

# অধ্যয়নৰ মাফকাঠিতেই ছাত্ৰ সমাজৰ দায়িত্ব সীমাবদ্ধনে

■ গীতালি কেওট বৰা



ইতিহাসৰ পম খেদি বৰ্তমানলৈকে বিভিন্ন কাৰণত, বিভিন্ন সময়ত যিমানবোৰ আন্দোলনৰ তথ্য লিখিত বা মৌখিকভাৱে পোৱা যায়, তাৰ সাৰ-পানী পাই নতুন প্ৰজন্মৰ মনত নতুন ভাব, নতুন ধ্যান-ধাৰণা, আশা-আকাঙ্ক্ষা, সাহস আদিয়ে শিপা মেলিছে। উল্লেখযোগ্য যে আজিৰ ছাত্ৰ সমাজে ৰাজনৈতিক-অৰ্থনৈতিক আদি সকলো দিশতে ঘটা বিভিন্ন অথন্তৰসমূহৰ বিষয়ে অতি সোনকালেই অৱগত হয় আৰু সেই বিষয়সমূহে ছাত্ৰ সমাজৰ ওপৰত যি প্ৰভাৱ বিস্তাৰ কৰে, তাৰ ওপৰত জাতীয় অৱস্থাৰ ক্ৰমবিকাশৰ ৰূপ বহু পৰিমাণে নিৰ্ভৰ কৰে। এই ক্ষেত্ৰত পশ্চিমীয়া সাহিত্য, ৰুছ, হেগেল, মুচলিনী, গেৰিবল্ডি, টুৰ্গেনিভ, ডষ্টয়েভস্কি আদিৰ জীৱনীয়ে বৰ্তমানৰ ছাত্ৰ সমাজৰ ভাব-ভাবনাক প্ৰভাৱিত কৰে। স্বীকাৰ্য বিষয় যে— প্ৰাচ্য আৰু পাশ্চাত্য ভাবৰ সংঘৰ্ষত জাতীয় আদৰ্শ গঠন কৰি তুলিবলৈ হ'লে ছাত্ৰ সমাজেই মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। তাৰ বাবে ছাত্ৰ জীৱনত স্বাধীন চিন্তা, নিৰ্বাচন ক্ষমতা আৰু জাতীয় আত্মবোধৰ কথাবোৰ সকলোৱে স্বীকাৰ কৰা উচিত।

আজি বাহিৰৰ ৰাষ্ট্ৰসমূহৰ বিভিন্ন দিশৰ কিছুমান আৰ্হি বা নীতি আমাৰ চকুত পৰে আৰু এ বিচাৰ্য বিষয় হৈও পৰে। উদাহৰণ স্বৰূপে এইক্ষেত্ৰত ইউৰোপ, জাৰ্মেনি, ফৰাচী আদিৰ শিক্ষানীতিলৈ যদি মন কৰা যায়, অনুমান কৰিব পাৰি যে সেইবোৰ ৰাষ্ট্ৰৰ ছাত্ৰৰ তুলনাত আমাৰ ভাৰতীয় ছাত্ৰ খুবেই জুৰুলা। ই অপ্ৰিয় যদিও সত্য কথা নহয়নে বাৰু স্বীকাৰ্য বিষয় যে ছাত্ৰৰ চৰিত্ৰৰ বলৰ লগত শাৰীৰিক বলৰো সম্পৰ্ক থাকে। 'ছাত্ৰৰ কৰ্তব্য আৰু শিক্ষা' নামৰ কৃষ্ণকান্ত সন্দিকৈৰ এটা লেখাত স্পষ্টকৈ উল্লেখ আছে যে— 'জাৰ্মেনিৰ প্ৰত্যেক বিশ্ব বিদ্যালয়তে নানা কুস্তি, জাপানী যুযুৎসু বিদ্যা, বক্সিং, মাল-যুঁজ আদিৰ ব্যৱস্থা আছে। তাৰ বাবে সুকীয়া শিক্ষক আৰু চিকিৎসক ৰখা হয়। তৰোৱাল-খেল ফৰাচী ছাত্ৰবিলাকৰ এটা বিশেষত্ব। অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিব পৰাটো ইউৰোপীয় ছাত্ৰৰ পক্ষে এটা সাধাৰণ কথা...।' এইবোৰ শিক্ষা প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীকেই প্ৰয়োজন। তেনেক্ষেত্ৰত ভাৰতীয় ছাত্ৰ সমাজ আজি এনে শিক্ষাৰ পৰা বঞ্চিত হোৱাৰ দৰে হোৱা নাইনে। কোনোৱে ব্যক্তিগতভাৱে ক'ৰবাত অনুশীলন কৰিছে সেয়া সুকীয়া কথা। শাৰীৰিক উৎকৰ্ষৰ সাধনাৰ লগতে জাতীয় মৰ্যাদা আৰু চৰিত্ৰৰ বল জড়িত আছে। এই বিষয়টো বাহিৰা দেশসমূহৰ দৰেই আমাৰ দেশৰো প্ৰত্যেকখন বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষাৰ এটা প্ৰধান অংগ হিচাপে ব্যৱস্থা হাতত লোৱাতো অতিকৈ প্ৰয়োজনীয়।

উল্লেখযোগ্য যে জ্ঞান অৰ্জনৰ লগতেই চৰিত্ৰ আৰু ব্যক্তিত্বৰ বিকাশৰ ক্ষেত্ৰত ছাত্ৰ অৱস্থাৰ পৰাই সমানে গুৰুত্ব দিব লাগে। প্ৰাচীন যুগত প্ৰভাৱশালী লেটিন লেখক কুইণ্টিলিয়ানে শিক্ষাত জ্ঞানৰ প্ৰেৰণাতকৈ চৰিত্ৰ সাধন বেছি মূল্যৱান বুলি ভাবিছিল। প্ৰকৃততে এই ব্যক্তিত্বৰ বিকাশ নহ'লে কোনো উচ্চ আদৰ্শৰ দিশে দৃষ্টি ৰাখিব নাৱাৰি। খোৱা-পিন্ধা, সংসাৰ কৰা— ইয়াৰ বাহিৰে যিয়ে আন কোনো ভাবৰ প্ৰয়োজন অনুভৱ নকৰে তেওঁৰ এটা স্বতন্ত্ৰ ব্যক্তিত্ব আছে বুলি ধাৰণা কৰিব নোৱাৰি। ব্যক্তিত্বৰ বিকাশ নহ'লে আদৰ্শৰো প্ৰয়োজন নাই। যিয়ে নিজৰ অৱস্থাক লৈ সন্তুষ্ট তেওঁৰ বিশেষ কোনো আদৰ্শৰ প্ৰয়োজন নাই। আজিৰ দিনত 'আদৰ্শ'— এটা সংকটজনক শব্দহে আদৰ্শই নতুন নতুন ভাব আৰু অনুভূতিৰ ঢৌ তুলি আহুকাল, অসন্তোষ আৰু বিপ্লৱৰ সৃষ্টি কৰে আৰু ইয়াতে প্ৰাণৰ স্পন্দন আৰু জাতীয় জীৱনৰ হেন্দোলনি আৰম্ভ হয়।

বৰ্তমানৰ ছাত্ৰ সমাজলৈ মন কৰিলে এনে বোধ হয় যেন আজিৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনত এটা নতুন আত্মসন্মান, মুক্ত চিন্তাৰ আৰু জাতীয় মৰ্যাদাৰ বোধ আৰম্ভ হৈছে। অযথা অপমান সহ্য কৰিবলৈ যেন কোনো ৰাজি নহয় লগতে দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিবলৈ কণ্ঠবোৰ ক্ৰমাৎ সবল কৰি তুলিবলৈ যত্নপৰ হৈছে। চৰিত্ৰ বল আৰু নিস্বাৰ্থ ভাব থাকিলে ছাত্ৰৰ নতুন চিন্তাৰ জয় নিশ্চিত বুলি স্বীকাৰ কৰিবই লাগিব। বৰ্তমান পৰিস্থিতিত ছাত্ৰসকল কেৱল অধ্যয়নক লৈ ব্যস্ত থাকি দেশৰ তথা ৰাজ্যৰ সামাজিক, সাংস্কৃতিক, আৰ্থিক ৰাজনৈতিক আদি দিশবোৰত চকু মোদা কুলি হৈ থাকিলে একো লাভ নহ'ব আনহাতে পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰা ছাত্ৰসমাজ বিচ্ছিন্ন হৈ থাকিব নোৱাৰে। সময়ে সময়ে হোৱা ৰাজনৈতিক আৰু সামাজিক আন্দোলনবোৰৰ পৰা কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ চিন্তা, আগ্ৰহ আদিক আঁতৰাই ৰাখিব পাৰিনে বাৰু ইতিহাসে এই সম্পৰ্কে ছাত্ৰসাজক বহু প্ৰেৰণা দিয়ে। কিন্তু, আজিকালি ঠায়ে ঠায়ে ছাত্ৰক আন্দোলনৰ অলপ সংশ্ৰৱত অহা দেখিলেই কৰ্তৃপক্ষই চক খাই উঠে আৰু অপমানজনক চৰ্তেৰে ছাত্ৰ-ছাত্ৰীক বশ কৰিব বিছাৰে। পৰিস্থিতৰ কৱলত বহু বিপ্ৰী কণ্ঠ চেপা খাই যায়, যাৰ ফলত দুটা ফৈদৰ সংঘৰ্ষৰ সৃষ্টি হয়। শৃংখলাৰ নামত জাতীয় মৰ্যাদা আৰু আত্মসন্মান ত্যাগ কৰা উচিত নহয়। ছাত্ৰ জীৱনৰে পৰা মনত দাসত্ব-ভাব পুহিবলৈ শিকিলে দেশ-জাতিৰ ভৱিষ্যৎ কিমান বিপদাপন্ন তাক হয়তো অনুমান কৰাটোও সহজ নহয়। আজিৰ ছাত্ৰ-ছাত্ৰী হ'ব লাগিব এক নতুন চেতনাৰ বাহক; যি হ'ব দেশ-কাল-স্বজাতিৰ প্ৰতি দায়বদ্ধতাৰ অন্যতম প্ৰেৰণাৰ উৎস। মানৱঅধিকাৰ ৰক্ষাৰ বাবে নিজৰ স্বাধীনতাক শুদ্ধ আৰু সুস্থভাৱে ব্যৱহাৰ কৰিব জানিলেহে ছাত্ৰসমাজৰ পৰাই প্ৰকৃত মানৱসম্পদ গঢ় লৈ উঠিব। প্লেটো, চক্ৰেটিছ, পাইথাগৰাছ আদিৰ দৰে মানৱতাবাদীসকলৰ মতাদৰ্শই অনুপ্ৰাণিত কৰে এখন এনে পৃথিৱী গঢ়ি তোলাত, য'ত মানৱাধিকাৰ সৰ্ব নহয়।

# বন্ধুত্ব এটি শব্দই নহয়, হৃদয়ে হৃদয়ে উচ্চাৰিত হোৱা এক সঞ্জীৱনী শক্তি



■ গীতাশ্ৰী বৰা

'স্বাৰ্থহীন বন্ধুত্ব জীৱনৰ আটাইতকৈ দুষ্প্ৰাপ্য আৰু সুন্দৰ বস্তু' জেমচ বায়ৰনচ। 'বন্ধুত্ব' এটি সৰু শব্দ যদিও ইয়াৰ মাজত অন্ত:নিহিত হৈ থাকে, এক বিশেষ সম্পৰ্ক। 'বন্ধু'ৰ বাবে হিয়াই হিয়াই উচ্চাৰিত হয় এক শান্তিৰ প্ৰাৰ্থনা। এজন সঁচা বন্ধুৰ মাজত থাকে মৰম-স্নেহ, বিশ্বাস আৰু আন্তৰিকতা। বন্ধু লাগিলে কমেই থাকক কিন্তু জীৱনত এনে এজন বন্ধু লাগে যিজনে আপোনাক বুজি পায়। সৰুতে পঢ়াশালিতে পঢ়া সাধুটোৱে আমাক আজিও সোঁৱৰাই 'বিপদৰ বন্ধুয়েই প্ৰকৃত বন্ধু'।'বন্ধুত্ব' মানৱ জীৱনৰ এক অসাধাৰণ উপহাৰ। এজন প্ৰকৃত বন্ধু এজন আনজনৰ সুখ-দুখৰ লগৰী। নজনাকৈয়ে কাৰুবাৰ লগত এক সু-সম্পৰ্ক গঢ় লয়, এইয়াই 'বন্ধুত্ব'।

'মোৰ প্ৰিয় বন্ধুৰ নাম কি বুলি তুমি সুধিছিলা?

মোৰ প্ৰিয় বন্ধুৰ নাম প্ৰতিক্ষা ,অন্তহীন প্ৰতিক্ষা

হিন্দী ছবিৰ 'শ্বোলে'ৰ"ইয়ে দোস্তি হম নহী চোড়েংগে"..গীতটো শুনিলেই বন্ধুত্ব যে এৰাব নোৱাৰা এক সু-সম্পৰ্ক সেই কথাৰ অনুভৱ হয়। আনক কব নোৱাৰা কথাবোৰ বন্ধুৰ সন্মুখত অকপটে বৰ্ণনা কৰিব পাৰি।দিনটোৰ আজৰি সময় পালেই বন্ধুৰ লগত ফোনতেই হওক বা কৰবাত বহি আড্ডা নামাৰিলে ভাল জানো লাগে? বন্ধুৰ লগত থাকিলেই সহজ হৈ পৰে জীৱনৰ জটিল সময় আৰু সমস্যা।

১৯৯৯ চনৰ পৰাই আৰম্ভ হৈছিল 'বন্ধুত্ব দিৱস'। আগষ্ট মাহৰ প্ৰথম দেওবাৰটোত উদযাপন কৰা হয় আন্তৰাষ্টীয় 'বন্ধুত্ব দিৱস'। আজিকালি অন্য দিৱসৰ দৰে 'বন্ধুত্বৰ দিৱস'বা friend-ship day ও উদযাপন কৰা হয়। আমাক এজন প্ৰকৃত বন্ধু কিয় প্ৰয়োজন হয়? কাৰুবাৰ এযাৰি কথাত হেৰুওৱা জীৱনে ছন্দ বিচাৰি পায়। কাৰুবাৰ মানসিক সমৰ্থনে আমাক আমনি কৰি থকা দুখবোৰ নিচিন্ন কৰে। ঋনাত্মক শক্তিবোৰে আমাক তিলতিলকৈ নি:শেষ কৰিবলৈ উঠিপৰি লাগে তেতিয়াই আমাক সাহসী কৰিবলৈ এজন প্ৰকৃত বন্ধুৰ প্ৰয়োজন হয়। 'গোলাপ যেমন একটি বিশেষ জাতৰ ফুল, বন্ধু তেমনি একটি বিশেষ জাতৰ মানুষ' ৰবীন্দ্ৰ নাথ ঠাকুৰ। এখন ধুনীয়া হৃদয় যি খনে কেতিয়াও বেয়া নাপায়, এটা মিচিকিয়া হাঁহি যিটো কেতিয়াও শেষ নহয়, এটা অনুভৱ যিটো অনুভৱে কেতিয়াও দুখ নিদিয়ে। এই পৱিত্ৰ আৰু মহান সম্পৰ্কই হৈছে 'বন্ধুত্ব'।

' বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা 'ঠন্ঠদীপালী বৰঠাকুৰ ৰ এই সুন্দৰ গীতটোৱে আমাক আনন্দিত কৰে। বন্ধুৰ লগত সময় কটাবলৈ পালেই আমাৰ মন ফৰকাল হয়। জীৱনৰ বাবে বন্ধু হেনো অ'ক্সিজেনৰ দৰে। অ'বিদেশী বন্ধু দুৰ্ভগীয়া,

আজি কিয়নো বন্ধু অকলশৰীয়া'

চামেলী মেমচাহাব বোলছবিৰ এই গীতটোৱে বুজাই দিয়ে বন্ধু বিচ্ছেদৰ বিষাদ গাঁথা। বন্ধুত্বৰ পৰিসৰ এতিয়া বৃদ্ধি পাইছে। ছ'চিয়েল মিডিয়াযোগে বহু বন্ধু বাঢ়িছে। বহু পুৰণি বন্ধুৰ লগত যোগাযোগ কৰিবলৈ সুবিধা হৈছে। ই এক শুভ লক্ষ্মণ। মৰম, বিশ্বাস আৰু শ্ৰদ্ধা হৈছে বন্ধুত্বৰ মূল ভেটি।

অসমীয়া সমাজত আত্মীয়তাৰ ভেটিত গঢ় লৈ উঠা এই সম্পৰ্কক কোৱা হয় হৰিভকত। ই এক গ্ৰাম্যসমাজৰ সুকীয়া সম্পৰ্ক । বিপদে-আপদে হৰিভকতৰ অৱদান বহুত। নিৰ্ভেজাল মৰম-স্নেহ বিশ্বাসৰ ভেটি যত গঢ় লয়, আত্মীয় নহৈ আত্মীয়তকৈও আপোন এই বন্ধুত্বক আমি সকলোৱে মনে-প্ৰাণে শ্ৰদ্ধা কৰিব লাগে।এই চিৰসেউজ সম্পৰ্কৰ আমাৰ মাজত সদায় এক সুকীয়া আসন থকা উচিত।আজিও আমি প্ৰায়ে স্বপ্নত বন্ধুৰ স'তে কথা হওঁ, এৰি অহা মধুৰ দিনবোৰে মাজে মাজে আমনি কৰে।উপলব্ধি হয় বন্ধুত্ব এক এৰাব নোৱাৰা সম্পৰ্ক।

ফোন ঃ ৯৩৬৫৪৫২৫৬৬

# গ্ৰীষ্ম প্ৰবাহ

■ অংকিতা উপাধ্যায়



বৰ্তমান গ্ৰীষ্ম প্ৰৱাহে দহিছে সমগ্ৰ বিশ্ব। গ্ৰীষ্ম প্ৰবাহে বৰ্তমান বিশ্বজুৰি কিদৰে প্ৰভাৱ পেলাইছে তাৰ উমান বৰ্তমান গম পোৱা গৈছে। শেহতীয়াকৈ দক্ষিন-পশ্চিম ইউৰোপত গ্ৰীষ্ম প্ৰৱাহৰ ফলত সংঘটিত হোৱা অগ্নিকাণ্ডই এতিয়া সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিছে। দক্ষিন-পশ্চম ইউৰোপৰ গ্ৰীষ্ম প্ৰৱাহৰ মাত্ৰা ইমানেই বৃদ্ধি পাইছে যে এতিয়ালৈ ইয়াৰ শ শ লোক ইতিমধ্যে মৃত্যুৰ মুখত পৰিছে। বিশেষকৈ ফ্ৰান্স, স্পেইন, পৰ্টুগাল, গ্ৰীছ আদি সমগ্ৰ দেশতে গ্ৰীষ্ম প্ৰৱাহৰ বাবে পৰিৱেশ ইমানেই খৰাং হৈ পৰিছে যে এতিয়া তাৰে সমগ্ৰ বনাঞ্চল জুৰে আৱৰি ধৰিছে আৰু হাজাৰ হাজাৰ হে"ৰ মাটি জুইত পুৰি ছাই হৈ গৈছে। উল্লেখ্য যে মহাদেশখনত গ্ৰীষ্ম প্ৰৱাহৰ ফলত এসপ্তাহৰ ভিতৰত প্ৰায় ৩০০ৰো অধিক লোকৰ মৃত্যু হৈছে। আৰু প্ৰায় ১৪ হাজাৰ লোকক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰা হৈছে। প্ৰথম অৱস্থাত কোভিড বা আন কোনো ৰোগৰ বাবে এই লোক সকলৰ মৃত্যু হোৱা বুলি ধাৰনা কৰিছিল বিশেষজ্ঞ সকলে। পিছলৈ এই লোকসকলৰ মৃত্যুৰ কাৰণ গ্ৰীষ্ম প্ৰৱাহ বুলি ঘোষনা কৰে বিশেষজ্ঞ সকলে। বৰ্তমান ভাৰতবৰ্ষতো গৰমৰ তাপমাত্ৰা ৪৫-৪৬ ডিগ্ৰী চেলচিয়াচ পৰ্যন্ত বৃদ্ধি পাইছে যাৰ ফলত জীৱকুলৰ প্ৰতি ভাবুকি নামি পৰিলক্ষিত হৈছে। আৰু বহু লোকৰ জীৱন জীৱিকাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। আনহাতে, গ্ৰীষ্ম প্ৰবাহৰ কাৰণে দেশত পানীৰ নাটনি, বনজুইৰ পৰিমাণ বৃদ্ধি, খৰাং আদিকে ধৰি বিভিন্ন সমস্যাৰ সৃষ্টি কৰিবলৈ লৈছে ।

অসমতো প্ৰায় একেই অৱস্থা। জুলাই মাহৰ দ্বিতীয় সপ্তাহৰ পৰা ৰাজ্যখনত তাপমাত্ৰা বৃদ্ধি হোৱাৰ ফলত জনসাধাৰণৰ ওপৰত ব্যাপক প্ৰভাৱ পৰিছে। ৰাজ্যৰ তাপমাত্ৰা একেবাৰে ৩৭ ৰ পৰা ৪০ ডিগ্ৰী ছেলছিয়াছ লৈ বৃদ্ধি পাইছে। অতিকৈ তাপমাত্ৰা বৃদ্ধি হোৱাৰ ফলত ৰাজ্যখনত বৰ্তমান সময়লৈ বহুতো লোকৰ মৃত্যু হৈছে। অতিকৈ গ্ৰীষ্ম প্ৰবাহৰ ফলত লোকৰ জীৱন অসহনীয় হৈ পৰিছে। ঘন জংঘলৰ পৰিমান হ্ৰাস হোৱাৰ বাবেই এই গ্ৰীষ্ম প্ৰৱাহৰ সমস্যাই দেখা দিয়া পৰিলক্ষিত হয়।

# বৰষা যেতিয়া নামে

■ তৃষ্ণা পেগু

টিক টিক টিক।

ঘড়ীৰ কাঁইটকেইডালৰ শব্দটোৱে নিশাৰ নীৰৱতাখিনিক কিবা এটা কৈ আছে। ঘড়ীৰ শব্দবোৰত ঘপহকৈ উচপখাই উঠিল বৰষা। বৰষা বেজবৰুৱা। আচলতে মাজনিশা এনেকৈ সাৰ পালে পুনৰ টোপনি যোৱাটো বৰষাৰ বাবে বৰ দুৰূহ কাম। টোপনিৰ পৰিৱৰ্তে অতীতৰ স্বপ্নিল সময়বোৰে আমনি কৰি থাকে বৰষাক।

বৰষা তেতিয়া যোড়শী গাভৰু। গাঁওখনৰ ভিতৰত উচ্চ মধ্যবিত্ত পৰিয়ালৰ একমাত্ৰ কণ্যা বৰষা আছিল সকলোৰে নয়নৰ মণি। ঘৰৰ সন্মুখৰ কেচা আলিবাটটোৱে যেতিয়া পিতাকৰ একমাত্ৰ বিলাসী গাড়ীখনত উঠি কৰবালৈ ওলাই যায় তেতিয়া তাইৰ নিজকে সবাতোকৈ ধনী মানুহ যেন লাগে। নিজৰ মনতে বৰষাই ভাবে- তাই যোৱা বাবেই যেন সৌ পথাৰৰ অকলশৰীয়া আজাৰ গছজোপালৈ বসন্ত আহে, গাঁৱৰ আলিবাটটো ধুনীয়া হৈ আছে। আৰু কত যে কি : মাজনী, অ মাজনী, এইফালে আহচোন- বুলি আইতাকে তামোলী মুখেৰে চুমা এটা খাই দিয়াটো তাইৰ বাবে যেন বৰ লেতেৰা কিবা এটাহে আছিল তেনে অনুভৱেই কৰিছিল বৰষাই। মুখতে ভোৰভোৰাই ছিল - এই আইতাজনীও যে আৰু তামোলসোপা লগাই গালখন বেয়া কৰি পেলালে। অকলশৰীয়া আইতাকজনীৰ হেঁপাহখিনি একেবাৰতে ধূলিস্যাৎ কৰি দিব মন যায় বৰষাৰ। ককাকবিহীন আইতাক সিহঁতৰ ঘৰৰ পৰা অলপ দূৰৈত থাকে। ককাক থাকোতেই দেউতাকৰ চাকৰি হোৱাত দেউতাকে ককাকহঁতৰ গাঁৱৰ পৰা ৮ কিঃমিঃ দূৰৈৰ আন এখন গাঁৱলৈ গুচি গৈছিল। তেতিয়া বৰষা তেনেই সৰু আছিল। ককাক-আইতাক কৰ্মঠ আছিল।


দিন বাগৰিল।

আবেলিৰ হেঙুলীয়া ৰংখিনিৰ বাদে দিনবোৰৰ ছবিবোৰো সলনি হ'ল। হঠাৎ এদিন বৰষাৰ ককাকো ঢুকাই থাকিল। আইতাকে ককাক থকা ভেঁটি এৰি সিহঁতৰ ওচৰলৈ আহিবলৈ ইচ্ছা নকৰিলে। সিহঁত মাজে সময়ে গৈ থাকিছিল।


সৰুতে বৰষাই জানো ক'ত শুনিছিল- সময় আৰু কথা এবাৰ ওলোৱাৰ পাছত তাক ঘূৰাই আনিব নোৱাৰি বুলি। বৰষাৰ আজি তেনেই লাগিছে। বৰষা এতিয়া এগৰাকী আলৰ বৃদ্ধ। চহৰৰ বিশাল অট্টালিকা এটাত থাকে বৰষা। অকলশৰে। ল'ৰা-ছোৱালী দুটা বাহিৰত থাকে। ভাৰতৰ বাহিৰত। তাতে দুয়োটাই ডাক্তৰী কৰি। বিয়া বাৰু পাতি ছেটেল হৈছে। এতিয়া এই অট্টালিকাসদৃশ ঘৰটোত তেওঁ অকলে থাকি অতীতৰ কথাবোৰ বৰকৈ অনুধাৱন কৰিবলৈ ধৰিছে। নিসংগতাৰ দুৱাৰদলিত তেওঁ অনুভৱ কৰিছে- জীৱনৰ চেৰেকীৰ পাকটি কেনেকৈ প্ৰত্যেকৰে লগত প্ৰতিক্ৰিয়া কৰে।

ভুক ভুক ভুক। বাহিৰত কোনোবা পথৰুৱা কুকুৰে মাতিছে। কুকুৰটোৰ মাতত বৰষা বাস্তৱ জগতলৈ ঘূৰি আহিল। বাহিৰত চিপ চিপকৈ বৰষুণ দিয়াৰ শব্দ হৈছে। তাই মনলৈ ভাহি আহিছে বৰষুণ দিলেই আইতাকে তাইক দেখিলে আইতাকৰ শীৰ্ণ হাতদুখনৰে মূৰত হাতবোলাই কোৱা সেই কথাষাৰ- বৰষা যেতিয়া নামে, চিকমিক বিজুলীয়ে পোহৰে তোলে।

ফোন ঃ ৯৩৬৫৭৯০৯১২



# এখন সুখৰ বিস্কুট আৰু এপিয়লা বিষাদ



■ মৌচুমী ভট্টাচাৰ্য

হৃদয়ৰ দোকানত আজি বহুত বাকী হ'ল
বাকী নিওঁতে নিওঁতে হৃদয়ে আজি এপদো বস্তু নিদিয়া হ'ল।
হৃদয়ৰ দোকানত হেনো বৰ ভীৰ,
এপদ বস্তুৰ দাম দুপদৰ সমান দিবলৈ গ্ৰাহকৰ অভাৱ নাই।
এনেতে দেখা পালোঁ
হৃদয়ৰ কাষত এখন দোকান
হেৰা দোকানী,
সুখৰ বিস্কুট পাম নেকি ইয়াত?
সুখৰ বিস্কুট
কিয়, তোমাৰ দোকানত নাৰাখা নেকি?
হয়তো প্ৰয়োজন নহয় তোমাৰ কাষ্টমাৰসকলক
নাইবা তেওঁলোকৰ দুখ নাই।
আজি মোৰ বৰ প্ৰয়োজন হৈছে অ'
এপেকেট সুখৰ বিস্কুটৰ
আজি বৰ মন গৈছে জানা,
বেদনামিশ্ৰিত বিষাদ এপিয়লা লৈ
বিষাদত সুখৰ বিস্কুটখন ডুব যোৱাকৈ
আজি পান কৰিম মই,
এখন সুখৰ বিস্কুট আৰু এপিয়লা বিষাদ।

ফোন ঃ ৮০১১৯০৭৬১৫

১৮ জুলাইত 'প্ৰণিপাত'ত প্ৰকাশ পোৱা 'চৰকাৰী বিদ্যালয়ৰ ফলাফল ব্যক্তিগত খণ্ডতকৈ পুতৌলগা ঃ এক নিৰ্মোহ বিশ্লেষণ' শীৰ্ষক নামৰ লেখাটোৰ লেখিকাৰ নাম থাকি গৈছিল। সেই লেখাটোৰ লেখিকা দীপিকা বৰা।

— পৃষ্ঠা সম্পাদক

# মানিলে ধান, নামানিলে...

■ চন্দ্ৰপ্ৰভা বৰ্মন



আমাৰ সমাজ জীৱনত নানা ধৰণৰ সংস্কাৰ আৰু লোকাচাৰ সুদীৰ্ঘকাল ধৰি গভীৰ বিশ্বাসৰ সৈতে পালিত হৈ আহিছে। কোৱা বাহুল্য যে আমাৰ সভ্যতা বিনিৰ্মাণতো হাজাৰ হাজাৰ বছৰৰ লোকসংস্কৃতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে। লোকবিশ্বাস বুলি ক'লেই এখন সমাজৰ বিভিন্ন আচাৰ, আচৰণ, উৎসৱ, অনুষ্ঠান, ধৰ্মীয় ৰীতি নীতি, আদিৰ এক অলিখিত সংবিধান বুলিয়ে ক'ব পাৰি।

লোকবিশ্বাস আৰু কুসংস্কাৰ একে নহয় ।

লোকবিশ্বাস সমূহ পৰম্পৰাগত ভাৱে চলি অহা লোকসংস্কৃতিৰ এক উপাদান। এটা জাতিৰ জাতীয় জীৱনৰ মৌলিকতা সমূহ প্ৰকাশ পায় লোকবিশ্বাসৰ গভীৰতা আৰু সংস্কৃতিৰ ওপৰত। সভ্যতাৰ ক্ৰমবিকাশৰ প্ৰাৰম্ভণিৰে পৰাই মানুহৰ মাজত কিছুমান ৰীতি-নীতি পৰম্পৰাগতভাৱে প্ৰচলন হৈ আহিছে। আদিতে এই লোক-বিশ্বাসৰ আধাৰত প্ৰচলিত নীতি-নিয়মসমূহৰ কোনো ধৰণৰ বৈজ্ঞানিক যুক্তি সাব্যস্ত হোৱা নাছিল। কেৱল নাপায়, নালাগে, অমংগল হ'ব নাইবা কোনো দেৱতা বা অপদেৱতাৰ ভয় দেখুৱায় সেইবোৰ পালন কৰিবলৈ কনিষ্ঠসকলক বাধ্য কৰোৱাইছিল। অৱশ্যে এই অজস্ৰ পায়-নেপায়, লাগে-নেলাগে বোৰৰ আঁৰত লুকাই আছে মানুহৰ সমাজত সুখ-শান্তি আৰু শৃংখলা বজাই ৰখাৰ মহৎ উদ্দেশ্য। সেইবুলি সকলোবোৰ লোক-বিশ্বাসৰে বৈজ্ঞানিক যুক্তিযুক্ততা বিচাৰি পোৱা নাযায় । তথাপি, সৰহখিনি নীতি-নিয়ম তথা পৰম্পৰায়েই সমাজখনক শৃঙ্খলাবদ্ধ, সমৃদ্ধিশালী আৰু প্ৰতিজনকে সু-স্বাস্থ্যৰে জীয়াই থকাত বলিষ্ঠ অৰিহণা যোগাই আহিছে। সেয়ে অতি আধুনিক হ'লেও সকলোবোৰ লোক-বিশ্বাসকে কু-সংস্কাৰ বুলি দলিয়াই পেলাব নেলাগে । সেইবোৰৰ লাগতিয়ালখিনি প্ৰয়োজনীয় সংশোধন কৰি মানি চলাই শ্ৰেয় আৰু তাৰ সমান্তৰালভাৱেই সেইবোৰৰ প্ৰকৃত তাৎপৰ্য্যখিনিও বিচাৰ-বিশ্লেষণ কৰি চোৱাটো বাঞ্চনীয়। যদিওবা লোক-বিশ্বাসসমূহ সম্প্ৰতি অপ্ৰাসংগিক যেন অনুভৱ হয়, তথাপি সকলোবোৰ পৰম্পৰা এৰাই চলাতো হয়তো আমাৰ বাবে মঙ্গলজনক নহ'ব। কাজেই পুৰণা নীতি-নিয়ম, বাধা-নিষেধসমূহ উলাই কৰি চলাৰ বাবেই বৰ্তমান সময়ত সামাজিক উশৃঙ্খলতা বৃদ্ধি পোৱা বুলি ভবাৰো যথেষ্ট থল আছে। সেয়েহে আমি লোক-পৰম্পৰাসমূহ যুক্তি সহকাৰে সংশোধন কৰি মানি চলিলে একো ক্ষতি নহয় বৰং সকলোৱে উপকাৰত আহিব। এটা জাতিৰ মনোজগত আৰু আদৰ্শগত জীৱন-যাপন লোকসংস্কৃতিৰ যোগেদিহে প্ৰকাশ পায়। বিশ্বাস হওক বা নহওক মূলত যেতিয়াৰ পৰাই মানুহৰ জীয়াই থকাৰ সংগ্ৰাম আৰম্ভ হৈছে ঠিক তেতিয়াৰ পৰাই মানুহৰ সংস্কাৰো আৰম্ভ হৈছে । "বিশ্বাসে মিলয় হৰি তৰ্কে বহুদূৰ "

ফোন ঃ ৯৯৫৪১৫৩২৭৯

## টীয়কৰ ৰেণু বড়া মেম'ৰিয়েল একাডেমীৰ নৱাগত আদৰণী সভা সম্পন্ন 'গজালি উন্মোচন'

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩১ জুলাই ঃ** টীয়কৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান ৰেণু বড়া মেম'ৰিয়েল একাডেমীৰ নৱাগত আদৰণী সভা খনি কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। সভাৰ প্ৰাকক্ষণত স্মৃতি তৰ্পন কৰে কনিষ্ঠ মহাবিদ্যালয়ৰ সঞ্চালক প্ৰাণ কমল বড়ায়ে। ছাত্ৰী ৰিকুমণি নেওগে আঁত ধৰা সভাখনিত বিশিষ্ট ব্যক্তি ৰূপে উপস্থিত থাকে কমলাবাৰী সত্ৰ মাজুলীৰ বুঢ়াভকত প্ৰভাত বড়া, টীয়কৰ বিশিষ্ট সমাজ কৰ্মী, নাট্যকাৰ, অভিনেতা কৃষ্ণপদ কলিতা আৰু টীয়ক বিধান পৰিষদৰ সভাপতি বিকাশ শইকীয়া। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আৰম্ভণি গীতেৰে আৰম্ভ কৰা উক্ত সভাত একাডেমীৰ সচিব কুলধৰ শইকীয়াই প্ৰাচীৰ পত্ৰিকা 'কিশলয়' আৰু কৃষ্ণপদ কলিতাই হাতেলিখা আলোচনী 'গজালি'ৰ শুভ উন্মোচন কৰে।সভাৰ সমান্তৰালকৈ কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। এই সভাতে ২০২২ বৰ্ষত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কনিষ্ঠ মহাবিদ্যালয়ৰ সঞ্চালক প্ৰাণ কমল বড়াই সভাত উপস্থিত থাকি সহযোগিতা আগবঢ়োৱাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে আৰু আহি থকা দিনবোৰতো এনেদৰে সকলোৰে সহায়-সহযোগিতা কামনা কৰে।

### মুছলপুৰত বাক্সা জিলা উপায়ুক্তৰ সংবাদ মেল

# ভোটাৰ কাৰ্ডৰে সংযোগ কৰাব লাগিব আধাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৩১ জুলাই ঃ** ১ আগষ্টত মুকলি হ'ব নিৰ্বাচন আয়োগৰ নতুন প্ৰ-পত্ৰ। এতিয়াৰ পৰা প্ৰতিগৰাকী ভোটাৰে নিজৰ ভোটাৰ পৰিচয়-পত্ৰৰ লগত আধাৰ নম্বৰ সংলগ্ন (লিংক) কৰিব লাগিব। আনহাতে এতিয়াৰ পৰা বছৰত চাৰিবাৰকৈ নিৰ্বাচন আয়োগত নাম পঞ্জীয়ন কৰিব পাৰিব। জানুৱাৰী, এপ্ৰিল, জুলাই আৰু অক্টোবৰৰ ১ তাৰিখত পঞ্জীয়ন কৰিব পাৰিব। প্ৰতি তিনি মাহৰ অন্তৰে অন্তৰে দাখিল কৰিব পাৰিব আবেদন। শেহতীয়াকৈ দেশৰ নিৰ্বাচন আয়োগে নাগৰিকৰ ফটো ভোটাৰ পৰিচয় পত্ৰৰ ক্ষেত্ৰত অনা বিশেষ সংক্ষিপ্ত সংশোধনী সম্পৰ্কত এক সংবাদমেল অনুষ্ঠিত কৰি এই তথ্য প্ৰদান কৰে বাক্সা জিলা নিৰ্বাচনী বিভাগে। শনিবাৰে মুছলপুৰস্থ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক সংবাদ মেলত জিলাখনৰ উপায়ুক্ত মাচান্দা মাগদালিন পাৰ্টিনে জনপ্ৰতিনিধিত্ব আইন, ১৯৫০ৰ সংশোধনৰ জৰিয়তে ভাৰতৰ নিৰ্বাচন আয়োগে যুৱ প্ৰজন্মক ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত প্ৰদান কৰা সুবিধাসমূহৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে পূৰ্বতে কেৱল ১ জানুৱাৰী তাৰিখে ১৮ বছৰ সম্পূৰ্ণ হোৱা যুৱক-যুৱতীয়েহে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰিব পাৰিছিল। ফলত ১ জানুৱাৰীৰ পিছত ১৮ বছৰত ভৰি দিয়াসকলে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে এবছৰ পৰ্যন্ত অপেক্ষা কৰিবলগীয়া হৈছিল। সেয়ে নিৰ্বাচন আয়োগে নতুন নিয়ম কৰি এতিয়াৰে পৰা ১ এপ্ৰিল, ১ জুলাই আৰু ১ অক্টোবৰতো আবেদনৰ সুবিধা উপলব্ধ হ'ব। ১৮ বছৰ হোৱাৰ পূৰ্বেই আবেদন কৰি থৈ দিব পাৰিব। ১৮ বছৰ হোৱাৰ লগে লগে তেওঁলোকে নিজৰ এডমিট কাৰ্ড লাভ কৰিব। এটা সময়ৰ পিছত ভোটাৰৰ নাম থাকিব লাগে, তাৰ বাবে ভোটাৰ কাৰ্ডৰ লগত আধাৰ লিংক কৰিব। ১ আগষ্টৰ মুকলি হ'ব লগা নতুন প্ৰ-পত্ৰত থাকিব চাৰিটা পৃষ্ঠা। নতুন ভোটাৰৰ বাবে ব্যৱহাৰ হ'ব ৬ নম্বৰ প্ৰ-পত্ৰ। ৬(খ) নম্বৰ প্ৰ-পত্ৰ ব্যৱহাৰ হ'ব আধাৰ লিংকৰ বাবে। নাম শুধৰণিৰ বাবে ব্যৱহাৰ হ'ব ৮ নম্বৰ প্ৰ-পত্ৰ। নাম কৰ্তনৰ বাবে ব্যৱহাৰ হ'ব ৭ নম্বৰ প্ৰ-পত্ৰ। নিৰ্বাচন আয়োগে অনলাইন পদ্ধতিৰে এই প্ৰক্ৰিয়া সম্পন্ন কৰাৰ লক্ষ্য স্থিৰ কৰা বুলিও উপায়ুক্তগৰাকীয়ে উল্লেখ কৰে। সংবাদমেলখনত উপস্থিত থকা জিলা নিৰ্বাচনী বিষয়া মানবেন্দ্ৰ ভড়ালী আৰু অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ শৰ্মাই অনলাইনযোগে নাম পঞ্জীয়ন, সংশোধন আদি কৰাৰ বাবে অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনায়।

## বঙাইগাঁও জিলা বাৰ্তাজীৱী সংঘৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, অভয়াপুৰী, ৩১ জুলাই ঃ** অসম বাৰ্তাজীৱী সংঘৰ বঙাইগাঁও জিলা সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আজি অভয়াপুৰী জেতিচ সাংস্কৃতিক অনুষ্ঠানত অনুষ্ঠিত হৈ যায়। বাৰ্তাজীৱী সংঘৰ বঙাইগাঁও জিলা সমিতিৰ সভাপতি অশোক কুমাৰ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সমিতিৰ সম্পাদক কিশোৰ দাসে। উক্ত কাৰ্যনিৰ্বাহক সভাতেই খালী থকা কেতবোৰ পদবী পূৰণ কৰা হয়। সেই মৰ্মে বঙাইগাঁও জিলা বাৰ্তাজীৱী সংঘৰ পুনৰ্গঠিত সমিতিখন অশোক ৰায়ক সভাপতি, আমজেদ আলী আৰু জ্যোতিকেশ ৰায়ক উপ সভাপতি, কিশোৰ দাসক সম্পাদক, ইনামুল আহমেদ আৰু ছফিকুল ইছলামক সহকাৰী সম্পাদক, উত্তম কুমাৰ মণ্ডলক সাংস্কৃতিক সম্পাদক, এনামুল হকক সাংগঠনিক সম্পাদক, ধনবীৰ সূত্ৰধৰ আৰু ৰবীন্দ্ৰ নাথক সহকাৰী সাংগঠনিক সম্পাদক, কুমাৰ ৰাহুল দাসক প্ৰচাৰ সম্পাদক, হিতেশ্বৰ মেধিক কোষাধ্যক্ষ হিচাপে লৈ মূল সমিতিখন গঠন কৰা হয়। আজিৰ এই উক্ত সভাতেই আন আন কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

### 'মন কী বাত' অনুষ্ঠান ঘৰে ঘৰে ত্ৰিৰংগা উত্তোলনেৰে স্বাধীনতাৰ অমৃত উৎসৱ উদ্‌যাপন কৰিবলৈ প্ৰধামন্ত্ৰীৰ আহ্বান

# গুৱাহাটীত স্থাপন হ'ব উত্তৰ-পূবৰ ৭গৰাকী মুক্তিযুঁজাৰুৰ প্ৰতিমূৰ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ জুলাই ঃ** ২ আগষ্টৰ পৰা দেশৰ প্ৰতিটো ঘৰতে তিনিৰণীয়া জাতীয় পতাকা উত্তোলন কৰাৰ লগতে প্ৰতিজন নাগৰিকে নিজৰ চচিয়েল মিডিয়াৰ প্ৰফাইলত ত্ৰিঙ্গা লগাই স্বাধীনতাৰ অমৃত উৎসৱৰ মূল বাণীক মানুহৰ হৃদয়ে হৃদয়ে বিয়পাই দিবলৈ উদাত্ত আহ্বান জনাইছে প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। ৰেডিঅ' যোগে প্ৰচাৰিত অতি জনপ্ৰিয় অনুষ্ঠান 'মনকী বাত'ৰ জৰিয়তে দেশবাসীৰ প্ৰতি এই আহ্বান জনায় প্ৰধানমন্ত্ৰীয়ে। উল্লেখযোগ্য যে প্ৰতিমাহে সম্প্ৰচাৰিত হোৱা প্ৰধামন্ত্ৰীৰ 'মন কী বাত' অনুষ্ঠানত সমূগ্ৰ দেশৰ লগতে অসমতো লাখ লাখ কাৰ্যকৰ্তাই নিজৰ নিজৰ বুথত একত্ৰিত হৈ অংশ গ্ৰহণ কৰি আহিছে। আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ মন্ত্ৰী সভাৰ সকলো সদস্য ৰাজ্যৰ বিভিন্ন বুথত উপস্থিত থাকি "মন কী বাত" অনুষ্ঠানৰ অংশীদাৰ হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নিজে গুৱাহাটী মহানগৰীৰ ৰাজধানী মণ্ডলৰ ১৭১ নং বুথত উপস্থিত থাকে। মন-কী বাত অনুষ্ঠানৰ অন্ত পৰাৰ পিচতেই উপস্থিত কাৰ্য্যকৰ্তা সকলৰ সৈতে মত বিনিময় কৰি মুখ্যমন্ত্ৰীয়ে কয় যে- 'মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই আজিৰ অনুষ্ঠানটিত ব্যক্ত কৰা মৌ মাখি পালনেৰে দেশৰ প্ৰগতিত অৰিহণা যুগুৱা কেইবাগৰাকী নীৰৰ নায়কৰ কথাই নতুন প্ৰজন্মক প্ৰেৰণা যোগাব। এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ মন্ত্ৰ সাৰোগত কৰি হেঙেৰাবাৰী উদ্যানত উত্তৰ পূৰ্বাঞ্চলৰ ৭ ভনী ৰাজ্যসমূহৰ ৭ গৰাকী মহান স্বাধীনতা সেনানীৰ প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব।' ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ ৰাজ্যিক কাৰ্যালয়ৰ পৰা সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত লগতে উল্লেখ কৰা হয় যে, মন্ত্ৰী বিমল বৰা ৰাজধানী মণ্ডলৰ ১৯৩ নং বুথত, মন্ত্ৰী অশোক সিংহাল ২৩৫ নং বুথত চন্দ্ৰপুৰ মণ্ডলৰ ২৭১ নং বুথত মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, জাগীৰোড বিধানসভা সমষ্টিৰ জাগী ভকতগাঁও মণ্ডলৰ ১৪৯ নং বুথত মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থাকে। দলৰ ৰাজ্যিক সভাপতি ৰঙিয়া বিধানসভা সমষ্টিৰ বৰঘুলী ব্লক মণ্ডলৰ অন্তৰ্গত ৪ নং বুথত উপস্থিত থাকি মন কী বাত অনুষ্ঠানত। অংশ গ্ৰহণ কৰে। ঠিক একেদৰে ৰাজিক সাংগঠনিক সাধাৰণ সম্পাদক শ্ৰীযুত ফনীন্দ্ৰ নাথ শৰ্মা পূব নলবাৰী মণ্ডলৰ ২২৫ নং বুথত সাধাৰণ সম্পাদকত্ৰয় ক্ৰমে পুলক গোহাঁই ৰাজধানী মণ্ডলৰ ১৮০ নং বুথত, পল্লব লোচন দাস পূব গুৱাহাটী মণ্ডলৰ ১৮২ নং বুথত আৰু দিপু ৰঞ্জন শৰ্মা মহানগৰীৰ ৩৯ নং ৱাৰ্ডৰ ২১৮ নং বুথত উপস্থিত থাকে। ঠিক একেদৰে দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন ৰাজ্যিক সভাপতি ৰমেন ডেকা মধ্য গুৱাহাটী মণ্ডলৰ ১০৪ নং বুথত আৰু আন এগৰাকী জ্যেষ্ঠ নেতা বিজয় কুমাৰ গুপ্তা দক্ষিন গুৱাহাটী মণ্ডলৰ ১৯৬ নং বুথত উপস্থিত থাকি দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে 'মন কী বাত' অনুষ্ঠানৰ শ্ৰৱন কৰে।

## যোৰহাটৰ এন চি চি একাডেমীত ১০ দিনীয়া প্ৰশিক্ষণ শিবিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৩১ জুলাই ঃ** যোৰহাটৰ এন চি চি গ্ৰুপ মুখ্য কাৰ্যালয়ৰ তত্বাৱধানত যোৰহাটৰ গাভৰুপ এন চি চি একাডেমীত দহ দিনীয়া যৌথ বাৰ্ষিক প্ৰশিক্ষণ শিবিৰ আয়োজন কৰা হয়। ৯ অসম বেটেলিয়ন এন চি চিৰ। উক্ত দহদিনীয়া শিবিৰত ৪০৮গৰাকী কেডেটে অংশগ্ৰহণ কৰে। এই শিবিৰৰ উদ্দেশ্য আছিল আগন্তুক নিখিল ভাৰতীয় সেনা শিবিৰৰ বাবে এন চি চি কেডেটসকলক প্ৰশিক্ষণ দিয়াৰ লগতে যোৰহাট এন চি চি গ্ৰুপৰ পৰা দল বাছনি কৰা। এই উপলক্ষে যোৰহাট এন চি চি গ্ৰুপৰ ডেপুটি কমাণ্ডাৰ ভূষণে এই প্ৰশিক্ষণ শিবিৰ উদ্বোধন কৰে। একে সময়তে নৱম অসম বি এন এন চি চিৰ কমাণ্ডিং অফিচাৰ কৰ্ণেল অমৰদীপ কাহলনও উপস্থিত আছিল। লগতে উপস্থিত থাকে ব্ৰিগেডিয়াৰ ৰাজীৱ কাপুৰ, এছ এম। তেওঁ তেওঁলোকক শিবিৰত কঠোৰ পৰিশ্ৰম কৰি দেশৰ দায়িত্বশীল নাগৰিক হ'বলৈ প্ৰেৰণা দিছিল। শিবিৰটোত ড্ৰিল, শাৰীৰিক প্ৰশিক্ষণ ৰাইফল শ্বুটিং, টেণ্ট পিচিং, বাধা প্ৰশিক্ষণ, চিকিৎসা সাহায্য আৰু মানচিত্ৰ পঢ়া আদি কাৰ্যসূচীত প্ৰশিক্ষণ লোৱাৰ সময়ত এক কঠোৰ প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰিবলগীয়া হৈছিল। কেণ্ডেটোৰ এক সমৃদ্ধ সাংস্কৃতিক অনুষ্ঠানেৰে শিবিৰৰ সামৰণি পৰে।

## বৰপথাৰত চাহ খেতিৰ বিভিন্ন সমস্যাক লৈ আলোচনা-চক্ৰ তথা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ৩১ জুলাই ঃ** গোলাঘাট জিলাৰ বৰপথাৰ মৌজাৰ অন্তৰ্গত বছাপথাৰ বীনাপাণি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাংগণত আজি তিনিখন গাঁৱৰ চাহ খেতিয়ক ৰাইজৰ মাজত খেতিয়কসকলে ভূগি থকা বিভিন্ন সমস্যাৰ ওপৰত এখন আলোচনা সভা অনুষ্ঠিত হয়। সভাত দপথাৰ, চকলি পথাৰ আৰু বছাপথাৰ গাঁৱৰ প্ৰায় শতাধিতকৈ অধিক চাহ কৃষক ৰাইজে অংশ গ্ৰহণ কৰে। স্থানীয় সমাজ কৰ্মী অৱনী বুঢ়া গোঁহায়ে সভাপতিত্ব কৰা সভাখনত স্থানীয় কৃষক ৰাইজে ভুগি থকা সসস্যা সমূহ বিশেষকৈ কৃষক ৰাইজৰ প্ৰাপ্য কেঁচা চাহ পাতৰ উচিত মূল্য, চাহ গছত ব্যৱহৃত ঔষধ আদিৰ ব্যৱহাৰৰ ক্ষেত্ৰত ভূগি থকা সমস্যা সমূহৰ ওপৰত অধিক আলোচনা কৰা হয়। সভাত কেইবাটাও সিদ্ধান্ত আৰু প্ৰস্তাৱ লোৱাৰ শেষত গাঁও কেইখনৰ অন্তৰ্গত চাহ কৃষক ৰাইজৰ মাজত আগন্তুক সময়ত অঞ্চলটোৰ চাহ কৃষক ৰাইজৰ সমস্যাৱালী সমূহ দূৰ কৰাৰ উদ্দেশ্যেৰে এখন শক্তিশালী সমিতি গঠন কৰা হয়।সভাত সভাপতি হিচাপে স্থানীয় চাহ কৃষক লাচিত গগৈ, কাৰ্যকৰী সভাপতি নৰেন দুৱৰা, সম্পাদক ভবেন চেত্ৰী আৰু জিতুৰঞ্জন গোঁহাইক মুখপাত্ৰ হিচাপে লৈ ক্ষুদ্ৰ চাহ খেতিয়ক সুৰক্ষা সমিতি নামেৰে এখন সমিতি গঠন কৰা হয়।

## ভাওৰাগুৰিত সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ কোকৰাঝাৰ জিলা সমিতিৰ কাৰ্যকৰী সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ৩১ জুলাই ঃ** গোসাঁই গাঁও মহকুমাৰ ভাওৰাগুৰীত আজি সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ কোকৰাঝাৰ জিলা সমিতিৰ কাৰ্যকৰী সভা অনুষ্ঠিত হয়। কোকৰাঝাৰ জিলা সভাপতি ইন্দ্ৰজিৎ দেৱনাথৰ সভাপতিত্বত অনুষ্ঠিত সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা কাৰ্যকৰী সভাপতি সমৰ দাসে। উক্ত সভাতেই সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ কোকৰাঝাৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক দীপক দাসে আজি আনুষ্ঠানিকভাৱে সংগঠনৰ পৰা অব্যাহতি লৈ তেখেতে কয় যে মই সংগঠনটোৰ আঞ্চলিকৰ পৰা জিলা পৰ্যায়লৈ গৈ পাইছো কাৰণ বিভিন্ন সময়ত আমাৰ দল-সংগঠনৰ নেতা-কৰ্মীসকলে সহায়-সহযোগিতা আগবঢ়াইছিল, তাৰ বাবে সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ প্ৰতিজন সদস্যলৈ মোৰ ব্যক্তিগত ফালৰ পৰা অলেখ শুভেচ্ছা আৰু অভিনন্দন জনাইছো তাৰ লগতে এইখন সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ জাতীয় দল-সংগঠনৰ উত্তৰা-উত্তৰ প্ৰতিজন সদস্যৰ লগতে ভাওঁৰাগুৰি অঞ্চলৰ ৰাইজৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো। সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচন কোকৰাঝাৰ জিলা সমিতি ফালৰ পৰা তেখেতক ফুলাম গামোছা, মানপত্ৰ, শৰাই দি বিদায়ী সম্বৰ্ধনা জনোৱা হয়। সভাত ভাওঁৰাগুৰি আঞ্চলিক সমিতিৰ সভাপতি চন্দন সাহা, সম্পাদক পাপন কুণ্ডুসহ দলৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া সদস্য সকল উপস্থিত থাকে।

### দুধনৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ

# ৪ আগষ্টত ৫০খন পতাকা উত্তোলনেৰে কৰা হ'ব শুভাৰম্ভ




**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ৩১ জুলাই ঃ** গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান দুধনৈ মহাবিদ্যালয়ৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে অহা ৪ আগষ্টৰ পৰা সম্পূৰ্ণ এবছৰীয়া কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা হ'ব। এই উপলক্ষে উদ্‌যাপন সমিতিৰ লগতে উপ-সমিতিসমূহে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। ইপিনে সোণালী জয়ন্তী বৰ্ষৰ প্ৰস্তুতি সম্পৰ্কে কালি দুধনৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজন কৰা এক সংবাদমেলৰ। সংবাদমেলত উদযাপন সমিতিৰ সভাপতি তথা ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কয় যে ৪ আগষ্টৰ পুৱা ৫০খন পতাকা উত্তোলনেৰে সোণালী জয়ন্তী বৰ্ষৰ বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হব। ইয়াৰ পিছত স্মৃতি তৰ্পণ, ৫০ জোপা গছপুলি ৰোপণ, মহাবিদ্যালয়ৰ স্থায়ী প্ৰতীকৰ আধাৰশিলা স্থাপন, মহাবিদ্যালয়ৰ প্ৰথম স্থায়ী অধ্যক্ষ স্বৰ্গীয় কৰুণা কান্ত ৰাভাৰ সোঁৱৰণত আৱক্ষ মূৰ্তিৰ আধাৰশিলা স্থাপন কৰা হ'ব। ইয়াৰোপৰি ৰাভা হাচং পৰিষদৰ অনুদানেৰে নিৰ্মিত মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ শুভ উদ্বোধন কৰা হব। দুপৰীয়া অনুষ্ঠিত হ'ব লগা মুকলি সভাত অসমৰ শিক্ষা মন্ত্ৰী ডঃ ৰনোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। বিয়লি অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকা আৰু প্ৰাক্তন তথা বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ অনুষ্ঠিত হ'ব। সন্ধিয়া ৫০ গছি বন্তি প্ৰজ্জ্বলনেৰে শুভাৰম্ভ কাৰ্যসূচীৰ সামৰণি পৰিব। আনহাতে সভাপতি টংকেশ্বৰ ৰাভাই কয় যে সোণালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থৰ বাবে পৰিষদৰ তৰফৰ পৰা তিনি লাখ টকা আৰু মহাবিদ্যালয়ৰ স্থায়ী প্ৰতীকৰ আধাৰশিলা স্থাপনৰ বাবে ৮ আঠ লাখ টকাৰ অনুদান আগবঢ়াইছে। উল্লেখযোগ্য যে ইতিমধ্যে উদযাপন সমিতিৰ লগতে ১৩ খনকৈ উপ-সমিতিয়ে কাম কাজ চলাই আছে। সংবাদমেলত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ললিত চন্দ্ৰ ৰাভা, দুধনৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক দীপক কুমাৰ ৰাভা, মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সভাপতি দিগন্ত ৰাভা, কাৰ্য্যকৰী সভাপতি হিতেশ ৰায় পাটগিৰি, উপাধ্যক্ষ বীৰবল বড়ো উপস্থিত থাকে। ইপিনে মহাবিদ্যালয়ৰ সকলো অধ্যয়ণৰত ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক শুভাৰম্ভ কাৰ্যসূচীৰ সময়ত উপস্থিত থাকিবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষই আহ্বান জনাইছে।

## জাগীৰোডৰ জাগীভকতগাঁৱত 'শইচ আৰু শব্দৰ দিন' উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ৩১ জুলাই ঃ** সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ ওপজা দিনৰ লগত সংগতি ৰাখি অলপতে মৰিগাঁও জিলা কবি সন্মিলনৰ অন্তৰ্ভুক্ত কলং-কপিলী শাখা কবি সন্মিলনে বিগত বৰ্ষৰ দৰে এইবেলিও জাগী ভকতগাঁৱত 'শইচ আৰু শব্দৰ দিন' উদ্‌যাপন কৰে। কলং-কপিলী শাখা কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি অনিৰুদ্ধ ডেকাই কাব্যৰত্ন হীৰেন ভট্টাচাৰ্যৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি নিৱেদন কৰাৰ পাছতেই বাঁহী বাদক ভাৰত বৰাই 'হেৰৌ বাঁহী' গীতটিত বাঁহী বাদন কৰি অনুষ্ঠানৰ শুভাৰম্ভণি কৰে। আনহাতে কলং-কপিলী শাখা কবি সন্মিলনৰ সভানেত্ৰী মিনতি দেৱীৰ বাসগৃহত অনুষ্ঠিত এই অনুষ্ঠানটিত উপস্থিত থাকি সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক তথা মৰিগাঁও জিলা কবি সন্মিলনৰ উপঃ সভাপতি ভবেন চন্দ্ৰ নাথে হীৰেন ভট্টাচাৰ্যৰ সান্নিধ্যৰ কথা সুঁৱৰি হীৰুদাৰ কবিতা পাঠকে ওঁঠত লৈ ফুৰে বুলি উল্লেখ কৰাৰ লগতে 'মোৰ দেশ' কবিতাটি আবৃত্তি কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। কলং-কপিলী শাখা কবি সন্মিলনৰ সম্পাদক জয়ন্ত সাগৰ শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত বহুভাষিক কবি ৰাজুমনি শইকীয়াই কয় যে হীৰুদাই দুৰ্বোধ্যৰ বিপৰীতে স্বকীয় শৈলীৰে অসমীয়া কাব্য জগতত এটা সুকীয়া ধাৰাৰ সৃষ্টি কৰিছিল । তদুপৰি হীৰুদাৰ সৃষ্টিৰাজিক বিভিন্ন ভাষালৈ অনুবাদ কৰিব লাগে বুলিও কবি ৰাজুমনি শইকীয়াই ভাষণ প্ৰসংগত উল্লেখ কৰে। একেদৰে জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ সদ্যপ্ৰাক্তন সভাপতি হীৰেন শৰ্মাই হীৰেন ভট্টাচাৰ্যৰ কবিতাত বাণী আছে বাবেই তেওঁ সৰ্বস্তৰৰ পাঠকৰ প্ৰিয় কবি বুলি মন্তব্য কৰে। অনুষ্ঠানত কলং-কপিলী শাখা কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সম্পাদক তথা মৰিগাঁও জিলা কবি সন্মিলনৰ সহকাৰী সম্পাদক ৰাজীৱ চহৰীয়া, জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ৰণ্টুমণি শইকীয়া, সাহিত্যসেৱী ৰেণুধৰ কোঁৱৰ, শিক্ষক তথা কাব্যানুৰাগী জয়সিং বৰদলৈ, কলং-কপিলী শাখা কবি সন্মিলনৰ সভানেত্ৰী মিনতি দেৱী, কবি অঞ্জু বৈশ্য, সাংবাদিক হিমু বৰাই হীৰেন ভট্টাচাৰ্যক শ্ৰদ্ধাৰে সুঁৱৰি চমু বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটিত শিল্পী লাচিত ডেকাই হীৰেন ভট্টাচাৰ্য ৰচিত এটি গীত পৰিৱেশন কৰি প্ৰেম আৰু ৰ'দালিৰ কবিগৰাকীক ওপজা দিনত শ্ৰদ্ধাৰে স্মৰণ কৰে। সদৌ অসম কবি সন্মিলনৰ কাব্য মন্ত্ৰৰে অনুষ্ঠানটিৰ সামৰণি পৰে।

### ৰাণীত 'স্বাক্ষৰ'ৰ সামৰণী আৰু সম্বৰ্ধনা অনুষ্ঠান

# সন্মান-পুৰস্কাৰে মানুহক জীয়াই থকাৰ অনুপ্ৰেৰণা যোগায় ঃ অধ্যাপক এডৱাৰ্ড ষ্টেডী এন চাংমা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ৩১ জুলাই ঃ** গুৱাহাটী মহানগৰীৰ গাতে লাগি থকা ঐতিহাসিক ৰাণী অঞ্চলৰ একমাত্ৰ প্ৰতিভা সন্ধানী অনুষ্ঠান 'স্বাক্ষৰ'ৰ উদ্যোগত ৰাণী হাইস্কুলৰ প্ৰেক্ষাগৃহত ২৪ জুলাইত প্ৰতিবছৰৰ দৰে এইবেলিও কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠান তথা এমাহজোৰা গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ সামৰণী অনুষ্ঠান অনুষ্ঠিত হয়। চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ৰাণী অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা কেইবাগৰাকী কৃতী শিক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱক-অভিভাৱিকাসকলক অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। হাইস্কুল শিক্ষান্ত স্বাক্ষৰৰ সভাপতি ভাস্কৰজ্যোতি কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক এডৱাৰ্ড ষ্টেডী এন. চাংমা। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে নৱজ্যোতি আদৰ্শ বিদ্যামন্দিৰৰ অধ্যক্ষ তথা স্বাক্ষৰৰ উপদেষ্টা দ্বিজেন চন্দ্ৰ দাস, উপদেষ্টা অপূৰ্ব গোস্বামী, প্ৰাক্তন ৰাষ্ট্ৰীয় খেলুৱৈ গোবিন্দ বড়ো, স্বাক্ষৰৰ উপদেষ্টা তথা কবি চবিন চন্দ্ৰ নাথ, পবিত্ৰ কুমাৰ দাস, উপদেষ্টা পৰাগজ্যোতি দাস, বিমলজ্যোতি দাস, শংকৰ দাস, আনোৱাৰ হুছেইন, সুৰেন ঠাকুৰীয়া, ৰজনীকান্ত দাস, বিজয় ৰাভা, হিতেশ ৰাভা আদি উপস্থিত থাকে। ভাষণ প্ৰসংগত জ্ঞানগৰ্ভ তথা সাৰুৱা ভাষণেৰে সমৱেত আটাইকে আপ্লুত কৰি মুখ্য অতিথি অধ্যাপক চাংমাই ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি এনেদৰে কয় যে সন্মান আৰু পুৰস্কাৰে মানুহক জীয়াই থকাৰ অনুপ্ৰেৰণা দিয়ে। লগতে খ্যাতিহে মানুহক স্বীকৃতি প্ৰদান কৰে। জীৱনত আগবাঢ়ি যাবলৈ হ'লে মাৰ্ক দৰ্শন আৰু মাৰ্ক দৰ্শক হ'ব লাগিব। তেতিয়াহে জীৱনত সফল হ'বলৈ পৰা যায়।

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গণতন্ত্ৰক নাশ কৰাৰ ষড়যন্ত্ৰ চলি আছে ঃ দেৱব্ৰত শইকীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩১ জুলাই ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত যিধৰণে গণতন্ত্ৰক নাশ কৰাৰ ষড়যন্ত্ৰ চলি আছে, সেয়া পূৰ্বোত্তৰৰ ৰাজ্যৰ ৰাইজে বহু দিনৰ পৰা দেখি আহিছে। এইদৰে অভিযোগ উত্থাপিত কৰি অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই সংবাদ মাধ্যমৰ আগত লগতে কয় সেয়া অৰুণাচল প্ৰদেশ হওক মণিপুৰ হওক বা নাগালেণ্ড হওক সেয়া সকলোৰে জ্ঞাত। তাত কেনেকৈ নিৰ্বাচিত চৰকাৰক ওফৰাই ধন আৰু ভাবুকিৰে বিজেপিৰ চৰকাৰ গঠন কৰিছিল সেয়া সকলোৰে জানে। শেহতীয়াকৈ শিৱসেনাৰ বিধায়কসকলক ধন-প্ৰলোভন আৰু ভাবুকিৰে গুৱাহাটীৰ বিলাসী হোটেলত ৰাখি মহাৰাষ্ট্ৰৰ শিৱসেনাৰ চৰকাৰ ভংগ কৰাৰ ষড়যন্ত্ৰত তেখেত কেনেধৰণে লিপ্ত আছিল সেয়াও সকলোৰে প্ৰত্যক্ষ কৰিলে। এইবাৰ ঝাৰখণ্ড চৰকাৰখন ধন-ভাবুকি আৰু প্ৰলোভনেৰে ভংগ কৰাৰ অভিযোগ উত্থাপন হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত। সেয়াও শাসকীয় ঝাৰখণ্ড মুক্তি মৰ্চাৰ এজন বিধায়ক কুমাৰ জয়মঙ্গলে। তেওঁক ইতিমধ্যে কলিকতাত হিমন্ত বিশ্ব শৰ্মাৰ তৰফৰ পৰা ১০ কোটি টকা আৰু কেবিনেট মন্ত্ৰীৰ প্ৰলোভন দিয়া হৈছে বুলি লিখিত অভিযোগ উত্থাপন কৰিছে। এই গোটেই বিষয়টোৰ সন্দৰ্ভত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

### তুৰাই গাঁও পঞ্চায়তত এনৰেগাত দুৰ্নীতিৰ অভিযোগ

# পাঁচ লাখ টকীয়া কাম দেখিলে আপোনাৰ চকু উঠিব কপালত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৩১ জুলাই ঃ** দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ তুৰাই গাঁও পঞ্চায়তত অনিয়ম-অনীতিয়ে বাহ লোৱাৰ অভিযোগ উত্থাপন হৈছে। বিতৰ্কই সহ লগৰী হৈ পৰা গাঁও পঞ্চায়তখনত শেহতীয়াকৈ একাংশ সচেতন ৰাইজৰ অভিযোগ অনুসৰি এম জি এনৰেগা আঁচনিৰ ৰূপায়ণ কাম দেখিলে আপোনাৰ যেন চকু কঁপালত উঠিব। অভিযোগ অনুসৰি ২০২০-২১ বৰ্ষত ফচুল্লা ঘৰৰ পৰা ভেলকিদল পেডি পথাৰ, ভায়া ইদুমহাজন কবৰস্থান সংযোগী পথ এটা নিৰ্মাণৰ নামত ৫০৪৪০৩ লাখ টকা আৱন্টন হৈছিল। সেই মৰ্মে আঁচনিখন ৰূপায়ণ কামৰ নামত পালমৰা ধৰণে কৰি বাদ দিয়াত সচেতন ৰাইজৰ চকু তোলে। আঁচনিখন সম্পূৰ্ণ নকৰাৰো অভিযোগ উত্থাপন হৈছে। অভিযোগ কৰা লোকসকলে আঁচনিখনত বৰ বেছিতে ডেৰ লাখমান টকাহে খৰচ হোৱা বুলি ক'ব খোজে। যি লুণ্ঠনত জি আৰ এছ, কনিষ্ঠ অভিযন্তা প্ৰত্যক্ষ ভাৱে জড়িত বুলি অভিযোগ কৰি আঁচনিখনত জিলা উপায়ুক্তৰ তদন্ত দাবী জনাইছে।আনহাতে ৰাইজৰ উন্নয়নৰ আঁচনিত কি দৰে ঠিকাদাৰ,বিষয়া-কৰ্মচাৰীৰ লুণ্ঠনৰ হাতোৰা চলিছে তাক এবাৰ চাবলৈ বিধায়ক ড° পৰমানন্দ ৰাজবংশীক সচেতন ৰাইজে আহ্বান জনাইছে। আনহাতে পি এম গৃহৰ নামত পঞ্চায়তখনত বহু সংখ্যক দৰিদ্ৰ লোকৰ নাম নথকাত হাহাকাৰ লাগি পৰিছে। আনপিনে তৰাগাঁও ৱাৰ্ডত পূৰ্বে চৰকাৰী গৃহ লাভ কৰাৰ পিছতো পুনৰ ৰহস্যজনক ভাৱে জিপিচিৰ দয়াত চৰকাৰী গৃহ লাভ কৰাৰ সৌভাগ্য ঘটা বুলি অভিযোগ উত্থাপন হৈছে। য'ত পঞ্চায়তখনৰ জিপিচিয়ে চৰকাৰী গৃহ থকা বুলি বন্ধ কৰা গৃহৰ ধন গোপনে আৱন্টন দিয়াত ৰাইজ আশ্বৰ্যম্বিত হৈ ইয়াৰ এক তদন্তৰ দাবী তুলিছে। যি কাৰ্যত জিপিচি গৰাকীৰ ভূমিকা ৰহস্যজনক। ইফালে চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত চৰকাৰী গৃহ লাভ কৰা, চাকৰি, ট্ৰেক্টৰ থকা, পকীঘৰ থকা আঢ্যৱন্ত লোকৰ নাম তালিকাত সন্নিৱিষ্ট হোৱাত সচেতন মহল ধাতুৰ খাই উঠিছে আৰু পঞ্চায়তে কি দৰে আৰোগ্য লোক সকলক গৃহ আৱন্টন দিয়ে তাক পৰ্যবেক্ষণত ৰাখিছে।

## দৰঙৰ বন্যাৰ্তক সাহায্য সামগ্ৰী প্ৰদান বিত্তীয় প্ৰতিষ্ঠানৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৩১ জুলাই ঃ** ৰাজ্যখনৰ আগশাৰীৰ বিত্তীয় প্ৰতিষ্ঠান 'সত্য মাইক্ৰ' কেপিটেল লিমিটেড'ৰ উদ্যোগত আৰু 'সত্য শক্তি ফাউণ্ডেচন'ৰ সহযোগত আজি দৰঙৰ দুখনকৈ বানাক্ৰান্ত গাঁৱত আজি বন্যাৰ্ত সকলৰ মাজত সাহাৰ্য সামগ্ৰী বিতৰণ কৰা হয়। উল্লেখ্য যে শেহতীয়া বানত দৰঙৰ বৰঠেকেৰাবাৰী আৰু বৰক'লা বাগিছা নামৰ গাঁও দুখন বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। আনকি ইমানেই নহয়, দুয়োখন গাৱঁৰ সহস্ৰাধিক লোক সেই বানত সৰ্বস্বান্ত হৈছিল। এপযেকৰো অধিক দিন বানপানীৰ তলত থকা ঠেকেৰাবাৰীলৈ স্বাভাৱিক অৱস্থা ঘূৰি আহিছে যদিও সৰ্বস্বান্ত একাংশ লোকৰ নিত্য ব্যৱহাৰ্য সামগ্ৰীসমূহ ক্ৰয় কৰাৰ সামৰ্থ নাই। যাৰ পৰিপ্ৰেক্ষিতত বিত্তীয় প্ৰতিষ্ঠানটোৱে ঠেকেৰাবাৰীৰ কেইবাশ লোকৰ লগতে একেদৰে বানত ক্ষতিগ্ৰস্ত বৰক'লা বাগিছা গাঁৱত মুঠ ৮৫০টা পৰিয়ালক কিছু খাদ্য সামগ্ৰীৰ লগতে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ টোপোলা বিতৰণ কৰে। সাহাৰ্য সামগ্ৰী বিতৰণ অনুষ্ঠানটিত বিত্তীয় প্ৰতিষ্ঠানটিৰ বিষয়া প্ৰৱালপ্ৰাণ ভট্টাচাৰ্য, মিঃ ৰমেশ, হিৰণ্যজ্যোতি দাসৰ লগতে গাঁও প্ৰধান ৰজনীকান্ত বৰা, দুৰ্লভ বৰুৱা আদিসকল উপস্থিত থাকে।

# ডাঃ পূৰ্ণানন্দ খাউণ্ডক বিদায় সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ৩১ জুলাই ঃ** বৃহত্তৰ চাবুৱা অঞ্চলৰ স্বাস্থ্য সেৱাৰ অন্যতম চিকিৎসালয় হাস্পতাল টাটা ৰেফাৰেল এণ্ড ৰিচাৰ্চ চেণ্টাৰৰ প্ৰশাসনিক সঞ্চালক ডাঃ পূৰ্ণানন্দ খাউণ্ডে আজি অৱসৰ গ্ৰহণ কৰে। সেই উপলক্ষে আজি চাকৰি জীৱনৰ অন্তিম দিনটোৰ পুৱাতেই তেখেতক বিদায় সম্ভাষণ যাচিবলৈ তেখেতৰ টাটা বাগানৰ বাসগৃহত এটি অনুষ্ঠান অনুষ্ঠিত হয়। বিভিন্ন সামাজিক কৰ্মৰাজিৰে চাবুৱাৰ সমাজখনত এক সুকীয়া স্থান অধিকাৰ কৰা সু-চিকিৎসক ডাঃ খাউণ্ডক বিদায় সম্ভাষণ জনোৱা উক্ত অনুষ্ঠানটোত উপস্থিত থাকে চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি দত্ত, শিক্ষা সম্পাদক আৰবাজ আহমেদকে কৰি চাবুৱা চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল প্ৰাক্তন ছাত্ৰ নেতা অৰুণ বৰপাত্ৰগোহাঁই আৰু জয়ন্তজিৎ বৰুৱা চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক দ্বীপজ্যোতি গগৈয়ে আঁতধৰা অনুষ্ঠানটোত বক্তব্য ৰাখি ডাঃ পূৰ্ণানন্দ খাউণ্ডৰ তেখেতৰ কাৰ্যকালত চিকিৎসালয়খন ন-ৰূপ দিবলৈ সদায়ে চেষ্টা কৰিছিল বুলি উল্লেখ কৰে। লগতে বিভিন্ন সা-সুবিধা উপলব্ধ হোৱা হাস্পতালখনত ইতিমধ্যে আগবঢ়োৱা চিটি স্কেনৰ ব্যৱস্থাটো কৰিব নোৱাৰিলোঁ বুলি আক্ষেপ প্ৰকাশ কৰে আৰু অনাগত দিনত এই কামটো সমাধা হ'ব বুলি আশা ব্যক্ত কৰে। লগতে সকলোকে হাস্পতালখনিৰ লগত জড়িত সমস্যাবিলাক সমিল-মিলেৰে সমাধান কৰাৰ সদায়ে পক্ষপাতী আছিল বুলি জনায়। উল্লেখযোগ্য যে সমাজৰ হকে কাম কৰি ভালপোৱা চিকিৎসক তথা পৰিচালক সঞ্চালকজনে চিকিৎসা সেৱা আৰু প্ৰশাসনিক কাম-কাজৰ লগতে ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ অঞ্চলটোৰ উন্নয়নত মনোনিৱেশ কৰিছিল। চাবুৱাৰ চেতিয়াপথাৰৰ সন্তান ডাঃ খাউণ্ডে পৰৱৰ্তী দিনবোৰ ডিব্ৰুগড়ৰ গ্ৰীণউড বাগিছাত মুখ্য চিকিৎসা বিষয়া হিচাপে অতিবাহিত কৰিব বুলি জানিবলৈ দিয়ে।

## প্ৰথম পৃষ্ঠাৰ পৰা—

### ১৫ আগষ্টৰ ভিতৰত

পৰ্যায়ত উপনীত হোৱাৰ দিশত অগ্ৰসৰ হৈছে। এই ইংগিত দি 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ সভাপতি (আলোচনা পন্থী) অৰবিন্দ ৰাজখোৱাই এক বিবৃতিত প্ৰকাশ কৰিছে যে বিগত দুটা বছৰ ধৰি শান্তি আলোচনা স্থগিত ৰখা হৈছিল। বৰ্তমান সময়ত আলফাৰ প্ৰতিনিধি দলটোৱে কেন্দ্ৰীয় চৰকাৰে নিয়োগ কৰা মধ্যস্থতাকাৰী এ কে মিশ্ৰাৰ মধ্যস্থতাত আলোচনা সম্পাদন কৰে বুলি সদৰী কৰিছে। জানিব পৰা মতে, আলফাৰ উপৰি আইবিৰ প্ৰাক্তন বিশেষ নিৰ্দেশক এ কে মিশ্ৰাই উত্তৰ-পূবৰ অন্য উগ্ৰপন্থী দলসমূহৰ লগত আলোচনাত মিলিত হৈছে। আলফাৰ নেতা অৰবিন্দ ৰাজখোৱাই সদৰী কৰা মতে, সংগঠনটোৰ মূল দাবীসমূহৰ বিষয়ে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা সম্পাদন হৈ গৈছে। আলফাই এতিয়া মাথোঁ এখন ফলপ্ৰসূ চুক্তি স্বাক্ষৰৰ বাবে প্ৰতীক্ষা কৰি আছে। অৱশ্যে এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত কোনোধৰণৰ অধিকাৰীক সিদ্ধান্ত গ্ৰহণ কৰা নাই। অসমৰ খিলঞ্জীয়া লোকসকলয ন্যায্য অধিকাৰ প্ৰদান কৰি তাক সুনিশ্চিত কৰাৰ ফলতহে আলফাই কেন্দ্ৰীয় চৰকাৰৰ লগত সম্পাদন হ'ব পৰা চুক্তিত স্বাক্ষৰ কৰিব। যদিহে কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত সিদ্ধান্ত ল'বলৈ পলম কৰে বা এই বিষয়সমূহত আলফাই অনিশ্চয়তা দেখা পায় তেনেস্থলত আলফাই চুক্তি স্বাক্ষৰ কৰাৰ পৰা বিৰত থাকিব আৰু সমগ্ৰ বিষয়টো ভৱিষ্যৎ প্ৰজন্মৰ হাতত এৰি দিব বুলি স্পষ্ট কৰি দিয়ে অৰবিন্দ ৰাজখোৱাই। কেন্দ্ৰীয় চৰকাৰৰ স্থিতিৰ বিষয়ে মন্তব্য কৰি ৰাজখোৱাই লগতে প্ৰকাশ কৰে যে চৰকাৰখনৰ লগত সম্পাদন হৈ যোৱা আলোচনাৰ ভিত্তিত আলফাই অনুমান কৰিছে যে চৰকাৰে এই সমস্যাৰ শীঘ্ৰে সমাধান কৰাৰ বাবে ইচ্ছুক। সেয়ে দুয়োপক্ষৰ মাজত ১৫ আগষ্টলৈকে চুক্তি সম্পাদন হোৱাৰ সম্ভাৱনা আছে। বিবৃতিটোত লগতে প্ৰকাশ যে আলফাই অসমৰ সকলো জাতিৰ লোকৰ বাবে সাংবিধানিক ৰক্ষাকৱচৰ দাবী কৰিছে। চৰকাৰে এই দাবী গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে আলফাৰ নেতাগৰাকীয়ে। অবৈধ প্ৰব্ৰজনকাৰীক এক সমস্যা বুলি অভিহিত কৰি ৰাজখোৱাই কয় যে ধুবুৰী, তিনিচুকীয়া, ডিগবৈ আৰু গুৱাহাটীৰ একাংশ অঞ্চলত অবৈধ প্ৰব্ৰজনকাৰীৰ আগ্ৰাসনৰ ফলত ভূমিপুত্ৰৰ অস্তিত্ব সংকটাপন্ন হৈছে। কেন্দ্ৰীয় চৰকাৰৰ সৈতে অনুষ্ঠিত আলোচনাত উক্ত বিষয়সমূহৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰোৱা হৈছে। ইয়াৰ সমিধানৰ বাবে আগবঢ়োৱা পৰামৰ্শত কোনো আপোচ কৰা নহ'ব বুলিও প্ৰকাশ কৰে ৰাজখোৱাই। আলফাই অসমৰ নাগৰিকৰ বাবে সাংবিধানিক ৰক্ষাকৱচৰ দাবী কৰিছে আৰু চৰকাৰে এই দাবী স্বীকাৰ কৰিছে বুলি দোহাৰি সংযুক্ত মুক্তি বাহিনী (স্বাধীন) গোটৰ প্ৰধান পৰেশ বৰুৱাৰ এই প্ৰসংগত কোনো ভূমিকা নাই বুলি বিবৃতিটোত স্পষ্ট কৰি দিয়ে আলফাৰ সভাপতি (আলোচনাপন্থী) অৰবিন্দ ৰাজখোৱাই।



# ...কাইলৈ দেশৰ নাগৰিক

বড়ো, তছলিমা খাতুন, ৰাজু চৌহান, আন্নাছ আলী, অৰ্জুন পেগু, শিৱা পেগু, শিবানী পেগু আৰু প্ৰিয়ংকা কলিতা। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কামৰূপ জিলাৰ বকো থানাৰ অন্তৰ্গত সাতেকোণা গাঁৱত সংঘটিত লোমহৰ্ষক ঘটনাত অনাথ হোৱা টুইছবৰ আৰ মাৰাক আৰু জৰেকো আৰ মাৰাককো আৰ্থিক সাহায্য আগবঢ়ায়। উল্লেখ্য যে এই দুই শিশুৰ পিতৃ মইনোত দি চাংমা আৰু মাতৃ চালজে আৰ মাৰকক ২০২১ চনৰ ১ ছেপ্টেম্বৰৰ নিশা দুষ্কৃতিকাৰীয়ে হত্যা কৰিছিল। এই সাহায্যৰ অধীনত অনাথ শিশুসকলে তেওঁলোকৰ প্ৰতিগৰাকীৰ নামত কৰা স্থায়ী জমা (ফিক্স ডিপ'জিট) ৭.৬৭ লাখ টকাৰ পৰা লাভ কৰা সুদ ৩৫০০ টকাকৈ প্ৰতিমাহে লাভ কৰি থাকিব। এই শিশুসকলে ২৪ বছৰ বয়স নোহোৱালৈকে মাহেকীয়া আয় আঁচনি (এম আই এছ)ৰ অধীনত ধন লাভ কৰি থাকিব। পৰৱৰ্তী পৰ্যায়ত এই ধন তেওঁলোকে উলিয়াব পাৰিব অথবা পুনৰাই স্থায়ী জমা হিচাপে ৰাখিব পাৰিব। আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া, ৰাজ্য সভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, মুখ্য সচিব জিষ্ণু বৰুৱা আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।



## জাতীয় পতাকা ক্ৰেতাৰ ৰূপত মুখ্যমন্ত্ৰী

ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে অহা ১৩ ৰ পৰা ১৫ আগষ্টলৈ ব্যক্তিগত গৃহ, ব্যৱসায়িক প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, ধৰ্মীয় স্থান আৰু আন সকলো ৰাজহুৱা স্থানত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ অনুৰোধৰ পিছত আত্মসহায়ক গোটসমূহে প্ৰায় ৩০ লাখ পতাকা প্ৰস্তুত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী আৰু অৰ্থনৈতিকভাৱে সবল লোকসকলক আত্মসহায়ক গোটে প্ৰস্তুত কৰা পতাকা ক্ৰয় কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰণালয়ৰ পৰা প্ৰায় ৫০ লাখ পতাকা ক্ৰয় কৰিব। তেওঁ লগতে কয় যে সুলভ মূল্যৰ দোকানসমূহত এই পতাকা উপলব্ধ হ'ব আৰু জনসাধাৰণে ১৮ টকাতে এই পতাকাসমূহ ক্ৰয় কৰিব পাৰিব। ৰাজ্য চৰকাৰে 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীক গণ আন্দোলন হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আনকো ত্ৰিৰংগ পতাকা উপহাৰ হিচাপে দিবলৈ ৰাইজক আহ্বান জনায়। ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে অৰুণোদয়ৰ হিতাধিকাৰীসকলক আগষ্ট মাহত মাহেকীয়া আৰ্থিক সাহায্যৰ সৈতে ত্ৰিৰংগ ক্ৰয় কৰিবলৈ ১৮ টকা অতিৰিক্তভাৱে প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে হৰ ঘৰ ত্ৰিৰংগা ৱেব ছাইটত ত্ৰিৰংগ পতাকা উত্তোলন কৰাৰ ফটো আপলোড কৰাৰ বাবেও আহ্বান জনায়। এই পদক্ষেপক সফল কৰাৰ বাবে সমগ্ৰ অসমতে চলিবলগীয়া প্ৰচাৰ অভিযানৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে আলোকপাত কৰে। আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া, ৰাজ্য সভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, মুখ্য সচিব জিষ্ণু বৰুৱা, কেইবাগৰাকীও শিল্পী আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।



## বাবলুৰ হুংকাৰ...

বাঙালী সম্প্ৰদায়ক অসমত বিভিন্ন সময়ত তুচ্ছ-তাচ্ছিল্য কৰি অহা পৰিলক্ষিত হৈছে। বিগত দিনৰ দৰে এনেকৈ যদি অসমৰ বুকুত বাঙালী সম্প্ৰদায়ক আৰু বাংলা ভাষাত অপমানিত কৰে তেন্তে সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনে হাত সাবটি বহি নাথাকে, সময়ত ইয়াৰ বিৰুদ্ধে গণতান্ত্ৰিকভাৱে তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব।' এই মন্তব্য কৰে সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ ধুবুৰী জিলা সমিতিৰ সভাপতি বাবলু সৰকাৰে। আজি ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত তামাৰহাট নতুন বজাৰত সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ ধুবুৰী জিলাৰ কমিটীৰ জিলা ভিত্তিক মুখ্য কাৰ্যালয়ৰ লগতে কাৰ্যালয়টোৰ সংলগ্ন এটা কক্ষত অঞ্চলটোৰ মহিলাসকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্যে চিলাই আৰু কাটিং প্ৰশিক্ষণ কেন্দ্ৰ মুকুলি অনুষ্ঠানত উপস্থিত থাকি সভাপতিগৰাকীয়ে এনেদৰে মন্তব্য কৰে। উল্লেখ্য যে ধুবুৰী জিৰাৰ তামাৰহাট থানাৰ অন্তৰ্গত তামাৰহাট নতুন বজাৰত আজি ধুবুৰী জিলা বঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ নতুন কাৰ্যালয়ৰ শুভ উদ্বোধন কৰা হয়। কাৰ্যালয়ৰ লগতে স্থানীয় শিক্ষিত নিবনুৱা যুৱতী-মহিলাসকলক কৰ্মসংস্থান দিয়াৰ উদ্দেশ্যে উক্ত স্থানতে এটা চিলাই আৰু কাটিং প্ৰশিক্ষণ কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। কাৰ্যসূচী মতে, আজি পুৱা মুখ্য অতিথি তথা ৩ নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ এমচিএলএ সজল সিংহই নাৰিকল ভাঙি ফেডাৰেচনৰ কাৰ্যালয়ৰ দ্বাৰ শুভ উদ্বোধন কৰাৰ পাছত চিলাই প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰ উন্মোচন কৰে তামাৰহাট আঞ্চলিক বঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ উপদেষ্টা নিমাই চন্দ্ৰ দাসে। পিছত ধুবুৰী জিলা বঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ সভাপতি বাবলু সৰকাৰৰ পৰিচালনাত অনুষ্ঠিত হয় এখনি উদ্বোধনী সভা। উক্ত উদ্বোধনী সভাত শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ এমচিএলএ সজল সিংহ, ফেডাৰেচনৰ তামাৰহাট আঞ্চলিক কমিটীৰ উপদেষ্টাদ্বয় নিমাই চন্দ্ৰ দাস আৰু অশোক সাহা, বিজেপি কৰ্মী শ্ৰীবাস দাসকে ধৰি বিশিষ্ট ব্যক্তিসকলে ফেডাৰেচনৰ উদ্দেশ্য আৰু কৰ্তব্যৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। উল্লেখ্য যে কাৰ্যসূচী মতে ৰাতিপুৱা তামাৰহাট আঞ্চলিক কমিটীৰ উপদেষ্টা নিৰ্মলেন্দু দত্তই জাতীয় পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পিছত ক্ৰমে ফেডাৰেচনৰ পতাকা, সাংস্কৃতিক পতাকা উত্তোলন, শ্বহীদ বেদীত মাল্যাৰ্পণ, নেতাজী সুভাস চন্দ্ৰ বসুৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সভাত ফেডাৰেচনৰ ধুবুৰী জিলা কমিটী, তামাৰহাট আঞ্চলিক কমিটীৰ বিষয়ববীয়া, স্থানীয় বিশিষ্ট ব্যক্তিসকলৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। মুকুলি সভাত বাঙালী সম্প্ৰদায়ৰ বিভিন্ন সমস্যাৰ সম্পৰ্কে আলোচনা কৰাৰ লগতে তামাৰহাট অঞ্চলেদি বৈ যোৱা গংগাধৰ নদীৰ গৰাখহনীয়াৰ বিষয়ে আলোচনা কৰি ইয়াক প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি আলোচনা কৰা হয়। ইপিনে, বাঙালী সম্প্ৰদায়ৰ লোকসকলক কৰা অন্যায়-অত্যাচাৰ অতি সোনকালে বন্ধ নকৰিলে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে। কাৰণ কেন্দ্ৰীয় তথা অসম চৰকাৰ গঠনৰ ক্ষেত্ৰত বাঙালী সম্প্ৰদায়ৰ লোকসকলে অগ্ৰণী ভূমিকা পালন কৰি আহিছে যদিও চৰকাৰে অসমত থকা বঙালীসকলক সদায় মাহীআইৰ দৃষ্টিত চাই অহাৰ অভিযোগ উত্থাপন কৰিছে ধুবুৰী জিলা বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনে।

## জীয়াধলৰ সংহাৰী ৰূপ

নৈপৰীয়া ৰাইজ চিন্তিত হৈ পৰিছে। ইফালে কালিৰ পৰা বৃদ্ধি হোৱা জীয়াধলৰ বানে বিধ্বস্ত কৰিলে কে'বাখনো গাঁও। জীয়াধলৰ বানত বিধ্বস্ত দিহিৰি চাপৰি, দিহিৰি কছাৰী আৰু দিহিৰি লেপং গাঁৱৰ ডেৰ শতাধিক পৰিয়ালৰ হাহাকাৰ অৱস্থা। বিধ্বস্ত গাঁৱৰ ভালেসংখ্যক লোকে ঘৰৰ চালত আৰু গছৰ ওপৰত উঠি প্ৰাণ ৰক্ষা কৰিছে। এছডিআৰএফ বাহিনীয়ে উদ্ধাৰ কাৰ্যত ব্ৰতী হৈ কে'বাটাও পৰিয়ালক উদ্ধাৰ কৰে। ইতিমধ্যে ১৫৩ টা বন্যাৰ্ত পৰিয়ালে স্বৰ্ণপীঠ বিদ্যালয়ৰ আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে। ইপিনে পুৱাৰে পৰা ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ চমৰাজান অংশৰ কুমটীয়া দলঙত জীয়াধলৰ বলীয়া বানে প্ৰবল হেঁচা মাৰি থকাত নিৰাপত্তাৰ প্ৰতি লক্ষ্য কৰি জিলা প্ৰশাসনে দলঙৰ ওপৰেৰে যাতায়াত কৰাত বাধা আৰোপ কৰে। যাৰ ফলত কুমটীয়া দলঙৰ দুয়োপাৰে বহুসংখ্যক গাড়ী আবদ্ধ হৈ পৰে। এই বাতৰি যুগুত কৰাৰ সময়লৈকে যাতায়াত ব্যৱস্থা বিঘ্নিত হোৱাৰ বিপৰীতে অৰুণাচলবাসীৰ লগতে ধেমাজি জিলাবাসীয়ে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ বিকল্প পথ ঘিলামৰা-গোগামুখ পথেৰে যাতায়াত কৰিবলগীয়া হোৱাত পথচাৰীয়ে হাহাকাৰ অৱস্থাৰ সন্মুখীন হৈছে। ইফালে, এই কুমটীয়া নদীৰ বাঁওপাৰৰ মথাউৰিটো কে'বাস্থানত অতি দুৰ্বল পৰিলক্ষিত হৈছে। অঞ্চলবাসী ৰাইজে দিনে-নিশাই মথাউৰিৰ মেৰামতি কামত ব্যস্ত হ'ব লগা হৈছে।

## 'দৈনন্দিন বাৰ্তা'ৰ মুখ্য সম্পাদক নৰেন

বিশেষকৈ বঁটা বা সম্বৰ্ধনাৰে সন্মান জনাই আহিছে। 'দৈনন্দিন বাৰ্তা'ৰ মুখ্য সম্পাদক তথা সাহিত্যিক পেন্সনাৰ নৰেন হাজৰিকালৈ অসম কলা-কৃষ্টি পৰিষদে 'অসম কলা-কৃষ্টি বঁটা' আগবঢ়াইছে। লেখক তথা সাংবাদিক হাজৰিকাৰ 'বিহংগম দৃষ্টি নাট, শিল্প আৰু অন্যান্য' শীৰ্ষক গ্ৰন্থখনৰ বাবে ২০২২ বৰ্ষৰ বাবে এই বঁটা আগবঢ়াইছে। আগষ্টত অনুষ্ঠিত হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত লেখক তথা সাংবাদিক হাজৰিকাক উক্ত বঁটাটো প্ৰদান কৰিব। অসম কলা-কৃষ্টি পৰিষদৰ বিচাৰকমণ্ডলীয়ে বহুকেইজন বিশিষ্ট সাহিত্যিকৰ গ্ৰন্থৰ মাজৰ পৰা হাজৰিকাৰ গ্ৰন্থ 'বিহংগম দৃষ্টি নাট, শিল্প আৰু অন্যান্য'ক নিৰ্বাচন কৰি লেখক তথা সাংবাদিক হাজৰিকাক এই বঁটাৰ বাবে নিৰ্বাচিত কৰে। এই বঁটাৰ বাবে লেখক তথা সাংবাদিক হাজৰিকাৰ নাম নিৰ্বাচিত হোৱাৰ লগে লগে ৰাজ্যৰ চৌদিশৰ পৰা অনুৰাগীসকলে শুভেচ্ছা জ্ঞাপন কৰিছে।

## অকলেই এটা অনুষ্ঠান বিশিষ্ট বামপন্থী নেতা তথা প্ৰাক্তন বিধায়ক হেমেন দাস

চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। বৰনগৰ মহাবিদ্যালয়ৰ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত অনুষ্ঠিত উক্ত সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট বামপন্থী নেতা তথা সৰভোগ সমষ্টিৰ প্ৰাক্তন বিধায়ক হেমেন দাসে কয় যে বিগত কে'বাবছৰ ধৰি তেওঁ নিজৰ পেন্সনৰ ধনেৰে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাই আহিছে। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ মূল লক্ষ্য এটা হোৱা উচিত নহয়। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ লক্ষ্য হ'ব লাগে নিজৰ পৰিয়ালৰ লগতে সমাজ আৰু জাতি আৰু দেশৰ বাবে নিজকে প্ৰতিষ্ঠা কৰা। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে জীৱন সংগ্ৰামত নিজকে ব্ৰতী কৰিব লাগিব, তেতিয়াহে কৃতকাৰ্যতা লাভ কৰিব পাৰিব। প্ৰাক্তন বিধায়কগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে কঠোৰ পৰিশ্ৰম আৰু অধ্যয়ন কৰিলে জীৱনৰ বাটত সফলতা লাভ কৰিব পৰা যায়। তেওঁ



লগতে আগন্তুক দিনত তেওঁলোকে যাতে একাগ্ৰতাৰে অধ্যয়ন কৰি অধিক সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰে তাৰ বাবে আহ্বান জনায়। আজি সৰভোগ অঞ্চলৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক মানপত্ৰ, কিতাপ আৰু গছপুলিৰে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত বৰনগৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বীৰেন কুমাৰ চক্ৰৱৰ্তী, অধ্যাপক ৰেজাউল কৰিম আহমেদ, বিশিষ্ট শিক্ষক ৰণজিৎ দাস, সমাজ কৰ্মী মনোৰঞ্জন ভূঞা, বৰনগৰ প্ৰেছ ক্লাবৰ সভাপতি প্ৰবীণ কুমাৰ ৰয়, ছামছুল হক প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকে।

## ড্ৰাগ্‌ছৰ ঘাটিত পৰিণত হৈছে নগাঁও জিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩১ জুলাই ঃ** ৰাজ্যত অব্যাহত ড্ৰাগ্‌ছ তথা নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে অভিযান। এই অভিযানত বিভিন্ন সময়ত অসম আৰক্ষীৰ জালত পৰিছে বহু ড্ৰাগ্‌ছ ব্যৱসায়ী। লগতে জব্দ হৈছে বহু পৰিমাণৰ নিষিদ্ধ নিচাজাতীয় সামগ্ৰীও। ড্ৰাগছৰ ঘাটিত পৰিণত হৈছে নগাঁও জিলা। দিন-দুপৰতে নগাঁও জিলাৰ মাজমজিয়াত মুকলিকৈ ড্ৰাগ্‌ছ সেৱনৰ লগতে নগাঁৱৰ ফাঁচি ৰোডৰ ৰে'লআলিত ড্ৰাগ্‌ছৰ মুকলি বেহা। সাংবাদিকৰ কেমেৰা দেখি পলায়ন ড্ৰাগ্‌ছ আসক্তৰ। নগাঁৱৰ আৰক্ষী অধীক্ষকৰ বাসভৱনৰ নিচেই ওচৰতে চলি এই আছে এই বেহা। স্কুল-কলেজৰ ল'ৰা-ছোৱালীয়ে এই কাৰ্যত বাৰুকৈয়ে লিপ্ত হৈছে বুলি স্থানীয়ে ৰাইজে দবী কৰিছে। নগাঁও জিলা প্ৰশাসনক এইসকলৰ বিৰুদ্ধে কঠোৰতম শাস্তি বিহাৰ দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজে।

## মণিপুৰত নিহত লাহৰীঘাটৰ কুশতলী অঞ্চলৰ ১৬গৰাকীকৈ শ্ৰমিকৰ আদ্যশ্ৰাদ্ধ

### অঞ্চলটোৰ খোঁৱাগোসাঁইবড়িত অঞ্চলবাসীয়ে পাতিলে সমূহীয়া আদ্যশ্ৰাদ্ধ



**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ৩১ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কুশতলী অঞ্চলৰ খোঁৱাগোসাঁই বড়িত আজি অঞ্চলবাসীয়ে পাতিলে ১৬জনকৈ মৃত শ্ৰমিকৰ সমূহীয়া আদ্যশ্ৰাদ্ধ। পুৱা মৃত শ্ৰমিকসকলৰ প্ৰতিচ্ছবিত পৰিয়ালবৰ্গৰ লগতে অঞ্চলবাসীয়ে জনালে শ্ৰদ্ধাঞ্জলি। ইফালে, মৃত শ্ৰমিকসকলৰ আত্মীয়ই নিজৰ আপোনজনৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনাই শোকত ভাগি পৰে। ফলত গোটেই আদ্যশ্ৰাদ্ধস্থলীত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে যোৱা ২৯জুনৰ নিশা মণিপুৰৰ ননী জিলাৰ টুপুলত সংঘটিত ভূমিস্খলনত কুশতলী অঞ্চলৰ ১৬গৰাকীকৈ শ্ৰমিকৰ অকাল মৃত্যু ঘটিছিল। অৱশ্যে ইয়াৰে তুপেন পাতৰ নামৰ শ্ৰমিকগৰাকীৰ মৃতদেহ এতিয়াও উদ্ধাৰ হোৱা নাই। ইয়াৰ বিপৰীতে অঞ্চলটোৰ উৎপল ফুকন, দেৱজিৎ ফুকন, বুগেন্দ্ৰ ফুকন, গোপাল ফুকন, ৰামু ফুকন, পল্লৱ লৰম, আকাশ লৰম, হনুমান কোঁৱৰ, সনাল কোঁৱৰ, উপেন্দ্ৰ কোঁৱৰ, মমিন ডেকাৰজা, দীপাংকৰ বৰদলৈ, জোন্টি বৰদলৈ, হৰমোহন ডেকা আৰু কল্পজ্যোতি বৰদলৈৰ মৃতদেহ উদ্ধাৰ কৰি স্বগৃহলৈ অনা হৈছিল। অঞ্চলটোৰ এইসকল মৃত শ্ৰমিকৰ আত্মাৰ সদ্‌গতি কামনাৰে আজি দিনজোৰা কাৰ্যসূচীৰে খোঁৱাগোসাঁই বড়িত অঞ্চলবাসীয়ে সমূহীয়াভাৱে পাতিছে এই আদ্যশ্ৰাদ্ধ।



## লাহৰীঘাটৰ নগাবন্ধাত দুৰ্বৃত্তৰ দ্বাৰা খাদ্যত নিচাযুক্ত দ্ৰব্য মিলোৱাত গোটেই পৰিয়াল অচেতন

### এজন নগাঁও ডিউ কেয়াৰৰ আইচিইউত ভৰ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩১ জুলাই ঃ** মৰিগাঁও জিলাৰ বৰছলা আৰক্ষী চকীৰ অন্তৰ্গত নগাবন্ধা গাঁও পঞ্চায়তৰ ২নং ৱাৰ্ডৰ আব্দুৰ ৰৌফৰ ঘৰত যোৱানিশা কোনো অজ্ঞাত দুৰ্বিত্তই হয়তো চুৰি বা ডকাইতি কৰাৰ লক্ষ্যৰে যোৱানিশা খিৰিকীৰে তৰকাৰীত নিচাযুক্ত দ্ৰব্য মিহলোৱাৰ অভিযোগ কৰিছে পৰিয়ালৰ লোকে। নিশা পৰিয়ালৰ লোকে ৰাতিৰ আহাৰ খোৱাৰ ফলত সকলোৱেই অচেতন হৈ পৰে। বহু সময় পিছত স্থানীয় লোকসকলে গম পাই চিকিৎসাৰ বাবে নগাঁও ডিউ কেয়াৰ ব্যক্তিগত নাৰ্ছিং হোমত ভৰ্তি কৰে। জানিব পৰা মতে আব্দুৰ ৰৌফ আইচিইউত চিকিৎসাধীন হৈ আছে। এই সংক্ৰান্তত পৰিয়ালৰ লোকে বৰছলা আৰক্ষী চকীত জনোৱাৰ পিছত আৰক্ষীয়ে ঘটনাস্থলী পৰ্যৱেক্ষণ কৰে।

## উন্মুক্ত ৰে'লৰে ক্ৰচিঙত ৰে'ল

আজি বিয়লি এএছ ০২ এন ৪৪০২ নম্বৰৰ এখন ছুইফ্‌ট গাড়ী এটা ৰে'লৰ ইঞ্জিনে মহটিয়াই নিয়াৰ ফলত তিনিজন লোক থিতাতে নিহত হয়। জানিব পৰা মতে অতি ব্যস্ত পথটোৰ ৰে'ল ক্ৰচিঙত কোনোধৰণৰ ৰে'ল গে'ট নথকাৰ বাবে আজি এই শোকাৱহ পথ দুৰ্ঘটনাটো সংঘটিত হয়। জানিব পৰা মতে এটা ৰে'লৰ ইঞ্জিন গুৱাহাটীৰ দিশৰ পৰা শিলঘাট অভিমুখে আহি থকা সময়ত বিষয়া চুকৰ ৰে'লৰ উন্মুক্ত ক্ৰচিঙত ৰে'লৰ ইঞ্জিনটোৱে হৰ্ণ বজাইছিল যদিও ছুইফ্‌ট গাড়ীখনৰ চালকে বিষয়টোলৈ ভ্ৰূক্ষেপ নকৰাৰ বাবে এনেধৰণৰ শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। এই দুৰ্ঘটনাটোত নিহতসকল হ'ল চন্দ্ৰ কুমাৰ কলিতা, তেওঁৰ পত্নী নীলিমা দেৱী আৰু তেওঁলোকৰ পুত্ৰ ছানী কলিতা। এওঁলোকৰ ঘৰ পুৰণিগুদামৰ সমীপৱৰ্তী তেলিয়াগাঁও নতুন তিনিআলিত বুলি জানিব পৰা গৈছে। ইফালে, দুৰ্ঘটনাটোত ছুইফ্‌ট গাড়ীখন ভাঙি চূৰমাৰ হৈ পৰে। এই দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পিছতে ৰে'ল বিভাগৰ উৰ্ধ্বতন কৰ্তৃপক্ষ, পুৰণিগুদাম আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত অব্যাহত ৰখাৰ লগতে মৃতদেহকেইটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

## কোৱাৰ্টাৰ ফাইনেলত লাভলীনা-নিখাত, বাহিৰ থাপা

লাভলীনাৰ। উল্লেখ্য, ইতিমধ্যে বিশ্ব চেম্পিয়নশ্বিপত দুবাৰ ব্ৰঞ্জ তথা অলিম্পিকতো ঐতিহাসিক ব্ৰঞ্জ লাভ কৰা লাভলীনাই বিগত কমনৱেলথ গেমছত কোৱাৰ্টাৰ ফাইনেলতে পৰাস্ত হৈছিল। কিন্তু এতিয়া লাভলীনা যথেষ্ঠ অভিজ্ঞ লগতে চতুৰ। উল্লেখ্য যে খেল আৰম্ভ হোৱাৰ পূৰ্বে চৰ্চা আৰু চাপত আছিল লাভলীনা। কমনৱেলথ গেমছৰ ভিলেজত প্ৰশিক্ষক সন্ধ্যা গুৰুঙক প্ৰৱেশ কৰিব নিদিয়াত অনুশীলনত ব্যাঘাত জন্মা বুলি লাভলীনাই চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছিল। প্ৰশিক্ষকৰ অনুপস্থিতিত তেওঁ মানসিক অস্থিৰতাৰ সন্মুখীন হোৱা বুলি কৈ এয়া ৰাজনীতি বুলিও টুইটাৰত লাভলীনাই উল্লেখ কৰিছিল। এই বিষয় লৈ ক্ৰীড়াৰ পৰা ৰাজনীতিলৈ হৈ-চৈ লগাত প্ৰশিক্ষক গুৰুঙে ভিলেজত প্ৰৱেশৰ অনুমতি পত্ৰ লাভ কৰিছে। কিন্তু ইয়াৰ বাবে ভাৰতীয় বক্সিং দলৰ পৰা বাদ পৰি গ'ল চিকিৎসক আৰু মহিলাৰ মুখ্য প্ৰশিক্ষক ভাস্কৰ ভাট। ইফালে, উদ্বোধনী অনুষ্ঠানৰ মাজতে আঁতৰি আহি আন এক বিতৰ্কত সোমাই পৰিছিল অসম কন্যা। কিন্তু প্ৰথম ৰাউণ্ডৰ সহজ জয়ে এতিয়া সকলো বিতৰ্কৰ অন্ত পেলাইছে। লাভলীনাৰ পৰা পদক আশা কৰিছে দেশবাসীয়ে। ভাৰতীয়ই পদক আশা কৰিছে বিশ্ব চেম্পিয়নশ্বিপত সোণ লাভ কৰা নিখাত জাৰীনৰ পৰাও। আজি প্ৰথম ৰাউণ্ডৰ মেচত ৫০ কিলোগ্ৰাম শাখাত খেলা নিখাতে নক আউট কৰে মোজাম্বিকৰ হেলেনা ইছমাইলক। এতিয়া কোৱাৰ্টাৰ ফাইনেলত নিখাত মুখামুখি হ'ব নিউজিলেণ্ডৰ ট'ৰী গীৰ্টনৰ। এই মেচত জয়ী হোৱা মানেই কমনৱেলথ গেমছত পদক জয় নিশ্চিত হ'ব নিখাতৰ।

**কমনৱেলথ গেমছৰ পৰা বিদায় শিৱ থাপাৰ**

বাৰ্মিংহাম কমনৱেলথ গেমছত অসমৰ দুই ভাৰত গৌৰৱ বক্সাৰে



দেশক প্ৰতিনিধিত্ব কৰা গৌৰৱ লাভ কৰিছিল যদিও মহিলা বক্সাৰ লাভলীনা বৰগোহাঁয়ে সহজে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰি পদক জয়ৰ সফলতা লাভ কৰিবলৈ এখোজ দুৰত আছে যদিও অভিজ্ঞ শিৱ থাপাই আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অপ্ৰত্যাশিতভাৱে পৰাস্ত হৈ বিদায় লয়। উল্লেখ্য যে ৬০ কিলোগ্ৰাম শাখাত খেলা দুবাৰৰ অলিম্পিয়ান শিৱক আজি হোৱা এখন কঠিন মেচত ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ বক্সাৰ ৰীছে লীনছে। ইয়াৰ লগে লগে কমনৱেলথ গেমছত পদক জয়ৰ সপোন আৰু লক্ষ্যৰ কাযতঃ অন্ত পৰিল শিৱৰ বাবে। কাৰণ চাৰি বছৰ পাছত যে শিৱই পুনৰ কমনৱেলথ গেমছত খেলিব সেয়া অসম বক্সাৰজনৰ বাবে কঠিন প্ৰত্যাহ্বান হ'ব। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা শিৱই বিশ্ব চেম্পিয়নশ্বিপত পদক লাভ কৰাৰ লগতে কেবাখনো আন্তৰ্জাতিক প্ৰতিযোগিতাত দেশক পদক দিছে যদিও পূৰ্বে কমনৱেলথ গেমছত খেলাৰ পাছতো পদক লাভ কৰা নাছিল। এইবাৰ সপোন পূৰ্ণ কৰাৰ আশা কৰিছিল শিৱৰ লগতে দেশবাসীয়ে। কিন্তু সেয়া বাস্তৱত নহ'ল। উল্লেখ্য যে দেশৰ তাৰকা বক্সাৰ অসম সন্তান শিৱ থাপাই সুন্দৰ জয়েৰে চলিত কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰিছিল। পুৰুষৰ লাইট ৱেল্টৰৱেট ৬০ কিলোগ্ৰাম শাখাত খেলা শিৱই প্ৰথম ৰাউণ্ডৰ মেচত পাকিস্তানৰ চুলেমান বালোচৰ বিৰুদ্ধে ৫-০ ৰ চমকপ্ৰদ জয় সাব্যস্ত কৰিছিল। অসমৰ অৰ্জুন বঁটা বিজয়ী বক্সাৰ শিৱ থাপাই পাকিস্তানৰ প্ৰতিদ্বন্দ্বীগৰাকীক আক্ৰমণাত্মক খেলেৰে আটাইকেইটা গেমতে ধৰাশায়ী কৰে। উল্লেখ্য যে, মাত্ৰ ১৮ বছৰ বয়সত লণ্ডন অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰি ইতিহাস ৰচা অসমৰ শিৱ থাপা কমনৱেলথ গেমছত ভাৰতৰ অন্যতম পদক প্ৰত্যাশী খেলুৱৈ আছিল। বিশ্ব বক্সিং চেম্পিয়নশ্বিপত পদক জয়েৰে অসমবাসীক গৌৰৱান্বিত কৰা বক্সাৰগৰাকীয়ে এছিয়ান বক্সিং চেম্পিয়নশ্বিপত স্বৰ্ণ পদক জয় কৰিছে। ইফালে, শিৱ থাপাৰ লগতে ভাৰতৰ হৈ ৯২ কিলোগ্ৰাম শাখাত খেলা পুৰুষ বক্সাৰ সঞ্জিতেও প্ৰথম ৰাউণ্ডতে ছামোৱাৰ আলো লিউৰ হাতত ৩-২ তপৰাস্ত হৈ কমনৱেলথ গেমছৰ পৰা বিদায় লৈছে।

## পিতৃক ভৰণ-পোষণৰ বাবদ পুত্ৰক মাটি বিক্ৰী কৰাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ জুলাই ঃ** জন্মদাতা পিতৃক ভৰণ-পোষণ দিয়াৰ বাবদ পুত্ৰই কৌশলেৰে মাটি ক্ৰয় কৰাৰ এক নজৰবিহীন ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। ঘটনাৰ বিৱৰণী মতে গুৱাহাটীৰ ভঙাগড়ৰ নানক নগৰত প্ৰয়াত উপেন্দ্ৰ নাথ ডেকাই ১৯৭৯ চনত প্ৰায় ডেৰ কঠা ভূমি ক্ৰয় কৰিছিল শ্বিলঙৰ জনৈক চৌধুৰী নামৰ ব্যক্তিজনৰ পৰা। পৰৱৰ্তী সময়ত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি স্থায়ীভাৱে গুৱাহাটীত তেওঁ থাকিবলৈ লয়। ঘৰুৱা কিছু সমস্যাৰ বাবে জ্যেষ্ঠ পুত্ৰই ২০০২ চনত গুৱাহাটীত ভাড়াঘৰত থাকিবলৈ লয়। আনহাতে, নগাঁৱৰ পৰা অৱসৰ লৈ গুৱাহাটীলৈ অহা প্ৰয়াত উপেন্দ্ৰ নাথ ডেকাক জ্যেষ্ঠ পুত্ৰই বিৰুবাৰীত এখন ফাৰ্মাচী খুলি দিছিল। পৰৱৰ্তীকালত ডেকাৰ শাৰীৰিক অসুস্থতাৰ বাবে ফাৰ্মাচীখন বন্ধ কৰি দিয়া হৈছিল। এই সময়চোৱাত প্ৰয়াত ডেকাৰ স্মৃতিশক্তি কিছু খেলিমেলি হোৱাৰ উপৰি এটা চকুৰ দৃষ্টি শক্তিও হেৰুৱাইছিল। তেওঁৰ দ্বিতীয় পুত্ৰ উৎপল ডেকাই পিতৃৰ অসুস্থতাৰ সুযোগ লৈ তেওঁক ভৰণ-পোষণ দিয়া আৰু ঔষধপাতিত ত্ৰিশ লাখ টকা ব্যয় হোৱা বুলি মানসিক নিৰ্যাতন কৰিবলৈ আৰম্ভ কৰে। এক সূত্ৰই জানিবলৈ দিয়া মতে, পুত্ৰ ডেকাৰ নিৰ্যাতনত বাধ্য হৈ ২০১৫ বৰ্ষৰ ১২ ফেব্ৰুৱাৰীত মাটিখিনি ত্ৰিশ লাখ টকাত পুত্ৰক বিক্ৰী কৰি দিয়ে। ৮৪ বৰ্ষীয়ান পিতৃৰ বয়স নথি-পত্ৰত পুত্ৰই ৭৮ বুলি উল্লেখ কৰাৰ লগতে নিজৰ বয়সো কমকৈ দেখুৱাই জালিয়াতিৰে মাটিখিনি নিজৰ নামত নামজাৰি কৰি লোৱাৰ অভিযোগ উঠিছে। সূত্ৰটোৱে সদৰি কৰা মতে এই কাৰ্যত মাতৃগৰাকীৰো আছিল পূৰ্ণ সহযোগ। সম্পত্তিৰ লোভত একাংশ পুত্ৰ কিমান তললৈ যাব পৰে, এই ঘটনাটো বিয়পি পৰাত সকলোৱে ধিক্কাৰ দিয়া পৰিলক্ষিত হৈছে।

## গোলাঘাটত পেন্সন সেৱা কেন্দ্ৰ মুকলি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ

# সু-প্ৰশাসন আৰু স্মাৰ্ট প্ৰশাসন বৰ্তমানৰ চৰকাৰখনৰ প্ৰধান লক্ষ্য



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ৩১ জুলাই ঃ** স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, তথ্য প্ৰযুক্তি ইত্যাদি বিভাগৰ মন্ত্ৰী তথা গোলাঘাট জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই শনিবাৰে অসম চৰকাৰৰ অধীনৰ চৰকাৰী পেন্সনাৰসকলৰ সুবিধাৰ্থে পেন্সনৰ কামসমূহ নিয়াৰিকৈ আৰু সূচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ৰাজ্য চৰকাৰৰ 'কৃতজ্ঞতা' আঁচনিৰ অধীনত গোলাঘাটৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত স্থাপন কৰা এটা পেন্সন সেৱা কেন্দ্ৰ মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অতি সূক্ষ্ম দৃষ্টিৰে ৰাজ্যৰ প্ৰতিজন নাগৰিকে যাতে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত পোৱা অসুবিধাসমূহ দূৰ কৰিব পাৰি তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। জনসেৱাসমূহ সুচল কৰাৰ উদ্দেশ্যে প্ৰতিটো বিভাগতে সংস্কাৰ সাধনৰ বাবে চৰকাৰখনে ব্যাপক প্ৰচেষ্টা হাতত লৈছে বুলি তেওঁ কয়। তেওঁ কয় যে পেন্সনৰ বাবে পূৰ্বে বহু লোকে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু পেঞ্চন ব্যৱস্থাৰ অনলাইন তথা সৰলীকৰণৰ ফলত এই অসুবিধাসমূহ দূৰ হোৱাৰ লগতে দুৰ্নীতিও বহু পৰিমাণে নোহোৱা হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই পৰিৱৰ্তন অসমৰ ৰাইজে প্ৰথমবাৰৰ বাবে লাভ কৰিছে বুলি তেওঁ কয়। আনহাতে অহা ২ অক্টোবৰৰ পৰা অসম সচিবালয়ত কাগজৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নোহোৱা কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে অহা বছৰৰ পৰা উপায়ুক্তৰ কাৰ্যালয়সমূহতো এনে ব্যৱস্থা কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে সু-প্ৰশাসন আৰু স্মাৰ্ট প্ৰশাসন বৰ্তমানৰ চৰকাৰখনৰ প্ৰধান লক্ষ্য। অহা আগষ্ট মাহত প্ৰস্তাৱিত ৫খন চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব পৰাকৈ প্ৰয়োজনীয় কাম-কাজ সম্পূৰ্ণ কৰি তোলা হৈছে, অৰ্থাৎ বাৰিষাৰ পিছত অক্টোবৰ মাহৰ পৰাই পূৰ্ণ গতিত কাম আৰম্ভ কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে বাৰিষাৰ পূৰ্বে বাট-পথ আৰু আন্তঃগাঁথনি উন্নয়নৰ কাম সম্পূৰ্ণ কৰাৰ বাবে নিবিদাকে ধৰি প্ৰয়োজনীয় সকলো কাম-কাজ সম্পূৰ্ণ কৰা হৈছে আৰু ছেপ্টেম্বৰ মাহৰ পৰাই ঠিকাদাৰে কাম আৰম্ভ কৰিব পাৰিব। তেওঁ বৰ্তমানৰ চৰকাৰখনক নাগৰিককেন্দ্ৰিক চৰকাৰ বুলি উল্লেখ কৰি কয় যে অৱসৰৰ দিনাই পেন্সন লাভ কৰিব পৰা যি ব্যৱস্থা কৰা হৈছে ই হৈছে জীৱনজুৰি সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰা কৰ্মচাৰীসকলৰ প্ৰতি চৰকাৰৰ এক কৃতজ্ঞতা। প্ৰতিমাহৰ ১০ তাৰিখে বৃদ্ধ পেন্সন, বিধৱা পেন্সন, বিভিন্ন বিভাগৰ অধীনত হিতাধিকাৰীয়ে লাভ কৰিবলগীয়া ধন লাভ কৰাটো চৰকাৰে সুনিশ্চিত কৰিছে বুলিও তেওঁ প্ৰসংগক্ৰমে কয়। অনুষ্ঠানত দিয়া ভাষণত দেৰগাঁও সমষ্টিৰ বিধায়ক ভবেন্দ্ৰনাথ ভৰালীয়ে কয় যে বৰ্তমানৰ চৰকাৰখনে শিশুৰ পৰা বৃদ্ধলৈকে প্ৰতিটো স্তৰৰ লোকে যাতে এটা ভাল পৰিৱেশত সুস্থিৰ জীৱন যাপন কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। পেন্সন সেৱা কেন্দ্ৰসমূহে অৱসৰপ্ৰাপ্ত চাকৰিয়ালসকলক ভালেখিনি সকাহ দিব বুলি তেওঁ কয়। আজিৰ অনুষ্ঠানতে দুগৰাকী অৱসৰ গ্ৰহণ কৰা শিক্ষক বিপুল চন্দ্ৰ গগৈ আৰু বীৰেন বৰাক মন্ত্ৰীগৰাকীয়ে পেন্সনৰ অনুমোদন-পত্ৰ প্ৰদান কৰে। লগতে সমগ্ৰ শিক্ষা, গোলাঘাটৰ সমূহ কৰ্মচাৰীয়ে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়োৱা ৮৮,০০০ টকাৰ এখন চেক মন্ত্ৰীগৰাকীৰ হাতত অৰ্পণ কৰা হয়। অনুষ্ঠানত উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধীৰাজ দাস, অতিৰিক্ত উপায়ুক্ত ড° সংগীতা বৰঠাকুৰ, গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া ড° সমীৰণ বৰা, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ অৰুণ চন্দ্ৰ মহন্ত, অৱসৰপ্ৰাপ্ত অধ্যাপক নৃপেন বৰুৱা আৰু শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু শিক্ষকসকল উপস্থিত আছিল। এই অনুষ্ঠানৰ পিছতেই মন্ত্ৰীগৰাকীয়ে উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, সমাজ কল্যাণ বিভাগ আৰু জলজীৱন অভিযানৰ কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰে। তেওঁ চৰকাৰী ধনৰ সদ্ব্যৱহাৰৰ লগতে অমৃত সৰোবৰ প্ৰকল্প আৰু জলজীৱন অভিযান আঁচনিৰ সফল ৰূপায়ণত গুৰুত্ব আৰোপ কৰে। আনহাতে, গছপুলি ৰোপণৰ প্ৰসংগত তেওঁ কয় যে গছপুলি ৰোপণ কৰিলেই নহ'ব, ইয়াৰ প্ৰতিপালনৰ দায়িত্ব কোনে ল'ব সেয়া সুনিশ্চিত কৰিব লাগিব। আনহাতে, সমাজ কল্যাণ বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি তেওঁ একোটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ কোনো শিক্ষানুষ্ঠানে গ্ৰহণ কৰিলে কেন্দ্ৰৰ শিশুহঁত বহু পৰিমাণে উপকৃত হ'ব বুলি মত প্ৰকাশ কৰে। বৈঠকত বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী, উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধীৰাজ দাস, অতিৰিক্ত উপায়ুক্ত ড° সংগীতা বৰঠাকুৰ, জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালক অবিনাশ শইকীয়া, ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া গৌৰীপ্ৰিয়া দেউৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী বিষয়া মাধৱ নাথ আৰু ভালেসংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত আছিল।

## কলাক্ষেত্ৰত অভিনয়াৰ শিশু নাট

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ জুলাই ঃ** যোৱা এমাহজোৱা নৃত্য-গীত আৰু অভিনয়ৰ কৰ্মশালাৰ অন্তত অহা ২ আগষ্টত 'অভিনয়া-জংকী বৰঠাকুৰ পৰিৱেশ্য কলা কেন্দ্ৰ'ই নিবেদন কৰিব দুখন শিশুনাট- হাবিব তনবীৰ ৰচিত 'চৰণ দাস চোৰ' আৰু অঞ্জন ভূএগাৰ 'গোহালি ঘৰৰ দূৰদৰ্শন'। দুয়োখন নাটৰ পৰিচালনা সঞ্জীৱ বুঢ়াগোহাঁইৰ। অহা ২ আগষ্টৰ বিয়লি ৫.৩০ বজাৰ পৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ প্ৰেক্ষাগৃহত নাট দুখনি মঞ্চস্থ কৰা হ'ব।

## মৰাণত গৰম পানী ঢালি কিশোৰীক নিৰ্যাতন চলোৱাৰ অভিযোগ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে পতি-পত্নীক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ৩১ জুলাই ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ শান্তিপুৰত কিশোৰী নিৰ্যাতনৰ এক ঘটনা পোহৰলৈ আহিছে। মৰাণ শান্তিপুৰৰ নিবাসী নিৰুপম দাস নামৰ লোকজনৰ ঘৰত বনকৰা হিচাপে থকা জজলী পাঁচআলিৰ এগৰাকী ১৪ বছৰীয়া কিশোৰীক নিৰুপম দাসৰ পত্নী পিংকী শইকীয়াই পিঠিত গৰম পানী ঢলাৰ লগতে শাৰীৰিকভাৱে নিৰ্যাতন চলোৱাৰ অভিযোগ কৰিছিল কিশোৰীগৰাকীয়ে। যোৱা শনিবাৰে সংঘটিত কৰা এই ঘটনাৰ সন্দৰ্ভত পৰিয়ালৰ লোকে ২৮ জুলাইত মৰাণহাট থানাত এজাহাৰ দাখিল কৰে। কিশোৰীগৰাকীৰ শৰীৰত আঘাতৰ চিন স্পষ্ট। ইফালে বনকৰা কিশোৰীক গৰম পানী ঢালি নিৰ্যাতন চলোৱা মৰাণৰ শান্তিপুৰৰ নিৰুপম দাস আৰু পিংকী শইকীয়াক গোলাঘাটৰ পৰা আৰক্ষীয়ে আজি গ্ৰেপ্তাৰ কৰিছে। তেওঁলোকৰ লগত আছে তিনি বছৰীয়া কণমানি সন্তান। যোৱা ২৮ জুলাইত মৰাণহাট আৰক্ষী থানাত ভুক্তভোগী কিশোৰী জোনালী মুড়াই অভিযোগ দাখিল কৰাৰ পিছতে গ্ৰেপ্তাৰ কৰা হয় পতি-পত্নীক। সেই সময়ৰ পৰাই পলাতক অৱস্থাত আছিল অভিযুক্ত পতি- পত্নী। এটা বছৰে পৰিয়ালটোৰ ঘৰত বনকৰা কিশোৰী হিচাপে আছিল জোনালী। নিৰুপম দাস সোণাৰি টি ব'ৰ্ডৰ বিষয়া আৰু পত্নী পিংকী শইকীয়া ডিমৌ কৃষি বিভাগৰ বিষয়া। উল্লেখ্য যে কিশোৰীগৰাকীক গাত গৰম পানী ঢলাৰ লগতে ডিঙি চেপি হত্যা কৰাৰ চেষ্টা, বেলনা মাৰিৰে অত্যাচাৰ চলোৱা, ব'ডেৰে মৰাৰ অভিযোগ দাখিল কৰিছিল কিশোৰীগৰাকীয়ে। ইফালে দোষীক কঠোৰ শাস্তি বিহাৰ দাবী জনাইছে আদিবাসী ছাত্ৰ সংগঠন আছাই।

## ধুবুৰীত পেন্সন সেৱা কেন্দ্ৰ উদ্বোধন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ

# 'ঘোচ দিয়া আৰু লোৱা দুয়োটা বন্ধ হ'ব লাগিব'

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩১ জুলাই ঃ** অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী তথা ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে শনিবাৰে ধুবুৰী জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় চৌহদত স্থাপন কৰা পেন্সন সেৱা কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। কৰ্মচাৰীসকলে অৱসৰৰ পূৰ্বেই কৃতজ্ঞতা প'ৰ্টেলৰ জৰিয়তে পেন্সনৰ বাবে আবেদন কৰি অৱসৰৰ দিনাই পেঞ্চন লাভত সহায়ৰ বাবে এই ব্যৱস্থা কৰিছে ৰাজ্য চৰকাৰে। এই উপলক্ষে আয়োজিত সভাত আদৰণী ভাষণ প্ৰদান কৰি ধুবুৰী জিলাৰ উপায়ুক্ত অম্বামুথন এম পিয়ে কয় যে অনলাইন কৃতজ্ঞতা প'ৰ্টেলৰ জৰিয়তে পেন্সন সম্পৰ্কীয় বিষয় সন্নিবিষ্ট আবেদন দাখিল কৰাৰ লগতে ছাৰ্ভিচ বুক স্কেন, আপলোড কৰাৰ সুবিধাৰ বাবে আন জিলাবোৰৰ দৰে ধুবুৰীত এই পেন্সন সেৱা কেন্দ্ৰটো স্থাপন কৰা হৈছে। পেন্সনাৰসকলে এই সেৱা কেন্দ্ৰৰ জৰিয়তে বিভিন্ন সুবিধা লাভ কৰিব পাৰিব আৰু এই সেৱাৰ দ্বাৰা পেন্সন লাভৰ প্ৰক্ৰিয়া এতিয়াৰে পৰা অধিক সৰলীকৃত হ'ব। সভাত উদ্বোধনী ভাষণ প্ৰদান কৰি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয় যে গুৱাহাটীলৈ নোযোৱাকৈ, কাৰ্যালয়ে কাৰ্যালয়ে তাঁত-বাতি নকৰাকৈ যাতে ৰাইজে চৰকাৰী সুবিধাসমূহ লাভ কৰে তাৰ বাবে বৰ্তমানৰ চৰকাৰখনে প্ৰথমৰে পৰা চেষ্টা কৰি আছে। মিছন বসুন্ধৰা, মিছন ভূমিপুত্ৰ, মিছন সদ্ভাৱনা আদি চৰকাৰৰ এনে কিছুমান




পদক্ষেপ। এতিয়া মিছন কৃতজ্ঞতাৰ জৰিয়তে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ পেন্সনৰ সমস্যা সমাধানৰ বাবে পদক্ষেপ লোৱা হৈছে আৰু এইক্ষেত্ৰত সহায়ৰ বাবে পেন্সন সেৱা কেন্দ্ৰ মুকলি কৰা হৈছে। প্ৰাৰম্ভিকভাৱে শিক্ষা বিভাগৰ কৰ্মচাৰীৰ বাবে এই সেৱা উপলব্ধ হ'ব আৰু পৰৱৰ্তী সময়ত আন বিভাগৰ কৰ্মচাৰীকো ইয়াত সামৰি লোৱা হ'ব বুলি কৈ মন্ত্ৰীগৰাকীয়ে কয়, 'শিক্ষা বিভাগত কৰ্মচাৰীৰ সংখ্যা সৰহ হোৱা বাবে আৰু এই বিভাগত পেন্সন আদায়ৰ সময়ত দুৰ্নীতি বেছি হোৱাৰ অভিযোগ থকা বাবে আমি প্ৰথমে এই বিভাগটোক বাছি লৈছোঁ।' তেওঁ কয় যে আগতে পেন্সন আদায় প্ৰক্ৰিয়াটোত বহু সময় লৈছিল আৰু প্ৰক্ৰিয়াটো নিকা নাছিল। মন্ত্ৰীগৰাকীয়ে বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰীক সকীয়াই দি কয়, 'এতিয়া চৰকাৰে পেন্সনৰ বাবে প'ৰ্টেল আনিছে, গতিকে কোনেও অনিয়ম নকৰিব।' অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীকো কোনো কাৰণতে কাকো উপঢৌকন নিদিবলৈ আহ্বান জনাই মন্ত্ৰী দাসে কয়, 'দিয়া আৰু লোৱা দুয়োটা বন্ধ হ'ব লাগিব। তেতিয়াহে এই প্ৰচেষ্টা সফল হ'ব।' সভাত অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দাস, ধুবুৰী পৌৰসভাৰ সভাপতি ডাঃ দেৱময় সান্যাল, প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰ, সমাজকৰ্মী প্ৰসেনজিৎ দেৱ, অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী ক্ৰমে আব্দুল ৰছিদ, লুটফুৰ ৰহমান, আব্দুৰ ৰহমান প্ৰমুখ্য কে'বাজনো বিষয়া আৰু শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

## মুখ্যমন্ত্ৰীৰ মন্তব্যত আশাহত টিউটৰ

# বৰ্তমানৰ টিউটৰ পদো হেৰুৱাৰ ভাবুকিত হতভম্ব ৰাজ্যৰ টিউটৰসকল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ৩১ জুলাই ঃ** বিগত আঢ়ৈ/তিনি দশকৰ পূৰ্বে ৰাইজে প্ৰয়োজনত প্ৰতিষ্ঠা কৰা ভেঞ্চাৰ শিক্ষানুষ্ঠানত কৰ্মৰত একাংশ শিক্ষাগুৰুক যোৱা ২০২১ চনৰ ৫ ফেব্ৰুৱাৰীত চৰকাৰে সাময়িক ভাৱে টিউটৰ হিচাপে নিযুক্তি দিয়াৰ পাছত আজিও এই সকল টিউটৰক শিক্ষকৰ পৰ্যায়লৈ উন্নীত নকৰাত ৰাজ্যত সংগ্ৰামী কাৰ্যসূচী অব্যাহত আছে। যোৱা ২১ জুলাইত সদৌ অসম প্ৰাদেশিকীকৃত মধ্য ইংৰাজী শিক্ষক (টিউটৰ) সংস্থাৰ আহ্বানত হাজাৰ হাজাৰ টিউটৰে প্ৰাথমিক শিক্ষা সঞ্চালকালয় ঘেৰাও কাৰ্যসূচী গ্ৰহণ কৰিছিল। এনে সময়তে কালি সদৌ অসম প্ৰাদেশিকীকৃত মধ্য ইংৰাজী শিক্ষক (টিউটৰ)সংস্থাৰ এটা প্ৰতিনিধি দলে কামৰূপ মেট্ৰত সুযোগ বুজি মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাক সাক্ষাৎ কৰোতে তেওঁ দলটোৰ আগত কোৱা বিৰূপ মন্তব্যত ৰাজ্যৰ সমগ্ৰ টিউটৰ সকল হতভম্ব হৈ পৰিছে। টিউটৰসকলে এনেকৈ লাগি থাকিলে বৰঞ্চ টিউটৰ পদো হেৰুৱাব লাগিব বুলি হুমকি দিয়াৰ উপৰিও জুইৰ লগত খেলা কৰি নেথাকিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সংস্থাৰ প্ৰতিনিধি দলটোক সকীয়নি দিয়ে। সদৌ অসম প্ৰাদেশিকীকৃত মধ্য ইংৰাজী শিক্ষক (টিউটৰ) সংস্থাই মুখ্যমন্ত্ৰী গৰাকীৰ এনে মন্তব্য দুৰ্ভাগ্যজনক আখ্যা দি সমগ্ৰ বিষয়টোৰ ক্ষেত্ৰত এক ইতিবাচক চিন্তা - বিবেচনা কৰিবলৈ মুখ্যমন্ত্ৰী গৰাকীক আহ্বান জনাইছে। শিক্ষক সংস্থাটোৰ দ্বাৰা প্ৰেৰিত এক প্ৰেছ বিজ্ঞপ্তিত সংস্থাৰ মুখ্যসমন্বয়ক প্ৰদীপ কুমাৰ মৰাণ, যুটীয়া সম্পাদকদ্বয় চৰিত্ৰ গগৈ আৰু মইনুল হকে কয়, সাম্প্ৰতিক সময়ত অসমৰ শৈক্ষিক জগতত বিষয় আৰু শ্ৰেণী ভিত্তিত ইংৰাজী মাধ্যমেৰে পাঠদান, প্ৰাদেশিকীকৰণ আইন সংশোধন নকৰা আদি বিষয়ত বহুলভাৱে চৰ্চাৰ মাজতে শেহতীয়াভাৱে মুখ্যমন্ত্ৰীয়ে কালি বছৰ বছৰ ধৰি বিনা-বেতনে অসমৰ ৰাজহুৱা শিক্ষাখণ্ডত সেৱা আগবঢ়াই অহা শিক্ষকসকলক গত বছৰৰ ফেব্ৰুৱাৰী মাহত 'প্ৰাদেশিকীকৰণ আইন ২০১৭' অনুসৰি প্ৰাদেশিকীকৃত 'টিউটৰ'সকলক আইন অনুসৰি শিক্ষক হ'ব নোৱাৰে বুলি কৰা বক্তব্যৰ বিপৰীতে উক্ত আইন অনুসৰি টিউটৰসকলক শিক্ষকলৈ উন্নীতকৰণৰ ক্ষেতত কোনো পদক্ষেপ কৰা নাই। প্ৰাদেশিকীকৰণ আইন ২০১৭' অনুসৰি প্ৰাদেশিকীকৰণ হোৱা তাৰিখৰ পৰা পাঁচ বছৰৰ ভিতৰত শিক্ষাগত আৰু বৃত্তিগত অৰ্হতা অৰ্জন কৰাৰ কথা উল্লেখ থকা সত্বেও প্ৰাদেশিকীকৰণ হোৱা ডেৰ বছৰ অতিক্ৰম কৰাৰ পিছতো সেৱাকালিন টিউটৰ'ৰ প্ৰশিক্ষণৰ লগতে টিউটৰৰ বাবে বিশেষভাৱে শিক্ষকৰ যোগ্যতা পৰীক্ষা অনুষ্ঠিত কৰা নাই। যাৰ বাবে প্ৰাদেশিকীকৃত টিউটৰ সমাজ চিন্তিত হৈ পৰিছে। আনহাতে প্ৰাদেশিকীকৰণ আইন মতে ৰাষ্ট্ৰীয় শিক্ষাগত আঁচনি আৰু প্ৰশাসন বিশ্ববিদ্যালয় নতুন দিল্লীত মজুত থকা তথ্যৰ আধাৰত সৰ্বশিক্ষাই প্ৰস্তুত কৰা ডাইচ ক'ড(২০০৯/১০) অনুসৰি পদ-প্ৰাদেশিকীকৰণ কৰিলে যদিও উক্ত তথ্য'ত উপলব্ধ 'শিক্ষক' হিচাপে বিদ্যালয়ত নিযুক্তি তাৰিখটো বিভাগে গণ্য নকৰাতহে টিউটৰ হ'ল। সেয়েহে আইনে নিৰ্দিষ্ট কৰি দিয়া সময়সীমাৰ ভিতৰত শিক্ষকলৈ উন্নীতকৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ সংস্থাই আহ্বান জনাইছে।

## প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি আঁচনিৰ দ্ৰূত ৰূপায়ণৰ বাবে বেংক কৰ্তৃপক্ষৰে আলোচনা মন্ত্ৰী বিমল বড়াৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ জুলাই ঃ** প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি আঁচনি দ্ৰূত ৰূপায়ণৰ জৰিয়তে ৰাজ্যৰ জনসাধাৰণক স্বাৱলম্বী তথা ৰাজ্যত নিয়োজনৰ সুবিধা গঢ়ি তোলাৰ বাবে বেংকৰ ঋণ প্ৰদান ব্যৱস্থা সৰলীকৰণ কৰাৰ লগতে এই ক্ষেত্ৰত বেংকৰ অংশীদাৰিত্ব বৃদ্ধিৰ বাবে ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু প্ৰতিষ্ঠান দপ্তৰৰ মন্ত্ৰী বিমল বড়াই কে'বাটাও বেংক কৰ্তৃপক্ষৰে আলোচনাত মিলিত হয়। শনিবাৰে পুৱাৰ ভাগত ভাৰতীয় ষ্টেট বেংকৰ অসম চক্ৰৰ দিছপুৰস্থিত মুখ্য কাৰ্যালয়ত উপস্থিত হৈ বেংকটোৰ অসম চক্ৰৰ মুৰব্বী অৰবিন্দ কুমাৰ সিঙৰ সৈতে এক বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰী বিমল বড়াই নৰেন্দ্ৰ মোদীয়ে প্ৰধান মন্ত্ৰীৰ দায়িত্ব লোৱাৰ পাছত অসম তথা উত্তৰ- পূৰ্বাঞ্চলক এক অন্য দৃষ্টিৰে চাবলৈ লৈছে বুলি মত প্ৰকাশ কৰি ৰাজ্যখনক বিকাশৰ পথত আগবঢ়াই নিয়াৰ বাবে বেংকটোৰ সহায় বিচাৰে। চক্ৰ মুৰব্বীগৰাকীক যুৱচামক অধিক হাৰত ঋণ প্ৰদানৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। পাছত চেন্ট্ৰেল বেংকৰ মাণ্ডলিক কাৰ্যালয় আৰু অসম গ্ৰামীণ বিকাশ বেংকৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ কেন্দ্ৰীয় চৰকাৰে পিএমইজিপিৰ অধীনত এহেজাৰ কোটি টকা প্ৰদান কৰিব বুলি উল্লেখ কৰি এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে বেংক দুটিৰ ঋণৰ অংশীদাৰিত্ব বৃদ্ধিৰ আহ্বান জনোৱাৰ লগতে জনসাধাৰণে যাতে সময়মতে ঋণ লোৱা ধন পৰিশোধ কৰে তাৰ বাবে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এই বৈঠকত মন্ত্ৰী বিমল বড়াৰ সৈতে উদ্যোগ বিভাগৰ সচিব লক্ষ্মণন এছ, আয়ুক্ত ঐনাম শৰণ কুমাৰ সিং, খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ উত্তৰ-পূবৰ উপ-মুখ্য কাৰ্যবাহী বিষয়া ড° সুকমল দেৱ, অসম উদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগমৰ সঞ্চালক কমল বৈশ্য উপস্থিত আছিল।

# জাগীৰোড থানাত আটকাধীন দুই জেহাদীক জেৰা মৰিগাঁও আৰক্ষীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ৩১ জুলাই ঃ** মৰিগাঁৱৰ মৈৰাবাৰীত আটক হৈছিল দুই জেহাদী ক্ৰমে মুফতি মুস্তাফা আৰু আফছাৰুদ্দিন ভূএঞা। শনিবাৰে মৰিগাঁৱৰ মৈৰাবাৰীত বাংলাদেশী জেহাদীৰ নেটৱৰ্কৰ উৎস বিচাৰি মাৰাথন তালাচী কৰিছে আৰক্ষীয়ে। জামিয়া উল হুদা মাদ্ৰাছাৰ মুফতি মহম্মদ মুস্তাফাৰ ঘৰৰ পৰা এটা ভগা এণ্ড্ৰইড ম'বাইল উদ্ধাৰ কৰিছে আৰক্ষীয়ে। আজি মুস্তাফাৰ ঘৰত পুৱা ভাগৰ পৰা আৰক্ষীয়ে চলাই তালাচী। মুস্তাফাৰ ভাতৃ ৰাহিদুৰক লগত লৈ আৰক্ষীৰ মাৰাথন তালাচী চলাইছিল মুস্তাফাৰ ঘৰত। মুস্তাফাৰ ঘৰত ভগা ম'বাইল উদ্ধাৰৰ পাছতে আৰক্ষীয়ে মুস্তাফাৰ ভাতৃ ৰাহিদুৰক লৈ নগাঁও জিলাৰ আন এটি অঞ্চলত তালাচীৰ বাবে ৰাওনা হয়। অৱশ্যে নগাঁও জিলাৰ কোনো নতুন মাদ্ৰাছাৰে মুস্তাফাৰ সম্পৰ্ক আছিল নেকি এতিয়াও আৰক্ষীয়ে জানিব দিয়া নাই। মুস্তাফাৰ আন এজন ভাতৃ জাকাৰীয়া আৰু মুস্তাফাৰ পত্নী আছমিনাকো আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে। আছমিনাৰ কোলাত আছে ১৮ দিনীয়া কণমানি সন্তান। এনআইএৰ তিনিজনীয়া তদন্তকাৰী দলে সোধা-পোছা কৰাৰ পাছত আনখন সৰুচলা বান্নাত মাদ্ৰাছাৰ প্ৰধান মতিবুৰ ৰহমানসহ ছজনক মৰিগাঁও আৰক্ষীয়ে মৈৰাবাৰী আৰক্ষীক চমজাই দি আৰক্ষীৰ নিৰীক্ষণত ৰাখিছে তেওঁলোকক। ইফালে জাগীৰোড থানাত আটকাধীন জেহাদী সন্দৰ্ভত মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষকে পুনৰ এক সংবাদ মেল অনুষ্ঠিত কৰে। সংবাদ মেলত কে'বাটাও কথা সদৰী কৰে আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজনে। সংবাদ মেলত কয় যে ঘটনা সন্দৰ্ভত প্ৰথমে আটক কৰি পিছত গ্ৰেপ্তাৰ কৰা হৈছে মৈৰাবাৰীৰ মুফতি মহম্মদ মুস্তাফা আৰু মৰিগাঁৱৰ মিলনপুৰৰ আফছাৰুদ্দিন ভূএঞাক। সোধা-পোছাৰ বাবে আটক কৰা হৈছে মুস্তাফাৰ পত্নী আৰু ভাতৃ জাকাৰিয়াক। মৈৰাবাৰীৰ চহৰীয়া পামৰ জমিৰুল হুদা মাদ্ৰাছাতেই চলাইছিল জেহাদীৰ কাৰ্যকলাপ। ২০১৯ চনৰ পৰা বাংলাদেশৰ পৰা উক্ত মাদ্ৰাছালৈ আহিছিল ৯জন লোক। নতুনকৈ মাদ্ৰাছাখনৰ ৪৩গৰাকী ছাত্ৰক অধিক তথ্যৰ বাবে কৰা হ'ব সোধা-পোছা।

# ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৩১ জুলাই ঃ** ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত উত্তৰ ৰঙিয়া ছাত্ৰসন্থা আৰু পশ্চিম ৰঙিয়া ছাত্ৰ সন্থাই এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱাৰ উদ্দেশ্যে শনিবাৰে আৰিমত্ত বিদ্যাপীঠ হাইস্কুলত এক বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰে। উত্তৰ ৰঙিয়া ছাত্ৰ সন্থাৰ সভাপতি মুনিফ ইকবালৰ সভাপতিত্ব অনুষ্ঠিত হোৱা বিশেষ অভিনন্দন অনুষ্ঠান উদ্বোধন কৰি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাসে কয় যে ছাত্ৰ-ছাত্ৰীসকলে সেৱাৰ মনোভাৱেৰে আগবাঢ়ি যোৱাৰ লগতে অসম আৰু অসমীয়াৰ হৈ কাম কৰিবলৈ ছাত্ৰ আৰু ছাত্ৰীসকলক আহ্বান জনায়। মুখ্য অতিথি হিচাপে উপস্থিত থাকি আঠগাঁও বীণাপানি হাইস্কুলৰ সহঃশিক্ষক মোহন মাধৱ বৰ্মনে ছাত্ৰ আৰু ছাত্ৰীসকলৰ ভাল মানুহ হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জীৱন যাত্ৰাত সঠিক দিশেৰে আগবাঢ়ি যাবলৈ কয়। ভাল শিক্ষা লৈ সমাজ ব্যৱস্থাৰ প্ৰতি দায়বদ্ধ হবলৈ ছাত্ৰ-ছাত্ৰীসকলক কয়। আনহাতে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা আৰিমত্ত বিদ্যাপীঠ হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক নয়ন জ্যোতি দাসে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা গ্ৰহণ কৰাৰ উপৰিও একোএকোজন সমাজ সচেতক হবলৈ আহ্বান জনোৱাৰ ওপৰিও নিজৰ পঢ়াৰ লগতে নিজৰ অঞ্চলৰ, নিজৰ শিক্ষা অনুষ্ঠানৰ প্ৰতি লগতে নিজৰ ৰাজ্য খনৰ প্ৰতি দায়বদ্ধ হবলৈ কয়। অনুষ্ঠান পৰিচালনা কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক তৌফিকুৰ ৰহমানে। লগতে উত্তৰ ৰঙিয়া ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভা আৰু বিষয় বাচনি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভা উদ্বোধন কৰি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক তৌফিকুৰ ৰহমানে কয় যে ছাত্ৰ সন্থাৰ কৰ্মী সকলক সংগঠনৰ প্ৰতি দায়বদ্ধ হোৱাৰ লগতে শৈক্ষিক, সামাজিক ক্ষেত্ৰত ছাত্ৰ সন্থাৰ কৰ্মী সকলক সেৱা কৰাৰ বাবে আহ্বান জনায়, অসমীয়া জাতীয় সত্বাক আগবঢ়াই নিবলৈ কয়। অসমৰ প্ৰতিটো সমস্যাৰ ক্ষেত্ৰত ছাত্ৰ সন্থাৰ কৰ্মী সকলক মাত-মতাৰ বাবে আহ্বান জনায়।ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জয়ন্ত শৰ্মাই ছাত্ৰ সন্থাৰ কৰ্মী সকলৰ ওচৰত বক্তব্য আগবঢ়ায়। ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সাঃ সম্পাদক মৃন্ময় কুমাৰ ডেকাই নৱ-নিৰ্বাচিত সমিতিৰ বিষয়ববীয়া সকলক শপত বাক্য পাঠ কৰায়। উত্তৰ ৰঙিয়া ছাত্ৰ সন্থাৰ সভাপতি হিচাপে চপন কলিতা,সাঃ সম্পাদক ৰিতুল আহমেদ, শিক্ষা সম্পাদক স্নেহাশিস ভৌমিক দায়িত্ব অৰ্পণ কৰাৰ লগতে চল্লিশ জনীয়া এখন সমিতি গঠন কৰে। সভাত উপস্থিত থাকে সদৌ ৰঙিয়া মহকুমা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জিতু ডেকা, কামৰূপ জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহ সদস্য বুবুল আলি উপস্থিত থাকে।

## নলবাৰীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ গণ বিক্ষোভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৩১ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত শনিবাৰে নলবাৰীৰ পৱিত্ৰ শ্ৰীশ্ৰীহৰিমন্দিৰৰ সমীপত নিৰ্মীয়মাণ উৰণীয়া সেতু ক্ষিপ্ৰতাৰে নিৰ্মাণৰ দাবীত গণ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে নলবাৰী চহৰৰ শ্ৰীশ্ৰীহৰিমন্দিৰ চ'কৰ পৰা ৩১নং ৰাষ্ট্ৰীয় ঘাইপথ সংলগ্ন মূল পথছোৱা অতি ব্যস্ত তথা যান-জঁট হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰ তথা লোকনিৰ্মাণ বিভাগে পাঁচ বছৰ পূৰ্বে ৰে'ল ক্ৰছিংখনৰ বাবে উৰণীয়া সেতু নিৰ্মাণৰ কাম হাতত লৈছিল যদিও ৰহস্যজনকভাৱে সংশ্লিষ্ট বিভাগ তথা কৰ্তৃপক্ষৰ হেমাহিৰ বাবে সেতুখন সম্পূৰ্ণ হৈ নুঠিল। যাৰ বাবেই অলেখ পথচাৰী, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, ৰোগী, আবাল বৃদ্ধ-বনিতাকে ধৰি সৰ্বস্তৰৰ ৰাইজে যমৰ যাতনা ভোগ কৰি আহিছে। পৰিষদৰ জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাই আঁত ধৰা গণ বিক্ষোভ কাৰ্যসূচীত উপস্থিত থাকে যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক মৃণাল কুমাৰ বৰ্মন, প্ৰচাৰ সম্পাদক ব্ৰজেন চৌধুৰী, কাৰ্যনিৰ্বাহক সদস্য নগেন শালৈ, জিলা সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম শৰ্মা, সাধাৰণ সম্পাদক কৌশিক বৰ্মন, হৰিমন্দিৰ পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক নগেন ডেকাকে ধৰি পৰিষদৰ জিলা আৰু আঞ্চলিক সমিতিৰ বহুকেইজন বিষয়ববীয়া।

# পুনৰ পি আৰ এল কোম্পানীৰ গাফিলতিৰ বাবে ভয়ংকৰ পথ দুৰ্ঘটনা, কোনোমতে প্ৰাণৰক্ষা যাত্ৰীৰ

## মালবাহী ট্ৰাকে এশ মিটাৰ মহটিয়াই নিলে এখন চুইফ্‌ট গাড়ী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পুৰণিগুদাম, ৩১ জুলাই ঃ** ৰাষ্ট্ৰীয় ঘাইপথ ফ'ৰলেন নিৰ্মাণ কোম্পানী পি আৰ এলৰ চূড়ান্ত গাফিলতিৰ বাবে যোৱা ২৬ জুলাইত নগাঁও জিলাৰ উৰিয়াগাঁৱত এখন কয়লাভৰ্তি ট্ৰাক নিৰ্মাণ সম্পূৰ্ণ হোৱা পথ ভাঙি পথৰ কাষত বাগৰি পৰিছিল। এই ভয়ংকৰ পথ দুৰ্ঘটনাটোত ট্ৰাকখনৰ চালক, পৰিচালকৰ কোনোমতে প্ৰাণ ৰক্ষা পৰে যদিও কয়লাভৰ্তি ট্ৰাকখনত থকা কয়লাসমূহৰ ব্যাপক ক্ষতি হয়। এই বিষয়টোৱে ফ'ৰলেন নিৰ্মাণ কোম্পানীৰ কামৰ গাফিলতি পোহৰলৈ অহাৰ পিছতে আজি এই নিৰ্মাণ সংস্থাটোৰ চূড়ান্ত গাফিলতিৰ বাবে পুৰণিগুদাম ন-আলিমূৰত এখন ছুইফ্ট গাড়ীক এখন মালবাহী ট্ৰাকে প্ৰায় এশ মিটাৰ চোঁচৰাই লৈ যায় যদিও চাৰিজনকৈ আৰোহীৰ কোনোমতে প্ৰাণৰক্ষা পৰে। উল্লেখ্যে যে দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত দুয়োখন গাড়ী উজনিৰ পৰা নামনিৰ দিশে আহি আছিল। উল্লেখ্যে যে পিআৰএল কোম্পানীয়ে কোনো সাংকেতিক চিহ্ন নোহোৱাকৈ পথটোৰ বিভিন্ন স্থানত শিলগুটি আৰু মাটিৰ দ'ম কৰি থোৱাৰ বাবে গাড়ীসমূহে সেই দ'মসমূহ নিয়ন্ত্ৰণ কৰিবলৈ যোৱাৰ সময়ত দুৰ্ঘটনা সংঘটিত হয়। পি আৰ এল কোম্পানীৰ কামৰ গাফিলতিৰ সম্পৰ্কে সংবাদ মাধ্যমত বাতৰি পৰিৱেশন হৈ আহিলেও এই গাফিলতিৰ ক্ষেত্ৰত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। বিশেষকৈ উৰিয়াগাঁৱৰ পৰা তেলিয়াগাঁৱলৈকে পিআৰএল কোম্পানী, তেলিয়া গাঁৱৰ পৰা ৰঙাগড়ালৈকে এম গংগাসাগৰ আৰু আন স্থানসমূহত বিভিন্ন কোম্পানীসমূহে কাম কৰি আছে যদিও কামৰ এই গাফিলতিৰ বাবে এতিয়া ৰাষ্টীয় ঘাইপথত যমৰ যাতনা ভোগ কৰিছে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অহাযোৱা কৰা যাত্ৰীসকলে। এইক্ষেত্ৰত সৰহসংখ্যক হিন্দীভাষীয়ে কাম পৰিচালনা কৰাৰ বাবে কামৰ আঁচনিৰ সম্পৰ্কে বুজ ল'বলৈ সাধাৰণ লোকসকল অপাৰগ হৈছে। যাৰ বাবে নগাঁও জিলাত হৈ থকা ফ'ৰলেন নিৰ্মাণ কোম্পানীৰ কামত ব্যাপক বিসংগতি সৃষ্টি কৰি এই কোম্পানীসমূহে কাম শেষ কৰি গুচি যাব। কিন্তু এই বিসংগতি যদি এতিয়াই পোহৰলৈ নাহে বা বিভাগে ব্যৱস্থা গ্ৰহণ নকৰে তেনেহ'লে দুৰ্নীতি-অনিয়মৰ আশ্ৰয় লৈ কাম শেষ কৰি গুচি যাব বহিৰাগত এই কোম্পানীসমূহ।

## ক্ষেত্ৰীহাৰদিয়াত এছএছবিৰ সজাগতামূলক অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩১ জুলাই ঃ** হাজোৰ ক্ষেত্ৰীহাৰদিয়াৰ কে চি কে জাতীয় বিদ্যালয়ত ২৮ জুলাইত আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি এছএছবি জোৱানৰ স্বাধীনতা দিৱসৰ সজাগতামূলক অনুষ্ঠান সম্পন্ন কৰা হয়। জানিব পৰামতে সোনাপুৰ(গুৱাহাটী)ৰ SSB 1st বেটেলিয়ানৰ উদ্যোগত আৰু কে চি কে জাতীয় বিদ্যালয়, ক্ষেত্ৰিহাৰদিয়াৰ সহযোগত 'আজাদী কা মহোৎসৱ'ৰ বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। উক্ত মহোৎসৱৰ লগত সংগতি ৰাখি এছএছবিৰ জোৱান, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱক অভিভাৱিকাৰ দ্বাৰা এক বৰ্ণিল শোভাযাত্ৰা উলিওৱা হয়। তাৰ পিছত বিভিন্ন সৃষ্টিশীল অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ৰাইজ উপস্থিত থাকে।



*বোকাখাতত বিশেষভাৱে সক্ষম শিশুৰ মাজত পৰিচয়-পত্ৰ প্ৰদান কৃষি মন্ত্ৰী অতুল বৰাৰ*

# যোৰহাটত বিজুলী মহোৎসৱৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ৩১ জুলাই ঃ** 'দেশৰ শক্তি উৎপাদন ক্ষমতা ২০১৪ চনত ২,৪৮,৫৫৪ মেগাৱাট আছিল আৰু কালি সেয়া বৃদ্ধি হৈ ৪,০০০০০ মেগাৱাট হৈছেহি, ই দেশৰ সৰ্বাধিক চাহিদাতকৈ ১,৮৫,০০০ মেগাৱাট বেছি।' আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্য- শক্তি- ২০৪৭ লক্ষ্যৰে বৰ্তমানলৈকে লাভ কৰিবলৈ সক্ষম হোৱা সাফল্যসমূহ যেনে সৌভাগ্য আঁচনি, সবলীকৃত শক্তি ব্যৱস্থা, সৌৰশক্তিৰ ব্যৱস্থা, উপভোক্তা সকলৰ অধিকাৰ, এখন ৰাষ্ট্ৰ- এটা গ্ৰীড-এটা ফ্ৰিকুৱেঞ্চি আদি সফলতাসমূহ উদযাপনৰ লগতে দেশৰ শক্তিখণ্ডৰ আগন্তক ২০৪৭ লৈকে স্থিৰ কৰি ভৱিষ্য দৰ্শন তুলি ধৰাৰ উদ্দেশ্যে জিলা প্ৰশাসন আৰু যোৰহাট জিলা বিদ্যুৎ বিভাগৰ যুটীয়া উদ্যোগত ৪ দিনীয়াকৈ আয়োজন কৰা বিজুলী মহোৎসৱৰ কালি মৰিয়নীৰ ডকলংগীয়াত অনুষ্ঠিত হোৱা অন্তিম দিনৰ কাৰ্যসূচীৰ আদৰণী ভাষণত বিদ্যুৎ ব্যৱস্থাৰ সামগ্ৰীক বিকাশ সন্দৰ্ভত এইদৰে বক্তব্য আগবঢ়ায় যোৰহাট বৈদ্যুতিক চক্ৰৰ মুখ্য কাৰ্যবাহী বিষয়া মুকুট চন্দ্ৰ দাসে। যোৰহাট বৈদ্যুতিক চক্ৰৰ কৰ্মচাৰী ৰাজীৱ কুমাৰ নাজিৰে সামগ্ৰীক পৰিচালনা কৰা মহোৎসৱৰ অন্তিম দিনাৰ আজিৰ অনুষ্ঠান বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভণী কৰে মুখ্য অতিথি, মৰিয়নী সমষ্টিৰ বিধায়ক ৰূপজ্যোতী কুৰ্মীয়ে। যোৰহাট জিলা প্ৰশাসনৰ হৈ অসম চৰকাৰৰ যুটীয়া সচিব তথা যোৰহাট জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰণৱ বৰা, সহকাৰী আয়ুক্ত হৰেকৃষ্ণ ডেকা, জিলা নদেল বিষয়া চি কে পাল, ডকলংগীয়া চাহ বাগিচাৰ পৰিচালক, জ্যেষ্ঠ সহকাৰী পৰিচালক ক্ৰমে খুসৱন্ত সিং আৰু মনোজ স্বামী যোৰহাট বিদ্যুৎ বিভাগৰ সহকাৰী মহাপ্ৰবন্ধক জ্যোতিষ্ক বৰুৱা, পল্লৱ প্ৰাণ বৰা, অতুল বড়ো, সহকাৰী প্ৰবন্ধক বাবলী ৰাজকোঁৱৰ, বিদ্যুৎ বড়ো, ভাস্কৰ জ্যোতি শইকীয়া, বিদ্যুৎ শইকীয়া উপস্থিত থকা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত যোৰহাটৰ নৱ মিলন সাংস্কৃতিক গোষ্ঠীৰ শিল্পীসকলে নাটক মঞ্চায়ন , সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ লগতে ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰালয়ৰ দ্বাৰা প্ৰচাৰিত তথ্যচিত্ৰ আৰু চুটি ছবি প্ৰদৰ্শন কৰোৱা হয়। ৰাজীৱ কুমাৰ নাজিৰে শলাগ জ্ঞাপন কৰা অনুষ্ঠানত নিতুল গোস্বামী, প্ৰণৱ লাহন, ভাস্কৰ জ্যোতি মহন্ত ভূপেন গগৈ, ধীৰাজ শৰ্মা দেৱেন তাছা, মানসী গোৱালাই সহযোগিতা আগবঢ়ায়। ইয়াৰ আগতে যোৱা ২৮ জুলাইত তৃতীয় দিনাৰ কাৰ্যসূচী তিতাবৰৰ ইকৰাণি সাধনী ভৱনত উদযাপন কৰা হয়। বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা উক্ত দিনাৰ সভাত ঠেংগাল- কছাৰী স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰী, পঞ্চায়তৰ উপসভাপতি হৰেন গগৈ, সাধনী ভৱনৰ সম্পাদক হেমেন শইকীয়াই অংশগ্ৰহণ কৰে।



# বাক্সাৰ বৰিমাখাত শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ কৃতী ছাত্ৰ- ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৩১ জুলাই ঃ** এটা জাতিৰ উন্নয়নৰ বাবে সেই জাতিটোৰ লোকসকল আনুষ্ঠানিকভাৱে শিক্ষিত হ'ব লাগিব। কাৰণ এটা শিক্ষিত জাতিয়েহে দেশৰ বা সমাজৰ উন্নয়ন কৰিব পাৰে । শিক্ষা অবিহনে এটা জাতিৰ উন্নতি অসম্ভৱ। তাৰবাবে আমি সকলোৱে শিক্ষা লাভৰ বাবে অহোপুৰুষাৰ্থ কৰিব লাগিব। এই মন্তব্য শৰণীয়া কছাৰী সাহিত্য সভাৰ সাধাৰণ সম্পাদক লোহিত চন্দ্ৰ দাসৰ। বাক্সা জিলাৰ বৰিমাখা জুনিয়ৰ কলেজৰ প্ৰেক্ষাগৃহত আজি বৰিমাখা আঞ্চলিক শৰণীয়া কছাৰী ছাত্ৰ সন্থা, শৰণীয়া কছাৰী সন্মিলন আৰু শৰণীয়া কছাৰী গণতান্ত্ৰিক নাৰী মঞ্চৰ যৌথ উদ্যোগত উচ্চ আৰু উচ্চতৰ চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাবলৈ অনুষ্ঠিত কৰা সভাত অংশ লৈ শৰণীয়া কছাৰী সাহিত্য সভাৰ সম্পাদক দাসে কয় যে ছাত্ৰ অৱস্থাতে আমি লক্ষ্য স্থিৰ কৰিব লাগিব। তেতিয়াহে ভৱিষ্যৎ জীৱন সুন্দৰ হ'ব। সমাজ, দেশৰ উন্নয়ন হ'ব। তেওঁ পুনৰ ছাত্ৰ-ছাত্ৰীসকলক তথ্য প্ৰযুক্তিৰ উপৰিও আধ্যাত্মিক জ্ঞান আহৰণ কৰিবলৈও আহ্বান জনায়। শৰণীয়া কছাৰী সন্মিলনৰ সভাপতি বিনয় কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আঞ্চলিকৰ অন্তৰ্গত এঘাৰখন গাঁওৰ কৃতী ছাত্ৰ- ছাত্ৰীসকলক মানপত্ৰ, জনগোষ্ঠীয় গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত বৰিমাখা বালিকা হাইস্কুলৰ সহকাৰী শিক্ষক অজিত দাস, বৰবৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰামচন্দ্ৰ দাস, অসমীয়া প্ৰতিদিন কাকতৰ সাংবাদিক মনোহৰ ৰাজবংশী, শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ সদস্য ললিত চন্দ্ৰ দাস, গাঁওবুঢ়া তপন দাসকে ধৰি কেবাজনো ব্যক্তিয়ে ছাত্ৰ- ছাত্ৰীসকলক উদ্যেশ্যি বক্তব্য প্ৰদান কৰে । সমাজকৰ্মী জলেশ্বৰ দাসে আঁতধৰা সভাত জনগোষ্ঠীটোৰ ৪১জন ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয় ।

# আঠখেলীয়াত কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ৩১ জুলাই ঃ** গোলাঘাট জিলাৰ ঐতিহঞ্জ্যণ্ডিত আঠখেলীয়া অঞ্চলৰ আঠখেলীয়া উৰণ পখী ভৱন নামৰ শিশু শিক্ষাৰ আদৰ্শ বিদ্যালয়খনিৰ যোড়শ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে ২০২২ শিক্ষাবৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখঞ্জ্যাতিৰে প্ৰথম বিভাগত উৰ্ত্তীন ২৭গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা-পত্ৰ, স্মাৰক আৰু একোটাকৈ গছপুলিৰে অভিনন্দন জনায়। আঠখেলীয়া বেবেজীয়া গাঁৱৰ জিতেন বৰা নামৰ শিক্ষানুৰাগী বঞ্জ্যক্তিজনৰ পৰিচালনাত পৰিচালিত হোৱা বঞ্জ্যক্তিগত খণ্ডৰ বিদ্যালয়খনৰ পৰা গত ২০২২ শিক্ষা বৰ্ষত হাইস্কুল শেষান্ত পৰীক্ষাত মুঠ ৪০জন ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ তাৰে হৈ দুজনৰ ডিষ্টিচন মাৰ্ক, ১০জনৰ ষ্টাৰ মাৰ্কসহ ২৭জন প্ৰথম বিভাগ, ১১জন দ্বিতীয় বিভাগ আৰু এজন তৃতীয় বিভাগত উত্তীৰ্ণ হোৱাত তেওঁলোকক অভিনন্দন জনোৱাৰ লগতে যোড়শসংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। অনুষ্ঠানটোত বিদঞ্জ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশন কৰা, কবিতা আবৃত্তি, জঞ্জ্যঞ্জতি সঙ্গীত, ৰাভা,সঙ্গীতৰ লগতে সৃষ্টিশীল নৃটঞ্জ্য, দশঅৱতাৰ নৃত্য, কৃষ্ণ নৃত্য আদিয়ে বিদঞ্জ্যলয়ৰ চৌহদ মুখৰিত কৰি তোলে। আঠখেলীয়া উচ্চতৰ মাধঞ্জ্যমিক বিদঞ্জ্যলয়ৰ অৱসপ্ৰাপ্ত প্ৰধান শিক্ষক নৰেন শৰ্মাই সভাপতিত্ব কৰা মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে ধনশ্ৰী মহকুমাৰ সৰুপথাৰ মহা বিদঞ্জ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধঞ্জ্যাপক সতঞ্জ্যব্ৰত দত্ত, জাতীয় বিদঞ্জ্যলয় সমন্ধৰক্ষী সমিতিৰ গোলাঘাট জিলা সমিতিৰ সভাপতি পল্লৱ বৰবৰা, মেৰাপানীৰ হলি কিডচ্ বিদঞ্জ্যলয়ৰ পৰিচালক পৰশমনি বৰুৱা,আঠখেলীয়া উচ্চতৰ মাধঞ্জ্যমিক বিদঞ্জ্যালয়ৰ অধঞ্জ্যক্ষ তুলসী হাজৰিকা, আদিৰ লগত প্ৰায় পাঁছ শতাধিক অভিভাৱক অভিভাৱিকা আৰু ছাত্ৰ -ছাত্ৰীসহ প্ৰায় সহস্ৰাধিক ৰাইজ উপস্থিত থাকে। যোড়শ সংখ্যক বৰ্ষ গৰকা বঞ্জ্যক্তগত খণ্ডৰ বিদঞ্জ্যলয় খনিয়ে আঠখেলীয়া অঞ্চলৰ শৈক্ষিক পৰিৱেশৰ লগতে সংস্কৃতিৰ পৰিবেশৰ ক্ষেত্ৰ লৈ একনতুন দিগন্তৰ সূচনা কৰিছে বুলি অঞ্চলটোৰ ৰাইজে মত প্ৰকাশ কৰিছে।

# কামৰূপ জিলা কৃষি বিভাগৰ কৃষকক কঠীয়া বিতৰণ

**দৈনন্দিন বাৰ্তৰ সেৱা, শুৱালকুছি, ৩১ জুলাই ঃ** বানপীড়িত কৃষকসকলক সকাহ দিবলৈ ৰাজ্যৰ আন প্ৰান্তৰ দৰে কামৰূপ জিলা কৃষি বিভাগৰ অন্তৰ্গত বিভিন্ন ঠাইত সমূহীয়া কঠিয়াতলী প্ৰস্তুত কৰি তোলা হৈছে। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২২-২৩ ৰ অধীনত প্ৰস্তুত কৰা কঠিয়াতলীৰ পৰা কঠিয়া বিতৰণ পৰ্ব আৰম্ভ হৈছে। ৰঙিয়া কৃষি মহকুমাৰ অন্তৰ্গত বাৰাংহাটী আৰু জাঁজীকোণাত কালি কৃষকৰ মাজত শালিধানৰ কঠিয়া বিতৰণ কৰা হয়। ইপিনে, বনগাওঁ কৃষি চক্ৰৰ বাঁহজানী আৰু নকুলৰ ইচ্ছাদঘৰীয়াতো সমূহীয়া কঠিয়াতলী প্ৰস্তুত হৈ উঠিছে। সমান্তৰালকৈ বিতৰণ কাৰ্যসূচী আজিৰে পৰা জিলাখনত আৰম্ভ হৈছে।

# হাজোৰ বৰছলি শাখা ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশন


**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩১ জুলাই ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হাজোৰ বৰলুইত এম ই স্কুল প্ৰাংগণত আজি বৰছলি শাখা ছাত্ৰ সন্থাৰ ৫তম বাৰ্ষিক অধিৱেশন আৰু সম্বৰ্ধনা খনি অনুষ্ঠিত হয়। সেই অনুসৰি এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নৰজ্যাতি দাসৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত অংশগ্ৰহণ কৰি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধৰণ সম্পাদক ইমদাদুৰ ৰহমানে ছাত্ৰ-ছাত্ৰী সকলৰ সমাজ জীৱনৰ ভৱিষ্যতৰ সুনিশ্চয়তাৰ ওপৰত গঠনমূলক বক্তৃতা দাঙি ধৰে। সভাত ২৬গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হ'য়। সভাৰ শেষত বিষয় বাছনিৰে আগন্তুক বৰ্ষৰ বাবে বৰছলি শাখা ছাত্ৰ সন্থাৰ নতুন ২১জনীয়া কমিটীখন গঠন কৰা হ'য়।সভাত শিক্ষক চান্দ মহম্মদ আলী, হুছেইন আলী আহমেদ, জাতীয় বিদ্যালয়ৰ সচিব আব্দুৰ ৰহিম , ফজনুৰ আলী,সমাজকৰ্মী লুতফুৰ ৰহমানৰ লগতে কেৱাগৰাকী আছু নেতা-কৰ্মী উপস্থিত থাকে।

# ধেমাজিত শিশু সুৰক্ষাৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ৩১ জুলাই ঃ** অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগে বিশ্ব মানৱ সৰবৰাহবিৰোধী দিৱস উপলক্ষে ধেমাজি জিলাত অৱস্থিত ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত এখন সজাগতা সভা অনুস্থিত কৰে। উল্লেখ্য যে শেহতীয়াকৈ ধেমাজি জিলাত শিশু সৰবৰাহ সংখ্যা বৃদ্ধি পাই আহিছে। সেয়েহে অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ উদ্যোগত ধেমাজি জিলাৰ সংশ্লিষ্ট বিভাগ তথা বিষয়াসকলৰ মাজত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে এক সজাগতা সভা অনুস্থিত কৰে। আয়োগৰ কাৰিকৰী পৰামৰ্শদাতা মৃদুস্মিতা দত্তই আঁত ধৰা আৰু আয়োগৰ সদস্যা ড° পিলু হাজৰিকাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা সভাখনত আয়োগৰ সদস্য অজয় কুমাৰ দত্ত, ধেমাজি জিলাৰ অতিৰিক্ত উপায়ুক্ত মাদৰ পেগু, ধেমাজি জিলাৰ আৰক্ষী অধীক্ষক ৰঞ্জন ভূএগ, জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া প্ৰফুল্ল দেউৰী, উপ আৰক্ষী অধীক্ষক গৌৰৱ আগৰৱালা ইত্যাদিয়ে সভাত উপস্থিত থাকি ভাষণ দাঙি ধৰে। ইয়াৰ প্ৰথম কাৰিকৰী সত্ৰত অতিৰিক্ত আৰক্ষী অধীক্ষক গৌৰৱ আগৰৱালাই সমল ব্যক্তি ৰূপে উপস্থিত থাকি শিশুক উদ্ধাৰৰ সময়ত আৰক্ষীয়ে অনুসৰণ কৰা সাম্প্ৰতিক আইনগত ব্যৱস্থা আৰু প্ৰক্ৰিয়াবোৰৰ ওপৰত আলোকপাত কৰি ব্যাখ্যা দাঙি ধৰে। সভাৰ দ্বিতীয় কাৰিকৰী সত্ৰত আয়োগৰ সদস্য অজয় কুমাৰ দত্তই শিশু সৰবৰাহৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ভূমিকা বিষয়ত আলোচনা দাঙি ধৰে। তৃতীয় কাৰিকৰী সত্ৰত আয়োগৰ সদস্যা ড° পিলু হাজৰিকাই শিশু সৰবৰাহ ৰোধ কৰাত অংশগ্ৰহণকাৰীসকলৰ ভূমিকা সম্পৰ্কে ব্যাখ্যা কৰে। আনহাতে, সজাগতা সভাখনত শিশু সৰবৰাহ বিষয়ে দুখনি চুটি ছবি প্ৰদৰ্শন কৰাৰ লগতে শিশু গৃহৰ পৰা অহা দুটি শিশুয়ে নিজৰ মনৰ ভাৱ ব্যক্ত কৰে। অনুষ্ঠানটিৰ শেষত আয়োগৰ কাৰিকৰী পৰামৰ্শদাতা খগেন কলিতাই সকলোকে ধন্যবাদ জনায়।

# নিতাইপুখুৰীত কৃষক, কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৩১ জুলাই ঃ** শিৱসাগৰ জিলাৰ ভিতৰতে এক উল্লেখনীয় নিতাইপুখুৰী সমবায় সমিতিৰ আজি বাৰ্ষিক সাধাৰণ সভাখন নিতাইপুখুৰী ৰাজহুৱা ভৱনত সমিতিৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী মুনিন দিহিঙীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয়। সমবায় সমিতিৰ ২০২২-২৩ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ লগতে অনুষ্ঠানটো আঁত ধৰে সম্পাদক শান্তনো শৰ্মাই। শৰ্মাই বাৰ্ষিক প্ৰতিবেদনত ২০২১-২২ বৰ্ষত সমবায় সমিতিয়ে ৯ লাখ ৯৫ হাজাৰ ৫২৬ টকা ৰাহি হোৱাৰ কথা প্ৰকাশ কৰে। বাৰ্ষিক সাধাৰণ সভাৰ লগত সংগতি ৰাখি আয়োজিত বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠানত থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই মুখ্য অতিথি হিচাপে উপস্থিত থাকি নিতাইপুখুৰী সমবায় সমিতিৰ দ্বাৰা পৰিচালিত ধান ক্ৰয় কেন্দ্ৰত (পিপিচি) ধান বিক্ৰি কৰা প্ৰায় ১২৫ গৰাকী কৃষকৰ লগতে প্ৰায় ৬০ গৰাকী সদ্য ঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নিতাইপুখুৰী অঞ্চলৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কীৰ্তি ছাত্ৰ-ছাত্ৰীক অভিনন্দন পত্ৰ ফুলাম গামোচাৰ আৰু কৃষক সকলক সম্বৰ্দ্ধনা পত্ৰ ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনায় বিধায়ক গৰাকীয়ে।বিধায়ক গৰাকীয়ে অনুষ্ঠানত উপস্থিত ছাত্ৰ-ছাত্ৰী সকলৰ বিদ্যায়তনিক জীৱনত উপকৃত হোৱাকৈ বহুকেইটা গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়োৱাৰ লগতে কৃষক আৰু ৰাইজক উদেশ্যে কয় যে, সমবায় মানে চাউল, চেনী, তেল নহয়। কম সময়ত অধিক ধন উপাৰ্জন কৰিবলৈ হলে সমবায় ভিত্তিক কৃষি কৰ্ম, মীন পালন, পশুপালন কৰিবলৈ গাম্য অঞ্চলৰ যুৱক-যুৱতী আগ্ৰহী হওক। এই ক্ষেত্ৰত তেওঁলোকক চৰকাৰে সহায় কৰিবলৈ প্ৰস্তুত। ইয়াৰ জড়িয়তে অৰুণোদয় বা অনান্য চৰকাৰী অনুদানতকৈ বহুগুণ উন্নতি কৰিব পৰা যায় বুলি বিধায়ক গৰাকীয়ে কয়। আনহাতে বিধায়ক গৰাকীয়ে ১৯৭২ চনতে নিৰ্মাণ কৰা নিতাইপুখুৰী সমবায় সমিতিখনৰ গোদামগৃহ জৰাজীৰ্ণ হৈ থকাত সমবায় সমিতিৰ আবেদনৰ প্ৰতি সন্মান জনাই গোদামগৃহ মেৰামতি কৰিবলৈ ১০ লাখ টকা আৱণ্টন দিয়াৰ কথা ঘোষণা কৰে। এই অনুষ্ঠানতে কৃষি বিষয়া স্মৃতিৰাণী বড়া উপস্থিত থাকি কৃষক সকলৰ লগতে ৰাইজক কৃষি প্ৰতি মনোনিবেশ হবলৈ আহ্বান জনায়। ইফালে নিতাইপুখুৰী বাৰ্ষিক সাধাৰণ সভাতে আগন্তুক পাঁচটা বছৰৰ নতুন কাৰ্যনিৰ্বাহক আনুষ্ঠানিকভাৱে নিৰ্বাচনী বিষয়া ৰঞ্জিত ফুকনে নাম ঘোষণা কৰি উপস্থিত ৰাইজৰ আগত পৰিচয় কৰাই দিয়ে।নিতাই পানীদিহিং অঞ্চলৰ প্ৰায় তিনি শতাধিক ৰাইজৰ উপস্থিত থকা সভাত যোগান বিভাগকে আদিকৰি ডিমৌ নিতাইপুখুৰীৰ ভালেকেইগৰাকী বিশিষ্ট নাগৰিক উপস্থিত থাকে।



# নাজিৰাত পুনৰ গাড়ী চুৰি

**দৈনন্দিন বাৰ্তৰ সেৱা, নাজিৰা, ৩১ জুলাই ঃ** নাজিৰাত গৃহস্থৰ চোতালৰ গেৰেজৰ পৰা ২৯ জুলাইৰ নিশা এখন বলেৰ' গাড়ী (নম্বৰ এএছ ০৪ বিচি ৩৪১৪) চুৰি কৰি নিয়া ঘটনাই পোনৰ নগৰ খনৰ লগতে কাষৰীয়া গ্ৰামাঞ্চলত গাড়ী চোৰ সক্ৰিয় হৈ পৰাৰ চাক্ষুস প্ৰমাণ দাঙি ধৰিলে। নাজিৰা আদৰ্শ আৰক্ষী থানাৰপৰা প্ৰায় ২ কিঃমিঃ দূৰত্বত ন-কপহুৱাৰ শিক্ষক সুৰেণ ফুকনৰ বাসগৃহৰ চৌহদৰ গে'টৰ তলা ভাঙি চোৰে গাড়ীখন লৈ যায়। কাষতে ৰখাই থোৱা দুখন ট্ৰাকসহ সৰু মটৰ গাড়ীৰ মাজৰপৰা ব'লেৰ গাড়ীখন লৈ যোৱাৰ সময়ত নিশা শোৱনি কোঠাৰ খুলি ৰখা খীড়িকী কেইখনো চোৰে বন্ধ কৰি দিয়ে আৰু বৰষুণৰ মাজতে গাড়ীখন অনায়সে লৈ যাবলৈ সক্ষম হয় । অ'এনজিচিত সেৱা আগবঢ়াই অহা বলেৰ'খন সুৰেন ফুকনৰ পুত্ৰ মৃন্ময় ফুকনৰ নামত পঞ্জীকৃত আৰু নিবনুৱা যুৱকজনে নিজে গাড়ীখনৰ চালক হিচাপে দায়িত্ব পালন কৰি আহিছে । বছৰটোৰ ভিতৰত বালিঘাট, সিংহদুৱাৰ আদি এলেকাৰপৰাও ক্ৰমে অ'এনজিচিত চলি থকা টাটা চুমো আৰু ব'লেৰ গাড়ী চোৰে লৈ যোৱাৰ অন্তৰালত কি কাৰণ থাকিব পাৰে তাক লৈয়ো একাংশ লোকে এই বাহন সমূহত আৰক্ষীয়ে কাগজ পত্ৰ আৰু চালকৰ তথ্য পৰীক্ষা নকৰাকৈয়ে এৰি দিয়াৰ বাবেই এই গাড়ী সমূহ লৈ যোৱাত চোৰে পূৰ্ণ সুযোগ লোৱা বুলি ক'ব খোজে। ঘটনা সন্দৰ্ভত নাজিৰা আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰিছে।

# ৰিতু মৰাণলৈ সুপ্ৰভা শইকীয়া স্মাৰক বঁটা

**দৈনন্দিন বাৰ্তৰ সেৱা, কাকপথাৰ, ৩১ জুলাই ঃ** ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কাকপথাৰৰ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ ছাত্ৰ ৰিতু মৰাণে তিনিচুকীয়া জিলাৰ ভিতৰত অসমীয়া বিষয়ত সৰ্বোচ্চ সন্মান লাভ কৰি 'সুপ্ৰভা শইকীয়া স্মাৰক বঁটা' লাভ কৰে। ডিষ্টিংচনসহ উত্তীৰ্ণ হোৱা ৰিতু মৰাণৰ অসমীয়া বিষয়ত প্ৰাপ্ত নম্বৰ হ'ল ৯৬। তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠানত প্ৰদান কৰা এই বঁটাটোত আছে পাঁচ হাজাৰ টকা, চেলেং চাদৰ, প্ৰমাণ পত্ৰ, শৰাই আৰু কিতাপৰ টোপোলা। উল্লেখনীয় যে এইবাৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত মহাবিদ্যালয়ৰ খনৰ প্ৰথমটো দলৰ এশ শতাংশ ছাত্ৰ ছাত্ৰীয়ে উত্তীৰ্ন হৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ ভিতৰত প্ৰথম বিভাগ পোৱা ছাত্ৰ ছাত্ৰীসকল হ'ল ক্ৰমে ৰিতু মৰাণ, মৌচুমী গগৈ, বদন মৰাণ আৰু ৰূপম মৰাণ। নৱ প্ৰতিষ্ঠিত মহাবিদ্যালয়খনৰ এই সাফল্যত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ঠানুৰাম মজিন্দাৰৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ একতা সভা তথা স্থানীয় ৰাইজেও সন্তোষ প্ৰকাশ কৰিছে। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকি শদিয়া সমষ্টিৰ বিধায়ক বলীন চেতিয়াইও মহাবিদ্যালয়ৰ ফলাফলত আনন্দ প্ৰকাশ কৰি শিক্ষক-ছাত্ৰ ছাত্ৰীৰ উমৈহতীয়া প্ৰচেষ্টাৰ শলাগ লয়।

# মাৰ্ঘেৰিটাত বিজেপিৰ ৰাজ্যিক নেত্ৰী আঙুৰলতাৰ বিৰুদ্ধে প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ৩১ জুলাই ঃ** কংগ্ৰেছৰ নেতা অধীৰঞ্জন চৌধুৰীয়ে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক অপমানজনক মন্তব্য কৰাৰ প্ৰতিবাদত শুকুৰবাৰে গুৱাহাটীত কংগ্ৰেছ নেতাজনৰ বিৰুদ্ধে হোৱা প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিজেপি মহিলা মৰ্চাৰ সভানেত্ৰী আঙুৰলতা ডেকাই আহোম জনগোষ্ঠীৰ বিৰুদ্ধে কিছু বিতৰ্কিত মন্তব্য কৰা বুলি অভিযোগ উঠিছিল। ইয়াৰ পাছতে সমগ্ৰ ৰাজ্যজুৰি আঙুৰলতাৰ বিৰুদ্ধে প্ৰতিবাদ মূখৰ হৈ পৰিছে টাই আহোম সম্প্ৰদায়ৰ লোকসকল। মাৰ্ঘেৰিটাৰ ৰাজপথত আঙুৰলতাৰ প্ৰতিকৃৰ্তি দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে টাই আহোম সম্প্ৰদায়ৰ লোকসকলে। আহোম জনগোষ্ঠীৰ বিৰুদ্ধে মুৰ্দাবাদ ধ্বনি দিয়া আঙুৰ লতা ডেকাক গ্ৰেপ্তাৰ কৰিবলৈ সম্প্ৰদায়ৰ লোক সকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দাবী জনাই অন্যথা আগন্তোক সময়ত তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ ৰূপায়ণ কৰিব বুলি হুংকাৰ দিয়ে।

# টেঙানীত কীৰ্তিমানক অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ৩১ জুলাই ঃ** গোলাঘাট জিলাৰ বৰপথাৰ মৌজাৰ অন্তৰ্গত টেঙানিৰ কছাৰীহোলা প্ৰাৰ্থমিক বিদ্যালয় প্ৰাংগণত টেঙানী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কছাৰীহোলা শাখাগোট ছাত্ৰ সন্থাৰ সহযোগত অনুষ্ঠিত হয় কৃৰ্তিমানৰ বিশেষ অভিনন্দন অনুষ্ঠানত। ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৃহত্তৰ টেঙানি অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰী সকলক বিশেষভাৱে অভিনন্দন জনোৱা হয়। এই অনুষ্ঠানত প্ৰায় ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীক সংগঠনটোৱে অভিনন্দন জনায়। আজিৰ এই অভিনন্দন অনুষ্ঠানটোৰ শুভ উদ্বোধন কৰে গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰঞ্জন সোণোৱালে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য শশধৰ গগৈ।

## গুণগত শিক্ষাই হৈছে প্ৰকৃত শিক্ষা ঃ ড° ধনেশ্বৰ বৈশ্য

# নলবাৰী জিলা অনুসূচিত ধোবী জাতি লোককল্যাণ পৰিষদৰ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩১ জুলাই ঃ** নলবাৰী জিলা অনুসূচিত ধোবী জাতি লোক কল্যাণ পৰিষদৰ অভিনন্দন অনুষ্ঠান সম্পন্ন। গুণগত শিক্ষাই হৈছে প্ৰকৃত শিক্ষা , সাম্প্ৰতিক প্ৰতিযোগিতামূলক পৰীক্ষা সমূহৰ প্ৰতি লক্ষ্য ৰাখি অভিভাৱক সকলে নিজৰ ল'ৰা-ছোৱালী সকলক শিক্ষাৰ গুণগত দিশটোৰ ওপৰতহে অধিক গুৰুত্ব দিবলৈ আহ্বান জনাই নলবাৰী জিলাৰ বৰভাগ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক ডং ধনেশ্বৰ বৈশ্যই। আজি নলবাৰী জিলা অনুসূচিত ধোবী জাতি লোক কল্যাণ পৰিষদৰ উদ্যোগত মহিনা আঞ্চলিক সমিতিৰ সহযোগত ৩১ জুলাই,ৰবিবাৰে মহিনা হাইস্কুলৰ প্ৰেক্ষাগৃহত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত,উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ বৃহত্তৰ নলবাৰী জিলাৰ অন্তৰ্গত ধোবী জাতিৰ ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জনাবলৈ আয়োজন কৰা অভিনন্দন অনুষ্ঠানটিত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বৈশ্য ডাঙৰীয়াই এইদৰে মন্তব্য কৰে। নলবাৰী জিলা সমিতিৰ সভাপতি বিজয় বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অভিনন্দন অনুষ্ঠানটিত সদৌ অসম অনুসূচিত ধোবী জাতি লোক কল্যাণ পৰিষদৰ সন্মানীয় সভাপতি দিলীপ মেধী,উপ-সভাপতি গোবিন্দ পাঠককে আদি কৰি কেন্দ্ৰীয় সমিতিৰ প্ৰায়বোৰ বিষয়-ববীয়া, উলুবাৰী আঞ্চলিক হাইস্কুল, তামুলপুৰৰ সহকাৰী শিক্ষক মহেশ বৈশ্য ডাঙৰীয়া , উত্তৰ-পূৰ্বাঞ্চল চেণ্ট্ৰেল বেংক কৰ্মচাৰী সন্থাৰ সভাপতি প্ৰমোদ বৈশ্য ডাঙৰীয়াকে আদি কৰি ভালে সংখ্যক বিশিষ্ট ব্যক্তিয়ে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক নিজকে দেশৰ প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। প্ৰায় পাঁচ শতাধিক অনুসূচিত ধোবী জাতিৰ লোক উপস্থিত থকা আজিৰ এই সভাতেই ৭০ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা,অভিনন্দন পত্ৰ ,কিতাপ আৰু কলমেৰে অভিনন্দন জ্ঞাপন কৰা হয়।




# কুলবিলত মেধাৱী ছাত্ৰীক অভিনন্দন

**দৈনন্দিন বাৰ্তৰ সেৱা, পশ্চিম নলবাৰী, ৩১ জুলাই ঃ** পশ্চিম নলবাৰীৰ চামতাৰ আগশাৰীৰিৰ সাংস্কৃতিক অনুষ্ঠান 'আকাশ'- এক কলাত্মক অনুষ্ঠানৰ তৰফৰ পৰা চামতা কুলবিল নিৱাসী মেধাৱী ছাত্ৰী অনন্যা কাশ্যপক অভিনন্দন জনায় । সদ্য ঘোষিত চি বি এচ ই দশম শ্ৰেণীৰ ২০২১-২০২২ বৰ্ষৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত নলবাৰী জাপাৰকুছিস্থ নালন্দা পাব্লিক স্কুলৰ পৰা পৰীক্ষা দি আটাইকেইটা বিষয়ত লেটাৰ সহ: ৯২,২ শতাংশ নম্বৰ লাভকৰি ' ডিষ্টিংচন ' সন্মান সহ : সুখ্যাতিৰে উৰ্ত্তিৰ্ণ অনন্যা কাশ্যপক কালি সন্ধিয়া তেওঁৰ কুলবিলৰ নিজ ঘৰতে "আকাশ"ৰ অধ্যক্ষ চন্দন প্ৰয়াস, অন্যতম কাৰ্যনিৰ্বাহক সদস্য প্ৰাঞ্জল মিশ্ৰ আৰু একাংশ সদস্যই ফুলাম গামোছা , কলম প্ৰদান কৰি অভিনন্দন জনায় । ১৫৬ নং নদলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজেন বৈশ্য আৰু অংগনাবাদী কেন্দ্ৰৰ কৰ্মী বিনীতা বৈশ্যৰ কন্যা অনন্যা কাশ্যপে পঞ্চম শ্ৰেণীলৈ চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰি পঞ্চম শ্ৰেণীৰ মুখ্যমনন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষাতো সুখ্যাতিৰে উত্তিৰ্ণ হৈছিল। এইফালে অন্যান্যৰ এনে উন্নত ফলাফলৰ কথা জানিব পাৰি ইতিমধ্যে কৃতি শিক্ষকৰ ৰাজ্যিক বঁটা প্ৰাপক; পশ্চিম চামতা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমণী বৰ্মন, পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি, উপ-সভাপতি, সম্পাদক, সদস্য ক্ৰমে গণেশ বৰ্মন, দ্বিপেন মেনা, প্ৰদীপ কুমাৰ বৰ্মন, জোনকুমাৰ হালৈ, চন্দন তালুকদাৰ, অজিত শৰ্মা, ৰূপ কুমাৰ শৰ্মা, পৰাগমণি দাস, নলবাৰী চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিৰাজ গোস্বামী, চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ বলেন্দ্ৰ কুমাৰ গোস্বামী, কবি দিলীপ তালুকদাৰকেধৰি অৰ্ধশতাধিক শুভাকাংশীয়ে মেধাৱী ছাত্ৰী অনন্যাক তেওঁৰ ঘৰতে কলম, কিতাপ, ডায়েৰী আদি প্ৰদান কৰি অভিনন্দন জনায়। অদূৰ ভৱিষ্যতে এগৰাকী সু চিকিৎসক হোৱাৰ মন মেলা অনন্যাই সম্প্ৰতি নলবাৰীৰ ডি ইন্টিগ্ৰেটেড একাডেমীত বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিকৰ দুটা বছৰ পঢ়িব বুলি জানিব দিছে।



# বঙাইগাঁও জিলা নিৰ্বাচনী বিষয়াৰ সংবাদ মেল

**দৈনন্দিন বাৰ্তৰ সেৱা, বঙাইগাঁও, ৩১ জুলাই ঃ** বঙাইগাঁও জিলাৰ উপায়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া নবদ্বীপ পাঠকে শনিবাৰে উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী সম্পৰ্কত এখন সংবাদ মেল সম্বোধন কৰে। তেওঁ সংবাদ মেলযোগে জানিবলৈ দিয়া মতে বঙাইগাঁও নিৰ্বাচনী জিলাৰ অন্তৰ্গত ৩২ নং বঙাইগাঁও বিধানসভা সমষ্টিত মুঠ ১,৮০,৪৭০ (এক লাখ আশী হেজাৰ চাৰিশ সত্তৰ) গৰাকী ভোটাৰ আছে । তাৰে ভিতৰত ৮৯,১৯২ (উনানব্বৈ হেজাৰ এশ বিৰানব্বৈ) গৰাকী পুৰুষ ভোটাৰ, ৯১,২৭৫ (একানব্বৈ হেজাৰ দুশ পয়সত্তৰ) গৰাকী মহিলা ভোটাৰ আৰু ৩ গৰাকী তৃতীয় লিংগৰ ভোটাৰ। আনহাতে, ডি-ভোটাৰ আছে ২৪২গৰাকী। বিধানসভা সমষ্টিটোত মুঠ ২৪২ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে । ইপিনে ২০২৩ বৰ্ষৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ সূচী অনুসৰি ভোটগ্ৰহণ কেন্দ্ৰৰ পুনৰ নিৰ্ধাৰণ, ভোটাৰ তালিকাত থকা বিভিন্ন খেলিমেলি বা ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ আদিৰ খেলিমেলি সংশোধন কৰা, ফটোগ্ৰাফ উন্নতকৰণ, ভোটগ্ৰহণ কেন্দ্ৰৰ চূড়ান্তকৰণ আদিৰ কাম চলিত বৰ্ষৰ ৪ আগষ্টৰ পৰা ২৪ অ'ৌৱৰলৈ কৰা হ'ব। ১ নম্বৰৰ পৰা ৮ নম্বৰলৈ প্ৰপত্ৰসমূহ প্ৰস্তুতকৰণ আৰু ১ অ'ৌৱৰক ভিত্তি তাৰিখ হিচাপে লৈ পৰিপূৰক ভোটাৰ তালিকা আৰু সংহত খচৰা ভোটাৰ তালিকা ২৫ অক্টোবৰৰ পৰা ৭ নৱেম্বৰৰ ভিতৰত প্ৰস্তুত কৰা হ'ব। খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব ৯ নৱেম্বৰত। দাবী আৰু ওজৰ-আপত্তিসমূহ ৯ নৱেম্বৰৰ পৰা ৮ ডিচেম্বৰলৈ দাখিল কৰিব পাৰিব আৰু ২০২৩ বৰ্ষৰ ৫ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব । ভোটাৰ তালিকাত নতুনকৈ নাম ভৰ্তিৰ বাবে ৬ নং প্ৰপত্ৰ যোগে আবেদন কৰিব পাৰিব। ইয়াৰ লগত সংশোধন কৰি ৬ (খ) নং প্ৰপত্ৰ সন্নিৱিষ্ট কৰা হৈছে আৰু সংশোধিত এই নিয়ম অনুসৰি ভোটাৰ তালিকা প্ৰামাণিকৰণৰ বাবে আধাৰ সংযোগ কৰিব পাৰিব। অৱশ্যে আধাৰ সংযোগ বাধ্যতামূলক নহয়। সেইদৰে ৭নং প্ৰপত্ৰ যোগে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি বা কৰ্তনৰ সম্পৰ্কত কিবা আপত্তি থাকিলে তাৰ বাবে আবেদন কৰিব পাৰিব। প্ৰপত্ৰ ৮ যোগে বাসস্থানৰ পৰিবৰ্তন, ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ সলনিকৰণ বা শাৰীৰিক বাধাগ্ৰস্ততা চিহ্নিতকৰণৰ আবেদন কৰিব পাৰিব । উল্লেখ থাকে যে নতুনকৈ প্ৰবৰ্তন কৰা নিয়ম অনুসৰি ২০২৩ বৰ্ষৰ সংক্ষিপ্ত সংশোধনীৰ ভিত্তি তাৰিখ ১ জানুৱাৰী, ১ এপ্ৰিল, ১ জুলাই আৰু ১ অক্টোবৰ নিৰ্ধাৰণ কৰা হৈছে। অৰ্থাৎ আবেদনকাৰীয়ে নতুনকৈ ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি কৰাৰ বাবে ১ জানুৱাৰী ভিত্তি তাৰিখ হিচাপে আবেদন কৰাৰ উপৰি পৰৱৰ্তী ১ এপ্ৰিল বা ১ জুলাই আৰু ১অ'ৌৱৰ তাৰিখকো ভিত্তি তাৰিখ হিচাপে পাই ৬ নং প্ৰপত্ৰত দাবী দাখিল কৰিব পাৰিব। আনহাতে, NVSP[National Voter Services Portal] Õ±1n¸ VHA[ Voter Helpline App] App যোগেও ৰাইজে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি, শুধৰণি আৰু নাম স্থানান্তৰৰ বাবে প্ৰত্যক্ষভাৱে আবেদন জনাব পাৰিব। সংবাদ মেলত অতিৰিক্ত উপায়ুক্ত তথা নিৰ্বাচনী বিষয়া(ভাৰপ্ৰাপ্ত) বিষয়া মগেন নৰহ, সহকাৰী আয়ুক্ত শিল্পীৰেখা পণ্ডিত আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়া বিনু ৰাণী ৰাজবংশীও উপস্থিত থাকে ।

# কমনৱেল্‌থ গেমছত জেৰেমিৰ সোণ, বিন্দিৰাণীৰ ৰূপ







**বাৰ্মিংহাম, ৩১ জুলাই ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকৰ পদক জয়ৰ গৌৰৱময় যাত্ৰা অব্যাহত আছে। আজি তৃতীয় দিনা ভাৰোত্তোলনত ভাৰতে এটা সোণ আৰু এটা ৰূপ লাভ কৰিবলৈ সক্ষম হয়। মিজোৰামৰ যুৱ ভাৰোত্তোলক জেৰেমি লালৰিনুংগাই আজি পুৰুষৰ ৬৭ কিলোগ্ৰাম শাখাত খেলি চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতক দ্বিতীয়টো সোণৰ পদক দিবলৈ সক্ষম হয়। প্ৰথমবাৰৰ বাবে কমনৱেলথ গেমছ খেলা জেৰেমিয়ে স্নেচত অভিলেখ গঢ়ি ১৪০ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৬০ কিলোগ্ৰাম মুঠ ৩০০ কিলোগ্ৰাম উত্তোলন কৰি সোণ জয় কৰে। ইয়াৰপূৰ্বে কালি ভাৰোত্তোলনত ভাৰতক সোণ জয়ৰ গৌৰৱ দিছিল টকিঅ' অলিম্পিকৰ ৰূপজয়ী মণিপুৰ মহিলা ভাৰোত্তোলক মীৰাবাঈ চানুৱে। ক্ৰমাগত তিনিখন কমনৱেলথ গেমছত পদক জয়ৰ সফলতা লাভ কৰে চানুৱে। ইয়াৰপূৰ্বে ২০১৪ ত ৰূপ আৰু ২০১৮ ত সোণ লাভ কৰিছিল মীৰাবায়ে। উল্লেখ্য যে প্ৰতিভাবান ভাৰোত্তোলক জেৰেমি লালৰিনুংগাই ২০১৮ ত যুৱ অলিম্পিকত সোণ লাভ কৰাৰ লগতে বিশ্ব ভাৰোত্তোলনতো দেশক পদক দিছিল। আজি কমনৱেলথ গেমছত গৌৰৱময় স্বৰ্ণ জয়ৰ সফলতা লাভ কৰাৰ পাছতে মিজোৰামৰ যুৱ ভাৰোত্তোলক জেৰেমিক ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীসহ দেশৰ ভিন্নক্ষেত্ৰৰ বিশিষ্ট লোকে শুভেচ্ছা জনাইছে। ইফালে, জেৰেমিৰ পূৰ্বে মনিপুৰৰ মহিলা ভাৰোত্তোলক বিন্দিৰাণী দেৱীয়ে দেশক প্ৰতিনিধিত্ব কৰি ৫৫ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰে। তেওঁ স্নেচত ৮৬ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১১৬ কিলোগ্ৰাম মুঠ ২০২ কিলোগ্ৰাম উত্তোলন কৰি ৰূপ জয় কৰে। এই শাখাৰ সোণ লাভ কৰে নাইজেৰিয়াৰ আদিজাতে মুঠ ২০৩ কিলোগ্ৰাম উত্তোলন কৰি। ইয়াৰপূৰ্বে কালি ভাৰতক প্ৰথমটো পদক দিয়াৰ গৌৰৱ লাভ কৰিছিল পুৰুষ ভাৰোত্তোলক সংকেট সাগৰে। পুৰুষৰ ৫৫ কিলোগ্ৰাম শাখাত সংকেটে স্নেচত ১১৩ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৩৫ কিলোগ্ৰাম মুঠ ২৪৮ কিলোগ্ৰাম উত্তোলন কৰি ৰূপ জয় কৰিছিল। স্মৰ্তব্য যে কেৰিয়াৰৰ প্ৰথমখন কমনৱেলথ গেমছ খেলা সংকেটে অপ্ৰতিৰুদ্ধ হৈ সোণ দখল কৰাৰ দিশে অগ্ৰসৰ হৈছিল যদিও ক্লিন এণ্ড জাৰ্কৰ দ্বিতীয়টো উত্তোলনত আঘাত পোৱাত ৰূপৰ পদকতে সন্তুষ্ট থাকিব লগা হয়। আনহাতে, কালিয়ে ভাৰোত্তোলনত দেশক দ্বিতীয়টো পদক দিয়ে গুৰুৰাজা পুজাৰীয়ে। উল্লেখ্য যে পুৰুষৰ ৬১ কিলোগ্ৰাম শাখাৰ ভাৰোত্তোলনত ভাৰতৰ গুৰুৰাজা পুজাৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ভাৰতীয় ভাৰোত্তোলকজনে স্নেচত ১১৮ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৫১ কিলোগ্ৰাম মুঠ ২৬৯ কিলোগ্ৰাম উত্তোলন কৰি ব্ৰঞ্জ পদক জয় কৰে। স্মৰ্তব্য যে কমনৱেলথ গেমছত এয়া গুৰুৰাজা পুজাৰীৰ ক্ৰমাগত দ্বিতীয়টো পদক। ইয়াৰপূৰ্বে বিগত ২০১৮ ৰ গ'ল্ডক'ষ্ট কমনৱেলথ গেমছতো পুজাৰীয়ে ৰূপৰ পদক লাভ কৰিছিল।

## ভাৰতীয় দলৰ অধিনায়কৰূপে দুখন বিশ্ব টেনিছলৈ অসমৰ নাজনীন

**গুৱাহাটী, ৩১ জুলাই ঃ** অসমৰ নাজনীন ৰহমানে ভাৰতীয় টেনিছ দলৰ সন্মানীয় অধিনায়ক পদ লাভ কৰিছে। উল্লেখ্য যে অহা ৩১ জুলাইৰ পৰা পাঁচ আগষ্টলৈ পৰ্তুগালত অনুষ্ঠিত হ'ব আই টি এফ ছিনিয়ৰ মাৰ্গাৰেট কৰ্ট কাপ ৰল্ড চেম্পিয়নশ্বিপ টেনিছ প্ৰতিযোগিতা। আন্তৰ্জাতিক টেনিছ ফেডাৰেছনৰ সন্মানীয় প্ৰতিযোগিতাখনত বিশ্বৰ মুঠ ২৩ খন দেশৰ খেলুৱৈয়ে অংশ ল'ব। স্মৰ্তব্য যে আই টি এফ ছিনিয়ৰ মাৰ্গাৰেট কৰ্ট কাপ ৱ'ল্ড চেম্পিয়নশ্বিপ টেনিছ প্ৰতিযোগিতাত ভাৰতৰ খেলুৱৈয়েও অংশ লোৱাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। আনহাতে, অসমৰ নাজনীন ৰহমানে এই আন্তৰ্জাতিক প্ৰতিযোগিতাখনত ভাৰতীয় টেনিছ দলক নেতৃত্ব দিয়াৰ কৃতিত্ব লাভ কৰিছে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই এই কথা জানিবলৈ দিছে। দত্তই জনোৱা অনুসৰি ভাৰতীয় দলৰ অন্য সদস্যসকল হ'ল সোনাল বড়া, প্ৰেৰণা আপটে আৰু ৰশ্মী মোহন। ইফালে, আই টি এফ ছিনিয়ৰ মাৰ্গাৰেট কৰ্ট কাপ ৰল্ড চেম্পিয়নশ্বিপ টেনিছ প্ৰতিযোগিতাৰ পাছতে পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হ'ব আন এখন একক শাখাৰ বিশ্ব টেনিছ চেম্পিয়নশ্বিপ। ছয়ৰ পৰা ১২ আগষ্টলৈ হ'ব এই আন্তৰ্জাতিক প্ৰতিযোগিতাখন। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি অসম কন্যা নাজনীন ৰহমানে এই বিশ্ব টেনিছ চেম্পিয়নশ্বিপখনতো দেশক প্ৰতিনিধিত্ব কৰি অংশ ল'ব। নাজনীনৰ এই সফলতাৰ বাবে অসম টেনিছ সন্থাই তেওঁক শুভেচ্ছা জনোৱাৰ লগতে দুয়োখন আন্তৰ্জাতিক প্ৰতিযোগিতাত সফলতা লাভ কৰাৰ আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে নাজনীনে বিগত বৰ্ষত ৰাজ্যৰ শ্ৰেষ্ঠ ক্ৰীড়াবিদৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল।

## এ ডিভিজন ফুটবল লীগ আৰম্ভ

**গুৱাহাটী, ৩১ জুলাই ঃ** আজিৰে পৰা তেজপুৰৰ পলগ্ৰাউণ্ডত আৰম্ভ হৈছে অৰুণ চন্দ্ৰ শৰ্মা আৰু গোলাপ লতা দেৱী সোঁৱৰণী এ ডিভিজন ফুটবল লীগ। তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত এই ফুটবল প্ৰতিযোগিতাখনত অসম ৰাইফলছ,এন ই ফুটবল একাদশ,মাজগাঁও ফুটবল একাদশ, ৰাইন' ফুটবল একাদশ, সোণাবিল ফুটবল একাদশ, হকছ ফুটবল একাদশ, কলচি ফুটবল একাদশকে ধৰি মুঠ আঠটা দলে অংশগ্ৰহণ কৰিছে। আজি লীগৰ প্ৰথমখন খেল অনুষ্ঠিত হয় ৰাইন' ফুটবল একাদশ আৰু সোনাবিল চাহবাগাচা ফুটবল একাদশৰ মাজত। খেলখনত হেমতন আৰু কৰণ ছেত্ৰীৰ গলৰ সহায়ত ৰৰইন' একাদশে ২-০ গ'লৰ ব্যৱধানত জয়লাভ কৰে। তেজপুৰ জিলা ক্ৰীড়া সংস্থাৰ সভাপতি জিতেন বৰঠাকুৰ, অসম অলিম্পিক সংস্থাৰ উপ সভাপতি ঋতুবৰণ শৰ্মা, তেজপুৰ নগৰ উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ বিৰাজ নাথ,পৌৰসভাৰ সভাপতি তথা প্ৰাক্তন ৰঞ্জী খেলুৱৈ প্ৰজ্ঞানু ভট্টাচাৰ্য,জিলা ক্ৰীড়া সংস্থাৰ উপসভাপতি তথা ফুটবল লীগৰ দাঁতা প্ৰয়াস শৰ্মা আদিৰ উপস্থিতিত অনুষ্ঠিত লীগখনৰ আৰম্ভণিতে সদ্যসমাপ্ত যুৱ অলিম্পিকত বিভিন্ন প্ৰতিযোগিতাত অংশলৈ তেজপুৰলৈ গৌৰৱ কঢ়িয়াই অনা ৩০ গৰাকী খেলুৱৈক আদৰণি জনোৱা হয়। উল্লেখ্য যে তেজপুৰৰ খেলুৱৈয়ে পাঁচটা সোণ,১২ টা ৰূপ আৰু ১৫ টা ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

## আন্তঃজিলা ফেন্সিঙত ওদালগুৰি জিলাৰ সাফল্য


**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ৩১ জুলাই ঃ** গোৱালপাৰা জিলাৰ দুধনৈত অনুষ্ঠিত হোৱা আন্তঃজিলা ফেন্সিং প্ৰতিযোগিতা(১০, ১২ আৰু ১৪ বছৰ অনুৰ্দ্ধৰ)ত ওদালগুৰি জিলাৰ পৰা প্ৰতিনিধিত্ব কৰি মানস জ্যোতি বড়োই অনুৰ্দ্ধ-১২ শাখাৰ ছেৱ্ৰেত সোণৰ পদক, বন্দিতা নাথে অনুৰ্দ্ধ-১০ শাখাৰ ছেৱ্ৰেত ৰূপৰ পদক আৰু অনুৰ্দ্ধ-১২ শাখাৰ ছেৱ্ৰেত ব্ৰঞ্জৰ পদক আৰু নিয়ৰ শৰ্মাই অনুৰ্দ্ধ-১২ শাখাৰ ছেৱ্ৰেত ৰূপৰ পদক অৰ্জন কৰে। ওডালগুৰি জিলাৰ হৈ প্ৰতিনিধিত্ব কৰা দলটোক নেতৃত্ব দিয়ে জিলা ফেন্সিং সন্থাৰ সাধাৰণ সম্পাদক তথা মুখ্য এনআইএছ প্ৰশিক্ষক তিলক চন্দ্ৰ বড়ো, সহঃ প্ৰশিক্ষক টিকেন্দ্ৰজিৎ শৰ্মা আৰু মেনেজাৰ গোবিন্দ ৰাভাই।

## পাকিস্তানৰ বিৰুদ্ধে জয়লাভ ভাৰতৰ




**বাৰ্মিংহাম, ৩১ জুলাই ঃ** প্ৰথম মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত ভাৰতৰ মহিলা ক্ৰিকেট দলে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি আজি চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ নিজৰ দ্বিতীয়খন মেচত পাকিস্তানক পৰাস্ত কৰি আত্মবিশ্বাস বৃদ্ধি কৰিছে। উল্লেখ্য যে বৰ্ষাবিঘ্নিত মেচখনত ভাৰতৰ মহিলা ক্ৰিকেট দল আঠ উইকেটেত চমকপ্ৰদ বিজয় অৰ্জন কৰে পাকিস্তানৰ বিৰুদ্ধে। বৰষুণৰ বাবে মেচৰ অভাৰ হ্ৰাস কৰি ২০ পৰিবৰ্তে ১৮ অভাৰৰ কৰা হয়। টছত জয়ী হৈ বেটিং কৰা পাকিস্তান মহিলা দলে ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯৯ ৰাণ কৰে। দলৰ হৈ মুনীবা আলীয়ে ৩২, আলিয়া ৰিয়াজে ১৮ আৰু বিছমহ মহৰূফে ১৭ ৰাণ কৰে। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ হৈ স্নেহা ৰাণা আৰু ৰাধা যাদৱে দুটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ১০০ ৰাণৰ বিজয়লক্ষ্য লৈ বেটিং কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলে বিস্ফোৰক আৰম্ভণি কৰি ১১.৪ অভাৰতে দুই উইকেটত ১০২ ৰাণ কৰি হেলাৰঙে জয় অৰ্জন কৰে। ভাৰতৰ স্মৃতি মান্ধানাই ৪২ বলত অপৰাজিত ৬৩ ৰাণ কৰে। মান্ধানাই আঠটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰ মাৰে। তেওঁৰ লগত ইনিংছ মুকলি কৰা শ্বেফালীয়ে ১৬ ৰাণ কৰে। উল্লেখ্য যে প্ৰথম মেচত ভাৰতৰ মহিলা ক্ৰিকেট দল (১৫৪-৮) তিনি উইকেটত পৰাস্ত হৈছিল অষ্ট্ৰেলিয়াৰ (১৫৭-৭) বিৰুদ্ধে। অহা তিনি আগষ্টত বাৰ্বাডোজৰ বিৰুদ্ধে ভাৰতীয় মহিলা ক্ৰিকেট দলে তৃতীয় মেচখন খেলিব। ইফালে, এয়া পকিস্তানৰ ক্ৰমাগত দ্বিতীয় পৰাজয়। প্ৰথম মেচত পকিস্তানৰ মহিলা বাৰ্বাডোজৰ বিৰুদ্ধে পৰাস্ত হৈছিল।

## পপী হাজৰিকাৰ সপ্তম স্থান




**বাৰ্মিংহাম, ৩১ জুলাই ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকৰ পদক জয়ৰ গৌৰৱময় যাত্ৰা অব্যাহত থকাৰ সময়তে প্ৰথমটো বিফলতা লাভ কৰিলে মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাত দেশৰ হৈ খেলা অসমৰ প্ৰতিভাবান ভাৰোত্তোলক পপী হাজৰিকাই। উল্লেখ্য যে আজি হোৱা মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাৰ খেলত অসম কন্যা পপীয়ে স্নেচত ৮১ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১০২ কিলোগ্ৰামসহ মুঠ ১৮৩ কিলোগ্ৰাম উত্তোলন কৰি সপ্তম স্থানতে সন্তুষ্ট থাকে। পপীয়ে স্নেচত প্ৰথম প্ৰয়াসতে ৮১ কিলোগ্ৰাম উত্তোলন কৰিছিল যদিও পৰবৰ্তী দুটা চেষ্টাত ৮৬ কিলোগ্ৰাম ভাৰ লৈ ব্যৰ্থ হয়। আনহাতে, ক্লিন এণ্ড জাৰ্কত প্ৰথম প্ৰয়াসত ব্যৰ্থ হোৱাৰ পাছত দ্বিতীয়বাৰ ১০২ কিলোগ্ৰাম উত্তোলন কৰে যদিও অন্তিম চেষ্টাত পুনৰ ব্যৰ্থ হয়। প্ৰতিভাবান ভাৰোত্তোলক পপীৰ এয়া কেৰিয়াৰৰ প্ৰথমখন কমনৱেলথ গেমছ। ইফালে, ভাৰতৰ জ্যোৎস্না চিন্নাপ্পাই চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ মহিলাৰ একক শাখাৰ স্ক'ৱাছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। নিউজিলেণ্ডৰ প্ৰতিদ্বন্দ্বীক ১১-৮, ৯-১১, ১১-৪, ১১-৬ ত পৰাস্ত কৰে জ্যোৎস্নাই। ইয়াৰপূৰ্বে স্ক'ৱাছত ভাৰতৰ সৌৰভ ঘোষালে শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক ১১-৪, ১১-৪, ১১-৬ ৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে ছোৱালীৰ শাখাত ভাৰতৰ জ্যোৎস্নাই বাৰ্বাডোজৰ প্ৰতিদ্বন্দ্বীক ১১-৮, ১১-৯, ১২-১০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল। ইফালে, ভাৰতৰ পুৰুষ দলে লন বলৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

## আন্তঃক্লাব ফুটবল

**গুৱাহাটী, ৩১ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূঞা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত ক্ৰমে এছ টি ক্লাবে ৰেডক্ৰছ ক্লাবক ২-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইন্ট অৰ্জন কৰাৰ বিপৰীতে ৰেডিয়েণ্ট স্পৰ্টছ ক্লাব বনাম জে বি ক্লাবৰ মাজৰ খেলখন ২-২ গ'লত ড্ৰ' হয়। প্ৰথমখন খেলত এছ টি ক্লাবৰ হৈ গিৰীন্দ্ৰ হাঞ্চেয়ে গল দুটা দিয়ে। এই খেলখন পৰিচালনা কৰাত ৰেফাৰী অভিজিৎ ৰংহাঙক সহায় কৰে কৃষ্ণকান্ত দাস, ৰয়েল ইছলাম আৰু পাৰ্শজ্যোতি দাসে। আনহাতে, দ্বিতীয়খন খেলত ৰেডিয়েণ্ট স্পৰ্টছ ক্লাবৰহৈ সুমন কেম্প্ৰাই আৰু কুচ জুহেৰীয়ে গল দুটা দিয়াৰ বিপৰীতে জে বি ক্লাবৰহৈ অনুৰাগ হোকাই আৰু বিৰাজ বৰদলৈয়ে গল কৰে। এই খেলখন পৰিচালনা কৰাত ৰেফাৰী চাহজাহান আলী চৌধুৰীক সহায় কৰে পবিত্ৰ বৰা, কল্যাণ বৰুৱা আৰু ৰাজীৱ তাঁতীয়ে।

## কোৱাৰ্টাৰত পৰাস্ত হৈ বিদায় ল'লে মহিলা দলে




**বাৰ্মিংহাম, ৩১ জুলাই ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ মহিলা টেবুল টেনিছ দলে নিজৰ অভিযান সামৰিছে। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়া দলে ৩-২ ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতৰ মহিলা টেবুল টেনিছ দলক। মনিকা বাট্ৰাও পৰাস্ত হয় ৬-১১, ৩-১১, ৯-১১ ৰ ব্যৱধানত। উল্লেখ্য যে বিগত গ'ল্ডকষ্ট কমনৱেলথ গেমছত ভাৰতৰ মহিলা টেবুল টেনিছ দলে সোণৰ পদক লাভ কৰিছিল। কিন্তু এইবাৰ কোৱাৰ্টাৰ ফাইনেলতে নিজৰ অভিযান সামৰিলে। স্বাভাৱিকতে এয়া ভাৰতৰ মহিলা টেবুল টেনিছ দলৰ বাবে এক অপ্ৰত্যাশিত ফলাফল। এতিয়া পদকৰ আশা থাকিব ভাৰতৰ পুৰুষ টেবুল টেনিছ দলৰ ওপৰত। আজি হোৱা কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ পুৰুষ টেবুল টেনিছ দল মুখামুখি হয় বাংলাদেশৰ। একপক্ষীয় মেচখনত ভাৰতৰ পুৰুষ দলে ৩-০ ৰ ব্যৱধানত বাংলাদেশক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰপূৰ্বে ভাৰতৰ পুৰুষ টেবুল টেনিছ দলে ৩-০ ৰ ব্যৱধানত উত্তৰ আয়াৰলেণ্ডক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছিল। উল্লেখ্য যে ভাৰতৰ মহিলা টেবুল টেনিছ দলে প্ৰথম মেচত দক্ষিণ আফ্ৰিকাক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে ভাৰতৰ পুৰুষ টেবুল টেনিছ দলে প্ৰথম মেচত বাৰ্বাডোজক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰে।

## বেডমিণ্টনৰ কোৱাৰ্টাৰ্ত ভাৰত



**বাৰ্মিংহাম, ৩১ জুলাই ঃ** পি ভি সিন্ধু নেতৃত্বনাধীন ভাৰতীয় মিক্সড বেডমিণ্টন দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰাৰ পৰা মাত্ৰ এখোজ দুৰত আছে। উল্লেখ্য যে গ্ৰুপৰ অন্তিমখন মেচত ভাৰতীয় মিক্সড বেডমিণ্টন দলে ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। এই মেচখনত ভাৰতৰ দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুই ২১-১০, ২১-১২ ৰ ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে কিদাম্বি শ্ৰীকান্তে ২১-১৪, ২১-১৩ ৰ ব্যৱধানত জয় সাব্যস্ত কৰে। আনহাতে, ডাবলছ শাখাত চিৰাগ-সমিথ যুটিয়ে ২১-১৬, ২১-১৯ ৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হয়। কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় মিক্সড বেডমিণ্টন দল মুখামুখি হ'ব দক্ষিণ আফ্ৰিকাৰ। উল্লেখ্য যে ভাৰতীয় বেডমিণ্টন দলে প্ৰথম মেচত পাকিস্তানক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰাৰ পাছত দ্বিতীয় মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল শ্ৰীলংকাক।

## তেজপুৰত এ ডিভিজন ফুটবল লীগ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তেজপুৰ, ৩১ জুলাই ঃ** আজিৰে পৰা তেজপুৰৰ পলগ্ৰাউণ্ডত আৰম্ভ হৈছে অৰুণ চন্দ্ৰ শৰ্মা আৰু গোলাপ লতা দেৱী সোঁৱৰণী ' এ' ডিভিজন ফুটবল লীগ ।তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত এই ফুটবল প্ৰতিযোগিতাখনত অসম ৰাইফলছ, এন ই ফুটবল একাদশ,মাজগাঁও ফুটবল একাদশ, ৰাইন' ফুটবল একাদশ, সোণাবিল ফুটবল একাদশ, হকছ ফুটবল একাদশ, কলচি ফুটবল একাদশকে ধৰি মুঠ আঠ টা দলে অংশগ্ৰহণ কৰিছে। আজি লীগৰ প্ৰথমখন খেল অনুষ্ঠিত হয় ৰাইন' ফুটবল একাদশ আৰু সোনাবিল চাহবাগাচা ফুটবল একাদশৰ মাজত ।খেলখনত হেমতন আৰু কৰণ ছেত্ৰীৰ গলৰ সহায়ত ৰৰইন' একাদশে ২-০ গ'ল ৰ ব্যৱধানত জয়লাভ কৰে ।উল্লেখযোগ্য যে, তেজপুৰ জিলা ক্ৰীড়া সংস্থাৰ সভাপতি জিতেন বৰঠাকুৰ, অসম অলিম্পিক সংস্থাৰ উপ সভাপতি ঋতুবৰণ শৰ্মা,তেজপুৰ নগৰ উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ বিৰাজ নাথ,তেজপুৰ পৌৰসভাৰ সভাপতি তথা প্ৰাক্তন ৰঞ্জী খেলুৱৈ প্ৰজ্ঞানু ভট্টাচাৰ্য,তেজপুৰ জিলা ক্ৰীড়া সংস্থাৰ উপসভাপতি তথা আজিৰ 'এ' ডিভিজন ফুটবল লীগৰ দাঁতা প্ৰয়াস শৰ্মা আদিৰ উপস্থিতিত অনুষ্ঠিত লীগখনৰ আৰম্ভণিতে সদ্যসমাপ্ত যুৱ অলিম্পিকত বিভিন্ন প্ৰতিযোগিতাত অংশলৈ তেজপুৰলৈ গৌৰৱ কঢ়িয়াই অনা ৩০গৰাকী খেলুৱৈক আদৰণি জনোৱা হয়। তেজপুৰৰ এইসকল খেলুৱৈয়ে পাঁচটা সোণ, ১২টা ৰূপ আৰু ১৫টা তামৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

## দক্ষিণ কামৰূপ এ ডিভিজন লীগ

**গুৱাহাটী, ৩১ জুলাই ঃ** দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ এ ডিভিজন আন্তঃ ক্লাব লীগ ফুটবল প্ৰতিযোগিতাৰ খেলত ভলকেনো ফুটবল ক্লাব আৰু চক্ৰপাণি ফুটবল ক্লাব জয়ী হৈছে। বকো ক্ৰীড়া সন্থাৰ সহযোগত বকো হাইস্কুল খেলপথাৰত চলি থকা লীগৰ আজি প্ৰতিযোগিতাখনৰ প্ৰথম খেলত ভলকেনোই বনগাঁও স্পৰ্টছ ক্লাবক ১-০ গ'লত আৰু দ্বিতীয় খেলখনত চক্ৰপাণিয়ে নংবাগ ফুটবল ক্লাবক ৩-২ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে।

## ছাৰনথাই নাৰ্জাৰী চিৰাং জিলা ছুপাৰ ডিভিজন ফুটবল লীগৰ সামৰণি, খৌৰামদাও ক্লাব চেম্পিয়ন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বাসুগাঁও, ৩১ জুলাই ঃ** চিৰাং জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত চলা পঞ্চদশ ছাৰনথাই নাৰ্জাৰী সোঁৱৰণী ছুপাৰ ডিভিজন ফুটবল লীগত ঢালিগাঁৱৰ খৌৰামদাও ক্লাব চেম্পিয়নৰ সন্মান অৰ্জন কৰে।কাজলগাঁওস্থিত উদাংশ্ৰীনি আলাৰী প্ৰেমসিং ব্ৰহ্ম ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ চূড়ান্ত খেলখনত খৌৰামদাও ক্লাবে ৰুণীখাটা ইউনাইটেড এফ চিক ৩-০ গ'লত পৰাজিত কৰে। বিজয়ী দলৰ গৌমথাও ব্ৰহ্ম শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে।আজিৰ খেলত জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা স্থানীয় বিধায়ক জয়ন্ত বসুমতাৰী, বি টি চিৰ ক্ৰীড়া বিভাগৰ মুৰব্বী জ্যোৎস্নাৰতী বসুমতাৰী, অসম ফুটবল সন্থাৰ কাৰ্যকৰী সদস্য মনোলাল বসুমতাৰী, প্ৰয়াত ছাৰনথাই নাৰ্জাৰীৰ সহধৰ্মিনী আৰু পুত্ৰ ক্ৰমে ৰেহুলা নাৰ্জাৰী আৰু ফুংকা নাৰ্জাৰী, কোকৰাঝাৰৰ ডি টি অ' সোমেশ্বৰ মুছাহাৰী, চিৰাং জিলা ক্ৰিকেট সন্থাৰ কাৰ্যকৰী সভাপতি প্ৰণৱ বসুমতাৰী উপস্থিত থাকে ।খেলখন পৰিচালনা কৰে হাবিব ৰাবীয়ে। লাইনত সহায় কৰে দুলুংগা বিছমিথ আৰু ৰাজেশ টুডুৱে। চতুৰ্থ ৰেফাৰী আছিল সৌমখৌৰ দৈমাৰী।

## কামৰূপ জিলা আন্তঃক্লাব লীগৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, শুৱালকুছি, ৩১ জুলাই ঃ** কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু শুৱালকুছি ক্ৰীড়া সন্থাৰ সহযোগত অহা ৯ জুলাইৰ শুৱালকুছিত অনুষ্ঠিত হ'ব কামৰূপ জিলা ভিত্তিত আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতা ।তাৰ পৰিপ্ৰেক্ষিতত প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে কামৰূপ জিলাৰ অন্তৰ্গত ক্লাবসমূহক ৫ তাৰিখৰ পূৰ্বে খেলুৱৈ তালিকাসহ যোগদান নিশ্চিত কৰিবলৈ উদ্যোক্তা সকলে অনুৰোধ জনাইছে। সবিশেষৰ বাবে ৮৬৩৮২৩২৯১১, ৯৮৬৪৭৯৬১৭৮ আৰু ৮৭২১৯২২৭৩০ নম্বৰত দলসমূহে যোগাযোগ কৰিব পাৰিব বুলি উদ্যোক্তাই জনাইছে।

## কঁঠালগুৰিৰ জয়

**গুৱাহাটী, ৩১ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগত কঁঠালগুৰি এফ চি দলে সম্পূৰ্ণ পইন্ট অৰ্জন কৰিছে । আজিৰ খেলত দলে নাগাজাংকা চাহ বাগিচা ফুটবল দলক ৬-০ গ'লত বিধ্বস্ত কৰে । আজিৰ জয়ৰ সূত্ৰে কঁঠালগুৰিয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা অধিক সজীৱ কৰি তুলিলে । বিজয়ী দলৰ হৈ যোগেশ গোৱালাই তিনিটা তথা হৰেন গোৱালাই দুটা আৰু দিবাকৰ কালিন্দীয়ে এটা গ'ল দিয়ে। খেলখন পৰিচালনা কৰে প্ৰাঞ্জল পাওগাম, কল্লোল দেৱ, জয়ন্ত চেতিয়া আৰু এনেম মুণ্ডাই। কাইলৈ খেল ঃ হাতীপট্টী চাহ বাগিচা ফুটবল দল বনাম বাঁহনি চাহ বাগিচা ফুটবল দল।

## ৰেডিয়েণ্ট ক্লাবৰ জয়

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ৩১ জুলাই ঃ** নগাঁও নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ক্ৰীড়া সংস্থাৰ চলিত বৰ্ষৰ নৱ কুমাৰ ভূঞা তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাৰ আজি দুখন খেল অনুষ্ঠিত হয়। ইয়াৰে প্ৰথমখন খেলত এছ টি ক্লাবে ৰেড ক্ৰছক্লাবক ২-০ গ'লত পৰাস্ত কৰে। এছ টিৰ হৈ দুয়োটা গ'লেই দিয়ে গিৰীন্দ্ৰ হাঙ্গেই ক্ৰমে ৬৫ আৰু ৮৭ মিনিটত। ইপিনে দিনটোৰ আনখন খেলত ৰেডিয়েণ্ট স্পৰ্টছ ক্লাব আৰু জে বি ক্লাবৰ মাজত অনুষ্ঠিত খেলখন ২-২ গ'লত ড্ৰ হোৱাত লীগৰ পঞ্জইন্ট দুয়োটা দলে সমানে ভগাই লয়। ৰেডিয়েণ্টৰ হৈ চুমন কেমপ্ৰাইয়ে ২৭ আৰু কুশ্চ জঞ্জওৱীয়ে ৬৪ মিনিটত গ'ল দিয়াৰ বিপৰীতে জে বিৰ অনুৰাগ হুকাইয়ে ৩৬ আৰু ধীৰাজ বৰকটকীয়ে ৫৯ মিনিটত গ'ল পৰিশোধ কৰে।

## ভাৰতৰ মহিলা হকী দলৰ জয়




**বাৰ্মিংহাম, ৩১ জুলাই ঃ** ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত ক্ৰমাগত দ্বিতীয় বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। গ্ৰুপৰ দ্বিতীয়খন মেচত ভাৰতৰ মহিলা হকী দলে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৱেলছক। ভাৰতীয় দলৰ হৈ বন্দনা কাটাৰিয়াই দুটা আৰু গুৰজিত কৌৰে এটা গ'ল দিয়ে। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতৰ মহিলা হকী দলে প্ৰথম মেচত ৫-০ গ'লৰ ব্যৱধানত ঘানাক পৰাস্ত কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছিল। টকিঅ' অলিম্পিকত ছেমিফাইনেল খেলি চমক সৃষ্টি কৰা ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত পদক জয়ৰ লক্ষ্য লৈছে। ইফালে, ভাৰতৰ পুৰুষ হকী দলে আজি বাৰ্মিংহাম কমনৱেলথ গেমছত নিজৰ অভিযান আৰম্ভ কৰে ঘানাৰ বিৰুদ্ধে খেলি।

## হিজুগুৰিত ফুটবল প্ৰশিক্ষণ শিবিৰ সামৰণি



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, চাবুৱা, ৩১ জুলাই ঃ** লাইপুলি ক্ৰীড়া মঞ্চৰ উদ্যোগত ১৫ তাৰিখৰ পৰা ৩০ জুলাই তাৰিখলৈকে অনুষ্ঠিত হোৱা বিনামূলীয়া ফুটবল প্ৰশিক্ষণ শিবিৰ আজি সামৰণি পৰে। উক্ত সামৰণী অনুষ্ঠানটিৰ আঁত ধৰে লাইপুলি ক্ৰীড়া মঞ্চৰ সভাপতি অসমী ৰাজখোৱাই। উক্ত অনুষ্ঠানত উপস্থিত থাকে প্ৰশিক্ষক দীপজ্যোতি বুঢ়াগোহাঁই, সমন্বয় সমাজ কল্যাণ যুৱ সন্থাৰ সম্পাদক শীৰ্ষজ্যোতি নেওগ (প্ৰাঞ্জল) , উদ্দীপ্ত ক্লাবৰ সম্পাদক গিৰিণ বৰপাত্ৰগোঁহাই, সম্প্ৰীতি স্পৰ্টছ একাডেমিৰ ক্ৰীড়া সম্পাদক হিৰকজ্যেতি ফুকন, সমন্বয় সমাজ কল্যাণ যুৱ সন্থাৰ লাইপুলি সমিতিৰ সভাপতি মন্টু মাউত, সম্পাদক দীপাংকৰ বড়া, বিত্ত সম্পাদক পিংকু বড়া, লাইপুলি ক্ৰীড়া মঞ্চৰ সম্পাদক দুলেন নেওগ, ক্ৰীড়া সম্পাদক বুবু বৰপাত্ৰগোঁহাইৰ লগতে বহুকেইজন খেলুৱৈ প্ৰাক্তন খেলুৱৈ উপস্থিত থাকে। ৩১ জুলাইত হিজুগুৰি খেলপথাৰত লাইপুলি ক্ৰীড়া মঞ্চৰ দ্বাৰা প্ৰশিক্ষণ লোৱা খেলুৱৈসকল আৰু হিজুগুৰি কচিং চেন্টাৰ খেলুৱৈসকলৰ মাজত এখনি প্ৰীতিমূলক ফুটবল প্ৰতিযোগিতাত অনুষ্ঠিত হয়। উক্ত ফুটবল প্ৰতিযোগিতাত লাইপুলি ক্ৰীড়া মঞ্চৰ দ্বাৰা প্ৰশিক্ষণ লোৱা খেলুৱৈ সকলে ৪-১ গলৰ ব্যৱধানত হিজুগুৰি কচিং চেন্টাৰ দলটিক পৰাভূত কৰে।



*কমনৱেল্‌থ গেমছত পাকিস্তান আৰু ভাৰতৰ মাজত অনুষ্ঠিত খেলৰ এটি মুহূৰ্ত*

## হোজাইৰ মৰ্কজ একাডেমিত অধ্যয়নৰত মৰাণৰ দশম শ্ৰেণীৰ ছাত্ৰৰ মৃত্যুক লৈ চাঞ্চল্য

# বিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে সৰৱ, আত্মীয়ৰ মতে এয়া হত্যাকাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৩১ জুলাই ঃ** হোজাইৰ মৰ্কজ একাডেমি স্কুলত দশম শ্ৰেণীত অধ্যয়নৰত ডিব্ৰুগড় জিলাৰ মৰাণৰ এগৰাকী ছাত্ৰৰ মৃত্যুক লৈ আজি হোজাইত চাঞ্চল্যৰ সৃষ্টি হয়। জানিব পৰা মতে মৰাণৰ ফাৰহাজ হুছেইন (পিতা: আব্দুল হামিদ) নামৰ ছাত্ৰজন মৰ্কজ একাডেমিত হোষ্টেলত থাকি দশম শ্ৰেণীত অধ্যয়ন কৰি আছিল। ছাত্ৰজনক আজি সংকটজনক অৱস্থাত হোজাইৰ হাম হাস্পাতালত নিয়াত চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইয়াৰ পিছত ছাত্ৰজনৰ হোজাইত থকা আত্মীয়ই হাস্পাতালৰ লগতে স্কুল চৌহদত এক হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰে। হোজাইৰ সামাজিক সংগঠন



মৰ্কজুল মা'আৰিফৰ দ্বাৰা পৰিচালিত স্কুলখনত অধ্যয়নৰত ফাৰহাজ হুছেইনৰ সৈতে কি ঘটনা ঘটিল যে ছাত্ৰজনে মৃত্যুক আঁকোৱালি ল'লে তাকে লৈ স্কুল কৰ্তৃপক্ষ আৰু অভিভাৱকৰ ভিন্ন মত দেখা গৈছে। স্কুল কৰ্তৃপক্ষই দাবী কৰা মতে, শিক্ষামূলক কাৰ্যসূচী লৈ স্কুলৰ আবাসিক ছাত্ৰসকলৰ দহ-পোন্ধৰজনীয়া গোট মাজে মাজে দুজন শিক্ষকৰ তত্ত্বাৱধানত ফুৰিবলৈ যায়। মৰাণৰ ফাৰহাজ অন্য যোল্লজন ছাত্ৰৰ সৈতে শনিবাৰে হোজাই চহৰৰ গাতে লাগি থকা জালালনগৰ এলেকাত গৈছিল। মছজিদত ৰাতিটো থাকি আজি পুৱা এঘাৰমান বজাত ওলাই অহাৰ পূৰ্বে মছজিদৰ পুখুৰীত সাতুৰিবলৈ গৈ ফাৰহাজ হুছেইন ডুবি যায়। লগে লগে ছাত্ৰজনক স্থানীয় ৰাইজে হাম হস্পাতাললৈ নিয়াত চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইফালে ছাত্ৰজনৰ আত্মীয়ই কৰা অভিযোগ মতে, ছাত্ৰজনক হোষ্টেলত মৰিয়াই হত্যা কৰি হাস্পাতাললৈ অনা হৈছে। ছাত্ৰজনৰ শৰীৰত আঘাতৰ দাগ থকা বুলি পৰিয়ালৰ লোকে অভিযোগ কৰে। তেওঁলোকে আনকি স্কুলত পঢ়িবলৈ দিয়া ছাত্ৰজন মছজিদ গৈ কেনেকৈ পালে সেই প্ৰশ্নও উত্থাপন কৰিছে। ইফালে সাংবাদিকৰ দলে হোজাই গীতাশ্ৰমৰ পিছফালে থকা মছজিদ ভ্ৰমণ কৰি পুখুৰীটো পৰিদৰ্শন কৰি ৰাইজৰ ভাষ্য লয়। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে মৰ্কজ একাডেমিৰ ছাত্ৰৰ ১২য১৪ জনীয়া গোটটো গা ধুবলৈ পুখুৰীত নামিছিল। লগৰবোৰে সাতুৰিবলৈ লওতে ফাৰহাজ হুছেইন ডুবিবলৈ ধৰে। তেতিয়া লগৰ ছাত্ৰসকলে চিঞৰ বাখৰ কৰাত সেই মছজিদত ভাড়াতীয়া হিচাপে থকা এজন ছাত্ৰই ফাৰহাজক তুলি আনে। সেই ছাত্ৰজনে সাংবাদিকক কয় যে, সাতুৰিবলৈ নমা মৰ্কজ একাডেমিৰ ছাত্ৰই তেওঁক চিঞৰি চিঞৰি মতাতহে সহায় কৰিবলৈ আহে।ইফালে ছাত্ৰজনৰ পিতৃ-মাতৃ ডিব্ৰুগড়ৰ পৰা আহি পাওতে দেৰি হ'ব, সেয়ে হোজাই আৰু ডবকাত থকা ফাৰহাজৰ আত্মীয়ই হাম চিকিৎসালয় আৰু স্কুল চৌহদত উপস্থিত হৈ স্কুল কৰ্তৃপক্ষৰ লগত উত্তপ্ত বাক্য বিনিময় কৰা দেখা যায়। দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰসকল পৰিয়ালৰ অনুমতি অবিহনে এইদৰে হোষ্টেলৰ পৰা কেনেকৈ ওলাই গ'ল, সেয়া ৰহস্যজনক হৈ পৰিছে। ছাত্ৰসকলক বাহিৰলৈ পঠিয়াবলৈ স্কুল কৰ্তৃপক্ষই যথোপযুক্ত পদ্ধতি অৱলম্বন কৰিছিল নে নাই, যদি কৰা নাছিল তেন্তে তাৰ বাবে দায়ী কোন, সেয়া সঠিক তদন্ততহে ওলাই পৰিব। স্কুলত অধ্যয়ন কৰিবলৈ দিয়া ছাত্ৰজনক মছজিদলৈ ৰাতিটো থাকিবলৈ কিয় পঠিয়াই দিয়া হৈছিল? সঠিক তদন্ততহে ওলাব। ইতিমধ্যে হোজাই আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক তদন্ত সম্পূৰ্ণ কৰিছে।



*অনুসূয়া ডেন্স একাডেমীৰ শিক্ষাৰ্থীৰ ভাৰত নাট্যম নৃত্য পৰিৱেশন, শ্ৰীশ্ৰী মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত দেওবাৰে*

## ১৯৯৬ চনত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত অসমৰ ভিতৰত ষষ্ঠ স্থানপ্ৰাপ্ত নগাঁৱৰ মেধাৱী ছাত্ৰ বৰ্তমান জটিল ৰোগত আক্ৰান্ত

# সংবাদ মাধ্যমত ৰূপজ্যোতিৰ খবৰ লাভৰ পিছত উপস্থিত হ'লগৈ নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা

### সমগ্ৰ বিষয়টো মুখ্যমন্ত্ৰীক অৱগত কৰি ৰূপজ্যোতিক স্বাস্থ্যৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান বিধায়ক শৰ্মাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩১ জুলাই ঃ** নগাঁও জিলাৰ ৰহা সমষ্টিৰ অন্তৰ্গত বেবেজীয়াৰ মাহৰিআটিৰ এজন উচ্চ শিক্ষাৰে শিক্ষিত যুৱক ৰূপজ্যোতি বেজবৰা। এইগৰাকী যুৱকে ১৯৯৬ চনত নগাঁও মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত ৰূপজ্যোতিয়ে অসমৰ ভিতৰতে লাভ কৰিছিল ষষ্ঠ স্থান। ১৯৯৯ চনত কটন কলেজৰ পৰা মেজৰসহ স্নাতক ডিগ্ৰী লাভ কৰি ২০০২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিও প্ৰচুৰ মেধাসম্পন্ন ছাত্ৰ ৰূপজ্যোতিয়ে যোগাৰ কৰিব নোৱাৰিলে এটা চৰকাৰী চাকৰি। ফলত মানসিকভাৱে ভাগি পৰে ৰূপজ্যোতি। ব্যৱসায় কৰিবলৈও হাতত নাই ধন। এনে সময়তে মানসিকভাৱে ভাগি পৰা উচ্চ শিক্ষাৰে শিক্ষিত ৰূপজ্যোতিৰ জীৱনলৈ নামি আহিল ঘোৰ অমানিশা। Spondylopathies নামৰ এক জটিল ৰোগত আক্ৰান্ত হ'ল যুৱকজন। উপাৰ্জন বুলিবলৈ ঘৰখনতো কাৰো একো নাই। ৰূপজ্যোতিৰ পিতৃ দেৱেন বেজবৰাৰ ২০১৮ বৰ্ষতে মৃত্যু ঘটিছিল। মাটি বিক্ৰী কৰি মাতৃ আৰতি বেজবৰাই যিমান পাৰে সিমান পুত্ৰক সুস্থ কৰিবলৈ চিকিৎসা কৰিছিল। বৰ্তমান সৰ্বস্বান্ত হোৱা ৰূপজ্যোতিৰ পৰিয়ালে ধনৰ অভাৱত চিকিৎসকৰ ওচৰলৈ নিব পৰা নাছিল ৰূপজ্যোতিক। ৰূপজ্যোতিৰ শেষ আশা আছিল অসম চৰকাৰ আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ইপিনে, ৰূপজ্যোতিৰ সমগ্ৰ ঘটনা সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পাছত আজি এসময়ৰ মেধাৱী ছাত্ৰগৰাকীৰ ঘৰত গৈ উপস্থিত হয়গৈ নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা। বিধায়কগৰাকীয়ে ৰূপজ্যোতিৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে স্বাস্থ্যৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে। বিধায়কগৰাকীয়ে আজি ৰূপজ্যোতি বেজবৰাৰ বাসগৃহত উপস্থিত হৈ কয় যে শেহতীয়াকৈ বিভিন্ন সংবাদমাধ্যমৰ জৰিয়তে এসময়ৰ মেধাৱী ছাত্ৰগৰাকী এক জটিল ৰোগত আক্ৰান্ত হৈছে বুলি জানিব পাৰি ৰূপজ্যোতিৰ বাসগৃহত উপস্থিত হওঁগৈ। ৰূপজ্যোতিৰ স্বাস্থ্য সম্পৰ্কে বুজ লৈ তেওঁৰ সৈতে মত বিনিময় কৰি বৰ্তমান যথেষ্ট কষ্টকৰ জীৱন কটোৱাৰ বিষয়ে জানিব পাৰোঁ। এসময়ৰ মেধাৱী ছাত্ৰগৰাকীয়ে সেই সময়ত উচ্চ শিক্ষাৰে শিক্ষিত হোৱাৰ পাছতো চৰকাৰী চাকৰিৰ মেৰপেঁচৰ বাবেই অপমৃত্যু ঘটিছিল মেধাৰ। পৰৱৰ্তী সময়ত এক জটিল ৰোগত আক্ৰান্ত হৈ পৰা ৰূপজ্যোতিয়ে ধনৰ অভাৱত উন্নত চিকিৎসাৰ পৰাও বঞ্চিত হৈ পৰে। আজি ৰূপজ্যোতিৰ বিষয়ে সকলো জানিব পাৰি সমগ্ৰ বিষয়টো মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰি ৰূপজ্যোতিৰ স্বাস্থ্যৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰোঁ। আশাকৰোঁ উন্নত চিকিৎসাৰ জৰিয়তে ৰূপজ্যোতি সুস্থ হৈ উঠিব। বিধায়কগৰাকীয়ে লগতে অতি সোনকালেই ৰূপজ্যোতিৰ চিকিৎসাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও উল্লেখ কৰে।

## লাহৰীঘাটত ষ্টোৰৰ উদ্বোধন

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ৩১ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আজি এমাজন ইজী ষ্টোৰৰ শুভ উদ্বোধন কৰা হয়। সন্ধিয়াত উদ্বোধন কৰা এমাজন ইজী ষ্টোৰৰ জৰিয়তে মানী ট্ৰেন্সপাৰৰ লগতে সকলো ধৰণৰ অনলাইন কাম কাজ আদি উপলব্ধ হব বুলি ষ্টোৰৰ স্বত্বাধিকাৰী আমৰুল হুছেইনে জনাইছে। লাহৰীঘাটৰ হুছেইন বুক ষ্টলৰ লগতে অৱস্থিত উক্ত এমাজন ইজী ষ্টোৰত যিকোনো কুৰিয়াৰৰ সুবিধাও উপলব্ধ হব বুলিও জানিব পৰা গৈছে। এমাজন ইজী ষ্টোৰৰ শুভ উদ্বোধন কৰে পশ্চিম দাতিয়ালবড়ী জামে মছজিদৰ ঈমাম মৌলানা ছোৰহাব আলীয়ে। আমন্ত্ৰিত অতিথি হিচাপে বিশিষ্ট সমাজ সেৱক হাৰুণ উল ৰাশিদ খান, ইলেকট্ৰনিক বয়বস্তু বিক্ৰি কৰা সফল ব্যৱসায়ী ৰাজাউল হক, জেষ্ঠ নাগৰিক চান্দ মামুদদেৱো উপস্থিত থাকে। ইয়াৰ লগে লগে লাহৰীঘাট বাসী ৰাইজৰ অন লাইন শ্বপিং কৰা অথবা সকলো ধৰণৰ অনলাইন কাম কাজ কৰা গ্ৰাহকসকলৰ এটা বৰ্তমান সময়ৰ সমস্যাৰো সমাধান ঘটিল।

## নগাঁও জামুগুৰিৰ সৰ্বজনীন গৰখীয়া থানত ৫০০খন শৰাইৰে উজ্জ্বলি উঠিল 'শৰাই এদিন আৰু গৰখীয়া সৱাহ'

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আছিল বৃহৎ অসমীয়া জাতি সত্বাৰ আলোকস্তম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাজৰি, ৩১ জুলাই ঃ** অসমীয়াৰ নতুন যুগস্ৰস্তা, সৰ্বকালৰ সৰ্বশ্ৰেষ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী প্ৰতিভাৰ দ্বাৰা নিগৰিত মহান অৱদান সমূহে অসমীয়াৰ আত্মপৰিচয়ৰ প্ৰধান উপজীব্য। মহাপুৰুষ গুৰুজনা হ'ল বৃহৎ অসমীয়া জাতিসত্তাৰ এক আলোকস্তম্ভ। এই মন্তব্য কৰে মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যাপক তথা নিবন্ধকাৰ ড০ বুধেন কুমাৰ শইকীয়াই। কালিৰে পৰা নগাঁও জিলাৰ জামুগুৰিৰ ঐতিহ্যমণ্ডিত "সৰ্বজনীন গৰখীয়া থানত" অনুষ্ঠিত হোৱা ২৮ তম বাৰ্ষিক সেৱা "শৰাই'ৰ এদিন আৰু গৰখীয়া সৱাহ" উৎসৱ ভাগত ভাগৱতপাঠ উন্মোচন কৰি ড০ শইকীয়াই কয় যে আৰু আজিৰ বিশ্বায়নৰ যুগত মানুহৰ যি গতিময়তা, চিন্তাৰ উচ্চতা আৰু নতুনত্বৰ প্ৰকাশ ঘটিছে সেয়া পঞ্চদশ শতিকাতে গুৰুজনাই জাতিটোক দি কৈছে এক ক্লাচিকৰূপত। কাৰ্য্যসুচী অনুসৰি কালি পুৱা ৭ বজাত পৰিৱেশ নিকাকৰন, ৭:৩০ বজাত মনিকূটত বন্তি প্ৰজ্বলনেৰে উৎসৱৰ শুভাৰম্ভ কৰে থানঘৰীয়া টংকেশ্বৰ নাথে, ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰে উৎসৱ উদযাপন সমিতিৰ সভাপতি শুকুৰাম বৰুৱাই । তাৰ পাছতে স্মৃতি তৰ্পন, খোল - প্ৰসংগ আৰু নাম কীৰ্তন আৰু দুপৰীয়া ১২ বজাত ভাগৱত পাঠ আৰু বাখ্যা ৰ উদ্বোধন কৰে মৰিগাঁও মহাবিদ্যালয়ৰ প্ৰৱক্তা ড০ বোধেন কুমাৰ শইকীয়াই। সন্ধ্যা ৬:৩০ বজাত সমূহীয়া বন্তি প্ৰজ্বলন, নিশা ৯:৩০ বজাত আপ্যায়নেৰে কালিৰ কাৰ্য্যসুচী পৰিসমাপ্তি ঘটাৰ পিছত আজি দেউবাৰে পুৱা ৪ বজাত ভাগৱত পাঠৰ সামৰণি, ৮ বজাত সেৱকীসকলৰ ৫০০ খন শৰাই উচৰ্গা, ৯:৩০ বজাত খোল আৰু নাম প্ৰসংগ, দুপৰীয়া ১২ বজাত নগাঁও- মৰিগাঁৱৰ ভক্ত বৈষ্ণৱৰ দ্বাৰা মহানাম আৰম্ভ, বিয়লি ৫ বজাত মহানাম সামৰনি, প্ৰসাদ বিতৰন আৰু সমূহীয়া ঘোষাৰে অনুষ্ঠানৰ সামৰণি পৰে বুলি উদযাপন সমিতিয়ে জনাইছে।




## সাপেখাতী লেখিকা সংস্থাৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, সাপেখাতী, ৩১ জুলাই ঃ** সাপেখাতী উন্নয়ন খণ্ড প্ৰাথমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত লেখিকা সংস্থা সাপেখাতী শাখাৰ এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। সাপেখাতী লেখিকা সংস্থা সাপেখাতী শাখাৰ সম্পাদিকা ইভা হাজৰিকাই আঁত ধৰা সভাখনিৰ সভা নেত্ৰীৰ আসন গ্ৰহণ কৰে ৰাণু ফুকনে। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বৰহাট শাখা লেখিকা সংস্থাৰ সভানেত্ৰী অমিয়া গগৈ সোণোৱাল, কেন্দ্ৰীয় সমিতিৰ বিউটি তালুকদাৰে কয় যে সাহিত্য চৰ্চ্চাইহে মানুহৰ মনত অনাবিল শান্তি দিব পাৰে, গৃহিনী সকলৰ লগতে উঠি অহা প্ৰজন্মক যদি সৃষ্টিৰ বাবে এখন মঞ্চ দিব পাৰি নিশ্চয় ভাষা সংস্কৃতিৰ লগতে মানসিক বৌদ্ধিকভাৱে সমাজখন উন্নতিত সহায়ক হব। উক্ত সভাতে কৰুনা বড়া, নলিনী আইদেউ, লাবণ্য চলিহা, নাজনীন বেগম, ৰুবী হাজৰিকা, কুঞ্জ বৰুৱা, দেৱজ্যোতি ফুকন, ৰুবী ভূঞা চিনু গগৈ দুলাকাষৰীয়া, স্মৃতি গগৈ বৰ্ণালী বৰুৱাৰ লগতে বহুকেইগৰাকী মহিলা উপস্থিত থাকি সংস্থাটোৰ সাংগঠনিক অৰ্থনৈতিক তথা প্ৰচাৰ আৰু প্ৰসাৰৰ ওপৰত মন্তব্য প্ৰদান কৰে।

## কামপুৰ প্ৰিণ্ট মিডিয়া এছ'চিয়েছনৰ প্ৰতিষ্ঠা দিৱস পালন

### এজেণ্ট, হকাৰক সম্বৰ্ধনা, নিলাচল প্ৰদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩১ জুলাই ঃ** কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি কামপুৰ প্ৰিণ্ট মিডিয়া এছ'চিয়েছনৰ প্ৰতিষ্ঠা দিৱসটি পালন কৰা হয়। এছ'চিয়েছনৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক সভাৰাম মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ উদ্দেশ্য বাখ্যা কৰে সম্পাদক সমৰেন্দ্ৰ নাৰায়ণ বৰাই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি 'ডিজিটেল মিডিয়াৰ গ্ৰাসত ছপা মাধ্যম' শীৰ্ষক এখনি আলোচনা চক্ৰ অনুষ্ঠিত হয়। অতি গাম্ভীৰ্যপূৰ্ণ এই আলোচনা চক্ৰখনিত অৱসৰপ্ৰাপ্ত অধ্যক্ষদ্বয় পুনিৰাম শইকীয়া, নাথুৰাম বৰা, কামপুৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত গোস্বামী, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভাপতি ৰাজু বৰা, সাহিত্যক পেঞ্চনাৰ মোলান লস্কৰ, সাংবাদিক পেঞ্চনাৰ নলিনী বৰঠাকুৰ, সমাজকৰ্মী যতিন বৰা, যুগল বৰা, ছাত্ৰ নেতা প্ৰকাশ ভূঞাকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰে। আটাইকেইজন বক্তাই সমাজত বাতৰি কাকতৰ উত্তৰণৰ ওপৰত আলোকপাত কৰে। ডিজিটেল মিডিয়াই কেতিয়াও ছপা মাধ্যমক গ্ৰাস কৰিব নোৱাৰে বুলি কৈ নৱ প্ৰজন্মক বাতৰি কাকতৰ প্ৰতি আকৰ্ষিত কৰিবলৈ অভিভাৱকঞ্জ তথা ৰাইজলৈ আহ্বান জনায়। উল্লেখ্য যে, আজিৰ এই সভাতেই কৃষক নেতা ৰাজু বৰাই তাহানিৰ 'নীলাচল' বাতৰি কাকতকে ধৰি অসমৰ বহু কেইখন পুৰণি বাতৰি কাকত ভাষণৰত অৱস্থাতে উপস্থিত ৰাইজক প্ৰদৰ্শন কৰে। এই সভাতেই কামপুৰ প্ৰিণ্ট মিডিয়া এছ'চিয়েছনৰ তৰফৰ পৰা অঞ্চলটোৰ পুৰণি বাতৰি কাকতৰ এজেণ্ট অমিয় বৰা, জ্যোতি প্ৰসাদ শৰ্মা আৰু ৰ'দ-বৰষুণো নেওচি অশেষ কষ্টৰে ঘৰে ঘৰে বাতৰি কাকত বিতৰণ কৰা তিনিগৰাকী হকাৰ ক্ৰমে লক্ষ্য বৰা (অকনি), অনন্ত ডেকা আৰু শুক্লেশ্বৰ দাসকো ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে, কামপুৰ প্ৰিণ্ট মিডিয়া এছ'চিয়েছনৰ তৰফৰ পৰা কামপুৰ অঞ্চলৰ দুগৰাকী দুখীয়া ছাত্ৰ-ছাত্ৰীক প্ৰতি মাহে জলপানি দিয়াৰ ব্যৱস্থা কৰে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি